1964
25
89

# শিৱসাগৰ ছোৱালী কলেজ

# আলোচনী

1994 - 95







১৯৯৪-৯৫
বৰ্ষ





সম্পাদনা ঃ
নন্দিতা গগৈ

# শিৱসাগৰ ছোৱালী কলেজ

# আলোচনী

SIBSAGAR GIRLS COLLEGE LIBRARY ★ SIVASAGAR ASSAM ★

সম্পাদনাত ঃ

নন্দিতা গগৈ

১৯৯৪-৯৫ বৰ্ষ

*The Sibsagar Girls College Magazine for 1994-95 session. Published by the General Secretary, Sibsagar Girls College Students Union, Sibsagar and edited by Miss Nandita Gogoi. Printed at M/s Printwo ks Shankar Mandir Road, Sibsagar.*

**সম্পাদনা সমিতি :**

অধ্যক্ষ মঃ হাফিজুৰ ৰহমান— সভাপতি
অধ্যাপক শ্ৰীসোণাৰাম বৰুৱা— উপদেষ্টা
অধ্যাপিকা শ্ৰীযমুনা বৰগোহাঞি— ,,
অধ্যাপিকা মনোৱাৰা বেগম— ,,
শ্ৰীমতী বিভা বৰঠাকুৰ— সাধাৰণ সম্পাদিকা
শ্ৰীমতী নন্দিতা গগৈ— আলোচনী সম্পাদিকা
ছাত্ৰী একতা সভা

**বেটুপাত অঙ্কন :**

ৰামা খাউণ্ড
শিৱসাগৰ

**মুদ্ৰন :**

প্ৰিণ্টৱৰ্কস,
শঙ্কৰ মন্দিৰ পথ
শিৱসাগৰ ( পিন- ৭৮৫৬৪০ )
দূৰভাষ- ২২২০৮



# সম্পাদকীয়

আজি আমি যিখন অনুশাসনহীন সমাজত জটিল জীৱন-বোধেৰে বসবাস কৰিছো তাত হেৰাই গৈছে আমাৰ জাতীয় জীৱনৰ প্ৰমূল্যবোধ নানা সমস্যাৰে জৰ্জৰিত সমাজখন সৰ্ব্বাঙ্গ সুন্দৰ কৰিবলৈ আমি কি পদক্ষেপ লব পাৰো— এইয়া এক জটিল প্ৰশ্ন।

**শত পুষ্প বিকশিত হওক—** এখন ফুলনিত কেৱল এটা ৰঙৰ নাইবা একবিধ জাতৰ ফুল ফুলিলে ফুলনিখনৰ শোভা বৰ্দ্ধন নহয়; বিভিন্ন ৰঙৰ আৰু বিভিন্ন জাতৰ ফুল ফুলিলেহে ফুলনিখন জাতিষ্কাৰ হৈ উঠে। আমাৰ অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ মাজত বাবে বহণীয়া কৃষ্টি-সংস্কৃতি বিৰাজমান। এই প্ৰত্যেকটো জন-গোষ্ঠীৰে সংস্কৃতিসমূহ একত্ৰিত হ'লেহে অসমীয়া সংস্কৃতিৰ ফুলনিখন জাতিষ্কাৰ হৈ উঠিব। কাৰণ প্ৰত্যেক জনগোষ্ঠীৰে নিজস্ব কৃষ্টি-সংস্কৃতি, ৰীতি-নীতি, পৰম্পৰা আৰু জীৱন ধাৰণৰ পদ্ধতি আছে। সকলো জাতিৰ সংস্কৃতিৰ সু-সমন্বয়তহে গঢ়ি উঠে এটা সৰ্ব্বাঙ্গ সুন্দৰ সংস্কৃতি। ইয়াৰ মাজত ভালখিনি গ্ৰহণ কৰি, বেয়াখিনি বৰ্জন কৰিলে সংস্কৃতি সংস্কৃতকৰণ কৰা হয়। সুকীয়া সুকীয়াকৈ সংস্কৃতিৰ স্বৰূপ উপলব্ধি কৰিব নোৱাৰি। সেই হেতুকে সংস্কৃতিৰ ফুলনিখনত শত পুষ্প বিকশিত কৰাবৰ বাবে আমি চেষ্টা কৰিব লাগিব।

**পাহাৰ ভৈয়াম একে কৰা ৰামধেনুৰে ৰেখা—** ৰামধেনুৱে বিচিত্ৰ ৰঙৰ বৰ্ণালী তুলি পাহাৰ ভৈয়াম একাকাৰ কৰে। ৰামধেনুখন যেন সমন্বয়ৰ সাঁকো। ঠিক সেইদৰে আমাৰ মাজত থকা জাতি-গোষ্ঠীৰ বিভেদকামী মনোভাৱৰ বীজ আঁতৰাই ঐক্যৰ সেঁতু বান্ধিব লাগিব।

কাৰণ বিভিন্ন জাতি-উপজাতি, নানা ধৰ্ম্মাৱলম্বী লোকে লোকাৰণ্য অসমখন বৈচিত্ৰ্যৰে ভৰপূৰ। এইখন অসমৰে শাৰী শাৰী পৰ্ব্বতৰাজিয়ে আমাক সুৰক্ষা দিয়ে, সাগৰৰ বিশাল বুকুত লীনযোৱা নৈ-উপনৈ, নৈৰ বুকুত লীনযোৱা জান-জুৰি- নিজৰাই আমাক শিকায় সমন্বয়ৰ কথা, সেউজীয়া অৰণ্যবোৰে শিকায় উদাৰতাৰ কথা, মুক্ত আকাশখনে শিকায় বিশালতাৰ কথা, অসমৰ মাজ-মজিয়াইদি বৈ যোৱা মহাবাহু ব্ৰহ্মপুত্ৰই আমাক সোঁৱৰাই দিয়ে ঐতিহ্যৰ কথা। গতিকে, এইবিলাকেৰে মহিমামণ্ডিত হৈ আমিও নানা জাতি-উপজাতিৰ অনৈক্যৰ বীজ আঁতৰাই সমন্বয়ৰ এনাজৰীডাল সুদৃঢ় কৰিব লাগিব। আজি যদি আমি প্ৰত্যেকেই সুকীয়া জাতি হিচাপে স্বীকৃতি বিচাৰো, তেতিয়া হলে আমাৰ অসমখন খণ্ড-বিখণ্ড হৈ "অসম" নামৰ অস্তিত্বই নোহোৱা হবগৈ। তেতিয়া বিশ্ব দৰবাৰত আমি নিজকে কি বুলি পৰিচয় দিম? এটা সময় আছিল, যি সময়ত সাত ভনী লগহৈ ৰংঘৰৰ বাকৰিত আনন্দ-উছৱৰ মেলা পাতিছিল কিন্তু আজি সেই মোহময়ী অসমখন খণ্ড-বিখণ্ড হৈ গ'ল, বাই-ভনীৰ সম্বন্ধ ছিন্ন হ'ল। যিখিনি বাকী ৰৈছেগৈ তাকো যাতে অৱশেষত হেৰুৱাব লগা নহয় তাৰ প্ৰতি সকলো সজাগ আৰু সচেষ্ট হ'ব লাগিব।

**মানুহে মানুহৰ বাবে, যদিহে অকণো নাভাৱে** — আজিৰ বিজ্ঞানৰ চৰম উন্নতিৰ দিনত মানুহ হৈ পৰিছে যান্ত্ৰিক, মানুহৰ মাজৰ পৰা হেৰাই গৈছে চিৰন্তন মানৱীয় মূল্যবোধ। ভয়াবহ যুগ-সন্ধিক্ষণত মানুহৰ মাজত অবলুপ্ত হৈছে পাৰস্পৰিক সহায়-সহযোগিতা। সন্ত্ৰাসবাদ, পুঁজিবাদী উৎপীড়নে সমাজৰ চাৰিওফালে ৰঘুমলাৰ দৰে গা কৰি উঠিছে- ফলত আমাৰ জীয়াই থকাৰ সুস্থ বাতাবৰণ কলুষিত হৈ পৰিছে। জীৱশ্ৰেষ্ঠ মানুহৰ মাজত হীনমন্যতাই গা কৰি উঠিছে। এনে অসুস্থ বাতাবৰণৰ পৰা নিজক মুক্ত কৰিবলৈ আমি সবল পদক্ষেপ লব লাগিব।

**আজিৰ অসমীয়াই নিজক নবচালে, অসমতে ভগনীয়া হ'ব** — অসমীয়া মানুহৰ আঁঠুমুৰতে সোণ বিচৰা স্বভাৱ আছে। কিন্তু সোণ কমাবলৈ হলে যে সোহণশিৰিলৈ যাব লাগিব তাক নজনাটো সমীচিন নে? আজিৰ অসমীয়া মানুহৰ মাজত সহজলভ্য ধনৰ প্ৰতি তীব্ৰ মোহ। এনে মনোভাৱে মানুহক কৰি তুলিছে নিষ্কৰ্মা, এলেহুৱা, সংকীৰ্ণমনা, দুৰ্নীতি-পৰায়ণ। কাৰিকৰী জ্ঞান আৰু শাৰিৰীক পৰিশ্ৰম অবিহনে মানুহৰ উন্নতি হোৱা অসম্ভৱ। পৰিতাপৰ বিষয়, এই দুটি কৰ্মৰ পৰা অসমীয়া মানুহে গা এৰাই চলিছে। এটা সময় আছিল, এৰেজন অসমীয়া মানুহে শিলৈ মাৰিব পাৰিছিল, নাও বাব জানিছিল, ৰৰটোপ সাজিব জানিছিল। একেৰাতিৰ ভিতৰতে গড় বন্ধা বীৰসকলৰ নাতিপুতিসকলৰ আজি কি অৱস্থা?? অসমলৈ আজি চামে চামে বহিৰাগতৰ প্ৰব্ৰজন হৈ আছে। এনে ধৰণৰ প্ৰব্ৰজনে হয়তো অসমীয়া জাতিৰ অস্তিত্ব অচিৰে শেষ কৰি পেলাব। গতিকে, সময় থাকোতেই অসমীয়াই নিজক বচাব লাগিব।

**শস্য টুটিল, মৎস্য টুটিল, টুটিল বিবিষৰ গুটি** — বিংশ শতিকাৰ প্ৰান্তত বৈ বিজ্ঞানে আজি বিজয়ৰ গৌৰৱ ঘোষণা কৰিছে। মানুহক দিছে এক সহজসাধ্য জীৱন। তাৰ বাবে বিজ্ঞান এহাতে আৰ্শীবাদৰ পাত্ৰ হৈছে, আনহাতে ই হৈ পৰিছে মানুহৰ জীৱনৰ ওপৰত খহিপৰা এক বিৰাট অভিশাপ। জীৱ শ্ৰেষ্ঠ মানৱ আজি হৈ পৰিছে কৃত্ৰিম আৰু স্বাৰ্থপৰ। প্ৰকৃতি জগতৰ গছ-বন কাটি তহিলং কৰিছে, প্ৰকৃতিৰ কোলাত মুক্তভাৱে বিচৰণ কৰা জীৱ-জন্তু, চৰাই চিৰিকতি ধ্বংস কৰিছে। ফলস্বৰূপেই আমাৰ চাৰিওফালৰ পৰিৱেশ হৈ পৰিছে নিস্তেজ, পৃথিৱীৰ সেউজীয়াখিনি নাইকিয়া হৈ গৈছে। আজি আমি সেৱন কৰিছো প্ৰদূষিত বায়ু। উদ্যোগ বিলাকত ব্যৱহাৰ কৰা দৈত্যকায় যন্ত্ৰৰ ঘৰঘৰণিত চৌদিশ হৈ পৰিছে হুলস্থুলীয়া। মানুহৰ কল্যাণৰ কাৰণে ব্যৱহাৰ কৰা এটম বোমাই হাজাৰ হাজাৰ মানুহৰ জীৱনলৈ নমাই আনিছে কাল আন্ধাৰ। গতিকে এনে এক অসুস্থ পৰিবেশ আমি সুস্থ কৰিবলৈ পদক্ষেপ লব লাগিব।

**আমাৰ যুৱশক্তি বিশ্ববিজয়ৰ বাবে ওলাই আহক**— চিৰন্তন মানবীয় মূল্যবোধৰ অৱক্ষয়েই বৰ্তমান যুৱ-সমাজত বাঢ়ি অহা অপৰাধ-প্ৰৱণতাৰ মূল কাৰণ। আজিৰ যুৱ-সমাজৰ মাজত অনুশাসনহীনতা বাৰুকৈয়ে বিদ্যমান। যুৱকসকলৰ মাজত নানা অসামাজিক কাৰ্য্যকলাপে গা-কৰি উঠিছে! যুৱ শক্তি হ'ল দেশৰ মেৰুদণ্ড স্বৰূপ। যুৱ শক্তি যদি বিপথে যায়, তেন্তে সমাজ ধ্বংসমুখী হবলৈ বাধ্য। গতিকে, আমাৰ যুৱ শক্তি মাৰ বান্ধি, নিজৰ মাজত থকা কলুষ-কালিমা ধুই নিকা কৰি বিশ্ব বিজয় কৰিবলৈ মুক্ত কণ্ঠে ওলাই আহক, তেহে সমাজ সৰ্ব্বাঙ্গ-সুন্দৰ হ'ব।

**ছাত্ৰানাং অধ্যয়নং তপঃ** — আদি যুগ আছিল সৰলতা, অকৃত্ৰিমতাৰে ভৰা। গতিকে সেই দিনত শিক্ষাৰ লগত জড়িত লৰা-ছোৱালীৰ মনোভাৱ আছিল এনেধৰণৰ — ছাত্ৰানাং অধ্যয়নং তপঃ। যুগৰ পৰিবৰ্ত্তন হ'ল। আজিৰ যুগ সমস্যাৰ যুগ, কৃত্ৰিমতাপূৰ্ণ যুগ। ছাত্ৰ-ছাত্ৰীসকলে ইয়াত কেৱল অধ্যয়নকেই তপ কৰিলে নহ'ব, অধ্যয়নৰ লগে লগে সকলো সমস্যাৰ প্ৰতি সচেতন হ'ব লাগিব। ৰাজনীতি, অৰ্থনীতি, সমাজনীতি, শিক্ষা ব্যৱস্থাত দেখা দিয়া কেৰুণ আদি সকলোৰে প্ৰতি সততে দৃষ্টি নিক্ষেপ কৰিব লাগিব, তেতিয়াহে এজন ছাত্ৰ ভৱিষ্যতে দেশৰ সু-নাগৰিক হ'ব পাৰিব।

**যিমান সুষমা আছে পৃথিৱীত সকলো আমাৰ হ'ব**— আমি আজি যিখন পৃথিৱীত বসবাস কৰিছো তাত এফালে বিৰাজ কৰিছে নিষ্ঠুৰ কদৰ্য্যতা আৰু আনফালে

বিৰাজ কৰিছে অপৰূপ ৰূপৰ সুষমা। আমি পৃথিৱীৰ সমস্ত কদৰ্য্যতা নাশ কৰি ইয়াত থকা সুন্দৰ সুষমাখিনি গ্ৰহণ কৰিব লাগিব। কাৰণ কাঁইটৰ মাজেদি গলেহে গোলাপ লাভ কৰিব পাৰি। ওপৰত আলোচনা কৰি অহা সকলো সমস্যাৰ সমাধানকল্পে আমি সকলোৱে অহোপুৰুষাৰ্থ কৰোঁ আহক। বিশ্বৰ সকলো কুহেলিকা আঁতৰাই নতুন সুৰুয এটি উদয় হওক তেতিয়া আমি সমস্বৰে, সমকণ্ঠে গাব পাৰিম— যিমান সুষমা আছে পৃথিৱীত সকলো আমাৰ হ'ব............"।

## আত্মকথাৰ কিয়দাংশ –

১৯৯৪ চনৰ ডিচেম্বৰ মাহৰ ৫ তাৰিখে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ আলোচনী সম্পাদিকাৰ পদ গ্ৰহণ কৰিয়েই নিজ কামত তৎপৰ হওঁ। ১৯৯৫ চনৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি এখনি আলোচনা-চক্ৰ পতাৰ সিদ্ধান্ত লোৱা হয়। আলোচনা-চক্ৰখনৰ বিষয়-বস্তু হ'ল "অসমীয়া সাহিত্যত বিদেশী সাহিত্যৰ প্ৰভাৱ"। শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, বিশিষ্ট সাহিত্যিক শ্ৰীযুত বীৰেণ বৰকটকীদেৱৰ পৰিচালনাত অনুষ্ঠিত হোৱা আলোচনা-চক্ৰত অংশ গ্ৰহণ কৰে শিৱসাগৰ (জয়সাগৰ) মহা-বিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° কৃষ্ণকুমাৰ মিশ্ৰই। শিৱসাগৰৰ বিশিষ্ট সাহিত্যিক শ্ৰীযুত ইমৰাণ শ্বাহেও আলোচনা-চক্ৰত অংশ গ্ৰহণ কৰে। ২ জানুৱাৰী '৯৫ তাৰিখে মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভাসমূহ মুকুলিত কৰাৰ উদ্দেশ্যৰে প্ৰাচীৰ-পত্ৰিকা 'প্ৰৱাহিনী' উন্মোচন কৰা হয়। পত্ৰিকাখনি উন্মোচন কৰে অধ্যাপক ইমৰাণ শ্বাহে।

১৯৯৫ চনৰ ১৩ ছেপ্তেম্বৰত আমাৰ মাজৰ পৰা চিৰদিনলৈ বিদায় লোৱা অসমৰ বিশিষ্ট সাহিত্যিক, প্ৰাচ্যতত্ত্ববিদ, সমালোচক, কবি ড° মহেশ্বৰ নেওগৰ স্মৃতিচাৰণ অনুষ্ঠান এটি পতা হয় ১৮ ছেপ্তেম্বৰত। অনুষ্ঠানটিত বক্তব্য আগবঢ়ায় আমাৰ মহাবিদ্যালয়ৰ অস-মীয়া বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰীযুত দ্ৰোণ কলিতাদেৱে, অসমীয়া বিভাগৰ অধ্যাপিকা শ্ৰীযমুনা বৰগোহাঁই আৰু শ্ৰীমনোৱাৰা বেগম বাইদেউৱে।

**ক্ষমা প্ৰাৰ্থনা ঃ** ১৯৯৫ চনৰ কলেজ আলোচনীখন যথা সময়ত আপোনাসৱৰ হাতত তুলি দিব নোৱাৰা বাবে আমি অপৰাধী। দোষ মাৰ্জনাৰ বাবে সকলোৰে ওচৰত প্ৰাৰ্থনা জনাইছো। বাৰম্বাৰ জাননী দিও সময়ত লেখনিসমূহ নোপোৱা নাইবা লেখনিসমূহৰ নুন্যতম মানদণ্ড নথকাৰ বাবে আলোচনীখন যথা সময়ত ছপাশালত দিব পৰা নহল। যাহওঁক, শেহতীয়াকৈ হ'লেও আলোচনীখন আপোনাসৱৰ হাতত তুলি দিবলৈ পাই সকাহ

পাইছো। আলোচনীখন সৰ্ব্বাংগ সুন্দৰ নহলেও, মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকশিত কৰাত কিঞ্চিত সহায়ক হলে আমাৰ শ্ৰম সাৰ্থক হোৱা বুলি ভাবিম।

আন এটা প্ৰাসঙ্গিক কথা হ'ল, ১৯৯৪ চনৰ আলোচনী সম্পাদিকা শ্ৰীমনজ্যোতি নেওগে বিশেষ অসুবিধাবশতঃ সেই শিক্ষা বৰ্ষৰ আলোচনীখন প্ৰকাশ কৰিব নোৱাৰিলে। সেয়েহে দুয়োটা বৰ্ষৰ আলোচনীৰ বাবে সংগৃহীত লিখনিৰে যুটীয়া ভাবে এই সংখ্যাটি প্ৰকাশ কৰা হ'ল।

আলোচনী প্ৰকাশৰ দৰে এটা গুৰু দায়িত্ব লৈ কিমান সফলতা লাভ কৰিব পাৰিছো তাৰ বিচাৰৰ দায়িত্ব আপোনালোকলৈ থলো।

অনিচ্ছাকৃত ভুলক্ৰটিৰ বাবে ক্ষমা প্ৰাৰ্থনাৰে—

ইতি,
নন্দিতা গগৈ
সম্পাদিকা
শিৱসাগৰ ছোৱালী কলেজ আলোচনী

# এটি প্ৰত্যাশা

কলেজখনলৈ সঘনাই গৈ থাকি নিজৰ যেনেই লগা হৈছেগৈ, ইয়াত শিক্ষকতা কৰা নাছিলো যদিও। নন্দিতাই বাণী এটা বিচাৰিছে। বাণী দিব পৰা মানুহ মই নহওঁ। তথাপি মোৰ আশা এটা ব্যক্ত কৰাত অসুবিধা নাই।

ৰবীন্দ্ৰ নাথ ঠাকুৰ তেতিয়া জোৰাসাঁকোত "ঝাঁকিয়ে" বহিছে। নোবেল বঁটা পোৱা হৈ গৈছে। এক সোতৰ বছৰীয়া কিশোৰ-যুৱা এদিন আহিল আৰু বিনা ভূমিকাই ৰবি বাবুক ক'লে "আমি তোমায় খুন কৰব।" মই তোমাক হত্যা কৰিম।

ৰবি বাবু অবাক। ক'লে, 'বাপু, তুমি কোনহে? মইতো অমৰ মানুহ। মোক কিহেৰে হত্যা কৰিবা?'

ল'ৰাই হাতৰ এনদ্ৰা কবিতা লিখা কাগজ তৰোৱালৰ দৰে ঘূৰাই ক'লে, "এই দিয়ে।" ইয়াৰে।

ৰবি ঠাকুৰে দুখন কাগজ চায়ে ক'লে, "ঠিক; তুমি পাৰিবা। এই এটাই উপায়।" ল'ৰাজন কাজি নজৰুল ইচলাম। মোৰ অনুমান তাৰ পিচ-তেই ৰবি ঠাকুৰে লিখিছিল — "ওৰে নবীন, ওৰে আমাৰ কাচাঁ / আধমৰাদেৰ ঘা মেৰে তুই বাচা।"

মোৰ ধাৰণা কলেজ আলোচনী ভবিষ্যত সাহিত্যৰ আখৰা-ঘৰ হ'ব লাগে। যিসকলে আগলৈ সাহিত্যসমৃদ্ধ কৰিব তেওঁলোকৰ প্ৰস্তুতিৰ ক্ষেত্ৰ। Iconoclast আমাক নেলাগে। কিন্তু নতুন সৃষ্টি সদায় লাগে। শিৱসাগৰ ছোৱালী কলেজ আলোচনীয়ে আমাৰ এই আশা পূৰণ কৰক।

ইমৰান শ্বাহ
২/১/৯৫

ডিব্রুগড় বিশ্ববিদ্যালয়

অসমীয়া বিভাগ
ডিব্রুগড় বিশ্ববিদ্যালয়

# শুভেচ্ছাবাণী

জীৱন নহয় সুখৰ সপোন
জীৱন এখন নৈ,
আশা-নিৰাশাৰ দুপাৰ সাৱটি
চিৰকাল থাকে বৈ ।

আশা-নিৰাশাৰে ভৰা জীৱনত আশা হওক চিৰকালৰ পাথেয় । আলোচনীৰ পাতত মুকুলিত হওক আলেখ সেউজীয়া প্ৰাণৰ স্বপ্ন আৰু প্ৰত্যাশাৰ প্ৰতিৰূপ ।

শুভেচ্ছাৰে -

— কৰবী ডেকাহাজৰীকা
১১/৯/৯৫



## অধ্যাপিকা এখুদি দুৱৰা

অসমীয়া বিভাগ

শিৱসাগৰ ছোৱালী কলেজৰ কৰ্মজীৱন

৩ নভেম্বৰ '৭১—২৮ ফেব্ৰুৱাৰী '৯৫

ৰক্ষণশীল অসমীয়া সমাজৰ ৰক্ষণশীলতাৰ প্ৰাচীৰ ভাঙি এগৰাকী সাহসী নাৰীয়ে স্কুল-কলেজৰ শিক্ষা লবলৈ ওলাই আহিছিল। সাহসী নাৰীগৰাকীয়ে কেৱল ধৈৰ্য্য বা সাহসৰেই প্ৰতীক নহয়, তেখেত আত্মিক বলতো বলীয়ান। ১৯৫৬ চনতেই আনুষ্ঠানিক শিক্ষা লাভ কৰিবলৈ ওলাই আহিছিল চাৰিং দুৱৰাপাৰাৰ বোৱাৰী শ্ৰীযুতা এখুদি দুৱৰা। অতি কম বয়সতে স্বামী আৰু একমাত্ৰ পুত্ৰক হেৰুৱাই যি গৰাকী নাৰীয়ে অতি ধৈৰ্য্যৰে স্কুলীয়া আনুষ্ঠানিক শিক্ষাৰে আকৌ শিক্ষা জীৱনৰ পাতনি মেলি কলেজ, বিশ্ববিদ্যালয়ৰ শিক্ষা আহৰণ কৰি যোৱা ২৮ ফেব্ৰুৱাৰী '৯৫ তাৰিখে শিৱসাগৰ ছোৱালী কলেজৰ পৰা অসমীয়া বিভাগৰ প্ৰবক্তা পদৰ পৰা অৱসৰ গ্ৰহণ কৰিছে, সেই গৰাকী সৎসাহসী নাৰী অসমীয়া নাৰী সমাজৰ গৌৰৱৰ মধ্যমণি।

স্বভাৱতে গহীন আৰু শান্ত দুৱৰা বাইদেউ আমাৰ সকলোৰে মৰমৰ দুৱৰা বাইদেউ। যি সময়ত বিশ্বই আন্তৰ্জাতিক নাৰীবৰ্ষ পালন কৰি নাৰী মুক্তিৰ উপায় চিন্তা কৰিছে আজি প্ৰায় ৩০/৪০ বছৰৰ আগতে দুৱৰা বাইদেৱে নাৰীমুক্তিৰ পথ দেখুৱাই দি তাৰ জয়গান গাইছে। ৺ আশাপূৰ্ণা দেবীয়ে ক'বৰ দৰে— সুশিক্ষিতা, সুগৃহিণী আৰু পুৰুষৰ দৰে জ্ঞানী হলেই নাৰীমুক্তি হয়,— স্বৰূপাৰ্থত দুৱৰা বাইদেউৰ গাত সেই কথাই খাটে। অকাল বৈধব্যই খন্তেকলৈ অনা কালধুমুহাক বাইদেৱে প্ৰত্যাহ্বান স্বৰূপে গ্ৰহণ কৰি হতভগীয়া তেনে নাৰীলৈ উজ্জল চানেকি দাঙি ধৰিছে। সুশিক্ষিতা, সুগৃহিণী, সুলেখিকা দুৱৰা বাইদেউৰ কাপৰ পৰা ওলাইছে বস্তুতো প্ৰবন্ধ, গল্প, কবিতা, নাটক, উপন্যাস। তাৰ ভিতৰত হৃদয়ৰ ছবি, ৰূপৰ মঞ্জুষা, ( দুয়োখন গল্প সংকলন ) সাকোঁ ( উপন্যাস ) ৰুণুক জুনুক নেপুৰ বাজে ( শিশু সাহিত্য ) ৰ নাম উল্লেখনীয়।

বৰ্ত্তমান বাইদেউ চাৰিং নিবাসী। ভাগিন, ভতিজাৰে-নাতি নাতিনীৰে এটি সুখী পৰিয়ালৰ মাহী, খুৰী, বৰমা, জেঠাই, আইতা। অসমীয়া ভাষা সাহিত্যলৈ, অসমীয়া সমাজলৈ অমূল্য বৰঙণি আগবঢ়াবলৈকে ভগবানে যেন বাইদেউক সুদীৰ্ঘ জীৱন আৰু সু-স্বাস্থ্য দান কৰে।

# ৺ৰবীন হাজৰীকাৰ সোঁৱৰণত

জন্ম ঃ ১৯৪১ চন, মৃত্যু ঃ ১৯৯৩ চন

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ উচ্চ বৰ্গৰ সহায়ক ৺ৰবীন হাজৰীকাদেৱৰ লগত মোৰ প্ৰথম পৰিচয় হয় ১৯৭৬ চনৰ জুন মাহত ১৮ তাৰিখে। মই কাৰ্য্যালয়ৰ কামত যোগদান কৰাৰ পূৰ্বেই চকুৰ অসুখত ভুগি তেখেতে ৩ মাহ ধৰি ছুটী লৈ আছিল। ১৯৬৯ চনত শিৱসাগৰ ছোৱালী কলেজত কাৰ্য্যালয়ৰ নিম্ন বৰ্গৰ সহায়ক হিচাবে যোগদান কৰি আৰম্ভণিৰে পৰাই এই মহাবিদ্যালয়ৰ হকে নিষ্ঠা সহকাৰে তথা কঠোৰ পৰিশ্ৰমেৰে তেখেতে কাম কৰি আহিছিল। বিশেষকৈ পৰীক্ষা সম্পৰ্কীয় কামবিলাক নিখুঁত ভাৱে কোনেও কতো অসুবিধা নোপোৱাকৈ তেখেতে সকলো কাম চলাই নিছিল ; এনে কি, পৰীক্ষাৰ্থী কোন কোঠাত কোন বেঞ্চত কোন কাষে বহি পৰীক্ষা দিছে সেই পৰ্য্যন্ত তেখেতে বহা টেবুলৰ পৰাই কব পাৰিছিল। তদুপৰি সকলো কামতে নিৰ্দিষ্ট সময়তকৈ আগবাঢ়ি থকাটো তেখেতৰ কৰ্ম জীৱনৰ এটা ডাঙৰ গুণ আছিল। কাৰ্য্যালয়ৰ কামৰ বাহিৰেও তেখেতে সময়ে সময়ে মহাবিদ্যালয়ত হোৱা যি কোনো সভা-সমিতি বা মহাবিদ্যালয়ৰ বাৰ্ষিক উৎসৱত ছাত্ৰীসকলক দেহেকেহে খাটি সহায় কৰিছিল।

১৯৭৮ চনৰ ১ চেপ্তেম্বৰ তাৰিখে তেখেতৰ উচ্চবৰ্গৰ সহায়ক পদলৈ পদোন্নতি হয়। কিন্তু দুখৰ বিষয়, যিমানেই কামৰ দায়িত্ব বাঢ়ি আহিল মানুহজনো ক্ৰমান্বয়ে ৰুগীয়া হৈ আহিল। শেষত তেখেতৰ এটা কিডনি সম্পূৰ্ণৰূপে বেয়া হৈ যোৱাত চিকিৎসাৰ বাবে ডাক্তৰে অসমৰ বাহিৰলৈ যাবলৈ পৰামৰ্শ আগবঢ়ায়। আৱশ্যক হ'ল প্ৰায় ডেৰ লাখ টকাৰ। মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়, শিক্ষকমণ্ডলী, ছাত্ৰী, কাৰ্য্যালয়ৰ কৰ্মচাৰী-সকল আৰু তেখেতৰ গুণমুগ্ধ শিৱসাগৰৰ ব্যক্তি সকলে তেখেতক বচাবৰ বাবে দান-বৰঙণি সংগ্ৰহ কৰা কামত যৎপৰোনাস্তি চেষ্টা কৰিছিল। এইদৰে প্ৰায় এক লাখ টকা সংগ্ৰহ হোৱাত তেখেতে অসমৰ বাহিৰত চিকিৎসা কৰাবৰ বাবে যোৱাৰ দিহা কৰিছিল। কিন্তু নিয়তিৰ কি পৰিহাস! তেওঁ যাবলৈ লোৱা দিনৰ এক সপ্তাহ পূৰ্বেই অৰ্থাৎ ১৯৯৩ চনৰ ১৬ চেপ্তেম্বৰ বৃহস্পতিবাৰৰ দিনা তেখেতে শেষ নিশ্বাস ত্যাগ কৰে। কলেজখনত শোকৰ ছাঁ পৰিল, তেখেতৰ মৃতদেহ কৰ্মক্ষেত্ৰ শিৱসাগৰ ছোৱালী মহাবিদ্যালয়লৈ আনি মহাবিদ্যালয়ৰ সমূহ শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰীৰ তৰফৰ পৰা শেষ শ্ৰদ্ধা অৰ্পন কৰা হয়। তেখেতৰ আত্মাই চিৰ-শান্তি লাভ কৰক।

—ৰোহিত চন্দ্ৰ বড়া, সহকৰ্মী
শিৱসাগৰ ছোৱালী কলেজ

# সূচী

শিৱসাগৰ ছোৱালী কলেজ আলোচনী * ১৯৯৪-৯৫ বৰ্ষ *

## ।। প্ৰৱন্ধাৱলী ।।

অসমৰ ধৰ্ম আৰু সংস্কৃতিলৈ শ্ৰীমন্ত শঙ্কৰদেৱৰ অৱদান / দীপালি দুৱৰা ফুকন — পৃঃ ১ ভাৰতৰ শাস্ত্ৰীয় নৃত্যসমূহৰ চমু আভাস / প্লাবিতা বৰঠাকুৰ — ৮ মিছিং জনগোষ্ঠী আৰু সংস্কৃতিৰ চমু ৰেঙনি / সোণামণি মিলি — ১২ হজৰত মহম্মদৰ ইচলাম ধৰ্ম্ম প্ৰবৰ্ত্তন / নাজবিন বেগম — ১৫ প্ৰাচীন কামৰূপৰ গঙ্গা পৰম্পৰা / অধ্যাপক শিৰীষ কুমাৰ ভট্টাচাৰ্য্য — ২৩ কলেজীয়া জীৱন আৰু আমাৰ ভৱিষ্যত / প্ৰণতি চেতিয়া — ৩০ ড° মহেশ্বৰ নেওগদেৱৰ কৃতি আৰু অসমীয়া ভাষা-সাহিত্যলৈ বৰঙণি / অধ্যাপক দ্ৰোণ কলিতা — ৩৩ মহান বিজ্ঞানী ফাৰাডে / বেবী সোণোৱাল হাজৰিকা — ৩৭

## ।। কৱিতা ।।

কৱিতাৰে — তৃষ্ণা বৰগোহাঁই / ৩৯ তাৰ সপোন ঃ এইমাত্ৰ বৰফ গলিব — প্ৰণতি চেতিয়া / ৪০ বেদনাদগ্ধ সত্বাৰ মিনতি — ৰবী বৰা / ৪০ এটি কৱিতা — অনিমা গোস্বামী / ৪১ প্ৰতিধ্বনি — মৰ্জিনা বেগম / ৪১ নতুন প্ৰজন্ম — পাৰুল গগৈ / ৪২ শিৱসাগৰ ছোৱালী মহাবিদ্যালয় — দ্বিতিমণি দাস / ৪৩ ডাৱৰ — নাজিফা ৰহমান / ৪৩ দুটি গীত — অধ্যাপিকা কুসুম ফুকন / ৪৪ দুটি গীত — নন্দিতা গগৈ / ৪৫ ৰংপুৰীয়া গাভৰু — চৈয়দা মুছলেহা ৰহমান / ৪৬ অসমৰ যান্ত্ৰণা — ডালিমী মিলি / ৪৭ বুদ্ধগয়াৰ মানুহজন — ঈশান দত্ত / ৪৮ 'বিপৰ্য্যয়' আৰু 'নিৰ্বান্ধৱ' — অধ্যাপক আব্দুল হামিদ প্ৰাপ্তি — পূৰবী নাথ / ৪৯ দুটি স্তৱক — অধ্যাপিকা এখুদি দুৱৰা / ৫০ ৰঙা বিহাৰ আঁচলৰ দহি — প্ৰতিভা ফুকন / ৫০

সিপিঠিত →

|| অনুবাদ গল্প ||

তৃষ্ণাতুৰ হৃদয় ঃ অনুবাদিকা দীপালি দুৱৰা ফুকন / ৫১

|| গল্প ||

মিতা ডাঙৰ হ'ল — অধ্যাপক সমৰজিৎ চৌধুৰী / ৬৪ দুখৰ ৰাতি নুপুৰায় — ৰূপালী বৰুৱা / ৬৬ কৃষ্ণচুড়া — দীপশিখা কলিতা / ৭০ নাম তাইৰ অশ্রুবন্যা — অংশুমালা দত্ত / ৭৬

|| উপন্যাসিকা ||

জীৱন, প্রেম, স্বার্থ ইত্যাদিবোৰ — ৰবী বৰা / ৭৯

|| ৰস ৰচনা ||

অসম আকৌ উন্নতি পথত — স্মৃতিৰেখা বৰুৱা / ৯০

|| ভ্রমণ কাহিনী ||

পাহাৰৰ ৰাণী দাৰ্জিলিঙত তিনি দিন — বৰ্ষা দত্ত

|| স্মৃতিচাৰণ ||

মোৰ কলেজীয়া জীৱনৰ স্মৃতিৰ টুকুৰা — অনিন্দিতা বৰুৱা / ১০০

ছাত্ৰী একতা সভাৰ ভিতৰ চ'ৰা ঃ

সম্পাদকীয় প্রতিবেদনসমূহ

# অসমৰ ধৰ্ম্ম আৰু সংস্কৃতিলৈ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান

দীপালি দুৱৰা ফুকন
স্নাতক ১ম বাৰ্ষিক ( কলা )

"জয় গুৰু শংকৰ সৰ্ব্ব গুণাকৰ
যাকেৰি নাহিকে উপাম
তোহাৰি চৰণক ৰেণু শত কোটি
বাৰেক কৰোহোঁ প্ৰণাম।"

যিসকল মহা মনীষাৰ জ্ঞানৰ জ্যোতিৰে কৰুণাময় ভগৱানৰ অৰূপ ৰূপক জ্যোতিষ্মান কৰি জগত পোহৰাই তুলিছিল, "ভগৱানেই চিৰন্তন সত্য" আৰু "সবাৰ উপৰি মানৱ শ্ৰেষ্ঠ" মহাবাণীৰে মানৱ সমাজ উদ্ভাসিত কৰি তুলিছিল সেই সকলৰে অন্যতম মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ।

চতুৰ্দ্দশ আৰু পঞ্চদশ শতাব্দীৰ মাজভাগত, অসমৰ ধৰ্মাকাশ কলীয়া ডাৱৰে ছানি ধৰি ধৰ্মত বিপৰ্য্যয় ঘটাইছিল। অধৰ্মৰ প্ৰভাৱে মানুহক অন্ধ কৰি তুলিছিল। হিন্দু ধৰ্মৰ বিভিন্ন শাখাৰ যেনে বৈষ্ণৱ, শাক্ত আৰু শৈৱ আদিৰ বিভিন্ন ধৰ্মপন্থী লোকসকলৰ উপৰিও বিভিন্ন তন্ত্ৰ-মন্ত্ৰয়ো জনসাধাৰণৰ ওপৰত প্ৰভাৱ পেলাইছিল। দেৱ-দেৱীৰ সন্তুষ্টিৰ কাৰণে, ৰজা-প্ৰজাৰ সংগ্ৰামৰ কাৰণে বা নিজৰ বাঞ্ছিত ফল লাভৰ বাবে জীৱ-জন্তুৰ বাদেই নৰবলি দিবলৈও কুণ্ঠিত নহৈছিল। শদিয়াৰ কেঁচাইখাতী আৰু অন্যান্য থান আদিত নৰবলি দিয়া আহোমসকলৰ নিয়ম আছিল। বলিবোৰক "ভোগী" আখ্যা দিয়া হৈছিল। ধৰ্মৰ নামত মানুহৰ ওপৰত ভোগীবোৰে অত্যাচাৰ কৰিছিল, কেৱল এয়ে নহয় তান্ত্ৰিক প্ৰক্ৰিয়াত পঞ্চ 'ম'কাৰ মদ্য, মাংস, মৎস্য, মুদ্ৰা আৰু মৈথুনো ধৰ্মীয় ক্ৰিয়া-কাণ্ডৰ অন্তৰ্ভূক্ত আছিল। ৰাজ পৰিয়াল আৰু প্ৰজাৰ ওপৰত শাক্ত ধৰ্মৰ প্ৰভাৱ বেছি আছিল। সমাজৰ, জাতিৰ এনে পতনমুখী কলংকিত সময়ছোৱাতে শ্ৰীমন্ত শংকৰদেৱৰ অসমত আৱিৰ্ভাৱ হয়। ইতিহাসৰ এনে ধৰ্মৰ গ্লানিৰ সময়বোৰতে দুষ্কৃতিকাৰীক বিনাশ কৰি ধৰ্ম সংস্থাপন কৰিবলৈ একোজন মহান পুৰুষৰ আবিৰ্ভাৱ হয়েই। সেয়ে ভগৱান শ্ৰীকৃষ্ণই গীতাত কৈছে ঃ—

"যদা যদাহি ধৰ্ম্মস্য গ্লানিৰ্ভৱতি ভাৰত
অভ্যুত্থানমধৰ্মস্য তদাত্মানং সৃজাম্যহম্
পৰিত্ৰানায় সাধুনাং বিনাশায়শ্চ দুষ্কৃতান্
ধৰ্ম্ম সংস্থাপনাৰ্থায় সম্ভৱামি যুগে যুগে।"

১৪৪৯ খৃষ্টাব্দত আহিন মাহৰ শুক্লা দশমী তিথিত বৰদোৱাৰ আলিপুখুৰী নামে ঠাইত এইজনা মহান পুৰুষৰ আবিৰ্ভাৱ হয়। পিতৃৰ নাম কুসুম্বৰ আৰু মাতৃৰ নাম সত্যসন্ধা। সৰুতেই পিতৃ-মাতৃৰ বিয়োগ হোৱাত বুঢ়ীমাক খেৰসুতীৰ আদৰ যত্নেৰে লালিত পালিত হৈ বিদ্যাশিক্ষালৈ আওকাণ কৰি বাৰ বছৰ বয়স পাৰ কৰিলে। অনুপম সৌন্দৰ্য্যৰ প্ৰতিমূৰ্তি আৰু অতুলনীয় বলবীৰ্য্যৰ অধিকাৰী হৈ শংকৰে সকলোকে চমক খুৱালে। শেষত বুঢ়ীমাকৰ বুজনিত মহেন্দ্ৰ কন্দলীৰ টোলত ভৰ্ত্তি হল আৰু কম সময়ৰ ভিতৰতে অফুৰন্ত মেধা, প্ৰজ্ঞা আৰু প্ৰতিভাৰ পৰিচয় দি গুৰুৰ পৰা 'দেৱ' উপাধিৰে বিভূষিত হল। এইদৰে চাৰিবেদ, চৈধ্যশাস্ত্ৰ, ওঠৰ পুৰাণত ব্যুৎপত্তি লাভ কৰি বিদগ্ধ পাণ্ডিত্যৰ পৰিচয় দি শিক্ষা সাং কৰে। ইয়াৰ পাছত ভূঞা ৰাজ্যৰ দায়িত্ব বহন কৰে। সেই সময়তো একনিষ্ঠ ভাৱে আধ্যাত্মিক সাধনাত নিমগ্ন হৈ পৰে। ইয়াৰ মাজতে আত্মীয়-স্বজন আৰু আইতাকৰ অনুৰোধত "সূৰ্য্যৱতী" নামেৰে এগৰাকী সুন্দৰীৰ পাণি গ্ৰহণ কৰে। কিন্তু ধৰ্ম সংস্কাৰ আৰু জনগণৰ সেৱাৰ বাবেই যাৰ অৱতাৰ তেওঁক ৰাজকাৰ্য্য আৰু সংসাৰৰ ভোগ বিলাসে বান্ধি ৰাখিব নোৱাৰে। তেওঁ অনাসক্ত গৃহী আছিল। দেৱৰো দুলৰ্ভ আতিশয্য ভগৱানক গৃহতে থাকিও তেওঁৰ কৰুণা লাভ কৰিবৰ বাবে উপায়ৰ চিন্তা কৰিলে। ঠিক এনে সময়তে তেওঁৰ পত্নীয়ে এটি কন্যা সন্তান মনুৰ দায়িত্ব তেওঁৰ ওপৰত জাপি দি স্বৰ্গগামী হ'ল। পত্নীয়ে তেওঁক শিকাই থৈ গ'ল। এই সংসাৰ অনিত্য, অস্থায়ী। শংকৰদেৱৰ মোহভংগ হ'ল। ভগৱন্তৰ মহিমাৰ অনিৰ্ব্বচনীয় পোহৰে তেওঁৰ অন্তৰ উজ্বলাই তুলিলে। তেওঁ আৱিস্কাৰ কৰিলে "যত জীৱ জঙ্গম কীট পতঙ্গম।

অগনগ জগ তেৰি কায়া।" —ভগৱানেই সৰ্বময় কৰ্ত্তা। স্ৰষ্টা, তাত্ৰা আৰু তেওঁৱেই সংহাৰোতা। সৃষ্টি, স্থিতি আৰু প্ৰলয়ৰ অধিকাৰী ভগৱানৰ চৰণত শংকৰদেৱে একান্তভাৱে শৰণ ললে। এই আধ্যাত্মিক সাধনাত সিদ্ধি লাভ কৰি, বহু শাস্ত্ৰ মন্থন কৰি, জীৱনৰ সংঘাতৰ বিচিত্ৰ অভিজ্ঞতাৰে পৰিপুষ্ট হৈ ভগবানৰ গুণানুকীৰ্ত্তন কৰি—

"এক দেৱ এক সেৱ
এক বিনে নাই কেৱ"

এই মতত ভিতি কৰি এক-শৰণ ভাগৱতী ধৰ্ম প্ৰৱৰ্ত্তন কৰিলে, যাক মহাপুৰুষীয়া ধৰ্ম বা নৱ-বৈষ্ণৱ ধৰ্ম বুলিও জনা যায়। শংকৰদেৱৰ এই নতুন ধৰ্ম প্ৰেমৰ ধৰ্ম, ভক্তিৰ ধৰ্ম। ভাগৱত-পুৰাণ আৰু গীতা-শাস্ত্ৰত প্ৰকাশিত ভক্তি যোগৰ আধাৰত প্ৰতিষ্ঠিত। গীতাৰ পৰা এক শৰণ, ভাগৱতৰ পৰা সৎসঙ্গ, আৰু পুৰাণৰ সহস্ৰ নাম খণ্ডৰ পৰা নাম ধৰ্ম লৈ শ্ৰীমন্ত শংকৰদেৱে এক নতুন অব্যভিচাৰী ধৰ্মৰ পাতনি মেলে। জাতিভেদ হীন, সাম্য মৈত্ৰী, অহিংসা, পৰোপকাৰ, সত্য, সংযম, সদাচাৰ আদিয়েই এক শৰণ নাম ধৰ্মৰ মূলমন্ত্ৰ। শ্ৰীমন্ত শংকৰদেৱৰ মতে "কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।'

সেয়েহে তেওঁৰ ধৰ্মত জাতিভেদ, জীৱ হিংসাৰ স্থান নাই। নগা, মিৰি, খাছী, গাৰো, যৱন, কৈৱৰ্ত্ত, আহোম আদি সকলোৰেই তেওঁৰ ধৰ্মত স্থান পালে।

তেঁৱাৰ মতে হৰি নামৰ শ্ৰৱণ কীৰ্ত্তনেই জীৱৰ মুক্তিৰ প্ৰধান উপায়। বহু দেৱতাৰ পূজা-সেৱা কৰাতকৈ স্বয়ং ভগৱানৰ সেৱা-অৰ্চনা কৰাটোহে বিধেয়। কিয়নো শিৱ, লক্ষ্মী, গণেশ আদিও ভগৱানৰ ভক্তহে। তপ, জপ, যজ্ঞ, যোগ, দান সকলোবোৰেই বিধি কিংকৰ ধৰ্ম। ই কলি যুগৰ বাবে অনুপযুক্ত। সেয়ে তেওঁ কৈছিল ঃ—

"অন্য দেৱ দেৱী নকৰিবা সেৱ
গৃহ নপসিবা তাৰ
মূৰ্তিকো নচাইবা প্ৰসাদো নাখাইবা
ভক্তি হব ব্যভিচাৰ।"

শ্ৰীমন্ত শংকৰদেৱৰ আবিৰ্ভাৱৰ পূৰ্বেও ভাৰতত বা অসমত বৈষ্ণৱ ধৰ্ম বা হৰিনামৰ প্ৰাধান্য নাছিল বুলি কলে ভুল হ'ব। কিন্তু সেই কালছোৱাত অসমীয়া সমাজত থকা ধৰ্মীয় মতানৈক্যই জাতীয় ঐক্যৰ ভেটি সুদৃঢ় হোৱাত প্ৰতিবন্ধক হৈ উঠিছিল। জাতিভেদ প্ৰথাই প্ৰবল ভাৱে গা কৰি উঠিছিল। এমুঠিমান ব্ৰাহ্মণ কায়স্থইহে শিক্ষাৰ পোহৰ দেখিছিল। সেই শিক্ষা, জ্ঞানক আছুতীয়া সম্পত্তি কৰি নিজৰ স্বাৰ্থত জীৱিকা নিৰ্বাহৰ অৱলম্বন হিচাপে ব্যৱহাৰ কৰিছিল। ফলত সাধাৰণ মানুহখিনি অনাখৰী, অজ্ঞানী হৈ আন্ধাৰত খেপিয়াই ফুৰিছিল। গভীৰ শাস্ত্ৰ অধ্যয়ন কৰি শংকৰদেৱে সংসাৰৰ পাপ, তাপ, জৰা, ব্যাধিৰ পৰা মুক্ত হৈ যি পৰমপদ লাভ কৰিলে সেই অব্যয়, অক্ষয় জ্ঞানৰাজি জনগণৰ মাজত সিচি দি তেওঁলোকক পোহৰ দেখুৱাবলৈ, মুক্তিপথৰ সন্ধান দিবলৈ ধৰ্মৰ আশ্ৰয় ললে। এইদৰেই তেওঁ নৱ-বৈষ্ণৱ ধৰ্মৰ পাতনি মেলে। ফলত সৰিয়হতলি নামে ঠাইত জনসমাবেশ ঘটাই, সামূহিকভাৱে হৰিনাম কীৰ্ত্তন কৰা, গীত-মাত, ভাওনা আদি পৰিবেশন কৰা, মিলিজুলি একতাৰে কাম সম্পাদন কৰা আদিৰ ক্ষেত্ৰত নামঘৰৰ উদ্ভাৱন কৰি শ্ৰীমন্ত শংকৰদেৱে অসমীয়া জাতিলৈ বিশিষ্ট অৱদান দি থৈ গ'ল। সৰিয়হতলিৰ নামঘৰত ধীৰে ধীৰে এখন নিকা, বৈষ্ণৱ ভকতৰ সমাজ সৃষ্টি হ'ল য'ত কোনো সৰু বৰ নাই, অস্পৃশ্যতাৰ গোন্ধ নাই, সকলো পৰম বান্ধৱ। য'ত ভকতেই শ্ৰেষ্ঠ পৰিচয়, মানুহৰ পৰিচয়। সাধাৰণ খাটি খোৱা মানুহেৰে গঠিত, সকলো শ্ৰেণীৰ মানুহেই নিজৰ নিজৰ কৰ্তব্য সম্পন্ন কৰিও খন্তেকৰ কাৰণে বিষয় বাসনা পাহৰি হৰি নাম শ্ৰৱণ কীৰ্ত্তন কৰি সুমধুৰ ঐক্যতানেৰে সৰগৰ বৈকুণ্ঠক নামঘৰৰ মজিয়ালৈ নমাই আনিলে। কীৰ্ত্তন ঘৰৰ মজিয়াত মণিকূটত এক নিৰাকাৰ অব্যক্ত ঈশ্বৰৰ ৰূপ নেদেখাকৈয়ে প্ৰতিষ্ঠিত হ'ল। প্ৰেমেই, ভক্তিয়েই ভকতৰ ধৰ্ম। সহজ সৰল বিশ্বজনীন মানৱীয় জীৱন দৰ্শনৰ ওপৰত সেই সমাজ গঠিত। ধৰ্মীয় উদাৰতাৰে সকলোকে সমান চকুৰে চাই অস্পৃশ্যতা দূৰীকৰণ কৰিবলৈ চেষ্টা কৰিছিল। গাৰোৰ গোবিন্দ আতৈ, মিৰিৰ পৰমানন্দ, নগাৰ

নৰোত্তম, আহোমৰ নৰহৰি, ভোটৰ জয়ৰাম, জয়ন্তীয়াৰ কুমাৰ মাধৱ, মুছলমানৰ চান্দসাঁই, কৈৱৰ্ত্তৰ শ্ৰীৰাম, বণিয়াৰ হৰিদাস, ব্ৰাহ্মণৰ ভট্টদেৱ, কাৰ্বিৰ ভোলাই, কছাৰীৰ ৰমানন্দ আদি লোকসকলক ধৰ্মাধিকাৰ পাতি অস্পৃশ্যতা নিৰ্মূল কৰি, পৰ্বত ভৈয়ামৰ মাজত সম্প্ৰীতিৰ এনাজৰীডাল দৃঢ় কৰি সাম্যবাদৰ সৃষ্টি কৰিছিল। এইদৰে ধৰ্মীয় আচৰণৰ সংযোগত সামাজিক সংস্কাৰ সাধন, ভক্তি ধৰ্মৰ মূল লক্ষ্য বুলি লৈছিল। ধৰ্ম হ'ল এটা জাতিৰ ধৰণী স্বৰূপ। ধৰ্ম সংস্কৃতিৰো উপাদান। বৈষ্ণৱপ্ৰাণ শংকৰদেৱে অসমৰ বৈষ্ণৱ ধৰ্ম আৰু অসমীয়া সংস্কৃতিক এক নিজস্ব ৰূপ দিছিল।

ইতিমধ্যে শংকৰদেৱে বাৰ বছৰ উত্তৰ ভাৰতৰ বিভিন্ন তীৰ্থ ভ্ৰমণ কৰি বিভিন্ন ধৰ্মৰ সাধু সন্তৰ লগত ধৰ্মীয় চিন্তা ধাৰাৰ বিনিময় কৰি নানা বিচিত্ৰ অভিজ্ঞতাৰে পৰিপুষ্ট হৈ বৰদোৱালৈ ঘূৰি আহে। তেওঁৰ অনুপস্থিতিত বাৰভূঞাৰ অৱস্থা শোচনীয় হৈ পৰে। সেয়ে আত্মীয়-স্বজন বংশ পৰিয়ালে সংসাৰৰ সম্পূৰ্ণ দায়িত্ব লৈ ভূঞা ৰাজ্যৰ খ্যাতি সমৃদ্ধি পুনৰ প্ৰতিষ্ঠিত কৰিবলৈ অনুৰোধ কৰে। কিন্তু সুদীৰ্ঘ কাল তীৰ্থ ভ্ৰমণৰ বিচিত্ৰ অভিজ্ঞতা, জ্ঞান বিদ্যাত পাৰ্গত, সুস্বাস্থ্য, সু-মনৰ অধিকাৰী শংকৰদেৱে বিষয়ৰ দোমোজা, সাংসাৰিকতা আৰু উচ্চতৰ ধৰ্মীয় জীৱনৰ টনা আজোৰাত সোমাবলৈ মান্তি নহল। খেৰসূতী আইয়ে শংকৰদেৱক পুনৰ বিবাহৰ বাবে কুটুৰিবলৈ ধৰিলে। কিন্তু সেই আশা পূৰণ নোহোৱাকৈয়ে খেৰসূতী আইয়ে পৃথিৱীৰ পৰা বিদায় ললে। জীৱনৰ আশ্ৰয়দাতা, অভিভাৱক যাৰ মৰমৰ ছত্ৰছায়াই শংকৰদেৱক আৱৰি ৰাখিছিল, তেওঁৰ মৃত্যুৱে ২য় বাৰৰ বাবে শংকৰদেৱক মানসিক সংঘাত দিলে। শেষত আত্মীয়-স্বজনৰ অনুৰোধ উপেক্ষা কৰিব নোৱাৰি কালিন্দী আইক বিবাহ কৰে। কিন্তু তেওঁৰ ধৰ্মত গৃহী আৰু গৃহত্যাগীৰ সমান স্থান। শংকৰদেৱে একাণপটীয়াভাৱে এক শৰণ ভাগৱতী ধৰ্ম প্ৰচাৰত লাগে। কিন্তু কছাৰীবিলাকৰ আক্ৰমণ, অত্যাচাৰত তিষ্ঠিব নোৱাৰি ধুঁৱাহাট বেলগুৰিলৈ গুচি যায়। ইয়াতে আকস্মিক ভাৱে মাধৱদেৱৰ সৈতে মিলন হয় আৰু গুৰুজনাৰ সান্নিধ্যই মাধৱক শৰণ লবলৈ বাধ্য কৰায়। চৰিত পুথি মতে দুয়োজনা গুৰুকে মণি-কাঞ্চনৰ সংযোগ বুলি জনা যায়। মহাপুৰুষ গুৰুজনাই মাধৱদেৱক সোঁহাত স্বৰূপে লৈ এক সাংস্কৃতিক, আধ্যাত্মিক, সামাজিক জীৱনৰ পাতনি ৰচনা কৰিবলৈ লয়। অশেষ শ্ৰমেৰে মূল ভাগৱতৰ পৰা সহজ সৰল ভাষালৈ অনুবাদ কৰি গীতা ভাগৱতক ধুঁৱাহাটৰ নামঘৰত থাপি জনগণৰ নামত এক প্ৰাণ এক মন হৈ মিলি গ'ল।

প্ৰাচীন সংস্কাৰ, ভেদাভেদেৰে গঠিত আলাঙ্কুকলীয়া সমাজক নকা কৰিবলৈ যোৱাটো বৰ সহজ সাধ্য নাছিল। সেই সময়ত অসমত আছিল পদে পদে জীৱ-জন্তুৰ ভয় বানপানীৰ বিপদ, প্ৰকৃতিৰ পৰা বিপদ, ৰাজকীয় বিপদ। এনে এটা বিপদ

সংকুল পৰিবেশত থাকিও শংকৰদেৱে সকলো ধৰণৰ হেঙাৰ ওফৰাই এটা জাতিৰ সংহতি প্ৰতিষ্ঠা কৰি গ'ল।

শংকৰদেৱৰ নামধৰ্মই দেখ দেখকৈয়ে কৰ্মকাণ্ডী ব্ৰাহ্মণসকলৰ স্বাৰ্থত, সমাজ ব্যৱস্থাত ব্যাঘাত জন্মালে। তেওঁলোকৰ আছুতীয়া সম্পত্তি হৈ থকা দুৰ্বোধ্য সংস্কৃত ভাষাৰ পুথি-পাজিবোৰ যিবোৰৰ ৰসস্বাদন কৰা সাধাৰণ মানুহৰ বাবে দুৰ্লভ আছিল, সেই তত্বকথা অমৃতৰ ৰস শংকৰদেৱে সমাজত বিলাই দিছিল। ফলত সৰ্বসাধাৰণে ভগৱন্তৰ কাষ চাপিবলৈ পুৰোহিতক পাছনী ধৰিব লগীয়া নিয়মৰ পৰা মুক্ত হ'ল। ফলত পুৰোহিতৰ স্বাৰ্থত হেঙাৰ হৈ পৰিল নাম ধৰ্ম। বিপ্ৰ পণ্ডিতসকল শংকৰদেৱৰ ঘোৰ শত্ৰু হৈ উঠিল। ভকতসকলক (যি তেওঁলোকৰ বাবে ম্লেছ, চণ্ডাল, যৱন আছিল) তেওঁলোকে মালা লৈ ভক্তি কৰা দেখি সেই মালা হাতৰ পৰা কাঢ়ি নি কৰ্মকাণ্ডী বিপ্ৰসকলে কুকুৰৰ নেজত আঁৰি দিছিল। তাৰোপৰি দলিয়াই, ফমুঁঠিয়াই ভকতক বহু সময়ত হাৰাশাস্তি দিছিল। এই বিপ্ৰসকলৰ ভিতৰত শ্ৰীধৰ ভট্টাচাৰ্য্য, ৰত্নাকৰ কন্দলী, ৰবিৰাজ মিশ্ৰ আদি প্ৰধান আছিল। তেওঁলোকৰ আচৰণৰ কথা শুনি শংকৰদেৱে দুখ পালে কিন্তু উত্তেজিত নহ'ল। ভগৱানক সাক্ষী কৰি নিজৰ সত্য পথত আগুৱাই গ'ল। শংকৰদেৱে কেৱল যে ব্ৰাহ্মণসকলৰ পৰাই বাধাপ্ৰাপ্ত হৈছিল এনে নহয়। নিজ বংশৰ এজন খুড়াকৰ পৰাও বহু সময়ত বহুত আঘাট পাইছিল। শেষত ছলে বলে কৌশলে জিকিবলৈ ব্ৰাহ্মণসকলে আহোম ৰজাৰ ওচৰত গোচৰ দিছিল। কিন্তু তাতো শংকৰদেৱে তৰ্ক যুদ্ধত হৰুৱাই তেওঁলোকক অপমান দিছিল। গুৰুজনাই "ব্ৰাহ্মণসৱক দ্বেষ্য কৰিবাক আমাৰ নুহি উচিত, কৃষ্ণ ভকতি বিপ্ৰৰ মুখত কৰো বিদিত" বুলি ভাৱিছিল।

এইদৰেই সকলো হেঙাৰ অতিক্ৰমি শ্ৰীমন্ত শংকৰদেৱে অসমৰ বুকুত পৰ্বত ভৈয়ামৰ মাজত সেতু বান্ধি কছাৰী, চুটীয়া, আহোম, মৰাণ, মিৰি, যৱন, চণ্ডাল, মুছলমান, কৈৱৰ্ত্ত আদি জনগোষ্ঠীৰ সমন্বয় ঘটাই বৃহত্তৰ জনগণৰ মাজত নতুন চেতনা জগাই তুলিছিল। গাৱঁৰ হালোৱা, সজুৱা কৃষক হৈয়ে থাকক, নিজৰ কৰ্তব্য সম্পন্ন কৰিও অন্তৰ জগতৰ কৰ্ষণ কৰি মানৱ জীৱনৰ বৃহত্তৰ পৰিচয় পাবলৈ শিকক। নহলে তেওঁলোকৰ জীৱন, জন্ম আৰু মৃত্যুৰ সীমাত আবদ্ধ হৈ থাকি পোহৰ বিচাৰি নাপাই আন্ধাৰত খেপিয়াই ফুৰিব।

বৈষ্ণৱ-প্ৰাণ শংকৰদেৱে অসমৰ ধৰ্ম আৰু সংস্কৃতিক এক নিজস্ব ৰূপ দিছিল। অসমৰ সংস্কৃতিলৈ শ্ৰীমন্ত শংকৰদেৱে এক অভুতপূৰ্ব বৰঙণি আগবঢ়াই থৈ গৈছে। অংকীয়া নাট, ভাওনা শংকৰদেৱৰ এক অভিনৱ সৃষ্টি। গুৰুজনাই ১৯ বছৰ বয়সতে চিহ্নযাত্ৰা নাট ৰচনা কৰিছিল। এই চিহ্নযাত্ৰাৰ যদিও প্ৰতিলিপি উদ্ধাৰ হোৱা নাই তথাপি ইয়াৰ সাত বৈকুণ্ঠৰ পট, নৃত্য, গীত, বাদ্য প্ৰদৰ্শন উল্লেখযোগ্য। চিহ্নযাত্ৰাই অসমলৈ এটা সুসংহত আৰু পৰিচ্ছন্ন সংস্কৃতিৰ নতুন যুগৰ বাৰ্ত্তা কঢ়িয়াই আনিছিল। গুৰুজনাৰ অন্য

ছয়খন নাট হৈছে পত্নী প্ৰসাদ, পাৰিজাত হৰণ, ৰুক্মিণী হৰণ, কেলিগোপাল, কালিয়দমন আৰু ৰামবিজয়। ইয়াৰ ৰামবিজয়ৰ বাদে বাকী কেইখন ভাগৱতৰ পৰা আৰু ৰামবিজয় ৰামায়ণৰ পটভূমিত ৰচনা কৰিছিল। এই নাটবোৰৰ এটাই মাত্ৰ উদ্দেশ্য আছিল— সি হৈছে জনগণৰ মাজত ভক্তি ধৰ্মৰ সঞ্চাৰ কৰা। নাট্য সাহিত্যৰ যোগেদি ধৰ্মীয় আদৰ্শ প্ৰচাৰ কৰাৰ উদাহৰণ বিশ্বত বিৰল নহলেও শংকৰদেৱৰ অভিনৱ সৃষ্টি অংকীয়া নাট ভাওনাই জাতীয় বৌদ্ধিক বিকাশত যি ভূমিকা গ্ৰহণ কৰিলে তাৰ দৃষ্টান্ত অন্য ক'তো পোৱা নাযায়।

শ্ৰীমন্ত শংকৰদেৱে সৃষ্টি কৰা অঙ্কীয়া নাটৰ অভিনয়ৰ উৎস হিচাপে অসমৰ থলুৱা "ওজাপালিৰ নাম উল্লেখযোগ্য। কাৰণ অঙ্কীয়া নাটৰ সূত্ৰধাৰৰ মুদ্ৰা, অংগী-ভংগীৰ প্ৰদৰ্শন আদিৰ ওজাপালিৰ লগত সাদৃশ্য আছে। এইদৰেই শ্ৰীমন্ত শংকৰদেৱে গীত আৰু নাট অভিনয় এই দুটি অতি হৃদয়গ্ৰাহী আৰু মনোৰঞ্জনৰ আটাইতকৈ শক্তিশালী সমল ধৰ্ম প্ৰচাৰৰ মাধ্যম হিচাপে লৈছিল। ভিন্ন ধৰ্মাৱলম্বী লোকক একত্ৰিত কৰিবলৈ নাট্যাভিনয়, গীত ৰাগ, ভটিমা, নন্দীৰ সহায় লৈ তেওঁ বহু পৰিমাণে সফল হৈছিল। সেই সময়ত অসমৰ প্ৰায় লোকেই অনাখৰী আছিল। আক্ষৰিক নথকাৰ হেতু ভাওনাৰ যোগেদি তেওঁলোকে যি দেখিছিল শুনিছিল সেই আদৰ্শই তেওঁলোকৰ অন্তৰত ৰেখাপাত কৰিছিল। সেই নাটৰ ভাষা আছিল অসমীয়া আৰু মৈথিলীৰ সংমিশ্ৰন ঘটাই সৃষ্টি কৰা নতুন ভাষা, যাক সৰ্বসাধাৰণে সহজে বুজিব পাৰিছিল। এনেদৰে শ্ৰীমন্ত শংকৰদেৱে জনসাধাৰণৰ অন্তৰ জয় কৰি নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰিছিল। তেওঁলোকৰ অন্তৰত শ্ৰীমন্ত শংকৰদেৱৰ স্থান পথ-প্ৰদৰ্শক ৰূপে অংকিত হৈ ৰৈছিল।

শ্ৰীমন্ত শংকৰদেৱে গীত নাট ৰচনা কৰোতে লোক কলা শৈলীসমূহৰ পৰাই অধিক সমল সংগ্ৰহ কৰিছিল। ছোঁ, মুখা, অস্ত্ৰ-শস্ত্ৰ, সাজপাৰ আদিৰ বাবে সমাজৰ সাধাৰণ শ্ৰেণীৰ পৰাই সহায় লৈছিল। বিভিন্ন জনগোষ্ঠীৰ সংস্কৃতি সানমিহলি কৰি নিজস্ব ৰূপ দিছিল। যেনে ভোটৰ বাদ্য 'তাল' আনি 'ভোৰতাল' কৰিলে। ভাৰতীয় 'মৃদঙ্গ'ৰ আৰ্হিৰে নতুনকৈ 'খোল' সৃষ্টি কৰিলে। সূত্ৰধাৰৰ সাজ পোছাকত মোগলাই পাগ জুৰিলে; নট, নটিনীৰ বাবে দিলে 'ঘুৰি' আৰু নটুৱা নৃত্যৰ বাবে প্ৰাচীন দেওধনীৰ পৰা 'মাটি আখৰা' আদি মোহনীয় নৃত্য প্ৰদৰ্শন সৃষ্টি কৰিলে। অতি উচ্চ ভগৱতমুখী আদৰ্শত লীন হৈ থাকিবলৈ ধ্ৰুপদী ৰাগ, তাল মানৰ সংযোগত 'বৰগীত' ৰচনা কৰিলে।

শ্ৰীমন্ত শংকৰদেৱৰ উদাৰ সাৰ্বজনীন মত প্ৰতিষ্ঠাৰ ফলত হিন্দু সমাজত প্ৰচলিত সৰ্বনাশী জাতিভেদ, উচ্চ-নীচ, ভাব বিলুপ্ত হৈ নতুন সত্যৰ, সংহতিৰ সৃষ্টি হ'ল। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ এজন মহান দাৰ্শনিক অথবা ৰাজনীতিক নাছিল স'চা, তথাপি এজন ধৰ্ম প্ৰচাৰক হৈও তেৰাই অসমীয়া জাতীয় সংহতিৰ যি উন্মেষ ঘটালে তাৰ কোনো তুলনা নাই।

বৰ্ত্তমানৰ এই কলিযুগ বিশ্বৰ কাল সন্ধিক্ষণত মানৱ সমাজত আজি নানা যন্ত্রণাৰ সৃষ্টি হৈছে। সাম্প্রদায়িক সংঘৰ্ষ, ৰাজনৈতিক সংঘৰ্ষ, সামাজিক সংগ্ৰাম আদিয়ে আজি অসমৰ আকাশ ধুৰঁলি-কুৰঁলী কৰি তুলিছে। এই কাল সন্ধিক্ষণৰ পৰা পৰিত্ৰাণ পাবলৈ হলে ধৰ্মত শৰণ লোৱাৰ বাহিৰে অন্য উপায় নাই। ভাগৱততো আছে –

"কলিত কেৱল হৰি নাম ধৰ্ম
নাম বিনে নসাধয় গতি একো কৰ্ম
নাম বিনে আন একো ধৰ্ম নাহিকয়
কলিযুগ মধ্যত বিশেষ অতিশয়।"

বহুতৰ হয়তো ধাৰণা হব যে এই কুৰি শতিকাৰ বিজ্ঞানৰ যুগত ৰাম নাম লৈ দেৱতাৰ পদানত নতশিৰে বন্তি জ্বলাই ধূপ নৈবেদ্য দি বহি থাকি সময় অপব্যয় কৰা দুৰ্বলতাৰ পৰিচায়কহে। কাৰণ ৰামায়ণ মহাভাৰতৰ সেই যুগ আজি নাই। কিন্তু যুগৰ পৰিৱৰ্তন হলেও, জাতিৰ উন্নতি হলেও এটা বস্তু সদায়েই জগতত অপৰিৱৰ্তনীয়। সি হৈছে আত্মা। গভীৰ ভাৱে চিন্তা কৰি চালে দেখা যায় যে প্ৰাণীৰ আত্মা তত্ব বেদৰ ভিতৰত মূৰ্ত্তমান। ধৰ্মই মানুহক পাপ পুণ্যৰ বিচাৰ কৰিবলৈ শিকায়। ই যুক্তি পথৰ সন্ধান দি মানুহক পাপ মুক্ত কৰে। সংস্কৃতিৰ উপাদান হৈছে ধৰ্ম। অতীতত অৱশ্যে ধৰ্ম আৰু সংস্কৃতিৰ কোনো পাৰ্থক্য নাছিল। ধৰ্মক বাদ দি বিজ্ঞানৰো কোনো মূল্য নাই। গতিকে আজি অসমতে নহয় সমগ্ৰ পৃথিৱীত যি ভাঙনমুখী ৰূপ পৰিগ্ৰহণ কৰা দেখা গৈছে তাক প্ৰতিৰোধ কৰিবলৈ ধৰ্মৰ নিতান্তই প্ৰয়োজন হৈ পৰিছে। সেয়ে মহাপুৰুষজনাৰ আদৰ্শ আগত ৰাখি তাৰ উদ্দেশ্য কাৰ্য্যকৰী কৰিব লাগে।

শ্ৰীমন্ত শংকৰদেৱৰ দৰে এজেন লোকেই কবি, নাট্যকাৰ, ব্যায়ামবিদ, গৃহস্থী, পৰ্য্যটক, গীতিকাৰ, শিল্পী, সমাজ সংগঠক আদি হব পৰা ধৰ্ম প্ৰচাৰক পৃথিৱীৰ সকলো ঠাইতে বিৰল বুলিব পাৰি। মুঠতে কব পাৰি যে অসমবাসীৰ ধৰ্ম আকাশত বৈদিক যুগৰ কৰ্ম, সত্য, দ্বাপৰ ত্ৰেতা যুগৰ ধ্যান-ধৰণা, যাগ-যজ্ঞ, পূজা-পাৰ্বন আদিৰ ঘোপমৰা, মৰা আঁউসীৰ আন্ধাৰ বিনাশী কলিৰ শ্ৰেষ্ঠতম যুগ নায়ক শ্ৰীমন্ত শংকৰদেৱে অসমত ভক্তিবাদৰ সূৰ্য্য উদয় কৰাই সমগ্ৰ অসমবাসীক ভাৰতৰ ভিতৰতে নহয় সমগ্ৰ বিশ্বৰ ভিতৰতে সুপ্ৰতিষ্ঠিত কৰিলে গৈছে। সেয়ে—

"শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানা যেন কল্পতৰু
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু।"

"জয় গুৰু শ্ৰীমন্ত শঙ্কৰ"

# ভাৰতৰ শাস্ত্ৰীয় নৃত্যসমূহৰ চমু আভাস

শ্ৰীপ্ৰাবিতা বৰঠাকুৰ
স্নাতক তৃতীয় বাৰ্ষিক

নৃত্য কলাৰ সাধাৰণতে দুটা ভাগ। শাস্ত্ৰীয় বা মাৰ্গীয় নৃত্য আৰু লোক নৃত্য বা দেশী নৃত্য। জন-জীৱনৰ লগত সম্বন্ধ থকা উৎসৱ বা ধৰ্ম্মীয় অনুষ্ঠানত স্বতঃস্ফুৰ্ত ভাৱে মানুহে আনন্দত প্ৰকাশ কৰা তাল-লয়যুক্ত অঙ্গ ভঙ্গীক সাধাৰণতে লোক নৃত্য বা দেশী নৃত্য বোলে। স্থান, কাল, পাত্ৰ ভেদে এই নৃত্যসমূহ বেলেগ বেলেগ হয়।

কোনো এটা নিৰ্দ্দিষ্ট পথ (মাৰ্গ) বা শাস্ত্ৰৰ নিৰ্দ্দিষ্ট নিয়ম মানি চলা নৃত্যক শাস্ত্ৰীয় নৃত্য বা মাৰ্গীয় নৃত্য বোলে। এই মাৰ্গীয় নৃত্য স্থান-কাল-পাত্ৰ ভেদে একোটা নিজস্ব ৰূপ লৈ প্ৰকাশ হয়। ভাৰতৰ শাস্ত্ৰীয় নৃত্যৰ মূল শাস্ত্ৰ বা আধাৰ গ্ৰন্থ ভৰত মুনিৰ নাট্যশাস্ত্ৰ। নাট্য শাস্ত্ৰৰ পাছত আন বহুতো নাট্য-নৃত্যৰ শাস্ত্ৰ ৰচনা হৈছে। এই শাস্ত্ৰবোৰৰ নিয়ম মানি চলিলেও ভাৰতৰ বিভিন্ন প্ৰান্তত প্ৰান্তীয় প্ৰভাৱ পৰি বিভিন্ন নৃত্য ধাৰাৰ সৃষ্টি হ'ল। এইখিনিতে উল্লেখযোগ্য যে ভাৰতৰ কোনো নৃত্য ধাৰাই নাট্য শাস্ত্ৰ বা কোনো শাস্ত্ৰৰ সম্পূৰ্ণ নিয়ম মানি চলা নাই। ভাৰতৰ বিভিন্ন প্ৰান্তত থকা স্বীকৃতি-প্ৰাপ্ত শাস্ত্ৰীয় নৃত্যসমূহ তলত উল্লেখ কৰা হ'ল।

ভাৰত নাট্যম ঃ দক্ষিণ ভাৰতৰ নৃত্যশৈলী ভাৰত নাট্যমকে ভাৰতীয় নৃত্য কলাৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ বুলি চিহ্নিত কৰা হয়। এই নৃত্য শৈলীৰ উৎপত্তি সম্বন্ধে নানা পণ্ডিতৰ নানা মত। কোনোৱে কয় ই ভৰত মুনিৰ সৃষ্টি ; সেইবাবে ইয়াৰ নাম ভাৰত নাট্যম। ভাৰত নাট্যম কেৱল দক্ষিণ ভাৰতৰেই নহয়, ই এক সৰ্বভাৰতীয় নৃত্য। ভাৰত নাট্যম যে ভাৰতৰ প্ৰাচীন নৃত্য তাৰ বহুতো প্ৰমাণ আছে। নাট্যমত সাধাৰণতে সাতটি ৰীতি প্ৰদৰ্শন কৰা হয়। যেনে ঃ— আল্লাৰিপু, যতিস্বৰম্, শব্দম্, বৰ্ণম্, পদম, তিল্লানা আৰু শ্লোক। কণ্ঠ সঙ্গীতত ৰাগ-ৰাগিনী ব্যৱহৃত হয়। ইয়াৰ উপৰিও তানপুৰা, বীণা, সুৰ শৃঙ্গাৰ, সাৰেঙ্গী, বেহেলা, বাঁহী, কৰতাল, মন্দিৰা, মৃদঙ্গ ইত্যাদি বাদ্য যন্ত্ৰসমূহ ব্যৱহাৰ হয়। এই নৃত্য-শৈলীৰ চাৰি প্ৰকাৰৰ অভিনয় প্ৰযুক্ত হয়। সেইয়া হৈছে— আঙ্গিক, বাচিক, সাত্বিক আৰু আহাৰ্য্য অভিনয়। এই নৃত্য-ধাৰাৰ আগৰ নাম আছিল সাদিৰ বা দাসী আট্টম। সাদিৰ বা দাসী আট্টমৰ উন্নীত ৰূপেই হল আজিৰ ভাৰত নাট্যম্।

**কথাকলি নৃত্য ঃ** কথাকলি নৃত্যৰ জন্মভূমি হৈছে কেৰেলা। কথাকলি মানে হৈছে কথাৰ মালা আৰু আট্ট মানে অভিনয় বা নৃত্য। কথাকলি হ'ল কেৰেলাৰ অন্যান্য প্ৰাচীন নৃত্য-কলাৰ এক পৰিমাৰ্জিত ৰূপ। প্ৰাচীন নৃত্য বুলিলে বুজা যায় যে চাক্যাৰ কুণ্ড কুটিয়াট্টম, মোহিনীয়াট্টম, মীনাক্ষী নাটকম, কংস নাটকম ইত্যাদি। এই সকলোবোৰৰ অংশ লৈয়ে সৃষ্টি হৈছে কথাকলি নৃত্য। ৰজা কোট্টৰ ক্কৰাই প্ৰথমে আট্টভাষাৰ নৃত্য-নাট্য ৰচনা কৰে। কথাকলি নৃত্যৰ বয়স পাঁচ শ বছৰতকৈ বেছি হোৱা নাই। কথাকলি নৃত্যত নৃত্য-অভিনয়সমূহৰ বেছি ভাগ ৰামায়ণ, মহাভাৰত, পুৰাণ আদিৰ পৰা সংগ্ৰহ কৰা হয়। অঙ্গ সঞ্চালন আৰু মুকাভিনয়েই হৈছে কথাকলি নৃত্যৰ মূল বৈশিষ্ট্য। ইয়াৰ প্ৰধান বৈশিষ্ট্য হ'ল এই নৃত্যসমূহ পুৰুষৰ বাহিৰে মহিলা শিল্পীয়ে প্ৰদৰ্শন কৰিব নোৱাৰে। কথাকলি নৃত্য-সঙ্গীতত দক্ষিণ ভাৰতীয় ৰাগ ৰাগিণী প্ৰযুক্ত হয়। এই নৃত্যত ব্যৱহাৰ হোৱা বাদ্য-যন্ত্ৰ সমূহ হৈছে চাম্বাড়া, চাম্পা, আড়ান্দা, ত্ৰিপাড়া, পাঞ্চানী। এইয়ে হ'ল কথাকলি নৃত্যৰ সাধাৰণ তথা সংক্ষিপ্ত পৰিচয়।

**ওড়িচী ঃ** ওড়িচী নৃত্যও হৈছে ভাৰতৰ প্ৰাচীনতম নৃত্যসমূহৰ ভিতৰত অন্যতম। এই নৃত্য প্ৰথমতে উৰিষ্যাৰ জগন্নাথ মন্দিৰতেই সৃষ্টি হয়। ওড়িচী নৃত্য প্ৰথমে মঙ্গালাস্বৰম কৰি, ভূমি প্ৰণাম আৰু বিঘ্নৰাজ পূজা, বটু-নৃত্য, ইষ্টদেৱ বন্দনা, স্বৰপল্লৱীৰে আৰম্ভ কৰে। ভূমি প্ৰণামত ত্ৰিভঙ্গ ভঙ্গিমা প্ৰাদৰ্শিত হয়। এই ভঙ্গিমাই হৈছে ওড়িচী নৃত্যৰ ভঙ্গিমা। এই নৃত্যৰ অন্যতম শ্ৰেষ্ঠ ভাগ হ'ল স্বৰপল্লৱী নৃত্য। আঙ্গিক, বাচিক, সাত্বিক আৰু আহাৰ্য্য— এই চাৰি প্ৰকাৰ অভিনয়েই এই নৃত্য শৈলীত প্ৰযুক্ত হয়। ওড়িচী নৃত্যৰ লগতো ৰাগ-ৰাগিনী আৰু তাল প্ৰযুক্ত কৰা হয়।

**কথক নৃত্য ঃ** ভাৰতবৰ্ষৰ বিভিন্ন শাস্ত্ৰীয় নৃত্যৰ ভিতৰত কথক নৃত্যৰ স্থান অতি উচ্চ। কথক নৃত্যক আগতে কোৱা হৈছিল নটৱৰী নৃত্য। কাৰণ এই নৃত্য প্ৰদৰ্শিত কৰা হয় দেৱমন্দিৰ শ্ৰীকৃষ্ণ ভগৱানৰ আগত। শ্ৰীকৃষ্ণকে শ্ৰেষ্ঠ শিল্পী নটবৰ ৰূপে কল্পনা কৰা হয়। কথক নৃত্যৰ প্ৰধান ভাগসমূহ হৈছে— আমদ, অদা, সেলামী ইত্যাদি। ভাৰত নাট্যম, কথাকলি নৃত্যত যিদৰে মুদ্ৰাৰ সহায়ত ভাৱ প্ৰদৰ্শন কৰা হয়, কথক নৃত্যও সেইদৰে পাদবিন্যাস আৰু লয়কাৰী ভঙ্গীৰ দ্বাৰা প্ৰদৰ্শন কৰা হয়। এই নৃত্যত ৰাধা-কৃষ্ণৰ লীলা বৰ্ণনা আৰু ঠুমৰী গানৰ জৰিয়তে ভাৱ প্ৰদৰ্শন কৰা হয়। তবলা, মৃদঙ্গ, পাখোৱাজ, সাৰেঙ্গী ইত্যাদি বাদ্য-যন্ত্ৰ এই নৃত্যত ব্যৱহৃত হয়।

বৰ্তমান কথক নৃত্যৰ প্ৰধান দুটা ঘৰাণাৰ পৰিচয় বেচিকৈ পোৱা হৈছে। এটি লক্ষ্ণৌ আৰু আনটি জয়পুৰ ঘৰানা, বেনাৰচ ঘৰানা নামৰ আন এটিও ঘৰানা আছে। কথক নৃত্যৰ ক্ষেত্ৰত লক্ষ্ণৌ ঘৰানাই আজি

বিশেষ প্ৰতিষ্ঠা লাভ কৰিছে। এই নৃত্যৰ জনক ৰূপে ঈশ্বৰী প্ৰসাদৰ কথা কোৱা হয়।

**মণিপুৰী নৃত্য :** মণিপুৰত প্ৰচলিত লোক-নৃত্য আৰু পৰম্পৰাগত নৃত্যসমূহকেই মণিপুৰী নৃত্য বোলে। মহাৰাজ ভাগ্যচন্দ্ৰই ১৭০০ শতিকাত মণিপুৰত ৰাস নৃত্যৰ প্ৰচলন কৰে। ইয়েই মণিপুৰৰ শাস্ত্ৰীয় নৃত্যৰ আৰম্ভণি। গৌৰীয় ধৰ্মৰ প্ৰভাৱত মহাৰাজ ভাগ্যচন্দ্ৰই থলুৱা লোক-নৃত্যৰ আধাৰত এই ৰাস-নৃত্যৰ প্ৰচলন কৰিছিল। তাৰ পাছত বিভিন্ন গুৰুসকলে মণিপুৰী নৃত্যত বহুতো নতুন সংযোজন কৰিলে। ভাগ্যচন্দ্ৰৰ দিনত পঞ্চভঙ্গী পৰেঙ্গ বা ভঙ্গী অচৌবাহে আছিল। তাৰ পাছত বৃন্দাবন পৰেঙ্গ, সুৰুৱা পৰেঙ্গ, গুষ্ঠ পৰেঙ্গ আৰু গুষ্ঠ বৃন্দাবন পৰেঙ্গ এই চাৰিবিধ ভঙ্গী যোগ হৈ পঞ্চ ভংগী হয়। লগতে প্ৰায় ৪৩ খন চালি নাচৰ ভংগীবো সৃষ্টি হ'ল। মণিপুৰী নৃত্যৰ শিক্ষা হয় চালি নৃত্যৰে। প্ৰায় কুৰি বছৰৰ আগলৈকে বঙালী বা মৈথিলী ভাষাৰ গীত নৃত্যসমূহৰ লগত প্ৰয়োগ কৰিছিল। বৰ্তমান সকলো মণিপুৰী ভাষাতে কৰা হয়। মণিপুৰী নৃত্যৰ বিশেষ আকৰ্ষণ ইয়াৰ জকমকীয়া সাজ-সজ্জাত। মণিপুৰী নৃত্যৰ লগত সাধাৰণতে খোল, তাল আৰু বাঁহী ব্যৱহাৰ হয়। মণিপুৰীসকল পৃথিৱী বিখ্যাত বিশেষকৈ খোল বাদনৰ ক্ষেত্ৰত। বিভিন্ন অংগী ভংগীৰে বজোৱা খোল বাদনক পুংচলম বোলে। মন্দিৰাচলম, আৰু কৰতালি চলম, আন দুবিধ মণিপুৰি নৃত্য। ভাৰতৰ সকলো নৃত্যতকৈ মণিপুৰী নৃত্য অধিক লাস্যপ্ৰধান।

**সত্ৰীয়া নৃত্য :** ১৫০০ শতিকাত মহাপুৰুষ শঙ্কৰদেৱে সৃষ্টি কৰা অসমৰ উল্লেখযোগ্য শাস্ত্ৰীয় নৃত্য হ'ল সত্ৰীয়া নৃত্য। শঙ্কৰদেৱৰ পাছত মাধৱদেৱে আৰু সত্ৰৰ ওজা, বায়নসকলে এই নৃত্যৰ উত্তৰণ ঘটায়। এই নৃত্যৰ ভাগসমূহ হৈছে—

প্ৰথমে মাটি আখৰা। এই মাটি আখৰা সমূহৰ পাছতেই ক্ৰমে নাদুভংগী, ঝুমুৰা নাচ, চালি নাচ, ৰজাঘৰীয়া চালি নাচ আদিৰ শিক্ষা দিয়া হয়। সত্ৰীয়া নৃত্যসমূহ সাধাৰণতে তিনিটা ভাগত বিভক্ত — নৃত্য, নাট্য, নৃত্ত।

**নৃত্য :** ভাব অৰ্থহীন তাল আৰু চন্দ্ৰযুক্ত হাত ভৰিৰ চালনাক নৃত্য বোলে।

ভাৰতৰ অন্য শাস্ত্ৰীয় নৃত্যসমূহৰ দৰে সত্ৰীয়া নৃত্যৰ লগতো গীত-মাতৰ ব্যৱহাৰ আছে। এই নৃত্যৰ লগত প্ৰধানকৈ আৱশ্যকীয় বাদ্য যন্ত্ৰ হৈছে— খোল, তাল আৰু বাঁহী। এই নৃত্যসমূহ আগৰ নৃত্যৰ তুলনাত বহুতো উন্নীত কৰা হ'ল। এই নৃত্যত বিভিন্ন ধৰণৰ সাজ-পোচাকৰ আৱশ্যক হয়। এই নৃত্য পুৰুষ আৰু মহিলা উভয়ে প্ৰদৰ্শন কৰিব পাৰে। ইয়াত কথাকলি নৃত্যৰ দৰে বাধা নাই।

**নাট্য :** মুখেৰে বচন কৈ যি অভিনয় কৰা হয় তাকে নাট্য বোলে।

**নৃত্ত :** ভাব, ৰস অৰ্থহীন তাল আৰু চন্দ্ৰ

যুক্ত হাত ভৰিৰ চালনাক নৃত্ত বোলে। শঙ্কৰী নৃত্যত নৃত্ত অংশ যথেষ্ট বেছি। নৃত্যৰ অংশ কম। কিন্তু নাট্য অংশ বহুত বেছি। নাদুভঙ্গি, ঝুমুৰা নাচ, চালি নাচ ইত্যাদি নৃত্ত।

**কুচিপুড়ী ঃ** অন্ধ্রপ্রদেশৰ কুচিপুড়ী নৃত্যৰ ১৬০০ শতিকাত বিকাশ হয়। অন্ধ্র প্রদেশৰ কুচিপুড়ী নামৰ এখন গাঁৱত ভাগৱতৰ ব্ৰাহ্মণ-সকলৰ দ্বাৰা এই নৃত্যৰ সৃষ্টি আৰু উৎকৰ্ষ হৈছিল। কুচিপুড়ী আচলতে নৃত্ত, নাট্য। কুচিপুড়ী গাঁৱৰ বৈষ্ণৱসকলে ৰামায়ণৰ কাহিনী গীত, নৃত্য অভিনয়ৰ দ্বাৰা প্ৰদৰ্শন কৰিছিল। এওঁলোকক কুশীলৱ বুলিছিল। বহুত দিনলৈকে এই নৃত্যত স্ত্ৰীৰ প্ৰবেশ নিষিদ্ধ আছিল ; সকলো পুৰুষেই কৰিছিল। ভাৰত নাট্যমৰ দৰে ইয়াতো শব্দম, তিল্লানা আদিৰ প্ৰয়োগ আছে। এই নৃত্যত লাস্য আৰু তাণ্ডৱ দুটাকে দেখা যায়। অতি কম দিনৰ ভিতৰত প্ৰসিদ্ধ কলাকাৰ বেদান্তম সত্যনাৰায়ণৰ চেষ্টাত এই নৃত্যধাৰাই প্ৰসিদ্ধি লাভ কৰিছিল।

ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত শাস্ত্ৰীয় উপাদানেৰে বহুতো নৃত্যধাৰা চলি আছে। এই নৃত্যবোৰত কম বেছি পৰিমাণে নাট্য শাস্ত্ৰ, অভিনয়দৰ্পন আদিৰ প্ৰভাৱ পৰা দেখা যায়। মুহিনীআট্টম, ভাগৱতমেল, যক্ষজ্ঞান, চৌনৃত্য, অসমৰ ওজাপালি এই নৃত্যসমূহৰ ভিতৰত পৰে। ৰাষ্ট্ৰীয় স্বীকৃতি নাপালেও, পণ্ডিত সমাজৰ চকুৰ আঁৰত থাকিলেও এই নৃত্য সমূহে অতি প্ৰাচীন কালৰে পৰা ভাৰতীয় শাস্ত্ৰীয় নৃত্যৰ পৰম্পৰা বহন কৰি আছে। ●



# মিচিং জনগোষ্ঠী আৰু সংস্কৃতিৰ চমু ৰেঙণি

শ্ৰীমতী সোনামণি মিলি
স্নাতক ২য় বাৰ্ষিক

ভাষাতাত্ত্বিক পণ্ডিতসকলৰ গৱেষণাৰ বিস্তৃত পথাৰ স্বৰূপ উত্তৰ পূৰ্ব্বাঞ্চলৰ মনোৰম জনজাতি প্ৰধান ৰাজ্য অসমত বহুতো জনজাতি আৰু বহুতো উপ-জাতিয়ে বসবাস কৰে। ৰাজ্যখনত সিচঁৰিত হৈ থকা এই জনজাতিসকলৰ মাজত প্ৰায় ৫০ / ৬০ টামান দোৱান আছে। জাতিগত ভাৱে জনজাতি-সকলৰ মাজত সাদৃশ্য আছে যদিও জীৱন ধাৰণৰ প্ৰণালী, ৰীতি-নীতি, সাজ-পোছাক, উৎসৱ-পাৰ্বন আদি সকলোতে পৰস্পৰৰ মাজত অৱশ্যে পাৰ্থক্য দেখা যায়।

অসমৰ জনজাতিসকলৰ ভিতৰত মিছিং জনগোষ্ঠী বিশেষ ভাৱে উল্লেখযোগ্য এসময়ত মিচিংসকল মূলতে অৰুণাচলৰ চিয়াং জিলাৰ আদি গোষ্ঠীৰ এটা শাখা আছিল। এই জন-জাতিসকলে তিৰ্ব্বতৰ পৰা আদি সকলতকৈও আগতে তেতিয়াৰ নেফ্কা আৰু বৰ্তমানৰ অৰুণা-চললৈ প্ৰব্ৰজন কৰিছিল। আদিসকলে পিছত আহি 'কাক চিমং' নামৰ অঞ্চল বিশেষত তেওঁলোকৰ লগত মিলিত হৈছিলগৈ। তেওঁলোকে প্ৰব্ৰজন কৰোতে দল বান্ধি আহিছিল। দলবোৰে ভাল, সাৰুৱা আৰু নতুন ঠাই বিচৰাত প্ৰতি-যোগিতা চলাইছিল। এইদৰে প্ৰতিযোগিতা চলাওঁতে তেওঁলোকৰ পৰস্পৰৰ মাজত সংঘৰ্ষ হৈছিল। সংখ্যাগৰিষ্ঠ দলে সংখ্যালঘু আৰু দুৰ্বল দলবিলাকক খেদি সিহঁতৰ ঠাইবোৰ দখল কৰিছিল। ফলত দুৰ্বল দলবোৰে ঠাই সলাই ফুৰিব লগীয়া হৈছিল। অৱশেষত হয়তো বলিষ্ঠ দলৰ আগত টিকিব নোৱাৰি মিচিংসকলেও পৰ্বতৰ পৰা ভৈয়ামলৈ নামি আহিছিল। মিচিংসকল প্ৰায় আহোমসকলৰ সমসাময়িক আৰু শদিয়াৰ চুটিয়া ৰাজ্যৰ লুপ্ত অৱস্থাতে ভৈয়ামলৈ আহিছিল। মিচিং-সকলৰ পূৰ্বৰ বাসস্থান অসমৰ উত্তৰে থকা পৰ্বতমালাত আছিল।

বৰ্তমান মিছিংসকল অসমৰ লক্ষীমপুৰ, ধেমাজি, জোনাই, ডিব্ৰুগড়, শিৱসাগৰ, যোৰ-হাট, গোলাঘাট, গুৱাহাটী, দৰং, শোণিতপুৰ আদি জিলাত বসবাস কৰি আছে। অৰুণা-চলৰ চিয়াং আৰু লুহিত জিলাতো মিচিংৰ বসতি দেখা যায়। মিচিংসকলৰ নিজা কোনো ৰজা নাছিল। সমাজখন গণতান্ত্ৰিক পদ্ধতিৰে চলে।

মিচিংসকলে সাধাৰণতে নদীৰ পাৰত

গাওঁ পাতি বসবাস কৰে। সাৰুৱা মাটি, যাতায়ত, বেপাৰ-বাণিজ্য আৰু অন্যান্য প্ৰাকৃতিক সা-সুবিধাৰ বাবে নদীপৰীয়া গাওঁ বেছি ভাল পায়। মিচিংসকলে নদীৰ পাৰত চাংঘৰ সাজি থাকে। কাৰণ বাৰিষা বতৰত পানীৰ পৰা ৰক্ষা পাবলৈ চাংঘৰ আৱশ্যক। তদুপৰি স্বাস্থ্যৰ কাৰণেও অনুকূল। একোখন গাঁৱত ২০০ ঘৰলৈকে লোক থকা দেখা যায়। যৌথ পৰিয়াল হিচাপে থকাৰ বাবে চাংঘৰবোৰ দীঘলে সাজে। ঘৰ সাজোতে প্ৰায় উত্তৰ-দক্ষিণাকৈ সাজে। ঘৰৰ সকলো মানুহে মুখিয়ালজনৰ দিহা-পৰামৰ্শ মতে চলে। ঘৰৰ আয়-ব্যয় মুখিয়ালজনৰ দিহামতে কৰা হয় যদিও ঘৰত তিৰোতাসকলে কুকুৰা-গাহৰি পুহি, কাপোৰ বৈ বেলেগে নিজৰ যাৱতীয় খৰচ উলিয়াই লয়। পুৰুষসকলেও ঘৰৰ সমুহীয়া কাম খতি নকৰি আজৰি সময়ত সৰিয়হ, মাহ, মৰাপাট আদিৰ খেতি কৰি নিজৰ লাগতিয়াল অভাৱবোৰ পূৰণ কৰি লয়। মিচিং তিৰোতাসকল খুব পৰিশ্ৰমী। তেওঁলোকে পুৱাৰ পৰা আবেলিলৈকে ঘৰুৱা কামত ব্যস্ত থাকিও নিজে কাপোৰ বৈ কাটি নিজে পিন্ধা কাপোৰ যোগাৰ কৰি লয়। পুৰুষ-মহিলা উভয়ে সমানে পৰিশ্ৰম কৰে। ঘৰখনৰ মানুহে যি দৰে ঘৰৰ মুখিয়ালজনক সন্মান কৰে, তেনেদৰে বয়োবৃদ্ধসকলক মিচিং সমাজে সন্মান কৰে। গাঁৱত হাই-কাজিয়া হ'লে বা জগৰ লগালে কৌবাং ( সমাজ ) গোট খায়। সমাজত বয়োবৃদ্ধসকলে বিচাৰ কৰি আপত্তিসমূহ নিষ্পত্তি কৰে। অতীজত 'গাম'সকলেই সমাজৰ প্ৰধান লোক আছিল।

ঘৰখনৰ ভিতৰত যেনেকৈ ঘৰৰ মুৰব্বীজনৰ পৰামৰ্শমতে নিজ জ্ঞান ভাৱে চলি থাকে, তেনেকৈ বয়সীয়ালসকলৰ দিহা পৰামৰ্শ মতেই গাওঁখনো একে নীতি, একে নিয়মৰ মাজত নিয়ন্ত্ৰিকৈ চলাই থকা হয়। মিচিং সমাজত যদি পৰ্ব্ব-উৎসৱাদি পাতিব লগা হয়, সমাজৰ সকলো লোক একেলগে একগোট হৈ একে ভাৱে উৎসৱাদি পালন কৰে।

খেতি-বাতি আৰু অন্যান্য কামবনত পুৰুষ আৰু তিৰোতাই সমানে কাম কৰে। মিচিং তিৰোতা পুৰুষতকৈ অধিক পৰিশ্ৰমী। হাল্লবোৱাৰ বাহিৰে হাৰি কটাৰ পৰা আদি কৰি তাঁত ধোৱালৈকে সকলো কামতে সমান পাৰদৰ্শিতা দেখুৱাব পাৰে। মিচিং জীয়াৰীৰ লগত তাঁতশালৰ তেজ-পানীৰ সম্বন্ধ। গাত কাপোৰ লোৱাৰ পৰাই প্ৰত্যেক মিচিং জীয়ৰীয়ে মাকৰ পৰা বয়ন বিদ্যাৰ শিক্ষা লাভ কৰে। আন একো গুণ নাথাকিলেও মিচিং জীয়াৰীৰ লগত তাঁত বব পৰা গুণ থাকিবই লাগিব। ডেকা-গাভৰুসকলে নিজে বোৱা ৰিবিগাচেং, মেখেলা, মিবুগালোক আৰু ধুতি পিন্ধে।

মিচিং সমাজৰ উল্লেখযোগ্য কৃষি উৎসৱ 'আলি-আঃয়ে-লৃগাং'ত ডেকা-গাভৰু, বয়োবৃদ্ধ সকলোৱে মিচিং শিপিনীসকলে নিজে বোৱা কাপোৰ পৰিধান কৰে। আলি-আঃয়ে-লৃগাংত মিচিংসকলে নতুন শস্য ৰোপণৰ বাবে ফাগুন মাহৰ প্ৰথম বুধবাৰে মাতৃভূমি আৰু পূৰ্ব্বপুৰুষসকলক তোষণ কৰিবৰ বাবে এই

উৎসৱ পালন কৰে। আলি-আঃয়ে-ল্‌ৃগাংৰ অৰ্থ হৈছে— আলি মানে মাটিৰ তলত হোৱা আলু, কচু বা ফলমূল। আঃয়ে মানে গছৰ গুটি বা ফল আৰু লৃগাং মানে হ'ল সিঁচি-বলৈ আৰম্ভ কৰা। অৰ্থাৎ শস্যৰ পথাৰত ফলমূল উৎপাদনৰ কাৰণে কঠিয়া সিঁচা কাৰ্য্য। বসন্তৰ শেষত পথাৰবোৰত ফল-মূল শস্যৰ উৎপাদন বৃদ্ধিৰ কামনা কৰি মিচিং কৃষিজীৱি সকলে এই উৎসৱ পালন কৰে। ফাগুণ চ'ত মাহতে কঠিয়া সিঁচা আৰম্ভ কৰি দিয়ে। বুধবাৰৰ দিনটো মিচিংসকলৰ বাবে মাংগলিক দিন। সেইবাবে ফাগুণ মাহৰ প্ৰথম বুধবাৰৰ দিনা এই আলি-আঃয়ে-লৃগাং পতা হয়। সেই দিনাই পথাৰত নতুনকৈ শস্যৰ কঠিয়া পেলোৱা হয়।

'পঃৰাগ' উৎসৱো মিচিং জনগোষ্ঠীসকলৰ উল্লেখযোগ্য উৎসৱ। 'পঃৰাগ' উৎসৱক নবাছিগা বিহু বুলিও কোৱা হয়। কিয়নো এই উৎসৱ মিচিংসকলে প্ৰায় ধান চপোৱাৰ শেষত অৰ্থাৎ ধানৰ নৱাছিগাৰ সময়তহে পতা হয়। প্ৰধানতঃ ডেকা-গাভৰুৰ উদ্যোগত এই উৎসৱ উদযাপিত কৰা হয়। ডেকা-গাভৰুৰ প্ৰচেষ্টাত এই উৎসৱ পতা হয় যদিও গাঁৱৰ বয়োবৃদ্ধ লোক সকলো জড়িত থাকে। 'পঃৰাগ' উৎসৱ পাতিবলৈ হলে এবছৰৰ আগৰ পৰাই আয়োজন আৰম্ভ কৰিব লাগে। এই উৎসৱ 'মুৰংঘৰ'ত (ৰাজহুৱা ঘৰ) বুধবাৰে আৰম্ভ হৈ শুক্ৰবাৰে সামৰণি পৰে। কোনো কোনো ঠাইত পাঁচদিন পৰ্য্যন্ত একেৰাহে পালন কৰে। এই উৎসৱতে আন গাঁৱলৈ উলিয়াই দিয়া ছোৱালীসকলকো নিমন্ত্ৰণ কৰা হয়। গাঁৱৰ ডেকা-গাভৰু, বয়সস্থসকলে মিলা-প্ৰীতিৰে, মৰম-চেনেহৰে, কৰ্ত্তব্য পৰায়ণতা, সমাজ সেৱা, দায়িত্ববোধেৰে এই নৱাছিগা বিহু পালন কৰে। এই নৱাছিগা বিহুত এখন গাঁৱে অন্য এখন গাঁৱৰ ডেকা-গাভৰুসকলক অতিথি হিচাপে নিমন্ত্ৰণ কৰে। এইদৰে মিচিং সমাজৰ জাতীয় জীৱনৰ সতে সংস্কৃতি ওতঃপ্ৰোত ভাৱে জড়িত। যেতিয়ালৈকে অসমৰ লুইত-সোৱণশিৰী বৈ থাকিব মিচিং জনগোষ্ঠীও অসমীয়াৰ বিভিন্ন ভাষা সাহিত্য আৰু সৃষ্টিৰ মাজতে এটা প্ৰধান অঙ্গ হৈ অসমৰ বুকুত চিৰদিন জিলিকি থাকিব।

> জুয়ে শুকান খৰি পুৰি ছাঁই কৰাৰ দৰে ঈৰ্ষায়ো সকলো ভাল গুণ নষ্ট কৰি পেলায়।
>
> —হজৰত মহম্মদ

# হজৰত মহম্মদৰ ইচলাম ধৰ্ম্ম প্ৰৱৰ্ত্তন

মিচ্‌ নাজবিন বেগম
স্নাতক ১ম বাৰ্ষিক

"বলা সখি হেন্না
কাবা তুলাই যাওঁ
হজৰত ৰছুলৰ আগে
চালাম জনাওঁ"

মৰুময় আৰব দেশৰ অন্তৰ্গত পবিত্ৰ মক্কা নগৰত হজৰত মহম্মদে ৫৭০ খ্ৰীঃত ৰবি-উৱল মাহৰ ১২ তাৰিখ সোমবাৰে বিখ্যাত কোৰেচ বংশত শ্ৰেষ্ঠ আৰু শেষ নবী হিচাপে জন্ম গ্ৰহণ কৰে।

হজৰত মহম্মদৰ জন্মৰ আগতে দেউতাক আব্দুল্লাৰ মৃত্যু হয়। মাক আমেনায়ো হজৰতৰ দুবছৰ বয়সতেই মৃত্যু বৰণ কৰে। সেই সময়ত আৰব দেশত জনসাধাৰণে স্বাধীন ভাবে জীৱন উপভোগ কৰিছিল। আৰবীসকল বিভিন্ন ভাগত বিভক্ত আছিল আৰু প্ৰত্যেক দলৰ একোজনকৈ নেতা বা 'শেখ' আছিল। দলবিলাকৰ মাজত পৰস্পৰ শত্ৰুতা আছিল। সেইবাবে তেওঁলোকৰ মাজত সামান্য কাৰণতে যুদ্ধ বিগ্ৰহ হৈছিল। আৰবৰ শক্তিশালী ফৈদবিলাকে দুৰ্বল ফৈদবিলাকৰ ওপৰত আক্ৰমণ কৰি ধন, সম্পত্তি লুট কৰিছিল। আৰবীসকলৰ খেতিৰ কোনো ব্যৱস্থা নাছিল বা খনিজ পদাৰ্থ আহৰণ কৰিবও নাজানিছিল। গতিকে জনসাধাৰণৰ আৰ্থিক অৱস্থা তেনেই শোচনীয় আছিল।

আৰবৰ আদিম অধিবাসীসকল মূৰ্ত্তি পূজাৰী আছিল। হজৰত মহম্মদৰ (দঃ) আবিৰ্ভাৱৰ বহু বছৰৰ আগতে হজৰত ইব্ৰাহিমে (আঃ) আৰবত একেশ্বৰবাদ ধৰ্ম প্ৰচাৰ কৰিছিল। ইব্ৰাহিম (আঃ)ৰ পুত্ৰ ইচমাইলে কাবা গৃহ পুনৰ নিৰ্মাণ কৰিছিল। তেতিয়াৰ পৰা মক্কাৰ কাবা গৃহ আৰবীসকলৰ ধৰ্ম মন্দিৰ ৰূপে পৰিগণিত হৈছিল। এই ধৰ্মৰ মূলমন্ত্ৰ আছিল এক আল্লাক উপাসনা কৰা আৰু ৰোজা, নামাজ আদি আদায় কৰা। পাছত এই ধৰ্ম পালনৰ লগতেই মূৰ্ত্তি পূজাও আৰম্ভ কৰিছিল। ইচলাম ধৰ্মৰ পূৰ্বে আৰবত মূৰ্ত্তি পূজাই প্ৰাধান্য লাভ কৰিছিল। কাবা স্বৰীফত ৩৬০ টা মূৰ্ত্তি ৰাখি পূজা কৰিছিল। হজৰত ইব্ৰাহিমৰ ধৰ্ম আৰু মূৰ্ত্তি

পূজা দুয়োটা লগনাগি এটা বিকৃত ধৰ্মৰ সৃষ্টি হৈছিল ।

আৰবীসকল সাহিয়াল, স্বাধীনতাপ্ৰিয় আৰু উদাৰ আছিল । আত্ম-সন্মানবোধ থকা লোকসকলে সদায় নিজা ফৈদৰ নেতাজনৰ প্ৰতি আনুগত্য দেখুৱাইছিল ॥ ইচলামৰ পূৰ্বে আৰবত তিৰোতাৰ স্থান অতি নিম্ন আছিল । সিহঁতক অতি সাধাৰণ বস্তু আৰু ধন সম্পত্তিৰ নিচিনাকৈ বিবেচনা কৰিছিল । একোজন পুৰুষে একে সময়তে একাধিক তিৰোতা গ্ৰহণ কৰিব পাৰিছিল আৰু তেনেকৈ ত্যাগ কৰিবও পাৰিছিল । কন্যা সন্তান জন্ম হলে তেওঁলোকে হত্যা কৰিছিল । অনেক সময়ত নিজৰ স্ত্ৰীক আনৰ ওচৰত বিক্ৰীও কৰিছিল । তিৰোতাই স্বামীৰ কোনো সম্পত্তি নাপাইছিল ।

ইচলাম ধৰ্মৰ পূৰ্বে সমাজত অন্ধ বিশ্বাস আৰু বৰ্বৰতাৰে কলুষিত হৈ আছিল । দেৱ-দেৱীৰ মন্দিৰত অবাধে নৰবলি দিছিল । মদ্যপান, জুৱাখেলা, লুটপাট, অন্যায়-অত্যাচাৰ আদিয়ে আৰবৰ আকাশ ধুসৰিত কৰিছিল । ঠিক সেই সময়ত জগতৰ মঙ্গলৰ কাৰণে আৰবৰ বুকুত আদৰ্শ নবী তথা মহাপুৰুষ হজৰতে ( দঃ ) জন্ম গ্ৰহণ কৰে ।

হজৰতৰ ৬ বছৰ বয়সত মাক আমেনাই হজৰত আব্দুল্লাৰ কবৰ জিয়াৰত কৰাৰ উদ্দেশ্যে মদিনালৈ হজৰত মহম্মদক ( দঃ ) লগত লৈ গৈছিল । মদিনাত এমাহ থাকি ঘুৰি অহাৰ সময়ত আবুৱা নামে ঠাইত আমেনাৰো এন্তেকাল হয় । ইয়াৰ পাছত হজৰত মহম্মদ ( দঃ ) ককাক আব্দুল মুত্তালিবৰ তত্বাৱধানত আছিল । মহম্মদৰ ( দঃ ) ৮ বছৰ বয়সত ৫৭৮ খ্ৰীষ্টাব্দত আব্দুল মুত্তালিবৰো মৃত্যু হয় । ইয়াৰ পিছত হজৰত মহম্মদৰ ( দঃ ) লালন-পালনৰ ভাৰ আব্দুল মুত্তালিবৰ পুত্ৰ আবু তালেবৰ ওপৰত অৰ্পিত হয় । আবু তালেব মক্কাৰ এজন ডাঙৰ নেতা আৰু কাবা শ্বৰীফৰ তত্বৱধায়ক আছিল । তেখেতৰ আৰ্থিক অৱস্থা বৰ ভাল নাছিল বাবে হজৰত মহম্মদ ( দঃ ) তেখেতৰ ভেৰা, উট আদি চৰোৱা আৰু ব্যৱসায়ত সহায় কৰিছিল । ১২ বছৰ বয়সত হজৰত মহম্মদে ( দঃ ) আবুতালেবৰ লগত 'চাম' বা চিৰিয়া দেশত বেপাৰ কৰিবলৈ গৈছিল । হজৰত মহম্মদে ( দঃ ) ১৫ বছৰ বয়সত কোৰেছ আৰু হাওৱাজান দলৰ মাজত উকাজৰ যুদ্ধত যোগ দিছিল আৰু তীৰ সংগ্ৰহ কৰা কামত ব্যস্ত আছিল ।

সৰুৰে পৰা তেওঁ চিন্তাশীল আৰু নিৰ্জনতাপ্ৰিয় আছিল । তেওঁৰ অমায়িক স্বভাৱ আৰু মধুৰ ব্যৱহাৰে সকলোকে মুগ্ধ কৰিছিল । সত্যৰ প্ৰতি একনিষ্ঠতাৰ গুণতেই তেওঁ "আল-আমিন" ( অৰ্থাৎ বিশ্বাসী ) উপাধি লাভ কৰিছিল । হজৰত মহম্মদে ( দঃ ) উকাজৰ যুদ্ধত হাজাৰ হাজাৰ মানুহৰ যুদ্ধ ক্ষেত্ৰত প্ৰাণ নাশ হোৱা দেখি চিন্তাযুক্ত হয় আৰু ইয়াৰ ফল স্বৰূপে তেওঁ আৰবৰ কিছুমান ডেকাৰ সহযোগিতাত "হালফুল ফজল" নামে এটা কমিটি গঠন কৰিছিল । মক্কাত শান্তি শৃংখলা আদি অক্ষুণ্ণ ৰখা আৰু বিভিন্ন ফৈদৰ মাজত সংভাৱ স্থাপন কৰাই এই কমিটিৰ প্ৰধান লক্ষ্য আছিল ।

বয়স বাঢ়ি অহাৰ লগে লগেই মহম্মদৰ (দঃ) চাৰিত্ৰিক গুণসমূহও আৰবীসকলৰ দৃষ্টি গোচৰ হৈছিল আৰু সমগ্ৰ আৰবতে তেওঁৰ যশস্যা ফুটি ফাটি গৈছিল। সেই সময়ত আৰবত "খাদিজা" নামে এগৰাকী অতি উচ্চ বংশীয় ধনৱতী মহিলা আছিল। হজৰত মহম্মদৰ (দঃ) কৰ্তব্যপৰায়ণতা, সত্যানিষ্ঠা আৰু অমায়িক স্বভাৱৰ কথা তেওঁৰ কৰ্ণ-গোচৰ হোৱাত তেওঁ মহম্মদৰ (দঃ) হাতত তেওঁৰ ব্যৱসায়ৰ সকলো দায়িত্ব অৰ্পন কৰে। মহম্মদৰ তত্বাবধানত খাদিজাৰ ব্যৱসায়ে দোপত-দোপে উন্নতি লাভ কৰিবলৈ ধৰিলে। কিন্তু খাদিজাই ধনতকৈও মহম্মদৰ সৎ চৰিত্ৰৰ প্ৰতি বেছি আকৰ্ষিত হ'ল। সেই সময়ত খাদিজা দুকুৰি বছৰীয়া বিধবা আছিল আৰু ইয়াৰ পূৰ্বে তেওঁ দুবাৰো বিয়া হৈছিল। হজৰত মহমদৰ (দঃ) সৎ চৰিত্ৰৰ প্ৰতি তেওঁ এনে ভাবে আকৃষ্ট হৈছিল যে তেওঁৰ দালি মাইচাৰাৰ জৰিয়তে তেওঁৰ বিয়াৰ প্ৰস্তাৱ পঠিয়াইছিল। হজৰত মহমদে (দঃ) আবু তালেবৰ অনুমতি ক্ৰমে খাদিজাৰ পাণি গ্ৰহণ কৰিছিল। সেই সময়ত মহমদৰ বয়স আছিল ২৫ বছৰ। তেওঁলোকৰ মাজত বয়সৰ তাৰতম্য হোৱা স্বত্তেও তেওঁলোকৰ পাৰিবাৰিক জীৱন মধুৰ হৈ পৰিছিল। ২৫ বছৰ সুখ-শান্তিৰে কটোৱাৰ পাছত খাদিজাৰ পৰলোক প্ৰাপ্তি হৈছিল।

হজৰত মহমদে চেমনীয়া বয়সৰ পৰাই সেই সময়ত প্ৰচলিত দেৱ-দেৱীৰ মূৰ্ত্তি পুজাক বিশ্বাস নকৰি মাত্ৰ এক সৃষ্টি-কৰ্ত্তাক চিন্তা কৰিছিল। মক্কাৰ পৰা তিনিমাইল আঁতৰত 'হিৰা' নামে পৰ্বতৰ গুহাত তেওঁ নিবিড় ভাবে আল্লাৰ ধ্যান আৰম্ভ কৰিছিল। কেতিয়াবা কেইবাদিনলৈকে একে লেঠাৰিকৈ ধ্যান কৰিছিল। এইদৰে বহুদিন যোৱাৰ পাছত এদিন আল্লাৰ দূত হজৰত জিব্ৰাইল (আঃ) আহি দেখা দিলেহি। জিব্ৰাইলে (আঃ) এখন ৰেচমৰ কাপোৰ হজৰতৰ সন্মুখত দাঙি ধৰিছিল আৰু তাত লিখা আছিল 'বিছমিল্লাহিৰ ৰাহমানিৰ ৰাহিম' আৰু 'একৰা বিইছমে ৰাব বেকাল লাজি খালাক'। মহমদক এইখিনি পঢ়িবলৈ কোৱাত তেখেতে পঢ়িব নাজানো বুলি কলে আৰু তেতিয়া জিব্ৰাইলে (আঃ) মহমদক (দঃ) সাবটি ধৰি পুনৰ পঢ়িবলৈ ক'লে। এনেকৈ তিনিবাৰ কোৱাৰ পাছত হজৰত মহমদে (দঃ) পঢ়িবলৈ ধৰে। জিব্ৰাইলে (আঃ) হজৰত মহমদক (দঃ) আৰ্জু কৰিবলৈ আৰু নামাজ পঢ়িবলৈ শিকালে আৰু নবুবাতৰ ভাৰ অৰ্পন কৰি আল্লাৰ আদেশ আৰু নিষেধসমূহ প্ৰচাৰ কৰিবলৈ তেওঁক আদেশ কৰিলে। এই ঘটনা হজৰত মহমদৰ (দঃ) ৪০ বছৰ বয়সত ৬১০ খ্ৰীঃত ঘটিছিল। এনেদৰে সময়ে সময়ে হজৰত মহমদৰ (দঃ) ওপৰত ঐশ্বৰিক বাণী অৱতীৰ্ণ হৈছিল। সেইবোৰ ঐশ্বৰিক বাণীয়েই আছিল— পবিত্ৰ কোৰ-আন শ্বৰীফ।

নবুবাত প্ৰাপ্তিৰ পাছত মহমদে (দঃ) সৰ্ব্বপ্ৰথমে নিজ পৰিয়ালৰ মাজত ইচলাম ধৰ্মৰ বাণীবোৰ প্ৰচাৰ কৰিছিল। সৰ্ব্বপ্ৰথমে হজৰত 'খাদিজা' তাৰ পাছত হজৰত আলি,

হজৰত জায়েদ, হজৰত আবুবকৰে (ৰাঃ) ইচলাম ধৰ্ম গ্ৰহণ কৰিছিল। তিনি বছৰৰ ভিতৰত এই ধৰ্ম গ্ৰহণকাৰীৰ সংখ্যা ৩৯ জন হৈছিল। নবুবাত প্ৰাপ্তিৰ ৪ৰ্থ বছৰত আল্লাৰ পৰা আদেশ পাই মহম্মদে (দঃ) প্ৰকাশ্য ভাৱে ধৰ্ম প্ৰচাৰ কৰে। তেতিয়া মক্কাৰ শ্বৰীফৰ পূজাৰীসকলক ইচলাম ধৰ্মত দীক্ষিত হ'বলৈ আহ্বান কৰাত তেওঁলোকে তেখেতক বেয়াকৈ আক্ৰমণ কৰিছিল। হাৰোচ নামে এজন লোকে মহম্মদক (দঃ) ৰক্ষা কৰিবলৈ যাওঁতে তেওঁলোকৰ হাতত বেচেৰা হাৰোচে মৃত্যু বৰণ কৰে। এৱেঁই আছিল ইচলামৰ প্ৰথম শ্বহীদ।

হজৰত আবুতালেব যদিও প্ৰকাশ্যে মূৰ্ত্তি উপাশক আছিল তথাপিও হজৰত মহম্মদৰ (দঃ) ওপৰত আন্তৰিক বিশ্বাস ৰাখিছিল আৰু সকলো প্ৰকাৰে মহম্মদক সহায় কৰিছিল। সেইবাবে সিহঁতে আবুতালেবৰো বিৰুদ্ধাচৰণ কৰিবলৈ আৰম্ভ কৰিছিল।

যেতিয়া হজৰত মহমদক (দঃ) অ-মুছলমানসকলে ইছলাম ধৰ্ম প্ৰচাৰৰ পৰা কোনো প্ৰকাৰে বিৰত কৰিব নোৱাৰিলে তেতিয়া সিহঁতে ধন-সম্পত্তি আদিৰ প্ৰলোভন দেখুৱাই এই ধৰ্ম প্ৰচাৰ কৰাৰ পৰা বিৰত ৰাখিবলৈ চেষ্টা কৰিলে। কিন্তু ধন-সম্পত্তিৰ পদবী বা সুন্দৰী তিৰোতাৰ প্ৰলোভনেও তেওঁলোকৰ মন পৰিবৰ্ত্তন কৰিব নোৱাৰিলে। তেতিয়া মহমদৰ (দঃ) ওপৰত নিৰ্মম ভাৱে অত্যাচাৰ আৰম্ভ কৰি দিলে।

৬২০ খ্ৰীঃত আবুতালেবৰ মৃত্যু হয় আৰু তাৰ কেইদিনমানৰ পাছত হজৰত খাদিজাৰো ৬৬ বছৰ বয়সত পৰলোক প্ৰাপ্তি হয়। এখেতসকলৰ মৃত্যুত মক্কাৰ কোৰেছসকলে হজৰত মহমদ (দঃ) আৰু তেওঁৰ সঙ্গীসকলৰ ওপৰত অধিক অত্যাচাৰ আৰম্ভ কৰি দিলে। মুছলমানসকলে আশ্ৰয় বিচাৰি "টাইফঃ" নগৰলৈ গ'ল। কিন্তু তাতো আশ্ৰয় নাপায় মক্কালৈ ঘূৰি আহিল। এই সময়তে "মেৰাজ"ৰ ঘটনা ঘটে। এই মেৰাজৰ পাছৰ পৰাই পাঁচ ওৱক্ত নামাজ মুছলমানৰ ওপৰত ফৰজ হ'ল। হজৰত মহমদে (দঃ) এই সময়তে হজৰত আবুবাকৰ জীয়েক হজৰত আয়েচাক বিয়া কৰায়।

পবিত্ৰ হজৰ সময়ত আৰবৰ বিভিন্ন ঠাইৰ মানুহ মক্কাত গোট খাইছিল। মহমদে (দঃ) তেওঁলোকৰ মাজত ইচলাম ধৰ্ম প্ৰচাৰ কৰাত মদিনাৰ পৰা অহা বহু লোকে ইচলাম ধৰ্ম গ্ৰহণ কৰিছিল। ফলত মদিনাত ইচলাম ধৰ্ম প্ৰচাৰে বিস্তাৰ লাভ কৰিছিল। মদিনাৰ নৱ-দীক্ষিত মুচলমানসকলে মহম্মদ (দঃ) আৰু তেওঁৰ সঙ্গীসকলক অত্যাচাৰ কৰা কথা জানি মদিনালৈ যাবৰ কাৰণে আহ্বান কৰিলে। মহমদ (দঃ) মদিনালৈ যোৱাৰ পূৰ্বে অ-মুচলমানসকলে তেখেতক হত্যা কৰিবলৈ ষড়যন্ত্ৰ কৰিলে। হজৰত মহমদে এই ষড়যন্ত্ৰৰ কথা গম পাই আগতিয়াকৈ আবুবাকক লগত লৈ মক্কা ত্যাগ কৰি মদিনালৈ যাত্ৰা কৰিলে। মক্কাৰ পৰা তিনি মাইল আঁতৰত থকা "চুৰ" পৰ্ব্বতৰ গুহাত লুকাই থাকিল। গোটেই ৰাতি অ-মুচলমানসকলে তেখেতৰ ঘৰ অৱৰোধ

কৰি ৰাখিও মহম্মদক হত্যা কৰাত বিফল হ'ল।

মদিনাৰ ওচৰৰ "কোবা" নামে ঠাইত হজৰত মহম্মদে (দঃ) ১২ দিন আছিল। এই সময়চোৱাত হজৰতে (দঃ) তাত এটা মচজিদ নির্মাণ কৰিছিল। এইটোৱেই আছিল ইচলামৰ প্ৰথম মচজিদ। এই মচজিদৰ নাম আছিল মচজিদে 'নৱাব' কোবাৰ পৰা তেওঁলোকে মদিনাত প্ৰবেশ কৰা দিনটো আছিল শুক্ৰবাৰ। প্ৰথম জুম্মাৰ নামাজ তাতে সম্পন্ন কৰি তাতেই প্ৰথম জুম্মাৰ খোতবা পাঠ কৰিছিল। এয়েই ইচলামৰ প্ৰথম জুম্মাৰ নামাজ।

হজৰত মহমদ (দঃ) মক্কাৰ পৰা মদিনালৈ প্ৰস্থান কৰাকেই 'হিজৰত' কোৱা হয়। তেখেতে ৬২২ খ্ৰীঃত ২০ চেপ্তেম্বৰত মদিনাৰ কোৱাত উপস্থিত হৈছিল আৰু উক্ত তাৰিখৰ পৰা ইচলাম হিজৰি চন গণনা কৰা হয়।

হজৰত মহমদে (দঃ) মদিনাত উপস্থিত হৈ তাত বিভিন্ন শ্ৰেণীৰ অধিবাসীসকলৰ গতিবিধি লক্ষ্য কৰিছিল। এই দলবিলাকৰ মাজত একতা আৰু ভাতৃত্বভাৱ জগাই তোলা তেওঁৰ প্ৰথম আৰু প্ৰধান কাম হৈ পৰিছিল। ইচলাম ধৰ্মৰ জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য কৰি, এই লোকসকলেও ইচলাম ধৰ্মৰ ৰীতি-নীতি প্ৰকাশ্যে পালন কৰিছিল যদিও, তেওঁলোকে মুকলি ভাবে হজৰত মহমদৰ বিৰুদ্ধাচৰণো কৰিছিল। সেইবাবে এই লোক সকলক "মোনাফিক" বুলি হজৰত মহমদে (দঃ) কৈছিল।

সেই সময়ত মদিনাৰ অধিবাসীসকল কেইবাটাও ফৈদত বিভক্ত আছিল। এই ফৈদবিলাকৰ মাজত সঘনে যুদ্ধ-বিগ্ৰহ হৈছিল। ফলত দেশৰ শান্তি আৰু শৃংখলাৰ অভাৱ হৈছিল। মহমদে (দঃ) মদিনাত উপস্থিত হৈ দেশ, জাতি আৰু সমাজ সংগঠনৰ বাবে একান্ত ভাবে মন দিয়ে। পোন প্ৰথমে মদিনাত সেই ফৈদবোৰৰ মাজত ঐক্য স্থাপন কৰা, তেওঁলোকৰ মাজত এটা জাতীয় চৰকাৰ গঠন কৰি এখন জাতীয় চনদ ৰচনা কৰে। এই চনদত ইহুদী আৰু আন সম্প্ৰদায়ৰ মুখিয়ালসকলৰ দ্বাৰা স্বাক্ষৰিত বন্ধাতো গুৰুত্বপূৰ্ণ কথা লিপিবদ্ধ কৰায়। যেনে—

১) যেতিয়া কোনো শত্ৰুৱে মদিনা আক্ৰমণ কৰিব তেতিয়া মদিনাবাসী সন্মিলিত হৈ বাধা দিব।

২) যুদ্ধত খৰচ বা লাভালাভত সকলো মদিনাবাসী অংশীদাৰ হ'ব।

৩) মদিনাৰ ইহুদীসকলে মক্কাৰ মুচলিম বিৰোধী কোৰেছসকলক আশ্ৰয় দিব নোৱাৰিব।

৪) মদিনাবাসীৰ এজনে আন জনৰ ধৰ্ম্ম আৰু সা-সম্পত্তিৰ কোনো অনিষ্ট সাধন কৰিব নোৱাৰিব।

৫) মদিনাৰ ইহুদীসকলৰ আন কোনো দলৰ লগত চুক্তি বা বন্ধুত্ব থাকিলে তেওঁলোকক মুচলমানসকলেৰো বন্ধু বুলি বিবেচনা কৰিব লাগিব।

৬) মুচলমানসকলৰো আন কোনো দলৰ

লগত থকা বন্ধুত্ব ইহুদীসকলেও মান্য কৰিব লাগিব ।

এই চুক্তিৰ দ্বাৰা হজৰত মহম্মদে (দঃ) ৰাজনৈতিক দুৰদৰ্শিতাৰে বিভিন্ন ৰক্ত-পিপাসু দলবোৰৰ মাজত শান্তি স্থাপন কৰিলে।

নবী কৰিমে আজান দিয়া প্ৰথা প্ৰচলন কৰে। তেতিয়াৰ পৰাই আজান দি সকলো নামাজী কোনো এক ঠাইত গোট খাই জামাতত নামাজ পঢ়াৰ প্ৰথা প্ৰৱৰ্তিত হৈছিল। হিজৰতৰ প্ৰথম বছৰত মদিনাত বৰ দ্ৰুতগতিত ইচলাম ধৰ্ম প্ৰচাৰ হৈছিল আৰু ইহুদী আলিম আব্দুল্লাহবিন চালেম, চলমন, পাৰ্চী আদি বহুতো বিশিষ্ট ব্যক্তিয়ে ইচলাম ধৰ্ম গ্ৰহণ কৰিছিল।

হজৰত মহম্মদে (দঃ) ধৰ্ম প্ৰচাৰ কৰা বাবে অ-মুচলমানসকলে তেওঁক আৰু তেওঁৰ সঙ্গীসকলক আক্ৰমণ কৰাত মহমদে (দঃ) যুদ্ধত লিপ্ত হব লগা হৈছিল। মদিনাত মুচলমানসকল দিনক দিনে শক্তিশালী হৈ অহাত মক্কাৰ কোৰেছসকলে মদিনা আক্ৰমণ কৰিবলৈ লৈছিল। দ্বিতীয় হিজৰিৰ ১২ ৰমজানত ৩১৩ জন ভক্তক লগত লৈ মহমদে (দঃ) শত্ৰুৰ সৈতে মুখামুখি হয়। ৯০০ অশ্বাৰোহী আৰু পদাতিক সৈন্যৰে গঠিত শক্তিশালী শত্ৰুৰ বিৰুদ্ধে মাত্ৰ ৩১৩ জন মুচলিম যোদ্ধা লৈ হজৰতে জয়লাভ কৰিছিল। মুচলমানৰ ৬ জন মোহাজিৰ আৰু ৮ জন আনচুৰ শ্বহীদ হ'ল। এই যুদ্ধ মুচলিম বুৰঞ্জীৰ এটা উল্লেখযোগ্য আৰু পূৰ্ণ ঘটনা।

হিজৰিৰ দ্বিতীয় বছৰত কেইবাটাও নতুন নিয়ম প্ৰৱৰ্তিত হ'ল। দ্বিতীয় হিজৰিৰ ১৫ ৰজবৰ পৰা মক্কাৰ ফালে মুখ কৰি নামাজ পঢ়াৰ নিয়ম প্ৰৱৰ্তিত হয়। ইয়াৰ পূৰ্বে বয়তুল মোকাদ্দিছৰ ফালে মুখ কৰি নামাজ পঢ়াৰহে নিয়ম আছিল। এই হিজৰিতেই ৰোজা, ফৰজ হোৱাৰ আৰু ফিৎৰা, ঈদৰ নামাজ আদি ওৱাজেব হোৱাৰ নিৰ্দেশ পালে। এই হিজৰিৰ পৰা মুচলমানসকলে ঈদৰ নামাজ জামাতত হে পঢ়া আৰম্ভ কৰে।

ষষ্ঠ হিজৰিত হজৰত মহমদে (দঃ) বিভিন্ন ৰজাবোৰক ইচলাম ধৰ্ম গ্ৰহণৰ বাবে আহ্বান জনাইছিল। আবিছিনিয়াৰ সম্ৰাট নাজ্জাচিৰ ওচৰলৈ নবীৰ (দঃ) চিঠি লৈ হজৰত ওমৰবিন উৰ্মিয়াক পঠাইছিল। সম্ৰাটে দৰবাৰত যথা সন্মানপূৰ্বক ভাবে পাত্ৰ গ্ৰহণ কৰিছিল। ইৰাণৰ সম্ৰাট খুচৰুৱে হজৰত মহমদ (দঃ) পাত্ৰ কাঢ়িয়াই নিয়া দূত আব্দুল্লাহ বিন হুজফাক অপমান কৰিছিল আৰু চিঠিখন ফালি পেলাইছিল। মিছৰৰ শাসন কৰ্ত্তা মোকোকচে হজৰত মহমদৰ (দঃ) চিঠি পাই বৰ সন্মান প্ৰদৰ্শন কৰি কৈছিল যে হজৰত মহমদক (দঃ) পয়গম্বৰ বুলি তেওঁ বিশ্বাস কৰিছিল। কেৱল ৰাজত্বৰ কাৰণে প্ৰকাশ্য ইচলাম ধৰ্ম গ্ৰহণ কৰিব নোৱাৰিলে। কিন্তু নানা প্ৰকাৰৰ উপঢৌকনৰ উপৰিও "মেৰী আৰু চিৰী নামৰ দুগৰাকী সম্ভ্ৰান্ত বংশৰ খ্ৰীষ্টান গাভৰু আৰু এটা দুষ্প্ৰাপ্য বগা ঘোঁৰা মহমদলৈ (দঃ) পঠাইছিল। মেৰীক হজৰত মহমদে (দঃ) বিয়া কৰাইছিল। এই মেৰীৰ গৰ্ভতে হজৰত মহমদৰ (দঃ)

প্ৰথম পুত্ৰ ইব্ৰাহীমৰ জন্ম হয়। এইবোৰৰ উপৰিও আৰবৰ বিভিন্ন ৰজাবোৰক ইচলাম ধৰ্ম গ্ৰহণ কৰিবলৈ আহ্বান কৰাত বেছি ভাগেই ইচলাম ধৰ্ম গ্ৰহণ কৰিছিল। ফলত মদিনাৰ শক্তি ক্ৰমান্বয়ে বাঢ়িছিল।

হজৰত মহম্মদে ( দঃ ) ৬৩২ খ্ৰীঃৰ ২৩ ফেব্ৰুৱাৰীৰ দশম হিজৰিৰ জেলকড মাহত ডেৰ লাখ মুচলমান লগত লৈ হজ কৰিবলৈ ওলাল। বাটত যাওঁতে আৰু ভালেমান মুচলমান যোগ দিয়াত হজৰত মহম্মদৰ লগত প্ৰায় ২ লাখ সমবেত হ'ল। এয়ে আছিল মহমদৰ ( দঃ ) শেষ হজ। এই শেষ হজত 'বকৰি' ঈদৰ দিনা মিনাৰ ওপৰত উঠি হজৰত মহমদে ( দঃ ) ভক্তসকলক সম্বোধন কৰি কৈছিল— "হে মোৰ প্ৰিয় ভক্তসকল, মোৰ কথা মন দি শুনা। মোৰ আশংকা হৈছে যে এই ঠাইত মই তোমালোকৰ লগত পুনৰ হজ কৰিবৰ সুযোগ পোৱাৰ আশা নাই। আজিৰ পৰা তোমালোকে পৰস্পৰে ৰক্তপাত কৰা আৰু সা-সম্পত্তি আত্মসাৎ কৰা নিষেধ; আনৰ "আমানতৰ" বস্তু ফিৰাই দিবা; আনক অত্যাচাৰ নকৰিবা। চয়তানক অনুসৰণ নকৰিবা। তোমালোকৰ স্ত্ৰীৰ ওপৰত তোমালোকৰ যেনে অধিকাৰ সিহঁতৰো তোমালোকৰ ওপৰত তেনে অধিকাৰ আছে। সিহঁতক ভাল ব্যৱহাৰ কৰিবা। মই তোমালোকৰ ওপৰত দুটা বস্তু এৰি গ'লো। এটা হ'ল আল্লাৰ কিতাপ আৰু আনটো হ'ল মোৰ চুন্নত। যেতিয়ালৈকে এই দুটা পালন কৰিবা তেতিয়ালৈকে পথভ্ৰষ্ট নোহোৱা; মুচলমানসকল পৰস্পৰ ভাই তোমালোকৰ দাসসকলক ভাল ব্যৱহাৰ কৰিবা। তেমালোকে যি খোৱা সিহঁতকো তাকে দিবা।"

হজৰত মহম্মদে ( দঃ ) শেষ উপদেশ হিচাপে মুচলমানসকলক কৰ্তব্য আৰু দায়িত্বৰ বিষয়ে বুজাই দিছিল। এই উপদেশৰ ওপৰত ভিত্তি কৰিয়েই পৰৱৰ্ত্তীকালত ইচলাম ধৰ্মই প্ৰকৃত ৰূপত গঢ় লৈ উঠিল। আৰবৰ অৱহেলিত আৰু ঘৃণিত নাৰীসকলে সমাজত আসন পাব পৰিছিল আৰু দাসসকলৰ অৱস্থা উন্নত হৈছিল। ইচলামে প্ৰভু আৰু দাসৰ প্ৰাৰ্থক্য আঁতৰাই দিছিল। প্ৰমাণ স্বৰূপে দাস বংশৰ লোকেও ৰজা হৈ শাসন চলাইছিল।

হজৰত মহমদ পৃথিবীৰ এজন সৰ্ব্বশ্ৰেষ্ঠ সমাজ সংস্কাৰক আছিল। নবীৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সংস্কাৰ আছিল ক'লা, বগা বংশৰ উচ্চ আৰু নীচতা দূৰ কৰি তেখেতে পৰস্পৰৰ মাজত ভেদাভেদ দূৰ কৰি তেখেতে ঘোষণা কৰিছিল সকলো মানুহ সমান আৰু সেই জনেই উচ্চ জন, যি জন আল্লাৰ একান্ত বাধ্য আৰু মানৱৰ সেৱক। হজৰত মহম্মদৰ লক্ষ্য আছিল মানবৰ মাজত থকা আৰ্থিক আৰু সামাজিক ভেদাভেদ দূৰ কৰি এক জাতি, এক সমাজ আৰু এক মানৱ জাতি সৃষ্টি কৰা আৰু সেই কামত তেখেত সম্পূৰ্ণ কৃতকাৰ্য্য হৈছিল।

বিভিন্ন জাতি আৰু ধৰ্মাৱলম্বীবোৰৰ মাজত ঘনিষ্ঠতা আৰু প্ৰীতিৰ সম্বন্ধ স্থাপনৰ উদ্দেশ্যে পৰস্পৰৰ মাজত বৈবাহিক সম্বন্ধ স্থাপন কৰিছিল। নিজে আন ধৰ্মাৱলম্বী জাতিৰ

মহিলাৰ পাণি গ্ৰহণ কৰি এনে কাৰ্য্যৰ প্ৰতি তেওঁৰ সমৰ্থন দাঙি ধৰিছিল। হজৰত মহম্মদৰ (দঃ) জীৱনৰ সকলো কাম আৰু আদৰ্শ মানৱ কল্যাণৰ বাবে আছিল।

ইচলাম ধৰ্ম কেৱল এটা নতুন ধৰ্ম্মই নাছিল। এই ধৰ্মই এক নতুন সভ্যতা আৰু সংস্কৃতিৰ বাহক ৰূপে বিস্তৃতি আৰু জনপ্ৰিয়তা লাভ কৰিছিল; এক সুকীয়া দৰ্শন, সুকীয়া অৰ্থনীতি, সমাজনীতি আৰু ৰাজনীতিৰো লগে লগে উদ্ভৱ হৈছিল। একেশ্বৰবাদেই ইচলাম ধৰ্মৰ মুল আধাৰ আৰু মানবতাবাদেই ইয়াৰ মুল আদৰ্শ।

৬৩ বছৰ বয়সত হজৰত মহমদৰ মৃত্যু হয়। তেওঁৰ জীৱনৰ প্ৰথম চল্লিশটা বছৰ সত্যৰ সন্ধান কৰাৰ পাছত তেওঁ যি সত্য ধৰ্মক পৃথিবীৰ সৰ্বকাল, সৰ্ব-মানবৰ কাৰণে উপযোগী বুলি উপলব্ধি কৰিছিল, তাক প্ৰচাৰ কৰিবৰ কাৰণে তেওঁৰ জীৱনৰ বাকী ২৩ বছৰ কাল ঐকান্তিক ভাবে সংগ্ৰাম কৰিব লগা হৈছিল আৰু তেওঁৰ জীৱন কালতে তেওঁ প্ৰবৰ্তন কৰা নতুন ইচলাম ধৰ্ম্ম তেতিয়াৰ আৰবৰ ভূখণ্ড আৰু আফ্ৰিকাৰ কিছু অঞ্চলত প্ৰতিষ্ঠিত হৈছিল। হজৰত মহমদৰ (দঃ) মৃত্যুৰ প্ৰায় দুশ বছৰৰ ভিতৰতে ইচলাম ধৰ্ম প্ৰধানকৈ মধ্য এচিয়া, পশ্চিমে স্পেইন আৰু পুবে চীন, ভাৰত, মালয়, শ্ৰীলঙ্কা, যাৱদ্বীপ আদিলৈ সম্প্ৰসাৰিত হৈছিল। ●

---

বাৰ্ষিক উৎসৱৰ সাহিত্য প্ৰতিযোগিতাত ১ম পুৰস্কাৰ প্ৰাপ্ত এই প্ৰবন্ধটি সংক্ষিপ্ত ৰূপত আগবঢ়োৱা হ'ল।

"তোমালোকে মাজে মাজে আৰ্চীত মুখ চাবা, যদি সুন্দৰ দেখা তেনেহলে নিজৰ চৰিত্ৰকো সুন্দৰৰ অনুৰূপ কৰিবলৈ যত্ন কৰিবা। যদি দুৰ্ভাগ্যজনক ভাবে তোমাৰ চেহেৰা কুৎসিত হয় তেনেহ'লে সদ্গুণৰ আৱৰণেৰে এই কুৰূপ ঢাকিব পাৰিবা।"

— চক্ৰেটিছ

# প্ৰাচীন কামৰূপত গঙ্গা পৰম্পৰা

শ্ৰীশিৰীষ কুমাৰ ভট্টাচাৰ্য্য
অধ্যাপক, ইংৰাজী বিভাগ

গঙ্গা ভাৰতৰ এখন নদীয়েই নহয় ; নদীমাতৃক ভাৰতবৰ্ষত গঙ্গা একেবাহে মাতৃ, দেৱী, পুণ্যতীৰ্থ, এটা বিশাল আৰু উৎকৃষ্ট সভ্যতা, এটা সুগঠিত পৰম্পৰা, ভাৰতীয় জীৱন-ধাৰাৰ সুষুম্না স্নায়ুকেন্দ্ৰ। গঙ্গাৰ যশস্যা, খ্যাতি আৰু সৰ্ব্বাত্মক প্ৰভাৱৰ লগত ফেৰ মাৰিব পৰা সমগ্ৰ পৃথিৱীত এন্য এখন নদী পোৱা নাযায়। মানস সৰোবৰৰ ওচৰৰ কৈলাস (য'ৰ পৰা গংগাৰ আৰম্ভ হৈছে) অকল হিন্দুৰেই নহয় তিৰ্ব্বতী, চীন, জাপান আদি প্ৰাচ্যৰ সকলো দেশৰ লোকৰ বাবেই তীৰ্থস্থান। হিন্দুৰ প্ৰধান তিনিজন দেৱতা ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ লগত গঙ্গাদেৱীৰ অঙ্গাঙ্গী সম্বন্ধ। গঙ্গাদেৱী ব্ৰহ্মাৰ কন্যা, শিৱৰ পত্নী, বিষ্ণুৰ আধ্যাত্মিক সৃষ্টি ; অষ্টবসুৰ মাতৃ, জাহ্নু ঋষিৰ কন্যা, ত্ৰিলোকৰ মুক্তিদায়িনী দেৱী আদি বিভিন্ন ৰূপত ভাৰতীয় জনমানসত পূজিত আৰু বন্দিত হৈ আহিছে। ইয়াৰ পাৰত গঢ় লৈ উঠা সভ্যতা পৃথিৱীৰ অন্য নদী-সভ্যতাৰ দৰেই সুপ্ৰতিষ্ঠিত আৰু শ্ৰেষ্ঠ। হিন্দুসকলে নিজকে পাপমুক্ত কৰিবলৈ গঙ্গাৰ পাৰলৈ ঢাপলি মেলে ; মোক্ষ লাভৰ বাবে গঙ্গাতীৰ্থ দৰ্শন বাঞ্ছা কৰে আৰু গঙ্গাতীৰত মৃত্যুৰ অভিলাষ কৰে।

বুদ্ধ ধৰ্ম্ম প্ৰচাৰৰ লগে লগেই খ্ৰীষ্টপূৰ্ব্ব সপ্তম শতিকাৰ পৰা গঙ্গাৰ খ্যাতি দূৰ আৰু মধ্য প্ৰাচ্যত বিয়পি পৰে। বুদ্ধ জাতকসমূহত গঙ্গাৰ পৰ্যাপ্ত উদ্ধৃতি সেয়েহে পোৱা যায়। পশ্চিমৰ দেশসমূহত গঙ্গাৰ খ্যাতি গ্ৰীকসকলে প্ৰথমে বিয়পাই। আলেকজেণ্ডাৰে গঙ্গাকেই পৃথিৱীৰ পূবসীমা বুলি ধৰি লৈ ভাৰত আক্ৰমনত অগ্ৰসৰ হৈছিল। ভাৰ্জিল, ওভিদ, দান্তে আদি মহাকবিসকলে তেওঁলোকৰ সাহিত্যত গঙ্গাৰ পৰ্য্যাপ্ত উদ্ধৃতি দাঙি ধৰি গৈছে। মধ্য যুগত খ্ৰীষ্টান পাদুৰীসকলে গঙ্গানদীক স্বৰ্গৰ ইডেন নদী বুলি আখ্যা দিছিল। আনকি পঞ্চদশ শতিকাত কলম্বাচে ভাৰত যাত্ৰা কৰি পানামা উপকূলত উপস্থিত হওঁতে তাৰ অধিবাসীৰ মুখত গঙ্গানদীৰ কথা শুনিছিল।

গঙ্গাদেৱীৰ পূজা, গঙ্গাজলৰ পবিত্ৰতা, গংগাতীৰ্থৰ মাহাত্ম্যই এসময়ত হিন্দুসকলক

ইমান প্ৰভাৱিত কৰিছিল যে পদ্ম-পুৰাণত গংগাক পূজা কৰিলেই অন্য পূজাৰ আৱশ্যক নাই বুলি কোৱা হৈছে। গংগাৰ প্ৰভাৱ সুদুৰ শ্ৰীলংকাতো প্ৰসাৰিত হৈছিল। তাৰ সাক্ষী হিচাপে গংগা নামযুক্ত নদীসমূহ যেনে মহাবেলী গংগা, কালানী গংগা, বলাৰী গংগা আদি নামৰ নদী এতিয়াও বিদ্যমান।

প্ৰাচীন কামৰূপত গংগা পৰম্পৰা বৈদিক হিন্দু ধৰ্ম্মৰ লগতে প্ৰবেশ কৰে। তাৰ সাক্ষী হিচাপে 'গঙ্গা' যুক্ত বহুত নদীৰ নতুন নামাকৰণ কৰাৰ লগতে গংগামুৰ্ত্তি বহু স্থানত নিৰ্মিত হৈছিল। গংগা স্মৃতি বিৰজিত কেইখনমান নদী, মন্দিৰ আদিৰ বিষয়েই তলত উল্লেখ কৰা হ'ব।

## বশিষ্ঠ মুণি, বশিষ্ঠাশ্ৰম, বশিষ্ঠগঙ্গা

বশিষ্ঠ মুণিৰ সন্দৰ্ভত কেইবাটাও আখ্যান প্ৰাচীন কামৰূপত পোৱা যায়। আহোম বুৰঞ্জী সমুহত উল্লেখ কৰা আখ্যান মতে বশিষ্ঠ মুণিয়ে সৌমাৰৰ দিখৌনদীৰ উৎপত্তি স্থলত (বৰ্ত্তমানৰ চন্তক, নাগিনীমৰাৰ ওচৰত) এহেজাৰ শাস্ন-গ্ৰাম প্ৰতিষ্ঠা কৰি আশ্ৰম আৰম্ভ কৰিছিল। লগতে দিখৌ নদীক বশিষ্ঠ গংগালৈ উন্নিত কৰাৰ মানস কৰিছিল। কিন্তু ম্লেছলোকৰ অত্যাচাৰত এই কাম সম্পূৰ্ণ কৰিব নোৱাৰি দিখৌনদীক শাপ দিয়ে আৰু এই স্থান ত্যাগ কৰে। স্থানীয় জনশ্ৰুতিত দিখৌনদীক বশিষ্ঠ গঙ্গা বুলি কোৱা হয়।

কালিকা পুৰাণৰ মতে বশিষ্ঠাশ্ৰম ক্ৰোৱেকো পাহাৰৰ উত্তৰ-পুৰত সন্ধ্যাচলত নিৰ্ম্মান কৰা হৈছিল। তাত বহুতো কুণ্ড স্থাপন কৰি অমৃত ভৰাই মুণিয়ে তপস্যা কৰিছিল। এই অঞ্চলটোক প্ৰাচীন দবকাৰাজ্য বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। এই পৰ্ব্বতটোকে সম্ভৱ গঙ্গাদিশ পৰ্ব্বত বুলি এইখন তন্ত্ৰত উল্লেখ কৰিছে। এই পৰ্ব্বতৰ তিনিটা সুদৃশ্য কুণ্ডৰ পৰা আকাশী গঙ্গা জলপ্ৰপাত ত্ৰিভংগ ভঙ্গিমাৰে নামি আহিছে।

ত্ৰিধাৰা সংগমং যত্ৰ অনন্তং পৰিদৃশ্যতে।
আকাশ গংগা সা দেবী মহাজাতক নাশিনী ॥

তাৰ পৰাই আকাশী গঙ্গা নদীৰো উদ্ভৱ হৈছে। এই নদীকো বশিষ্ঠ গংগা বুলি কোৱা হয়। প্ৰাচীন কামৰূপৰ গংগা পৰম্পৰাৰ সৰ্ব্বোৎকৃষ্ট নিদৰ্শন এই অঞ্চলটোতে বিস্তৃত হৈ আছে। তাৰ ভিতৰতে আকাশী গংগাৰ পৰা প্ৰায় ১½ মাইল পূবত অৱস্থিত উদ্ধগঙ্গা জলপ্ৰপাত। মহামায়া পৰ্ব্বতৰ দক্ষিণে হৰখাতি (সৰস্বতী?) নৈৰ সমান্তৰাল ভাৱে থকা এখন সৰু নৈ বৰ গঙ্গা। এই নৈৰ ওচৰত প্ৰাচীন কালত এটা ডাঙৰ মন্দিৰ থকাৰ কথা প্ৰত্নতাত্বিক সকলে ঠাৱৰ কৰিছে। প্ৰত্নতাত্বিক উদ্ধাৰ কাৰ্য্য ভালদৰে চলিলে এই অঞ্চলৰ প্ৰাচীন গংগা সভ্যতাৰ বহুতো নতুন তথ্য আবিষ্কৃত হ'ব।

গুৱাহাটীৰ ওচৰত থকা সন্ধ্যা, ললিতা, কান্তাৰ সংগমস্থলত অৱস্থিত বশিষ্ঠাশ্ৰমৰ পৰা হোৱা ভৰলুনৈকো বশিষ্ঠ গঙ্গা বুলি কোৱা হয়।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰত অৱস্থিত বিশ্বনাথ অঞ্চল প্ৰাচীন হিন্দু বসতিৰ কেন্দ্ৰস্থল হিচাবে প্ৰতিষ্ঠিত হৈছে। এই অঞ্চলতো গঙ্গা পৰম্পৰাৰ প্ৰভাৱ প্ৰত্নতাত্বিক সম্পদসমূহে প্ৰতিষ্ঠিত কৰিছে। ইয়াতে বুৰীগাং বা বৃদ্ধগঙ্গা নদী আছে। এই নদী আৰু ব্ৰহ্মপুত্ৰৰ সংগমস্থলত প্ৰাচীন শিৱমন্দিৰৰ ভগ্নাৱশেষ আবিষ্কৃত হৈছে। তন্ত্ৰত উল্লিখিত স্বৰ্ণবাহা নৈ বৰ্ত্তমানৰ বৰগাং নদীখন বুলি ঠাৱৰ কৰা যায়। পৃথুমালা তন্ত্ৰৰ মতে বৃদ্ধগঙ্গা, বৰগঙ্গা আৰু দিকৰাই গঙ্গা নদী হিমালয় পৰ্ব্বতৰ অংশ নাটক পৰ্ব্বতৰ পৰা ওলাই আহিছে।

**কৰতিয়া গঙ্গা ঃ** মধ্যযুগৰ বুৰঞ্জীত কৰতোৱা নৈৰ ভূমিকা বিশেষ গুৰুত্বপূৰ্ণ। এই কৰতোৱা নদীক কৰতিয়া গঙ্গা নামে অভিহিত কৰা হয়।

যোগিনীতন্ত্ৰ আৰু কালিকা পুৰাণত বহুতো নদীৰ নামৰ লগত গঙ্গা সংযোগ কৰা হৈছে। ভাৱ হয় 'গঙ্গা' মানেই 'নদী'।

তস্যানাম স্বশং চক্ৰে বিধি লৌহিত গংগকম্।
লোহিতাৎ সৰসো জাতো লোহিতা স্বাস্ততোদভৱৎ ।।
(কালিকা পুৰাণ)

কাম কুণ্ডস্য যা ধাৰা কামগংগা তামুচ্যতে।
কামাখ্যাশ্চ যা ধাৰা সা গংগা পৰকীৰ্ত্তিতা ।।
(যোগিনীতন্ত্ৰ)

পদ্মশৈল্যস্য যা ধাৰা সা গংগা উৰ্ব্বসী স্মৃতা।
(যোগিনীতন্ত্ৰ)



**ন-ভঙ্গাৰ গঙ্গামূৰ্ত্তি ঃ** হোজাই ৰেল ষ্টেচনৰ পৰা প্ৰায় ৫½ মাইল দূৰত ন-ভঙ্গা কছাৰী গাঁৱৰ চামুন্দা গোঁসানীৰ মন্দিৰৰ উত্তৰ-পশ্চিমে কেন্দুগুৰি গাঁৱত ২´ ওখ ক'লাশিলৰ এটা ভগ্ন নাৰী মূৰ্ত্তি পোৱা গৈছে। স্থানীয় জনশ্ৰুতি মতে এই মূৰ্ত্তিটো গঙ্গামূৰ্ত্তি বুলি কোৱা হয়। এই মূৰ্ত্তি ১০ ম / ১১ শ শতিকাৰ বুলি ঠাৱৰ কৰা হৈছে।

**দ-পৰ্ব্বতীয়াৰ গঙ্গামূৰ্ত্তি ঃ** দ-পৰ্ব্বতীয়াত অসমৰ আটাইতকৈ পুৰণি ভাস্কৰ্য্য আৰু স্থাপত্যৰ নিদৰ্শন পোৱা গৈছে। ইয়াতে শিলৰ দুৱাৰৰ স্তম্ভ দুটাৰ তলফালে হাতত মালা লৈ গঙ্গা আৰু যমুনাৰ দুটা মূৰ্ত্তি সংলগ্ন আছে। লগত দুগৰাকী নাৰীমূৰ্ত্তি— পৰিচাৰিকা আৰু চামৰ ধাৰিণী। গঙ্গামূৰ্ত্তিৰ দুয়োকাষে দুটা মুৰ্ত্তি— বাওঁপিনে নাগী আৰু সোঁফালে দুটা হাঁহৰ মূৰ্ত্তি। এই স্থাপত্য খ্ৰীঃ ৫ম / ৬ষ্ঠ শতিকাৰ।

উপৰুক্ত আবিষ্কৃত সামগ্ৰীসমূহৰ পৰা গঙ্গাদেৱীৰ পূজা গুপ্তযুগৰ পৰা কামৰূপত প্ৰবেশ হোৱাটো অনুমান কৰিব পাৰি।

## গঙ্গা আৰু অশোকাষ্টমী

চ'ত মাহৰ অশোকাষ্টমী আৰু মাঘ মাহৰ সপ্তমী তিথিত গঙ্গা উত্তৰ-বাহিনী হয়। সেইদিনা গঙ্গাৰ পানী ব্ৰহ্মপুত্ৰত বিৰাজ কৰে। ব্ৰহ্মপুত্ৰত সেইদিনা তৰ্পণ আৰু শ্ৰাদ্ধাদি কৰিলে

গঙ্গা সদৃশ মোক্ষপ্ৰাপ্ত হয়।

অশোকাষ্টমীক কেন্দ্ৰ কৰি কেইবাখনো তীৰ্থস্থান প্ৰাচীন কালৰে পৰা কামৰূপত গঢ় লৈ উঠিছিল। নলবাৰীৰ পৰা ৫ মাইল দক্ষিণে বৰ কুৰিহা গাঁৱত **গঙ্গাপুখুৰী** অৱস্থিত। ইয়াৰ পাৰত বাসন্তী পূজা আৰু অশোকাষ্টমীৰ মেলা অনুষ্ঠিত হয়।

**বঙাইগাঁৱৰ চৈতন্যধাম ঃ** বঙাইগাঁৱৰ দক্ষিণ-পশ্চিমে দুমাইল দুৰত বইঠামাৰি পথত চৈতন্য-ধাম অৱস্থিত। ইয়াৰ কাষেদি টুনীয়া নৈ বৈ গৈছে। এই নৈক গঙ্গাদেবীৰ সৰু ভনীয়েক বুলি কোৱা হয়। অশোকাষ্টমীত স্নানৰ বাবে বহু লোকৰ সমাগম হয়। ইয়াৰ দক্ষিণ-পূব দিশত বাঘেশ্বৰী পাহাৰ আৰু দেৱালৰ কাষত উত্তৰ বাহিনী দুটা নিজৰা আছে। দেৱালৰ সন্মুখৰ উত্তৰ বাহিনী জুৰিটোক **উত্তৰ গংগা** বোলা হয়। ইয়াৰ পানীৰে পূজা কৰিলেহে বাঘেশ্বৰী দেবী প্ৰীতা হয় বুলি বিশ্বাস।

**আহোম যুগ ঃ** হিন্দু ধৰ্ম্মৰ সংস্পৰ্শলৈ অহাৰ পাছতো আহোম স্বৰ্গদেউসকলে ধৰ্ম্মৰ ক্ষেত্ৰত উদাৰ আৰু নিৰপেক্ষ ভূমিকা গ্ৰহণ কৰিছিল। গঙ্গাদি তীৰ্থলৈ যোৱাৰ বাবে খাউণ্ড, বৈৰাগী আদি বিষয়াৰ সৃষ্টি কৰিছিল। আনকি কাশী আৰু জগন্নাথত মন্দিৰ, পুষ্কৰিণী আদি নিৰ্ম্মানৰ দৃষ্টান্তও বুৰঞ্জীত আছে। আহোম-সকলৰ শ্ৰেষ্ঠ ৰজা স্বৰ্গদেউ ৰুদ্ৰসিংহই গৌড় দেশ জয় কৰি গঙ্গা নৈক অসমৰ ভিত-ৰত অন্তৰ্ভুক্ত কৰাৰ বাবে বিশাল সৈন্য বাহিনী লৈ অগ্ৰসৰ হৈছিল। কিন্তু হঠাৎ স্বৰ্গী হোৱা বাবে সেই সপোন বাস্তৱত পৰিণত কৰিব নোৱাৰিলে।

এনেদৰে দেখা যায় যে স্মৰনাতীত কালৰে পৰা ত্ৰিলোকৰ পাপ নাশিনী, ত্ৰিভুৱন তাৰিণী ভগৱতী গঙ্গাদেবীৰ প্ৰভাৱ প্ৰাচীন কামৰূপত ব্যাপ্ত হৈ আজিও প্ৰবাহিত হৈ আছে।

□ □ □

"আমি চৰাইৰ দৰে আকাশত উৰিবলৈ শিকিছো আৰু মাছৰ দৰে পানীতো সাতুৰিবলৈ শিকিছো, কিন্তু পৃথিৱীত কেনেকৈ প্ৰকৃত মানুহৰ দৰে থাকিব লাগে সেইটো হ'লে শিকা নাই।

— ড°. সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ

# প্ৰবন্ধ

## প্ৰেম আৰু ৰ'দালিৰ কবি হীৰেণ ভট্টাচাৰ্য্য

শ্ৰীমতী গীতাঞ্জলী চাহু
স্নাতক তৃতীয় বাৰ্ষিক

হীৰেণ ভট্টাচাৰ্য্যৰ জন্ম হয় ১৯৩২ চনৰ ২৮ জুলাইত যোৰহাটত। তেখেতৰ দেউতাক স্বৰ্গীয় তীৰ্থনাথ ভট্টাচাৰ্য্যই চৰকাৰী চাকৰিত থকা বাবে ঘূৰি ফুৰিব লগা হোৱাত হীৰেণ ভট্টাচাৰ্য্যৰ শিক্ষালাভো বিভিন্ন ঠাইত হয়। ১৯৪৫ চনত গুৱাহাটীৰ কটন কলেজিয়েট স্কুলৰ পৰা মেট্ৰিক পাছ কৰে। গুৱাহাটীৰে ভোলানাথ বৰুৱা কলেজৰ পৰা স্নাতক ডিগ্ৰীও লাভ কৰে।

হীৰেণ ভট্টাচাৰ্য্যৰ সৰু কালতে পঢ়া-শুনাৰ প্ৰতি সমূলি মন নাছিল। তেওঁ স্কুলৰ ভিতৰখনতকৈ ভাল পাইছিল স্কুলৰ বাগিছাত থকা গছ-গছনি, ফুল-লতিকা আৰু চৰাই-চিৰিকতিহে। স্কুললৈ গৈ সেইবোৰ চাই চায়ে আপোন পাহৰা হৈ থাকে। স্কুলৰ চকীদাৰে কেতিয়া ওৱাৰ্নিং আৰু ফাইনেল বেল বজায় তাৰ কোনো খেয়ালেই নাথাকে। সেইবাবে দেউতাকৰ মনত বেজাৰ। ল'ৰাটোৱে যদি পঢ়া-শুনা নকৰে তেন্তে এই সংসাৰত কি কৰি খাব?

হীৰেণ ভট্টাচাৰ্য্য ডাঙৰ হৈ আছিল কিন্তু বৈষয়িক ক্ষেত্ৰত উদাসীন। পঢ়া-শুনা কৰি চাকৰি কৰাৰ প্ৰবৃত্তি তেখেতৰ নাই। কেৱল কবিতা লিখে। দেউতাকৰ খং দুগুণে চৰে। "এইবোৰে তোক খুৱাব মেৰি"— বুলি চমকিও দিয়ে। কবি হীৰেণ ভট্টাচাৰ্য্যৰ সেইবোৰৰ প্ৰতি ভ্ৰূক্ষেপ নাই।

কবিৰ দেউতাকৰ এদিন মৃত্যু হ'ল। তেতিয়া পৰিয়ালৰ মানুহে তেওঁৰ বাকচ-পত্ৰ খুচৰোতে কিছুমান কাগজ-পত্ৰ পাই আচৰিত হ'ল। সেইবোৰ হ'ল পুতেক হীৰেণ ভট্টাচাৰ্য্যৰ লিখা কবিতাৰ দ'ম। যি পুতেকক তেওঁ জীৱনকালত খং ৰাগ কৰিলে, সেই পুতেকৰে কবিতাবোৰ তেওঁৰ মৰণ কালত নিভৃত সংগোপন চুক এটাৰ পৰা ওলাই পৰিল আলফুলকৈ যতনেৰে লুকুৱাই থোৱা এক মণি কোঠাৰ পৰা।

হীৰেণ ভট্টাচাৰ্য্যৰ কবিতা পঢ়ুৱৈ সমাজৰ বৰ আপোন, অতিকৈ চিনাকী। কবিয়ে অকপট ভাবে মানুহৰ নিচেই কাষতে

থাকি ভাল পায়। কবি ভট্টাচাৰ্য্যই কবিতাৰে ছবি আঁকিব পাৰে। "জীৱন্ত ছবি" তেওঁৰ কবিতাত গছৰ পাতত বসন্তই প্ৰেম আনে।

"চেনীমৰা বাগিছাৰ চিঠি লৈ
কোবাল খোজেৰে গুছি গ'ল ডাকোৱাল
হাতে হাতে হেপাহৰ ৰঙীন ৰুমাল।"
(কবিৰ হাতৰ ছবি)

সাধাৰণ মানুহৰ দুখ, চকুলোৰে বিদ্ৰোহী শব্দই ৰাজপথত সভা পাতে।

"অক্ষমতাক ক্ষমা কৰিব
মইতো নাজানো বেহাই মূল্যটো
থুদ্দৰ কিনাৰ সমৰ্থ মোৰ নাই"
(আত্মপক্ষ)

কঠিন শিলত ঘঁহি ঘঁহি কটা মৃত্যুৰ ভাস্কৰ্য্য সুন্দৰ হয়। ব'দৰ খবৰ বিচাৰি 'দেশ বুলিলে আদেশ নেলাগে' বুলি ৰিঙিয়াই মাতে।

"দেশ বুলিলে আদেশ নালাগে" কবিতা ফাঁকিৰ বিষয়ে ৰবীন্দ্ৰ সৰকাৰে তেখেতৰ "চিন্তা আৰু মনীষা" নামৰ গ্ৰন্থত মন্তব্য কৰিছে—

"কবিতা যেতিয়াই শ্লোগানলৈ ৰূপান্তৰিত হয় তেতিয়াই কবিতাক অতিক্ৰম কৰি সময়ৰ আশা-আকাংক্ষাক স্পন্দিত কৰিব পাৰে।" হীৰেণ ভট্টাচাৰ্য্য উক্ত কবিতাফাকি শ্লোগানলৈ পৰিণত হৈছে।

কিন্তু কবি হীৰেণ ভট্টাচাৰ্য্যৰ মতে তেখেত এজন অতি সাধাৰণ কবি। হীৰেণ ভট্টাচাৰ্য্যৰ স্বভাৱ কবি। সোণালী শস্যভূমিক ডাঙৰ-দীঘল কৰা খেতিয়কৰ সহজ-সৰল জীৱনৰ নিচেই কাষত বৈ আকুল অপেক্ষা কৰিছে কোনোবা খেতিয়কৰ দুখৰ চকুলোৰে সেমেকা মেটমৰা ধানৰ ডাঙৰি — গৃহস্থৰ চোতালত থৈ অহাৰ বেদনা উপশমৰ বাবে —

"মেটমৰা ধানৰ ডাঙৰি
ডাঙৰীয়াৰ চোতালত থলো
এতিয়া মোক ঘৰলৈ যাবলৈ দিয়া
আইজনীৰ মাকৰ লেঠা।
এইবেলি ল'ৰা এটা হ'লে ভাল হয় বৰ।
জানাইতো খেতিয়কৰ ল'ৰাৰ হাত বৰ চিধা"
(লখিমী)

হীৰেণ ভট্টাচাৰ্য্যৰ কবিতাই পাঠকৰ মন ৰাই-জাই নকৰে। মাথোঁ তেজত সাগৰৰ দৰে গভীৰ অনুভূতিৰে জোকাৰি যায় অতি আপোনজনৰ দৰে। কবিতাবোৰ যেন সকলোৰে নীৰৱ সময়ৰ সংগী হৈ পৰে। গভীৰ জীৱনবোধৰে মানুহক অভিভূত কৰে। ৰিব্-ৰিব্ বতাহৰ সুগন্ধতো দেশ প্ৰেমৰ বাতৰি আছে।

মোৰ দেশ, মোৰ স্বদেশ মোৰ প্ৰথম প্ৰেমৰ উন্মেষ
তোৰ সাতসৰী যেন সাতোখন নদী।
প্ৰেমৰ কি গভীৰ সহানুভূতি।
তাক মই কিদৰে পাহৰিম ?" (আশ্ৰয়)

বৰ সহজ ভাৱে কবিয়ে "বিষ্ণু ৰাভাক" প্ৰকাশ কৰিছিল।

"ধান কাটি দাৱনীজাক এতিয়াও
মাজ পথাৰতে বৈ আছে
আজি গধুলি
কমৰেড্ ৰাভা এই বাটে
আহিব উভতি।" (প্ৰতীক্ষা)

হীৰেণ ভট্টাচাৰ্য্য কবিতাই শব্দৰ মাজেৰে

এক দৃঢ় প্ৰত্যয় আৰু প্ৰস্তুতিৰ কথা সোঁৱৰাই যায়। তেখেতৰ মতে তেখেতে হেনো এতিয়াও শ্ৰেষ্ঠ কবিতা লিখিব পৰা নাই। কবিতাৰ যেনেকৈ জন্ম আছে ঠিক তেনেকৈ মৃত্যুও আছে। মানুহৰ মাজতেই ই ডাঙৰ-দীঘল হয় আৰু প্ৰাণ পায়।

হীৰেণ ভট্টাচাৰ্য্যৰ প্ৰেমৰ কবিতা অসমীয়া সাহিত্যৰ তঁৰাললৈ এক সম্পদ বুলিলে অত্যুক্তি কৰা নহব। তেখেতৰ প্ৰেমৰ কবিতাই জীৱনৰ অৰ্থ গম্ভীৰ কৰি তোলে। কোনো বিশেষ সীমাৰ ভিতৰত আৱদ্ধ ই নহয়। কবিৰ প্ৰেমৰ কবিতাই নাৰী আৰু প্ৰকৃতিৰ যুদ্ধৰ ছবি আঁকে। জোনাকৰ দৰে প্ৰাণৰ অন্তৰঙ্গ উচ্ছাস আনে। কবিৰ প্ৰেমৰ কবিতাই পাঠকক বিমল অনুভূতিৰে প্ৰশান্ত কৰি তোলে।

"মোৰ ভয় লাগে চাবলৈ —
তাইৰ নীলা চকুজুৰি
যদি বৰষুণ আহে চৌদিশ আৱৰি

(তিনি টুকুৰা)

"মই
তাইৰ বুকুত হাত থলো।
পাঁচোটা আঙুলিত
মোৰ ফুলৰ সুবাস
তাইৰ
প্ৰতিটো আঘাটতে
মই চুমা খালো,
মোৰ শুকান ওঁঠত
এপাহ দুপাহকৈ
সাতোপাহ কৰুণ গোলাপ।"

(কবিতা ঃ তাই)

হীৰেণ ভট্টাচাৰ্য্য যৌৱনৰ কবি। যৌৱন কেৱল এটা ঋতু নহয়, ই জীৱনৰ আপোন বিভোৰ পৰিপূৰ্ণতা। সেয়েহে কবি ভট্টাচাৰ্য্য ফাগুণৰ বতাহ আৰু বহাগৰ কপৌ ফুলৰ কবি, লেখ-জোখ নোহোৱা সপোন আৰু অচিন আকাংক্ষাৰ বিদ্ৰোহ আৰু উন্মাদনাৰ, প্ৰেম আৰু প্ৰেমৰ ব্যৰ্থতাৰ কবি। কবিৰ বহু গভীৰলৈ জোকাৰ খাব পৰা এখন হৃদয়ৰ তেওঁ অধিকাৰী, তেওঁৰ প্ৰেমৰ পাত্ৰীৰ প্ৰতি তেওঁৰ ভাল পোৱা অকুণ্ঠ আৰু সতেজতাৰ আত্মনিবেদনৰ নম্ৰতাত পাঠক মুগ্ধ হয় আৰু তাৰ আশা ভঙ্গৰ বাতৰিত পাঠক নিজেই অভিভূত হৈ পৰে।

(প্ৰেমৰ কবিতা / "মোৰ দেশ")

ল'ৰালি কালৰ পৰা কবি হীৰেণ ভট্টাচাৰ্য্য প্ৰখ্যাত সাহিত্যিকৰ সান্নিধ্যলৈ আহিছিল। তেজপুৰৰ পাৰিজাত সন্থাৰ লগত তেখেত জড়িত আছিল। ১৯৩৪ চনত প্ৰগতিশীল সাংস্কৃতিক কামকাজৰ লগত, ভাৰতীয় গণনাট্য সঙ্ঘৰ লগত প্ৰায় আঠ বছৰ কাল জড়িত হৈ থাকে। ১৯৪৫ চনত প্ৰকাশ হোৱা "চিত্ৰবন" নামৰ আলোচনীখনৰ সম্পাদনা কৰিছিল হীৰেণ ভট্টাচাৰ্য্যই। এতিয়ালৈকে "মোৰ দেশ মোৰ প্ৰেমৰ কবিতা", "বিভিন্ন দিনৰ কবিতা", "কবিতাৰ ৰ'দ", "সুগন্ধি পখিলা" ইংৰাজী ভাঙনি 'Ancient Gongs' নামৰ পুথি প্ৰকাশ পাইছে।

অসম সাহিত্য সভাই ১৯৭৬ চনত "ৰঘুনাথ চৌধুৰী বঁটা", ১৯৮৫ চনত "বিষ্ণু-ৰাভা বঁটা" প্ৰদান কৰিছিল হীৰেণ ভট্টাচাৰ্য্যলৈ। ভাৰতীয় বিদ্যা ভৱনৰ "ৰাজাজী সাহিত্য বঁটা" পোৱা তেখেত প্ৰথম অসমীয়া। □

# কলেজীয়া জীৱন আৰু আমাৰ ভৱিষ্যত

শ্রীপ্রণতি চেতিয়া
স্নাতক ২য় বাৰ্ষিক

অনন্ত অপাৰ মহা শব্দশাস্ত্ৰৰ
মহাসিন্ধু মথি
আমি আহৰণ কৰোঁ জ্ঞানৰ অমৃত
মহা মহা জীৱনৰ গৰিমাৰ সৌধ ৰচোঁ
ৰামধেনুৰ ৰহণেৰে জীৱন বোলাই ।

ছাত্ৰ জীৱনৰ আটাইতকৈ মনোমোহা, ৰঙে ৰসে উপচি পৰা, মধুৰ স্বপ্নালিৰ আবেশেৰে ভৰপূৰ বৈচিত্ৰ্যময় সময়ছোৱাই হৈছে কলেজীয়া জীৱন। কলেজীয়া জীৱন আনন্দোচ্ছল, মাধুৰ্য্যপূৰ্ণ আশা আকাংক্ষাৰ সোণালী ৰঙেৰে ৰঙীন, ৰামধেনুৰ বিচিত্ৰতাৰে বৰ্ণালিময়। এইছোৱা কালত ছাত্ৰ-ছাত্ৰীৰ মন হয় দিগন্ত প্ৰসাৰী, ভাব হয় পৰ্বতীয়া জুৰিৰ দৰে লয়লাস গতিময়, ছন্দোময়, অনুভূতিময় আৰু হয় সুন্দৰ ভৱিষ্যত জীৱনৰ মহান আদৰ্শৰ উদ্দীপনা আৰু অনুপ্ৰেৰণাৰে সমুজ্জল। এই বিচিত্ৰ সময়ছোৱা দেখাক নতুনকৈ চোৱাৰ, নেদেখাক সম্পূৰ্ণকৈ দেখাৰ কামনা ৰঞ্জিত, নতুনকৈ গঢ়াৰ, নিতৌ নতুন সপোন ৰচনাৰ, নতুন মধুময় কল্পনা কৰাৰ সময়। এনে এছোৱা সময়ৰ মধুৰ অবিস্মৰণীয় মধুৰ স্মৃতি মানৱ জীৱনৰ সমগ্ৰ কালছোৱাত হৈ ৰয় চিৰ সেউজীয়া, বৰ্ণালিৰ সাতোৰঙৰ দৰেই সৌন্দৰ্য্যময়। জীৱনৰ আকাশত গঢ়িব খোজা ইন্দ্ৰধনুৰ বাবে ৰহণীয়া ৰঙৰ মেলাত মন ময়ুৰীয়ে পেখম ধৰি ধৰি মুৰ্চ্ছনা তোলা — এই সময়ছোৱা অফুৰন্ত আবেগৰ সীমাহীন পাৰাবাৰ।

প্ৰাথমিক বিদ্যালয়ৰ পৰা হাইস্কুলীয়া জীৱনলৈকে দৈনিক পাঠ্যক্ৰমৰ বাধ্যবাধকতাৰ পৰা মুক্ত হৈ মুক্ত আকাশৰ তলত, মুক্ত মন আৰু মুক্ত চিন্তাৰে জীৱনৰ জ্যোতিৰ বাট পোহৰাই তোলাৰ প্ৰয়াসেৰে আগবাঢ়ি যোৱাৰ পৰম হাবিয়াসী মন এটা সকলোৰে থাকে। এই সুন্দৰ পৰিবেশ কেৱল কলেজতহে বিদ্যমান। এই পবিত্ৰ ধামতেই আমাৰ মনৰ ব্যাকুলতাই বাস্তৱ ৰূপ পায়। নিজৰ প্ৰতিভা মুক্তভাৱে প্ৰকাশ কৰিবলৈ আৰু সেই প্ৰতিভাৰ বিকাশৰ বাবে অপাৰ সুযোগ পোৱা যায় কলেজত। স্কুলীয়া জীৱনৰ বাধ্য-বাধকতা, কঠোৰ শাসনৰ

বাঘজৰী, বঙাচকুৰ ভীতিগ্ৰস্ততা আদিৰ পৰা কলেজৰ পৰিবেশ মুক্ত। অৱশ্যে দায়িত্বশীলতাৰ প্ৰয়োজন বেছিকৈ হয়। কিয়নো কেৱল ৰঙ-ধেমালিৰ স্বপ্নেৰে আপ্লুত লৈ নিজৰ ভৱিষ্যত জীৱন দুৰ্ব্বহ কৰি তোলাটো কোনোপধ্যেই আমাৰ কাম্য নহয়। ভৱিষ্যত জীৱনৰ আশা-আকাঙক্ষা, কামনাৰ সোণালী পথ সন্মুখত থকাত আৰু তাৰ সাধনাই জীৱনৰ লক্ষ্য হোৱা বাবে স্বাভাৱিকতেই দায়িত্বশীলতা আহি পৰে। গতিকে এই সুন্দৰ মুক্ত পৰিবেশক আশীৰ্বাদ হিচাপেহে গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীসকলে নিজৰ এক সুন্দৰ ভৱিষ্যত গঢ়ি তুলিব পাৰে।

কলেজসমূহ উচ্চ জ্ঞানৰ মন্দিৰ। ভৱিষ্যতৰ কৃতকাৰ্য্যতাপূৰ্ণ, সুন্দৰ জীৱন গঢ়াৰ কৰ্মশালা। বিদ্যাৰ্থীসকলৰ সাধনাৰ একো একোখন মহা আশ্ৰম। এই মহা আশ্ৰমৰ নিয়াৰিতে গঢ়ি উঠে ভৱিষ্যতৰ সম্ভাৱনাময় একোটা মহান জীৱন। কলেজৰ জ্ঞান সাগৰত অৱগাহন কৰি পূতমন্ত্ৰত দীক্ষিত হোৱা বাবেই সফলতাৰে কলেজীয়া শিক্ষা সাং কৰি ওলাই অহাসকলক স্নাতক বুলি কোৱা হয়। উচ্চ শিক্ষাৰে শিক্ষিত, উচ্চ অৰ্হতাসম্পন্ন অধ্যাপকসকলৰ উচ্চমানৰ শিক্ষাদান কাৰ্য্যই এই জ্ঞান মন্দিৰ জ্যোতিৰ্ম্ময় কৰি তোলে। সেই জ্যোতিৰ আলোকে বিদ্যাৰ্থীসকলক বিমোহিত কৰি তোলে। তেখেতসকলৰ জ্ঞানৰ জ্যোতি আমাৰ অন্তৰত বিকিৰিত হয়। আমাৰ হৃদয়ৰ ঢোপা কলিটো সেই জ্যোতিৰ পৰশতে মুকুলিত হয় আৰু যথাসময়ত গন্ধে বৰ্ণে জাতিষ্কাৰ আৰু সৌন্দৰ্য্য মাধুৰীৰে সুশোভিত হৈ তাৰ সৌৰভ জগতৰ মানৱসাগৰত বিয়পি পৰে। অধ্যয়নৰ এই সময়ছোৱা কেৱল জ্ঞান বুটলাৰ বিস্তীৰ্ণ কলা ক্ষেত্ৰই নহয়, ই হ'ল নিজক স্বকীয় প্ৰতিভা আৰু গুণৰাজিৰে জকমকীয়াকৈ সজোৱাৰ, বিশাল সুন্দৰ পৃথিৱীখনিক সৌন্দৰ্য্যৰ আধাৰ হিচাপ "নতুন প্ৰাণৰ ন-চকুজুৰিত দীপিতি চাৰি" নতুনকৈ চোৱাৰ, উপভোগ কৰাৰ আৰু জীৱনৰ মোহনীয়তাক আৰু অধিক মোহনীয়াক গঢ়ি তোলাৰ এক মহান ক্ষেত্ৰ।

শিক্ষা জীৱনৰ আটাইতকৈ মনোৰম আৰু কল্পনাৰ দিগন্ত প্ৰসাৰী ভাৱধাৰাৰে সমৃদ্ধ এই সময়ছোৱাৰ সদব্যৱহাৰ আৰু জীৱনটোক সঠিক আৰু সত্য সুন্দৰ পথত আগবঢ়াই নিয়াৰ ওপৰতে আমাৰ ভৱিষ্যত নিৰ্ভৰশীল। কলেজীয়া জীৱন হৈছে মানৱ জীৱনৰ ভেঁটি। কিন্তু আজিকালি দেখা গৈছে ছে ছাত্ৰ-ছাত্ৰীসকলে প্ৰকৃত দায়িত্ব নুবুজি নিজকে সম্পূৰ্ণ মুক্তভাৱে এৰি দিয়ে। এইসকল ছাত্ৰ ছাত্ৰীৰ জীৱন যে অৱশেষত বিফলতাৰ ভাগাৰত পৰিণত হোৱাৰ সম্ভাৱনীয়তা কোনেও কৰিব নোৱাৰে। ধন দৌলত, বিলাসিতা আদিৰ চিকমিকিয়া জেউতিৰ চমকত তেওঁলোকৰ প্ৰকৃত পথৰ সন্ধান যেন হেৰাই গৈছে। সেইবোৰৰ চিকমিকনিয়ে তেওঁলোকৰ মনত জগাই তুলিছে এক ঐন্দ্ৰজালিক লালসা। এনে পথৰ অভিযাত্ৰী হ'লে তেওঁলোকৰ ভৱিষ্যত জীৱন যে বিকৃত, সমস্যা জৰ্জৰিত হৈ নুঠিব তাৰ কোনো মানে নাই। এক সৰ্ব্বাঙ্গ সুন্দৰ জীৱন আমাৰ সকলোৰেই কাম্য। কেৱল আমাৰেই জানো? সমাজ, দেশ তথা জাতিয়েও কামনা কৰে প্ৰতিজন

ছাত্রই প্রকৃত শিক্ষা লাভ কৰি একো একোটি জ্ঞানৰ ভাণ্ডৰ হওক, উৎসাহ, উদ্যম, কৰ্ম-প্ৰেৰণাৰ মহীয়ান উৎস হওক, তেওঁলোকৰ পৰাই হাজাৰ হাজাৰ প্ৰজ্ঞাৰ, মনীষাৰ সৃষ্টি হওক। একো একোটি দীপ্তিময়, প্ৰভাযুক্ত জ্যোতিপুঞ্জই পিতৃ-মাতৃৰ, সমাজৰ, জাতিৰ জীৱনলৈ মধুময় দিনৰ মহাজ্যোতি কঢ়িয়াই আনক। পিতৃ-মাতৃৰ, সমাজৰ সেই আশা, সেই স্বপ্ন বাস্তৱত ৰূপায়িত কৰিবলৈ আমি জানো প্ৰতিজ্ঞাবদ্ধ হ'ব নালাগে ?

এইদৰে আমাৰ জীৱনৰ এক সুন্দৰ ভৱিষ্যত গঢ়িবলৈ হ'লে আমি নিজৰ মাজত কৰ্তব্যবোধ, নৈতিক সচেতনতা, নিয়মানুবৰ্তিতা জগাই তুলিব পাৰিব লাগিব। দিনকদিনে ছাত্ৰ সমাজত বাঢ়ি অহা উশৃঙ্খলতা বোধ কৰিবলৈ যত্নপৰ হ'ব লাগিব। এই উশৃঙ্খলতা কলেজীয়া স্তৰৰ ছাত্ৰ সমাজতে বেছি বুলি ক'লে ভুল কোৱা নহ'ব। আজিকালি কাগজে-পত্ৰই ছাত্ৰসকলৰ অপৰাধ-প্ৰৱণতাৰ কথা যিমান পঢ়িবলৈ পোৱা যায়, কৃতিত্বৰ কথা সিমান পঢ়িবলৈ পোৱা নাযায়। আজিৰ ছাত্ৰ সমাজ মাৰপিট, চুৰি-ডকাইটি, ধৰ্ষণ আদি কু-কাৰ্য্যত লিপ্ত হৈ পৰা দেখা গৈছে। এই উশৃঙ্খলতা এক ভয়াবহ সমস্যাত পৰিণত হৈছে। যি সময়ত ছাত্ৰ-ছাত্ৰীসকল দেশৰ উন্নতিৰ কামত নিয়োজিত হ'ব লাগিছিল, সেইসময়ত তেওঁলোক নিজেই নিজকে শাসনত ৰখাত ব্যৰ্থ হৈছে। অৱশ্যে এইটো কথা ঠিক যে ইয়াৰ ব্যতিক্ৰম নোহোৱা নহয়। এতিয়াও অনেক গুণী, মেধাবী ছাত্ৰ-ছাত্ৰী আছে। পিছে অনস্বী-কাৰ্য্য এই যে ভালতকৈ বেয়াৰ সংখ্যা অনেক গুণে বেছি। 'ছাত্ৰশক্তি এককশক্তি' বুলি সকলোৱে স্বীকাৰ কৰে আৰু এই ছাত্ৰশক্তিয়ে অনেক সমস্যা সমাধান কৰি অহাৰ উদাহৰণো আছে। কিন্তু বৰ্তমান এই ঐক্য যেন শিথিল হৈ পৰিছে। ই যে অনিশ্চিত বিপদৰ ইঙ্গিত বহন কৰি আনিছে তাক তেওঁলোকে হয়তো অনুভৱ কৰিব পৰা নাই। যিসকলে কৰিছে তেওঁলোক যথেষ্ট সচেতন হৈ পৰিছে, আবেগ প্ৰৱণ হৈ পৰিছে। অৱশ্যে এই সকলোৰে বাবে ছাত্ৰ-ছাত্ৰীসকলেই দায়ী নহয়। তাৰবাবে দায়ী পিতৃ-মাতৃ, সমাজ ব্যৱস্থা, চৰকাৰৰ নীতি আদি সকলো। এই সকলো আসোঁৱাহ দূৰ কৰিব পাৰিলেই কলেজীয়া ছাত্ৰ-ছাত্ৰীসকল সুন্দৰ ভৱিষ্যতৰ গৰাকী হ'ব পাৰিব।

'এক সুন্দৰ ভৱিষ্যত'— বাক্যটো বৰ মহত্বপূৰ্ণ। মহত্ব ক'ত তাক আমি নিজেই বিচাৰ কৰি উলিয়াব পাৰিব লাগিব। তেতিয়াহে তেনে এক ভৱিষ্যত গঢ়ি তোলাত সহায়ক হ'ব। প্ৰত্যেক জীৱনৰে এক তাৎপৰ্য্য আছে, মহৎ সম্ভাৱনা নিহিত থাকে জীৱনৰ স্তৰে স্তৰে। এই মহৎ সম্ভাৱনাক বাস্তৱত ৰূপায়িত কৰিব পৰাটোৱেই জীৱনৰ মহত্ব। এই মহত্ব অৰ্জনৰ পথ আমি মহান মনিষীসকলৰ জীৱন অনুধাৱন কৰিলেই পাওঁ। কেৱল খাই বৈ সুখে-শান্তিৰে থকাটোৱেই সুন্দৰ জীৱন হ'ব নোৱাৰে। আমাৰ ভৱিষ্যত জীৱন এনে হ'ব লাগিব যাতে নিজেও বিচৰাখিনি পাব পাৰো, আনকো কিবা এটা দি যাব পাৰো। সময়ৰ

( ৩৫ পৃষ্ঠাত চাওক )

# ড° মহেশ্বৰ নেওগদেৱৰ কৃতি আৰু অসমীয়া ভাষা-সাহিত্যলৈ বৰঙণি

অধ্যাপক দ্ৰোণ কলিতা

পদ্মশ্ৰী প্ৰাচ্যতত্ত্ববিদ পণ্ডিত সদস্য মহীয়ান ড° মহেশ্বৰ নেওগৰ জন্মৰ তাৰিখ ১৮১৭ শকৰ ২১ ভাদ (ইংৰাজী ১৯১৫ চনৰ সাত চেপ্তেম্বৰ)। তেওঁৰ বাল্যশিক্ষা আৰম্ভ হয় গাঁৱৰে ১১৩ নং কুমাৰফদীয়া প্ৰাথমিক বিদ্যালয়ত। হাইস্কুলীয়া শিক্ষা শিৱসাগৰ চৰকাৰী উচ্চ ইংৰাজী স্কুলত আৰম্ভ কৰি দাদাক স্বৰ্গীয় ডিম্বেশ্বৰ নেওগদেৱৰ লগত উত্তৰ লক্ষীমপুৰ আৰু যোৰহাট চৰকাৰী স্কুলত পঢ়ি তাৰ (যোৰহাট) পৰাই মেট্ৰিক পৰীক্ষাত ১৯৩৪ চনত অসম উপত্যকাৰ ভিতৰত চতুৰ্থ স্থান দখল কৰি প্ৰতিযোগিতামূলক বৃত্তি লাভ কৰিছিল। তেওঁ সৰ্ব্বমুঠ ৭০০ ৰ ভিতৰত ৫৪৫ নম্বৰ ধৰিবলৈ সক্ষম হৈছিল। মেট্ৰিক পাছ কৰি কটন কলেজত বিজ্ঞানৰ ছাত্ৰ হিচাপে নাম ভৰ্ত্তি কৰি প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। স্নাতক মহলাত ইংৰাজী বিষয়ত অধ্যয়ণ কৰি দ্বিতীয় শ্ৰেণীৰ সন্মান ৰাখি ১৯৩৯ চনত স্নাতক ডিগ্ৰী লাভ কৰিছিল। একে কলেজৰ পৰাই।

আৰ্থিক অসুবিধাই ড° নেওগদেৱক ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিবলৈ অনুমতি নিদিলে। তাৰ সলনি তেওঁ স্কুলত পয়সত্তৰ টকীয়া বেতনত শিক্ষকতা কৰিবলৈ ধৰিলে। অৱশ্যে কিছু দিনৰ পিছত তেওঁ গুৱাহাটী ইউনিভাৰ্চিটিৰ ট্ৰাষ্ট ব'ৰ্ডৰ কামত সোমাল। সেই ব'ৰ্ড ভাগি গলে কি কৰিব সেই চিন্তা কৰি থাকোতেই কেইবাগৰাকী বন্ধুৰ পৰামৰ্শত ইংৰাজী অথবা অসমীয়া বিষয়ত স্নাতকোত্তৰ ডিগ্ৰীৰ পৰীক্ষাত বহাটোকে ভাবিলে। ভবা মতেই কাম। তেওঁ ১৯৪৭ চনত প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে পৰীক্ষা দি প্ৰথম শ্ৰেণী— "ফাৰ্ষ্ট ক্লাছটো" লাভ কৰিলে।

অসমত উচ্চতম শিক্ষাৰ অতি প্ৰয়োজনীয় অনুষ্ঠান বিশ্ববিদ্যালয় "গুৱাহাটী ইউনিভাৰ্চিটি" প্ৰতিষ্ঠাৰ সিদ্ধান্ত হ'ল ১৯৪৮ চনত। সেই বছৰৰ পৰাই শ্ৰেণীসমূহ আৰম্ভ হ'ল।

ড° নেওগে বিশ্ববিদ্যালয়ত অসমীয়া বিষয়ৰ শিক্ষকৰ নিযুক্তি লাভ কৰিলে। তেওঁ বিশ্ববিদ্যালয়ত অসমীয়া বিভাগৰ শিক্ষক হ'লেও ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাৰ হেঁপাহ এৰিব নোৱাৰি ড° বাণীকান্ত কাকতিদেৱৰ লগত আলোচনা কৰে। ড° কাকতিদেৱে ইংৰাজী বিষয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰাতকৈ গৱেষণা আৰম্ভ কৰিবৰ অৰ্থেহে পৰামৰ্শ আগবঢ়ালে। ড° নেওগদেৱেও তাকে স্থিৰ কৰি কামত লাগি গ'ল।

ড° নেওগে ড° বাণীকান্ত কাকতিদেৱৰ তত্ত্বাৱধানত শ্ৰীশ্ৰীশঙ্কৰদেৱৰ বিষয়ে গৱেষণা কৰিছিল। গৱেষণা পুথিখনৰ নাম Sankardeva and His Times. ড° কাকতিদেৱ স্বৰ্গী হোৱাত ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱৰ তলত কাম কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৫৫ চনত ডি. ফিল. ডিগ্ৰী লাভ কৰিছিল। শ্ৰীশ্ৰীশঙ্কৰদেৱৰ কৰ্ম্ম আৰু সময় ছোৱাৰ ওপৰত গৱেষণা কৰি ডক্টৰেট ডিগ্ৰী লাভ কৰাৰ আগতেই তেখেতে "শ্ৰীশ্ৰীশঙ্কৰদেৱ" নামৰ এখন সুন্দৰ জীৱনী-কৰ্ম্ম-সমালোচনাসূচক পুথি প্ৰকাশ কৰিছিল। মহাপুৰুষ শ্ৰীশ্ৰীশঙ্কৰদেৱৰ বিষয়ে ৰসৰাজ বেজবৰুৱা, ৰাজমোহন নাথ, কালিৰাম মেধি আদি শঙ্কৰপ্ৰেমীসকলৰ লগতে নেওগ ভাতৃদ্বয়েও শঙ্কৰদেৱৰ ধৰ্ম-কৰ্ম আৰু অসমীয়া জাতিলৈ আগবঢ়োৱা বৰঙণিৰ সম্পৰ্কে সুসংবদ্ধ ভাৱে বহুতো কথা লিখি মহাপুৰুষ জনাৰ স্থান বহু ওপৰলৈ তুলি নিছিল। এই ক্ষেত্ৰত অসমীয়া সুধী সমাজৰ পৰা তেওঁলোকে প্ৰশংসাও লাভ কৰিছিল। অসমীয়া সাহিত্যত ড° নেওগৰ এই পুথিখনৰ মূল্য সদায় আছে আৰু থাকিবও। ড° নেওগদেৱে অসমীয়া সাহিত্যলৈ অসমীয়া সাহিত্যৰ ৰূপৰেখা, Sankardev and His Times, Sankardev and His Predecessors, পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি, অসমীয়া গীতি সাহিত্য, অসমীয়া প্ৰেম গাঁথা, The Art of Painting in Assam, আধুনিক অসমীয়া সাহিত্য, প্ৰাচ্য শাসনাৱলী, সত্ৰীয়া নৃত্য আদি ভালেমান মূল্যবান গ্ৰন্থ প্ৰণয়ন কৰি অসমীয়া সাহিত্যৰ ভঁড়াল চহকী কৰিছিল। ওপৰোক্ত তত্ত্বগধুৰ পুথি সমূহৰ বাহিৰেও শিশুৰ উপযোগীকৈ লিখা 'ডাৱৰৰ সিপাৰে ধুনীয়া দেশ' এখনি মূল্যবান গ্ৰন্থ।

ড° নেওগদেৱ সম্পাদক স্বৰূপেও অতি সুদক্ষ আছিল। তেখেতৰ সম্পাদনাত ওলোৱা ভক্তি প্ৰদীপ, বংশী গোপালদেৱৰ চৰিত, উষা-পৰিণয়, আচাৰ্য্য সংহতি, লৱকুশ যুদ্ধ, গীতি ৰামায়ণ, কীৰ্ত্তন ঘোষা, নাম ঘোষা, ৰামানন্দ দ্বিজৰ গুৰু চৰিত, চাহাপৰী উপাখ্যান, হস্তমুক্তাৱলী, সঞ্চয়ণ, চটাই পৰ্বত আৰু চিৰি লুইত, স্বৰৰেখাত, বৰগীত, শ্ৰীভাগৱত কথা, Rhythm in the Vaishnava Music in Assam, অৰুণোদই আদিৰ নাম বিশেষ ভাৱে ল'ব লাগিব।

অভিধান প্ৰণয়নৰ নিচিনা গধুৰ আৰু দায়িত্বপূৰ্ণ কাম ড° নেওগদেৱৰ ওপৰত ন্যস্ত কৰা হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য কৃষ্ণকান্ত সন্দিকৈদেৱে 'চন্দ্ৰকান্ত অভিধান'ৰ দ্বিতীয় সংস্কৰণ প্ৰণয়নৰ দায়িত্ব এখন সমিতিক

দিছিল। সেই সমিতিৰ অন্যতম সদস্য আছিল ড° নেওগদেৱ। সেই সমিতিৰ আহ্বায়কৰ গধূৰ দায়িত্ব বহন কৰিছিল ড° বিৰিঞ্চি কুমাৰ বৰুৱাদেৱে। ১৯৬২ চনত দ্বিতীয় সংস্কৰণৰ কাম শেষ হয়। তৃতীয় সংস্কৰণৰ দায়িত্ব বিশেষ ভাৱে পৰে ড° নেওগদেৱৰ ওপৰত। ১৯৯০ চনত তৃতীয় সংস্কৰণও ছপাই প্ৰকাশ কৰিলে।

ড° নেওগদেৱ এগৰাকী কবিও আছিল। 'অন্ত্যজা' আৰু "মুছাফিৰখানা" তেওঁৰ কবিতা পুথি। মহাযুদ্ধৰ পিছত আৰ্থ-সামাজিক পটভূমিয়ে অসমীয়া সমাজলৈ মানসিক অধঃপতন আনিছিল। সেই কথা ড° নেওগদেৱে গভীৰ ভাৱে চিন্তা কৰিছিল আৰু সেইবোৰৰ ফলশ্ৰুতি ৰূপে এক শ্ৰেণীৰ মুক্তক ছন্দৰ কবিতা সৃষ্টি কৰিছিল। শব্দ-সংযোজন, ভাৱ-সমন্বয় আদি সংয়োগ ক্ষেত্ৰত কবি বৰ সাৱধান আছিল আৰু তেওঁৰ কবিতাত সেইবোৰ অনুভৱ হৈছিল। অসমীয়া সাহিত্য বুৰঞ্জীত ড° নেওগে বেজবৰুৱাদেৱক "অসমীয়া সাহিত্যৰ ৰূপৰেখা" গ্ৰন্থত ৰোমাণ্টিক সাহিত্যৰ প্ৰতিষ্ঠা কৰা কালছোৱাত স্বৰূপতে "বেজবৰুৱাৰ যুগ" আখ্যা দি তাৰ সুন্দৰ বিশ্লেষণ দাঙি ধৰি দৃঢ়ভাৱে মত দিছে। ড° নেওগদেৱৰ "শঙ্কৰদেৱ এণ্ড হিজ টাইমছ" খনি গৱেষণা গ্ৰন্থ। এই গ্ৰন্থক আমি নিঃসঙ্কোচেই ড° নেওগদেৱৰ কীৰ্তিস্তম্ভ বুলি অভিহিত কৰিব পাৰোঁ। শ্ৰীশঙ্কৰদেৱ কালীন কামৰূপ-অসমৰ ভৌগোলিক, ঐতিহাসিক, অৰ্থনৈতিক, সামাজিক সাংস্কৃতিক আৰু মানসিক অৱস্থা সকলোবোৰ দৃষ্টি কোণৰ পৰাই সম্পূৰ্ণ বৰ্ণনা দি এখন ছবি আঁকিছে। ড° নেওগদেৱে বাৰটা অধ্যায়ত সম্পূৰ্ণ কৰা এই গ্ৰন্থখন ছাপা হৈ ওলোৱাৰ পিছত ভাৰতৰ ৰাষ্ট্ৰীয় অধ্যাপক ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে ভূয়সী প্ৰশংসা কৰি "it is undoubtedly one of the great books" বুলি মন্তব্য আগবঢ়াইছিল। এই খন পুথি ড° নেওগদেৱৰ সৃষ্টিসমূহৰ ভিতৰত

( ৩২ পৃষ্ঠাৰ পিচৰ পৰা )

বালিত যাতে আমাৰ খোজৰ চিন থৈ যাব পাৰো। কিন্তু আমি নিজে বিচৰাখিনি হ'ব লাগিব আনৰ প্ৰশংসামুখৰ, দি যোৱাখিনি হ'ব লাগিব আনৰ প্ৰেৰণাৰ উৎস। আমি যাতে আমাৰ বাবে, পিতৃ-মাতৃ তথা সমাজ, জাতি, দেশৰ বাবে মধুময় দিনৰ মহাজ্যোতি কঢ়িয়াই আনিব পাৰো। এই আশা আগত ৰাখিয়েই আমি আমাৰ ভৱিষ্যত জীৱন প্ৰগতিৰ দিশত আগুৱাই নিবৰ বাবে এতিয়াৰ পৰাই বদ্ধ পৰিকৰ হোৱা উচিত। কিয়নো ছাত্ৰ জীৱনেই সুস্থ ভৱিষ্যত, সক্ষম নাগৰিক জীৱন-প্ৰস্তুতিৰ উপযুক্ত সময়। সেয়েহে আমি নিজৰ জীৱন সুন্দৰকৈ গঢ়ি লৈ দেশৰ সু-নাগৰিক হিচাপে নিজৰ আৰু দহৰ কল্যাণ সাধনৰ লক্ষ্যকহে অগ্ৰাধিকাৰ দিয়া উচিত। সামৰণিত ইয়াকে ক'ব বিচাৰোঁ যে—

"মহা মহা পুৰুষৰ চানেকিৰে জীৱনৰ
আমিও কৰিব পাৰোঁ জীৱন গঢ়িত
অভিনয় শেষ হ'লে আয়ু বেলি মাৰ গ'লে
থৈ যাব পাৰোঁ খোজ সময় বালিত।" □

এক অমূল্য সম্পদ বুলি ক'ব পাৰি।

সত্ৰ-সভ্যতা আৰু সত্ৰীয়া নৃত্য-গীতক পুনৰুদ্ধাৰ কৰা কামত লাগি বৰগীত, অঙ্কীয়া নাটৰ গীতবোৰক নিৰ্দ্দিষ্ট ৰাগত বন্ধা আৰু ব্যৱহৃত, নিৰ্দ্দিষ্ট তাল-মানবোৰৰ বিজ্ঞানসন্মত অধ্যয়ণ শ্ৰীৰমেশ্বৰ বৰবায়নৰ লগ লাগি কৰি অসমীয়া সত্ৰানুষ্ঠানলৈ এক অমূল্য বস্তু আগবঢ়ালে। এই গীতবিলাকৰ ধ্ৰুপদী দিশটো অধ্যয়ন কৰি ইয়াৰ পৰ্য্যায় ( Standard ) উন্নত কৰাৰ প্ৰযত্ন কৰিছিল ড° নেওগদেৱে। ইয়াৰ বাহিৰেও ড° নেওগদেৱে পাঠ-সমীক্ষাৰ (Textual Criticism) সপক্ষে ১৯৭৪ চনত ৰাজহুৱাকৈ তেওঁৰ মতামত ব্যক্ত কৰিছিল অসম সাহিত্য সভাৰ মণ্ডলদৈ সাহিত্য সভাৰ অধিবেশনত। এই বিষয়টি পিছত স্নাতকোত্তৰ শ্ৰেণীৰ পাঠৰূপে অন্তৰ্ভুক্ত কৰি ছাত্ৰ-ছাত্ৰীসকলৰ ভৱিষ্যত সাহিত্য আলোচনাৰ নীতিগত পদ্ধতিৰ সন্দৰ্ভত গুৰুত্ব দিছিল। ইয়াৰ বিষয়ে পিছত ডিব্ৰুগড় বিশ্ববিদ্যালয়তো ড° নেওগদেৱক বিশেষভাৱে আমন্ত্ৰিত কৰি "আমন্ত্ৰিত অধ্যাপক" ৰূপে এলানি বক্তৃতাৰ আয়োজন কৰিছিল। অৱশ্যে এই দিশৰ সমূহ বক্তৃতা সংলগ্ন কৰি "পাঠ সমীক্ষা" নাম দি গ্ৰন্থ স্বৰূপে প্ৰকাশ কৰিছিল। পাঠ সমীক্ষা (Textual Criticism) বিষয়টো ইউৰোপীয় সাহিত্যতো বিস্তৃত ভাৱেই আছে। ভাৰতত এই পদ্ধতি প্ৰয়োগ কৰিবলৈ বিচাৰোতে বহুতো অসুবিধাৰ মুখামুখি হ'ব লগা হৈছিল। ভাৰতবৰ্ষৰ ১৮৭৬ চনত প্ৰথম ভাণ্ডাৰকাৰে মহাকবি ভৱভূতিৰ "মালতী মাধৱ" পুথিখনত পাঠ সমীক্ষা পদ্ধতি প্ৰয়োগ কৰিছিল। অসমতো ভাণ্ডাৰকাৰৰ নিচিনাকৈ সংস্কৃত পণ্ডিত আনন্দৰাম বৰুৱাদেৱে মহাকবি ভৱভূতিৰ "মহাবীৰ চৰিত"খন এই পদ্ধতি প্ৰয়োগ কৰি সম্পাদন কৰি প্ৰকাশ কৰিছিল। পিছত পণ্ডিত প্ৰৱৰ কৃষ্ণকান্ত সন্দিকৈদেৱে "নৈষধ চৰিত", 'যশস্তিলক' আৰু 'সেতুবন্ধ'ৰ পাঠ সমীক্ষা পদ্ধতি গ্ৰহণ কৰি এই তিনিওখনি অমূল্য গ্ৰন্থ প্ৰকাশ কৰিছিল।

ড° নেওগদেৱ কটন কলেজত ইংৰাজী সন্মান বিষয়ৰ ছাত্ৰ হৈ থকাৰ পৰাই পাঠ সমীক্ষণ পদ্ধতিৰ প্ৰতি আকৃষ্ট হৈছিল বুলি তেখেতে নিজেও স্বীকাৰ কৰি গৈছে। ড° নেওগদেৱে এই পদ্ধতি সম্পৰ্কে সুসঙ্গবদ্ধ ভাৱে আয়ত্ব কৰিছিল ড° পি এন বৈদ্যৰ পৰা। তেখেতৰ "উষা-পৰিণয়", "কীৰ্ত্তন-ঘোষা নাম-ঘোষা" আদি গ্ৰন্থবিলাকত এই পদ্ধতি প্ৰয়োগ কৰিছিল।

ড° নেওগে বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ অসমীয়া সাহিত্যৰ বুৰঞ্জী প্ৰণয়ন কৰাৰ চেষ্টা চলাইছিল তেওঁৰ "অসমীয়া সাহিত্যৰ ৰূপৰেখা"ৰ মাজেদি। ইয়াৰ বাহিৰেও তেওঁৰ আধুনিক অসমীয়া সাহিত্য আদিত বিজ্ঞান সন্মত সমালোচনা গঢ় দিয়াৰ চেষ্টা চলোৱাটো আমাৰ চকুত পৰে। ড° নেওগদেৱ একেধাৰে কবি, চৰিতকাৰ, আত্মজীৱনী লিখক, সমালোচক, সাহিত্যৰ ইতিহাস ৰচোতা, পাঠ সমীক্ষক, সমালোচক, বিভিন্ন অনুষ্ঠানৰ গুৰি ধৰোঁতা বুলি নিসন্দেহে ক'ব পাৰি। তেওঁ অসম সাহিত্য সভাৰ সম্পাদকৰ নিচিনা গধুৰ দায়িত্ব বহন কৰাৰ বাদেও শঙ্কৰী সাহিত্য আৰু শঙ্কৰী নাটক অনুষ্ঠানৰ গুৰি ধৰোঁতা আছিল। এই জনা শিক্ষা-গুৰুৰ ছত্ৰ-ছায়াতে আমাৰ জীৱনো আলোকিত হৈছিল। ড° নেওগ চাৰ অসমীয়া সাহিত্য বুৰঞ্জীত চিৰ স্মৰণীয় হৈ থাকক —এই আশাৰে।

□□

# মহান বিজ্ঞানী ফাৰাডে

বেবী সোণোৱাল হাজৰিকা
স্নাতক প্ৰথম বাৰ্ষিক

মাইকেল ফাৰাডেৰ জন্ম হৈছিল এটি অতি দুখীয়া সাধাৰণ পৰিয়ালত। দেউতাকে কমাৰৰ কাম কৰি জীৱিকা নিৰ্বাহ কৰিছিল। কিন্তু এই পৰিয়ালটোৰ পৰাই এদিন ওলাল এজন অমৰ বিজ্ঞানী। পঢ়া-শুনাত সকলোৰে পৰাই মাইকেল ভোটা বুদ্ধিৰ ল'ৰা আছিল। বিদ্যালয়ত অধ্যয়ন কৰি থাকোতে 'ৰবার্ট' শব্দটো উচ্চাৰণ কৰিব নোৱাৰি বিদ্যালয় জীৱনেই ত্যাগ কৰিব লগা হ'ল। দিনটোৰ সৰহখিনি সময় মাৰ্বল গুটি খেলি, ভনীয়েকৰ লগত উমলি-জামলি আৰু বেলি মাৰ যোৱাৰ অপূৰ্ব শোভা চাই কিশোৰ ফাৰাডেই অতিবাহিত কৰিছিল।

প্ৰতি সোমবাৰে পুৱা মাইকেলক মাকে এটা ৰুটি দি দিয়ে। তেওঁ তাকে কাটি সাত ভাগ কৰে। সাত ভাগৰ প্ৰতিটো ভাগকে আকৌ দুভাগ কৰি পুৱা-গধূলি খায়। ফাৰাডেৰ তেৰ বছৰ বয়সত দেউতাকে এটা কামৰ যোগাৰ কৰি দিলে। কিতাপ দোকানী এজনৰ লগুৱা। এবছৰৰ মূৰত মাইকেলৰ চাকৰি লগুৱাৰ পৰা কিতাপ বন্ধা পৰ্য্যায়লৈ উন্নীত হ'ল। কিতাপ বন্ধা চাকৰি কৰি থাকোতেই তেওঁ কিতাপ পঢ়িবলৈও সুযোগ পাইছিল আৰু বহুতো বিজ্ঞানৰ কিতাপ অধ্যয়ন কৰি বিজ্ঞানৰ প্ৰতি আকৃষ্ট হৈছিল। এনে সময়তে মাইকেলে 'চেফটি লেম্প', বা 'নিৰাপদ চাকি'ৰ আবিষ্কাৰক চাৰ হামফ্ৰে ডেভিদৰ 'ৰয়েল ইন্সটিটিউট'ৰ পৰিচাৰকৰ কাম কৰিবলৈ সুবিধা পাইছিল। কিন্তু নিজৰ তীক্ষ্ণ বুদ্ধি আৰু সুক্ষ্ম বিশ্লেষণ দক্ষতাৰ পৰিচয় দিব পাৰি তেওঁ হামফ্ৰেৰ পৰিচাৰক হৈ নাথাকি সহযোগী আৰু সহকৰ্মী হৈ পৰিছিল।

সততা আৰু স্পষ্টবাদিতা আছিল ফাৰাডেৰ শিৰোভূষণ। সেইবাবে তেওঁ বহু

সমন্বিত অপ্ৰিয় সত্য প্ৰকাশ কৰি বহুজনৰ বিৰাগভাজন হ'ব লগা হৈছিল। হামফ্ৰেই দাবী কৰিছিল যে তেওঁ আৱিষ্কাৰ কৰা নিৰাপদ চাকি খনিৰ ভিতৰলৈ নিৰাপদে সুমুৱাই নিব পাৰি। কিন্তু ফাৰাডেই পৰীক্ষা কৰি দেখিলে যে এই চাকি সকলো সময়তে নিৰাপদ নহয়। গতিকে খনি আৰু খনি বনুৱাৰ নিৰাপত্তা তদন্তকাৰী বৃটিছ পাৰ্লামেণ্টৰ সমিতিৰ ওচৰত সেই মৰ্মে প্ৰতিবেদন দাখিল কৰিলে। ইয়াৰ বাবেই তেওঁৰ চাৰ হামফ্ৰেৰ লগত মনোমালিন্যৰ সূত্ৰপাত হ'ল। এনেদৰে নিৰ্ভীকভাৱে তেওঁ নিজৰ লক্ষ্যত আগবাঢ়িছিল।

নিজৰ অক্লান্ত বৈজ্ঞানিক গৱেষণা চলাই তেওঁ কেইবাটাও বিখ্যাত আৱিষ্কাৰ কৰিবলৈ সমৰ্থ হৈছিল। তাৰ ভিতৰত প্ৰধান আছিল 'বিদ্যুৎ আৰু পোহৰৰ মাজৰ সম্বন্ধটো'। ফাৰাডেৰ এই আৱিষ্কাৰে পিছৰ বহুতো বিজ্ঞানীক, যাইকৈ এডিচনক এই ক্ষেত্ৰত অনুপ্ৰাণিত কৰিছিল। এনেদৰে খোৱা-শোৱা এৰি প্ৰাণপণে গৱেষণাত লাগি থাকোতে লাহে-লাহে তেওঁৰ স্বাস্থ্যৰ অৱনতি ঘটিছিল। ১৮৩৭ চনত ফাৰাডেক 'ৰয়েল ইন্সটিটিউট'ৰ অধ্যক্ষৰ পদ যচা হৈছিল। কিন্তু তেওঁ সেই পদ গ্ৰহণ নকৰিলে। তথাপি জীৱনৰ অন্তিম মুহূৰ্ত্তটোলৈকে তেওঁ 'ৰয়েল ইন্সটিটিউট'ৰ লগত জড়িত আছিল। ১৮৬৭ চনত এইজনা মহান বিজ্ঞানীৰ দেহাৱসান ঘটে॥

আজি প্ৰত্যেক অসমীয়াই সংকল্প লোৱা উচিত— আনক কৃৰিবলৈ নিদিওঁ। অসমীয়া সংস্কৃতিক লুপ্ত হবলৈ নিদিওঁ; আমাৰ বুকুত বিচিত্ৰতাৰ মাজত ঐক্যৰ ডোলেৰে গাঠি দুনাই শক্তিশালী অসমীয়া জাতি গঢ়ি সমন্বিত শক্তিৰে সুন্দৰতম ন অসমীয়া সংস্কৃতি ৰাচোঁ।

—বিষ্ণুৰাভা

কবিতা

# কবিতাৰে

তৃষ্ণা বৰগোহাঁই
স্নাতক ২য় বৰ্ষ

মোৰ চেতনাৰ সত্বাত
কিহৰ জানো অশৰীৰী ছাঁ
বিধ্বস্ত জোনাকৰ দৰে হালধীয়া শেঁতা
বিশ্বাস কৰা
আন কাৰোবে প্ৰেমত মই আবদ্ধ নহয়
ধাৰকৰা বাসনাৰ বিলাসিতাত মোৰ
ঘৰৰ সপোন
মোৰ ঘৰ
মোৰ দেশ
মোৰ সত্বাৰ স্বাধীনতা

ভৱিৰ তলত আলকতৰা গলি যোৱা পথ
তুমি, মই, ঘূৰি ফুৰোঁ
অশৰীৰী সপোনৰ পিছে পিছে
জীৱনৰ মায়া
আছে.........
সপোনৰ দাম
আছে.........
তুমি জানা
যেনেকৈ মই জানোঁ......

সপোন কেতিয়াও অবৈধ নহয়
জেওা লগা তাঁতৰ দৰে
সপোনতো জঁট লাগে
চিগাসূতা জোৰোৱাদি
জোৰা দিওঁ
তুমিও জানা
মইয়ো জানোঁ
বিজ্ঞাপনৰ ৰঙেৰে নিয়ন্ত্ৰিত আমাৰ দৈনিক বাসনা
তথাপিও, তথাপিও।

মই এতিয়াও চেষ্টা কৰোঁ
পাৰো যদি কেতিয়াবা প্ৰমাণ কৰিব
ঈশ্বৰৰ শূন্যতাৰ কথা।
মোৰ চেতনাৰ সত্বাত
কিহৰ জানো ছাঁ সেয়া
বিধ্বস্ত জোনাকৰ দৰে
হালধীয়া শেঁতা। □

# তাৰ সপোন ঃ এইমাত্র বৰফ গলিব

—প্ৰণতি চেতিয়া
স্নাতক ২য় বৰ্ষ

সীমাহীন আকাশৰ
গভীৰ নীলাত
তেতিয়াও উৰি ফুৰা বিন্দু বিন্দু জলকণাবোৰে
তাকেই উপহাস কৰে
সেয়ে সি·····
দিন··
প্ৰতি ক্ষণ,
প্ৰতি ৰাতি······
আকাশৰ শূন্যতালৈ আৰু
হিমালয়ৰ বৰফৰ টুকুৰাবোৰলৈ
চাই ৰয় উদাসীন ভাবে
ভাৱে···
এইমাত্র বৰফ গলিব
বৰফ গলি পানী হ'ব
আঃ কি মধুৰ !
ক্লান্তিত তাৰ দুচকু মুদ খাই যায়
এনেকৈয়ে তাৰ দিনবোৰ যায়
আৰু বুকুত শত আশাৰে
সি প্ৰতীক্ষা কৰে সেই মুহূৰ্তলৈ
যেন এইমাত্র বৰফ গলিব,
এইমাত্র········· ।

# বেদনাদগ্ধ সত্বাৰ মিনতি

—ৰবী বৰা
উচ্চতৰ মাধ্যমিক ২য় বৰ্ষ

মোৰ বুকুৰ গধূৰ নিশ্বাসে
উত্তপ্ত হৈ উঠা
ধুসৰ আবেলিবোৰত
নিজকে হেৰুওৱায়
নিসংগতাৰ বেদনাত

মানসিক সত্বা··· যেন···
বিলীন হৈ যাব খোজে
পশ্চিমত অস্তমিত
সূৰ্য্যৰ লগে লগে
সিপাৰৰ বাঁহনিডৰা,
অনুৰোধ·· ··
তোমাৰ ওচৰত
জীয়াই থাকিবলৈ দিয়া মোক
মোৰ কাহানিবাই মৃত্যু হোৱা
ভিতৰৰ মানুহজনীক লৈ·····

# এটি কবিতা

— অনিমা গোস্বামী
স্নাতক ৩য় বর্ষ

অদূৰত মন্দিৰৰ ঘণ্টাধ্বনি
শুনো ৰিণি ৰিণি
সেয়াই যেন কাৰোবাৰ হৃদয়ৰ বাবে
শিল ভঙা হাতুৰীৰ শব্দহে
কাৰোবাৰ বাবে মন উচুপণি ৷
বাহিৰত ঘিটমিটিয়া আন্ধাৰ
জয়াল ৰাতিও দেখোঁ
এজাক মানুহ
হাতে হাতে নানা ধঁৰা বৰ্জিত
একোপাত অস্ত্ৰ
স্খলিত নৈতিকতাক সাৱটি ধৰা
নবজাতকৰ করুণ ক্ৰন্দন চাই
উলাহত মত্ত হোৱা
এজাক মানুহ ৷
অদূৰত মন্দিৰত ঘণ্টা ধ্বনি
ভাঁহি আহে পুনঃপুনঃ শান্তিৰ সুৰ ;
তথাপিও দূৰৰ সেউজ পাহাৰৰ নামনিত
ভোকত কলমটিয়াই মুখত হাত দি থকা
এজাক শিশু ;
অনাগত দিনৰ……… ৷৷



# প্ৰতিধ্বনি

—মৰ্জিনা বেগম
একাদশ শ্ৰেণী



এখন যেন অশুচি দেশ
এটা নিৰিবিলি পৰিবেশ………
য'ত আহি আসুৰিক শক্তিয়ে
থিতাপি লৈছে
য'ত উজাৰ খাইছে বসন্ত
অথচ এতিয়া………
কুৰু কুৰু মাত শুনি
কোনোবাই যদি বতৰা দিয়ে
শান্তিৰ কপৌ উৰাৰ
সেইয়া হ'ব এতিয়া
মিছা ঠগ প্ৰবঞ্চনা
কিম্বা এক প্ৰহসন ;
পৰিতুষ্টৰ কথাই নাই ৷
আচলতে সেইয়া—
কপৌৰ কুৰু কুৰু শব্দ নহয়
সেইয়া ফেঁচাৰ
নিউ নিউ উৰুলিৰ
সৰ্ব্বনশীয়া প্ৰতিধ্বনিহে ৷৷

# নতুন প্ৰজন্ম

পাৰুল গগৈ
স্নাতক ২য় বৰ্ষ

ব্যাথা আৰু বেদনাত,
নীৰবে চকুলো টোকা ক্ৰন্দসী মোৰ আই ।
যি আইৰ বুকুৰ অমৃতেৰে
আজি মই উদীয়মান ।
স্বাৰ্থান্ধ দানবৰ পদধ্বনিত,
কম্পমান আজি মোৰ আই ।
যি আইয়ে নিজৰ সন্তানৰ মঙ্গলাৰ্থে
বুকু পাতি লৈছে বাৰুদৰ মৰ্মদাহী আঘাট
মোৰ আইৰ দুখ দেখি
পূৰ্ণিমাৰ জোনটোৰেও বেজাৰত
লুকাবলৈ নীলিম আকাশৰ মাজত
বিচাৰি ফুৰে এচপৰা কলীয়া ডাৱৰ ।
আৰু চকুপানীবোৰ বাগৰি আহে
বৰষুণৰ আকাৰত,
আজি আৰু সেইদিন নাই ।
সিদিনা জাতিভেদৰ প্ৰাচীৰ ভাঙি
একতাৰ ডোলেৰে বান্ধ খাই আছিল
আইৰ সন্তান ।
সকলো লিপ্ত আজি ভাতৃঘাতী আন্দোলনত
কুটুমৰ তেজেৰে কঁৰাল মাৰিছে মজিয়া,
সময়ে নিজৰ বুকুত খোদিত কৰিছে,
উৰহৰ খণ্ডত চাৰি ফলাৰ দুঃসংবাদ

সেয়ে,
এতিয়া আৰু মোক কবলৈ নাহিবা
তোমাৰ হৃদয়ৰ ভালপোৱাৰ কথা
অতীত স্বপ্নালী সুষমাৰে ভৰি থাকিলেও
সেই অতীতক পাহৰি যোৱা
তোমাৰ কলিজাৰ কেঁজা তেজ
নতুবা—
তোমাৰ হৃদয়ৰ ভালপোৱাৰ
আজি কোনো অৰ্থ নাই, মূল্য নাই ।
নালাগে মোক তোমাৰ প্ৰতিশ্ৰুতি
যোৱা, তোমাৰ হৃদয়তে থোৱাগৈ সাঁচি
শেষ হৈ যাওক তোমাৰ প্ৰেম সুৰযৰ
ৰাশি ৰাশি বেদনা
অপেক্ষা আজি মোৰ এক প্ৰেম প্ৰজন্মৰ ।। □



# শিৱসাগৰ ছোৱালী মহাবিদ্যালয়

—দিতিমণি দাস
স্নাতক ২য় বৰ্ষ

১৯৬৪ চনত প্ৰতিষ্ঠা লাভ কৰা
মইয়ে সেই
ঐতিহাসিক দৌল দেৱালেৰে
সুৰক্ষিতা, শিৱসাগৰৰ
"শিৱসাগৰ ছোৱালী মহাবিদ্যালয় ।।"
সীমাহীন আশা লৈ
কল্পিত কল্পনাৰ মদিৰা ভৰাই ;
অযুত আঁখিৰ উজ্জ্বল হাঁহিৰে
সিহঁত আহি
উজ্জ্বলাই তোলে মোৰ প্ৰাণ ।।
আৰু এদিন
ওলাই গৈ মোৰ বুকুৰ পৰা
প্ৰতিষ্ঠিত হয় সমাজত
এগৰাকী "নাৰী"—
আদৰ্শবান প্ৰতিভাময়ী ।।
মইয়ে তেওঁলোকৰ
শুভ কামনাৰ আন্ধাৰৰ প্ৰদীপ ;
মঙ্গল আলোকেৰে আলোক সম্ভৱা
স্বয়ংপূৰ্ণ অনিৰ্বান প্ৰাণ ।।
গঢ়িব লাগিব সমাজত
'জ্যোতিময়ী সহযাত্ৰী দল'
তাৰ বাবেই যেন মই জীয়াই থাকিম
আৰু
থাকিব লাগিব জীয়াই
বহুদিন
বহুকাল········ ।।

# ডাৱৰ

—নাজিফা ৰহমান
স্নাতক ২য় বৰ্ষ

ঘোৰ অমাৱস্যাৰ ৰাতি
নিৰ্জন হাবিত
এক নাৰীৰ ক্ৰন্দন
চৌ-দিশে বিভীষিকা
কাৰো চকুত টোপনি নাই
এটি নৱজাতক
শিশুৰো নিস্তাৰ নাই।
আস্ফালন কৰিছে
সিহঁতে মাটিত বাগৰি
অন্ন বস্ত্ৰৰ একো সঁহাৰি নাই।
অকূল নিৰাশা আৰু হতাশা
কি আছিল, কি হ'ল
সকলো হেৰাই গ'ল,
এচমকা ডাৱৰে
ধাৰাসাৰে ধৰিত্ৰীৰ বুকু
তেজেৰে প্লাৱিত কৰিলে।



# গীত

অধ্যাপিকা, কুসুম ফুকন

(১)

তুমি দিঠকৰ লগৰী নহ'লা
সপোনতে আহি মাথো দিলাহি দেখা
সপোন মায়াৰে হৰি নিলা মন
নুবুজিলা তুমি মোৰ প্ৰাণৰে বেথা ।

আশা ভৰা কথাৰে হৃদয় ভৰালা
সিক্ত হৃদয় আকুল কৰিলা
পোৱাৰ পৰতহে নেপালোঁ বিচাৰি
নেজানো কেনিনো গ'লাগৈ আঁতৰি ।
তুমি দিঠকত নহ'লা লগৰী

সপোনৰ কথাবোৰ দিঠকত নফলে
জানিছিলোঁময়ো সেই কথা—
হয়তো সেয়েহে মিলনৰ মালাধাৰ
দিঠকত নহলে গঁঠা
তুমি দিঠকৰ লগৰী নহলা

ভবাতো নাছিলো দিঠকত আঁতৰি
সপোনতে আহি হ'বাহি লগৰী
জনা হলেতো সপোন সাৰটি
কটালোহেঁতেন ওৰেটো ৰাতি ।
তুমি দিঠকৰ নহ'লা লগৰী । □



(২)

হে শিল্পী মহান
তোমাৰ জ্যোতিৰে জ্যোতিষ্মান
গোৱা তুমি আলোকৰে গান
তোমাৰ জ্যোতিৰ শিখা অনিৰ্ব্বাণ
তোমাৰ জ্ঞানৰ শিখা অনিৰ্ব্বাণ
তোমাৰ সৃষ্টি মহান ।

হে শিল্পী মহান
তোমাৰ সৃষ্টি প্ৰেৰণাৰ প্ৰাণ
কৃষ্টিৰ ৰহণীয়া সৃষ্টিৰে
জীৱন কৰিলা জাতিস্কাৰ
তুমি গোৱা আলোকৰে গান
তাৰেই আমি হওঁ আগুৱান ।

নিপীড়িত জনৰ দুখত কান্দিলা
বেদনাৰ চকুলো মচিলা
পোৱাৰ আনন্দৰ সৃষ্টিৰে তুমি
সুৰৰ শৰাই সজালা ।
তোমাৰ জ্ঞানৰ শিখা অনিৰ্ব্বাণ

তুমি যেন প্ৰেৰণাৰ উৎস
সেয়া তোমাৰ সৃষ্টিৰে মহত্ত্ব
তোমাৰ গীতেৰে সজালা শৰাই -
জীৱনৰ ৰঙাজবা দিলা উপচাই ।
তোমাৰ সৃষ্টি মহান
তোমাৰ প্ৰেৰণাৰে হওঁ আগুৱান ।।

● ● ●

# গীত

—নন্দিতা গগৈ
স্নাতক ২য় বর্ষ

(১)

কাৰ বাবে কৰিছ এই পূজাৰ আয়োজন
কোন আহিব জনাবলৈ তোক সম্ভাষণ ।।
পূজাৰ ধূপ-দীপ জ্বলি নুঠোঁতেই
ফুলবোৰ মৰহি গ'ল,
অতি চেনেহৰ আপোনজনো
দূৰতে থমকি ৰ'ল ।।

যোড়শোপচাৰৰ পূজাৰ জানো প্ৰয়োজন
কোন আহিব জনাবলৈ তোক সম্ভাষণ ।।
গঙ্গাৰ জ্বলেৰে স্নান কৰি তই
শুভ্ৰ বসনে সাজি,
কাৰ বাবে বৈ আছহি
কোনোচোন নাহিল আজি ।।
জীৱনৰ সকলো উজাৰি দিয়াৰ জানো প্ৰয়োজন
কোন আহিব জনাবলৈ তোক সম্ভাষণ ।।

* *

(২)

আমি পূজাৰী, জ্ঞানৰ পূজাৰী
লাগে লাগে আমাক জ্ঞান,
লক্ষ্য আমাৰ অৰ্নিবান
আগুৱাওঁ জ্ঞানৰ মন্ত্ৰ ফুকাৰি

সূৰুযে আমাক পোহৰ দিব
তমসাত জোনায়ে বাট দেখুৱাব
জ্ঞানৰ জ্যোতি আমি জগতক বিলাওঁ ।।

নালাগে নালাগে আমাক অজ্ঞানতা
যাওক আঁতৰি ধৰাৰ পংকিলতা
জ্ঞানৰ জ্যোতিৰে জগত পোহৰাওঁ ।।

পোহৰ বিচাৰোঁ আমি জ্ঞানৰ পোহৰ
আঁতৰি যাওক কুঁৱলি ধূসৰ
জ্ঞানৰ জ্যোতি আমি জগতক বিলাওঁ ।।





# ৰংপুৰীয়া গাভৰু

চৈয়দা মুহ্‌লেহা ৰহমান
স্নাতক ২য় বৰ্ষ

ৰংপুৰীয়া গাভৰু আমি ।
দিখৌ পৰীয়া ।।
জয়মতী লাচিতৰ দেশ ।
বীৰঙ্গনা বুলিলেই নহব ।।
বাপুজীৰ বাণীৰে ।
অহিংসা নীতিৰে ।।
দৃঢ় প্ৰতিশ্ৰুতি লৈ
সন্মুখ সমৰত জপিয়াই পৰিব লাগিব ।।
নহলে মাতৃভূমি যায়, যায়
সংস্কৃতিও হেৰায় ।।
হেৰৌ দেখিছনে নাই ?
ৰৰঘৰতহে শতৰুৰ জিৰণীৰ ঠাই
চিন্তাৰ সময় নাই
জিৰণীৰ সময় নাই ।
হিংসাৰ পথ ত্যাগ কৰি
অহিংসা পথেৰে শতৰুক বাজ কৰো গতিয়াই ।।
একতাৰ বান্ধ ছিঙিব খোজা,
জাতি-ভেদৰ বিহগুটি সিঁচিব খোজা
জাতিদ্ৰোহী বদনক হত্যা কৰি
অহিংসাৰে তোৰ তৰোৱালৰ মামৰ গুচাই ল'বি ।
অ, ৰংপুৰীয়া, অ, ৰংপুৰীয়া মনত ৰাখিবি তই
"জননী জন্মভূমিচ স্বৰ্গদপি গৰিয়সী" ।।

# অসমৰ যান্ত্ৰনা

—ডালিমী মিলি
স্নাতক ২য় বৰ্ষ

অসমৰ অসমীয়া জাতিৰ কেতিয়া হ'ব উন্নতি ?
সংগ্ৰামেই নেকি অসমৰ চিৰদিনৰ পদোন্নতি ;
অসমেই এখন সংগ্ৰামৰ থলি,
অসমীয়াই হ'ব ইয়াৰ বলি ।
শ্ৰীশংকৰ গুৰুৱে পাতিছিল থান,
আজিৰ অসমীয়াই তাক কৰে থান-বান ।
অসমৰ একতা ছিগো ছিগো হ'ল,
আজিৰ অসমীয়া ৰসাতলে গ'ল ।
শিক্ষিত অসমীয়া বৰ্ব্বৰ হ'ল,
শংকৰৰ বাণী আজি নীৰৱে ৰ'ল ।
অহিংসা বাণী আজি লুপ্ত হ'ল ;
হিংসা আৰু বিদ্বেষে অসম আৱৰি ৰ'ল ।
অসমৰ বনজ সম্পদ আজি হ'ল লুপ্তপ্ৰায়,
অসমীয়াই আজি নিজকে কৰিছে চিকাৰ ।
আমি অসমৰ যান্ত্ৰনাক আৰোগ্য কৰিম—
গান্ধীজীৰ ৰাম ৰাজ্য আমিয়ে পাতিম । □



অতিথি কবিৰ মঞ্চ

# বুদ্ধগয়াৰ মানুহজন

—ঈশান দত্ত

( বীৰেন বৰকটকী সমীপেষু )



গাৰ্ঁৰ ল'ৰাটোৰ হাঁহিটোত
এটা বেলি অকাঁ আছিল
আম-জাম-বকুলৰ তল
পোহৰোৱা, —এটা আপেলৰ দৰে
ল'ৰা ।

তাৰ কাম আছিল কিন্তু,
অনেক পৃথিৱী ঘূৰি
পৃথিৱীত ৰং সনাৰ কাম ।

কৈশোৰতে গ'ল সি
চতুৰ্থ ৰাষ্ট্ৰলৈ,
তাত তাৰ
এতিয়াও এটা চহী আছে, আৰু আছে
তাৰ সন্তাৰ এটা ক্ল'ন ।

তাৰ পিচত সি জেলত সোমাইছিল
জেলবোৰ সৰু আৰু মানুহবোৰ ডাঙৰ
কৰি, মুকলি কৰিবলৈ । সহজ উশাহৰ
বাবে ।

কজা হ'ব পৰা ল'ৰাটো কিন্তু
ডাঙৰ হৈ কবি হৈ গ'ল ।
কবিতা গল্পও হ'ব পাৰে ; নাটক, উপন্যাসো ;
ক্রিটিচিজম,...... নাই কবি ।
তথাপি কবিৰ নাম কবি, শত চেতনাৰ ৰবি ।
কবি মাত্ৰেই শিক্ষক ।
কবি হৈ ল'ৰাটোৱে লিখি গ'ল কবিতা
তোমাৰ মোৰ হেজাৰৰ হৃদয় পটত
আপেল ল'ৰাটো এতিয়া পকা-থেকেৰা হ'ল
তেনেকৈয়ে থাকক সি অগুনতি বছৰ । ● ●



অধ্যাপক আব্দুল হামিদৰ

কবিতা

## বিপৰ্য্যয়

মই "মোৰ বাবে" জীয়াই থাকিব খোজোঁ
দিনবোৰত
সিহঁতে মোৰ চকুৰ
টোপনি কাঢ়ি নিলে ।
মই 'আমাৰ' বাবে
জীয়াই থকাৰ সংকল্প ল'লোঁ
সিহঁতে চোন মোৰ
জীৱটোকে নিবলৈ আহিছে । ✲ ✲

## নিৰ্বান্ধৱ

সেতুহীন সমুদ্ৰত
মই এটি অসহায় পতঙ্গ
বিশাল জলৰাশিৰ বিপৰীতে
মোৰ আজীৱন, অবিৰত সংগ্ৰাম ।
মৃত্যু মোৰ নিশ্চিত
কিন্তু অৱস্থিতি যে
মোৰ এটি অনন্য প্ৰয়োজন । □

## প্ৰাপ্তি

—পূৰবী নাথ
স্নাতক ২য় বৰ্ষ

এই কেইদিনমানৰে পৰা
এটা কবিতা লিখাৰ তাগিদাত ভুগিছোঁ
ভাবিছোঁ কবিতাৰ উত্তৰ কবিতাৰে দিব পাৰিলেই ভাল
মোৰ পোহনীয়া চৰাইহাল
অবাধ্য হ'ল জানা
মন গ'লেই উৰি ফুৰে
বুকুৰ পৰা বুকুলৈ
মোৰ বুকুৰ ভিতৰত যে অসুখ ;
অ' আজিও কবিতা লিখা নহ'ল
কবিতাৰ উত্তৰ কবিতাৰে দিব পাৰিলে ভাল । ✲

অধ্যাপিকা প্ৰফুল্লি দুৱৰাৰ

## ॥ দুটি স্তৱক ॥

( ১ )

মোৰ আকাশ
বুকুৰ পৰা বুকলৈ
মোৰ সপোন
হৃদয়ৰ পৰা হৃদয়লৈ
মোৰ আবৰ্তন
দেশৰ পৰা দেশান্তৰলৈ
মোৰ ভ্ৰমণ
বিশ্বৰ শিপাৰ পৰা শিপালৈ ।

( ২ )

আবেগৰ উন্মুক্ত কোঠাত
ফুলি থকা মোৰ সতীৰ্থসকল
মোৰ যাত্ৰাৰ বিশাল কণ্টকিত
কিজানিবা মই হেৰায় যাওঁ
তুমি জানো জানা বন্ধু ।
মোৰ দুখৰ আপেক্ষিক ঘনত্ব কিমান ?
নাজানিবা বন্ধু
হেৰালে এদিন
ফুল হৈ ফুলি ৰ'ম
দেশৰ মাটিত □

## ৰঙা ৰিহাৰ আঁচলৰ দহি

প্ৰতিভা ফুকন
স্নাতক ২য় বাৰ্ষিক

হঠাৎ কিয় গ'লা ?
বৈ গ'ল তোমাৰ
ৰঙা ৰিহাৰ আঁচলৰ দহি
মোৰ হৃদয়ত কিহৰ দাবানল ?
জানা মৰীচিকা খেদি খেদি
ভাগৰি পৰিছোঁ
তোমাৰ সেই যে
ৰঙা ৰিহাৰ আঁচলৰ দহি
মোৰ পেৰাত এতিয়াও
সযতনে ৰাখিছোঁ
প্ৰান্তত সিয়েই মোৰ স্মৃতি,
সেই যে তোমাৰ ৰঙা ৰিহাৰ
আঁচলৰ দহি ॥ □





# তৃষ্ণাতুৰ হৃদয়

মূল ঃ ৺ঊষাদেৱী মিত্ৰ
অনুবাদ ঃ শ্ৰীদীপালি দুৱৰা ফুকন
স্নাতক ২য় বৰ্ষ

ঠিক বাৰমান বাজিছিল। ধৰিত্ৰীৰ আঁৰ কাপোৰ আঁতৰাই সপোন কুঁৱৰীয়ে বিজয়িনীৰ দৰে ভুমুকি মাৰিছিল। তেওঁৰ নুপুৰৰ বিষাদ গীতিত গোটেই জগত মুৰ্চিত হৈ পৰিছিল।

কেশৱ উকীলৰ সেই বৃহৎ বাংলাটোৰ সকলো কোঠাই আন্ধাৰত ডুব গৈ আছিল মাত্ৰ সহানাৰ কোঠাটো তেতিয়াও বিজুলী চাকিৰ পোহৰত আলোকিত হৈ আছিল। মখমল কাপোৰৰ কুচন এটাত বহি লৈ সহানাই কুকুৰৰ অকণমানি পোৱালী এটাৰ লগত খেলি আছিল। পালেঙত পাৰি থোৱা ৰেচমৰ চক্‌-চকীয়া বিচনা চাদৰ ভাজ নথকাকৈ পাৰিথোৱা আছিল। ফুলৰ ভেচটোৰ ফুলবোৰৰ মিঠা সুগন্ধই গোটেই কোঠাটো সুবাসিত কৰি পেলাইছিল। গোলাপজল মিশ্ৰিত তামোল-পাণৰ ঠুৰিয়াবোৰ বটাখনত অনাদৃত ভাৱে পৰি আছিল। বেৰত আঁৰি থোৱা অইল পেইণ্টিং খনৰ তলভাগ বিজুলী চাকিৰ পোহৰত নিস্তেজ

ৰঙৰ হৈ পৰিছিল। নিদ্ৰাই তেওঁৰ দুচকু অলস কৰি পেলাইছিল; তথাপি তেওঁৰ চকুত লেখ মাত্ৰও টোপনিৰ চিন নাছিল। তেওঁ সেই পোৱালীটোক শুৱাই আছিল। বৰ মৰমেৰে। কেতিয়াবা মৰমতে তাক হাৰাশাস্তি কৰিছিল আৰু কেতিয়াবা অতি মৰমেৰে বুকুত হেচাঁ মাৰি ধৰি বাৰে বাৰে চুমা খাইছিল। আনকি স্বামীৰ উপস্থিতিৰ কথা তেওঁ সম্পূৰ্ণ পাহৰি আছিল, যিজনে অলপ আতঁৰত আৰামী চকীত বহি নাৰী হৃদয়ত থকা মাতৃত্বৰ তৃষ্ণা, মাতৃৰ বুভুক্ষা অপলক নেত্ৰেৰে নিৰীক্ষণ কৰি আছিল। তেওঁৰ চাৱনি বিস্ময় বিমুগ্ধ। মোকৰ্দমাৰ কাগজ-পত্ৰবোৰ চাৰিওফালে সিঁচৰিত হৈ পৰিছিল। সেইবোৰলৈ তেওঁৰ মনৰ স্থিতি সেই সময়ত নাই।

আজিয়েই হঠাৎ, নহয় আজি কেইবা-দিনৰ পৰা কেশৱে নিজৰ ভুল ধৰিব পাৰিছে। এক অচিন বিষাদে, এটা আচৰিত স্বভাৱে তেওঁক অসহায় কৰি তুলিছিল। হাজাৰ চেষ্টা কৰিও তেওঁ সিদ্ধান্তলৈ আহিব পৰা নাই. সেই বেদনা, সেই অভাৱ কিহৰ বাবে? কিয়? সেইটো অদৃশ্য ভাৱেই হৈছে।

পত্নীৰ গভীৰ নিশ্বাস কুকুৰটোৰ প্ৰতি তেওঁৰ মুগ্ধকৰ দৃষ্টিয়ে কেশৱৰ অন্তৰৰ কোনো এক গোপন স্থানত ক্ষত সৃষ্টি কৰিলে। যুতি ফুলৰ কলি চকুৰ পচাৰত যেনেকৈ মুকুতাৰ দৰে জিলিকি সৰি পচি সিঁচৰিত হৈ পৰে ঠিক তেনেকৈ বিগত দিনৰ ৰঙীন কল্পনাবোৰ চকুৰ নিমিষতে চলচিত্ৰৰ দৰে শেষ হৈ গ'ল। সেই বিগত দিনত এজনী নাৰীয়ে ৰূপ, ৰস, গন্ধ লৈ, সুগঠিত যৌৱনৰ মদিৰা ভৰা পাত্ৰ লৈ, তেওঁৰ চৰণামৃত লৈ ক'ত নিশা পাৰ কৰিছিল! স্বামীৰ সন্তুষ্টিৰ কাৰণে যাৰ চকু দেহ, মনে সুখ বৰষিছিল সেই ব্যৰ্থ নাৰী গৰাকী এই গৰাকী। বহিৰ্জগতৰ তীব্ৰ আকৰ্ষণ আৰু হেজাৰ ব্যস্ততাকো নেওচা দি যি আজি এপাহ বাহি ফুলৰ নিচিনাকৈ বৰ্জিত হৈছে। এইয়া আন কোনো নহয়। এইগৰাকী নাৰী যি আজি বিলাসিতাপূৰ্ণ জীৱনতো তপস্বিনী গৌৰীৰ দৰে জাগ্ৰত অৱস্থাত বিনিদ্ৰ ৰজনী পাৰ কৰিব লাগিছে। আৰু কুকুৰ মেকুৰীৰ পোৱালীলৈ মাতৃ তৃষ্ণা— কেশৱে সশব্দে হাঁহি উঠিল। নিজকে নিজেই ধিক্কাৰ দিলে— এইবোৰ তেওঁ কি ভাবি আছিল? এনেকুৱা চিন্তা তেওঁৰ মনত কিয় উদয় হৈছে আশ্চৰ্য্যজনক। সেই হাঁহিত সহানা চক্ খাই উঠিল। "এতিয়া শুৱনে? লাইট নুমুৱাও?"

"নাই, কাগজ চাব লাগিব এতিয়া।"

"কি হ'ল, দিনৰাতি কামকে কৰি থাকিব নেকি? দুই বাজিবৰ হ'ল।"

"ক'তা ইমান সময়তো তোমাৰ খেলা চাই থাকোতেই গ'ল। বুঢ়ী বয়সত কুকুৰ পোৱালী লৈ খেলিবলৈ লাজ নেলাগেনে? মানুহে কি বুলিব?"

সহানাই সংকোচিত ভাৱে চালে। "তাৰ মাক মৰিল, পোৱালীটোৱে দিনে ৰাতিয়ে কান্দি থাকে।" চকুপানী লুকুৱাবলৈ তেওঁ মুখ ঘূৰালে।...

"এদিন সকলো মৰিব। যদি কুকুৰ মেকুৰীৰ লগতে চকুপানীবোৰ শেষ কৰি পেলোৱা,

মোৰ কাৰণে কি বাকী থাকিব ?" "তুমি আক' সেই কথাটো কৈছা ?" অভিমানেৰে মুখ ঘূৰাই তেওঁ কলে । বহুত দিনৰ পিছত স্বামীৰ মুখত সেই পাহৰি থকা ঠাট্টা শুনি তেওঁ বিস্মৃত হৈ পৰিল । অতীত জীৱনৰ কেইটা দিন । এটোপাল পানী, জোনাকী পৰুৱাৰ তিৰবিৰণি, ফুলৰ পাহিৰ নিচিনা সৰু, বহুত তাকৰ সেই দিন...কিন্তু সেই ছুটী দিন বোৰৰ প্ৰেমস্মৃতি সহানাৰ ওচৰত কিমান অমৰ আৰু অবিনাশী ।

"বহুত দিনৰ মূৰত" লাহেকৈ সহানাই ক'লে । "মই এই কথাবোৰ পাহৰি যোৱা নাই, সহানা । কিন্তু কেতিয়াবা আচৰিত হওঁ, ভাবো, যি অন্তৰত সদায় দিন ৰাতি মৰম স্নেহেৰে ভৰি আছিল আজি চেষ্টা কৰিলেও কিয় নভৰে ? সম্ভৱতঃ মোৰ যৌৱন শেষ হৈছে ।" কেশৱৰ মাত বিষাদেৰে পূৰ্ণ । সহানাই হাঁহিলে, সেই হাঁহি নিৰ্মল ।

( ২ )

"মোৰ গোসাঁইঘৰত আজিৰ পৰা নোসোমাবা বোৱাৰী ।" সহানাক শাহুৱেক নৰ্মদাই ক'লে । ফুল চিঙি থকাতে তেওঁ বৈ গ'ল ।

"কিয় মা ?"

"ৰাতিপুৱা হলকুক, গাখীৰ খুউৱা নাছিলা জানো?"

"সি কান্দি আছিল ।"

"ঘোঁৰা চহিচৰ পুতেক মৰিলে বা কান্দিলে মোৰ কি আহে যায় ? ডাঙৰ মানুহৰ ঘৰলৈ আহিছা, জাত পাত বিচাৰ কৰি চলিবা । ক'ত সি নীচজাতি আৰু আমি ব্ৰাহ্মণ । কুকুৰ মেকুৰী লৈয়ে দিন ৰাতি ব্যস্ত । মোৰ হেজাৰ মানা সত্বেও নমনা হৈছা । দিনে দিনে তুমি বেছি বাঢ়িছা ; এনেকুৱা অনাচাৰ মই সহ্য নকৰোঁ ।"

উত্তৰ কাটিবলৈ সহানাৰ মুখত শব্দই লানি পাতিলে । তথাপি সৰুকৈ উত্তৰ দিলে, "সি ছমহীয়া অবুজ বালক । মৰিবৰ সময়ত দুখীয়াই মোক সেই কেচুঁৱাটো গতাই গৈছে ।"

"আজি জৈচবাৰা, কাইলৈ মেতৰৰ ল'ৰা আনি ঘৰত সোমোৱাবাহি । মই থাকোঁতে এইখন ঘৰত তুমি কোন ? মোৰ অমতত ইয়াত কোনো বিৰোধী কাম নচলিব । তাক এতিয়াই পঠাই দিয়া ।" বুঢ়ী জঁকি উঠিল ।

'নাই ।'

"কি ক'লা ?"

"নোৱাৰোঁ ।"

নৰ্মদাৰ চিঞৰ বাখৰ শুনি কেশৱ ভিতৰৰ পৰা ওলাই আহিল ।

"কি হৈছে ?"

"বোপাই, মোক কাশীলৈ পঠাই দে ।"

"কিয় মা ?"

"কিয়নো, মই ইয়াত চাকৰণীৰ দৰে থাকিব নোৱাৰিম । তোক সুধিছো বাৰু, এইখন ঘৰত কোন মালিকনী, মই নে বোৱাৰী ?" কেশৱে মনে মনে থকা দেখি মাক জ্বলি পকি উঠিল'—"ক, মই তোৰ মুখৰ পৰা শুনিব খুজিছো ।" তেওঁ পুনৰ সুধিলে ।

"তুমি থাকোতে আক' কোন মালিকনী হ'ব ?

কিন্তু তুমিয়ে বোৱাৰী আনি অধিকাৰ দিছা।"
ৰ্কেশ্বৰৰ কথাষাৰ সম্পূৰ্ণ শুনিবলৈ নৰ্মদাৰ ধৈৰ্য্য নহ'ল। নৰ্মদাই কলে—
"তোৰ দিনত কি মই মুচীৰ লগতো একেলগে বহি খাব লাগিব নেকি?"
"এনেকুৱা কৰিবলৈ তোমাক কোনে কৈছে?"
"তোৰ ঘৈণীয়েৰে। ৰাতিপুৱাই দুখীয়াৰ পুতেক-টোক লৈ আনি কৈছে কি মই ইয়াক ৰাখিম।"
"হয়নে? কথাটো সঁচা নেকি?"
"হয়। তাৰ মাকে মোক গতাই থৈ গৈছে।"
"কিন্তু সেইটো জৈচ্ছবাৰাৰ (নীচশ্ৰেণী) ল'ৰা। এইখন ঘৰত তাৰ স্থান কেনেকৈ হ'ব, সহানা?"
"নীচ জাতিৰ ঘৰত জন্ম লোৱাটো তাৰ অপ-ৰাধ তেনেহলে" উত্তৰ নৰ্মদাই দিলে।
"ওপৰৰ কথালৈ প্ৰশ্ন কৰিবলৈ, উত্তৰ কৰিবলৈ তোৰ ইমান সাহসনে? দেখি শুনি মই অবাক হৈ গৈছো। অন্য এজনী শাহুৰেৰ হব লাগিছিল, তোৰ নিচিনা বাঁজী এজনীৰ মুখকে নাচায়।"

দুখত তেওঁৰ মুখখন শেঁতা পৰি গ'ল; ক'লে "মই আপোনাক নকওঁ বাৰু, তেওঁকে সুধিছোঁ। যদি আত্মা অমৰ, ঈশ্বৰৰ অংশ আৰু সক-লোতে তেওঁৰ আত্মাই বিৰাজ কৰিছে তেনেহলে অস্পৃশ্যতাৰ প্ৰশ্ন ক'ত? কেনেকৈ আহিল?"
"সমাজত নীতি-নিয়ম আছে নহয়। যেতিয়া-লৈকে আমি এখন সমাজত থাকো সেই নীতি-নিয়ম মানি চলিবই লাগিব।"
"মইনো কেতিয়া ক'লো যে তুমি বেলেগ সমাজলৈ গুছি যোৱা। কিন্তু পুৰণি মহিমাত মুগ্ধ হৈ তাৰ কুসংস্কাৰবোৰ ..... খামুচি ধৰাত কোনো পৌৰুষত্ব নাই। প্ৰকৃতিত নিত্য নতুন বস্তু সৃষ্টি হয়, ধ্বংস হয়, পুৰণিৰ যিবোৰ ভাল বস্তু সেইবোৰৰ সন্মান আৰু ৰক্ষা আমি নিশ্চয় কৰিব লাগে। কিন্তু বেয়াবোৰ সদায় এৰাই চলিবলৈও সাহস থাকিব লাগে! ভগ-ৱানৰ ওচৰত মই সদায় এইটোকে কামনা কৰোঁ।

"তাৰমানে তুমি এই নিয়ম বেয়া বুলি ক'ব খোজা নেকি?"
"হাজাৰ বাৰ। মানুহে মানুহক ঘৃণা কৰাটো অন্যায়েই নহয়, অপৰাধো।"
"মই ঘৃণা কৰাৰ কথা কোৱা নাই; কেৱল মাৰ সন্মানৰ খাতিৰত তুমি এৰি দিয়া, সহানা।" তেওঁৰ ভয় হৈছিল, কিয়নো স্বাধীনচেতীয়া স্বভাৱৰ মানুহজনীক তেওঁ হাড়ে হিমজুৰে বুজি পায়।
"নাই নহয়। এইটো অসম্ভৱ। তোমাৰ আৰু মাৰ সন্মানৰ কাৰণে মই সকলো, নিজৰ প্ৰাণ দিবলৈও প্ৰস্তুত; কিন্তু দুখীয়াৰ মৃত্যুৰ সময়ত মই শেষ কথা দিছো, সেইটো কেতিয়াও উঠাই লব নোৱাৰোঁ।"
"সহানা, আজি জীৱনৰ এই বয়সত তুমি মোৰ পৰা কি শুনিব খোজা, কি ক'ব লাগে?"
"একো নুশুনো।" তেওঁ কেচুঁৱাটো বুকুত সাৱতি ধৰিলে আৰু যাওঁতে কৈ গ'ল, 'ইয়াৰ ভোক লাগিছে। গাখীৰ-খুৱাই পুনৰ তোমাৰ কথা শুনিমহি।'

মাক-পুতেক আচৰিত হৈ থিয় হৈ থাকিল।

( ৩ )

"সহানা, আলমাৰীৰ চাবিপাত দিয়াচোন। কাগজ-পত্ৰ উলিয়াব লাগে।" গোসাঁইঘৰৰ সন্মুখত কেশৱে মাতিলে। পটাত চন্দন পিহি থকাৰ পৰা শীলাই ঘূৰি চালে দুয়োজনৰ চকুৱে চকুৱে পৰিল। সেই দৃষ্টিত আছিল প্ৰশ্ন, "তুমি কোন। ক'ৰ পৰা আহিছা?"

সেই ঘটনাৰ দিনাৰ পৰা নৰ্মদাই সহানাক পাকঘৰ আৰু গোসাঁইঘৰত সোমাবলৈ নিদিয়া হ'ল। এই কথাটো যে কেশৱে নাজানে ঠিক এনেকুৱা নহয় কিন্তু অভ্যাসবশতঃ গোসাঁই-ঘৰৰ দুৱাৰমুখ পালেহি। তেওঁৰ মনত পৰিল শীলাৰ কথাকে ৰাতি সহানাই কৈছিল। তাই নৰ্মদা দেৱীৰ সম্বন্ধীয়া নাতিনীয়েক। নৰ্মদা দেৱীয়ে তাইক মাতি অনাইছে।

"চাবি মোৰ ওচৰত নাই নহয়। মই শীলা। কালি ইয়ালৈ আহিছো।"

ছোৱালীজনীৰ সংকোচহীন কথাই কেশৱক বিস্মিত নকৰাকৈ নাথাকিল। তেওঁ তাইৰ চকুৰ চাৱনিত সংকোচিত হৈ পৰিল।

"ভাল, তেনে মই যাওঁ।" কোনোমতে এইষাৰ কৈয়ে কেশৱ তাৰাতাৰি তাৰ পৰা আঁতৰিল।

( ৪ )

খোৱাৰ সময়ত আসনত বহি কেশৱে বিৰক্তিৰে ইফালে সিফালে চাবলৈ ধৰিলে। শীলাই থাল-বাতি আনি সন্মুখত থলে আৰু বিচনী এখন লৈ মাখি খেদাবলৈ ধৰিলে।

ঠাকুৰেই সদায় ৰন্ধা বঢ়া কৰে। তথাপি খোৱাৰ সময়ত সহানাই ওচৰতে বহি থাকে। কেতিয়াবা দুই চাৰিখন আঞ্জা স্বামীৰ কাৰণে নিজ হাতেই ৰান্ধে। কিন্তু হলকুক আনিবৰ পৰা শাহুৱেকে তেওঁক সেই-বোৰ কৰিবলৈ বন্ধ কৰি দিলে আৰু স্বয়ং নিজেই সেই দায়িত্ব ললে আৰু এতিয়া শীলাক সেই কামৰ ভাৰ দিলে।

"বোপাই, কেৰেলা ভাজিখন কেনেকুৱা হৈছে?" মাকে কাষলৈ আহি সুধিলে।

"ভালেই।"

"শীলাই বনাইছে। বৰ কামিলা ছোৱালী। লগতে নম্ৰ আৰু শান্তও। মই যিহকে কৰিবলৈ কওঁ তাকে বৰ সুন্দৰকৈ কৰে। আলুৰ বৰ ভাজিও তাইয়ে বনাইছে। ভাল হৈছে নহয়?"

"ওঁ।"

"কিয় মিছা মাতিছে, এতিয়ালৈকে দেখোন হাতেই লগোৱা নাই।" শীলাই হাঁহি দিলে।

অপ্ৰস্তুত হোৱাৰ লগতে শীলাৰ সৰল ব্যৱহাৰত কেশৱ সন্তুষ্টও হ'ল।

"শীলাই ঠিকেই কৈছে; বোপাই আজি দেখোন নিচেই খোৱা নাই।"

"ৰন্ধা বেয়া হ'ল?"

"নহয় নহয়, সৱ ভালেই হৈছে, মোৰহে ভোক নাই।"

"আৰু আপুনি মিছা কথা কৈছে। মই কওঁ মাহী। বৌক মাতি দিয়ক, এতিয়াই এওঁ পেট ভৰাই খাব।"

ছোৱালীজনীৰ মুখত সঁচা কথা কোৱাৰ শক্তি দেখি কেশৱে মনে মনে তাইক প্ৰশংসা কৰিলে। "এনেকুৱা কেতিয়াও হবলৈ নিদিও শীলা। মই জীয়াই থকা অৱস্থাত ঘৰখন ভগনীয়াৰ ঘৰ হবলৈ দিব নোৱাৰোঁ। বোৱাৰী ছোৱালী ঘৰৰ লক্ষ্মী বুলি কয়। তাইয়ে যদি এনেকুৱা অনাচাৰী হবলৈ লয় ঘৰখনৰ কেনেকৈ উন্নতি হ'ব? এটা এই বংশ ধ্বংস হ'বলৈ দি বহি আছে। আজিলৈকে ল'ৰা ছোৱালী এটা নহ'ল, বংশ কেনেকৈ ৰক্ষা হ'ব? কিন্তু মোৰ কথা কোনে শুনিব? মোৰ যে কেতিয়াবা এনেকুৱা লাগে নিজৰ মুৰতে নিজেই মাৰি যেন মৰি থাকিম।"

এজনী অচিনাকী ছোৱালীৰ আগত এনেকুৱা কথা কোৱাত কেশৱ বিৰক্ত হ'ল। তথাপি হাঁহি হাঁহি কলে, "তেন্তে নিজৰ মুৰত নিজে আগতে মাৰি চোৱা।"

"কি দাঁত চেলাইছ বোপাই। মোৰ গা জ্বলি যায়। তাইৰ কথাই সকলো কথা আৰু মোৰ কথাক কোনেও পাত্তাই নিদিয়ে।"

"এনেকৈ নকবা মা।"

"তেন্তে তই বিয়া নাপাত কেলৈ আৰু'?"

"মই বিবাহিত।"

"সেইটো কি কথা? বংশ ৰক্ষা কৰিবলৈ লোকে কিমান বান বিয়া পাতে। এওঁ আকৌ এইফালে শপত দি থৈ বহি আছে। মাকৰ শপতৰ কি মুল্য আছে?"

"তেওঁ মোক কেতিয়াও নাপাতিবলৈ কোৱা নাই। তেওঁ তোমাৰ বিৰুদ্ধে একো এটাই নকয়।"

"থ, থ, হেৰ'। মই সব জানো। এতিয়া তোৰ কাৰণে তাই হে তাই। এনেকুৱা দিন আছিল যেতিয়া এই বুঢ়ী নহলে দিন নাযায়, ৰাতি নুপুৱাই হৈছিল। তোৰ চকুৰ আগতে তাই মোক ইমান অপমান কৰিছে, নীচ কুলৰ বিজতীয়া ল'ৰা আনি ঘৰত পুহিছে, গোটেই দিন ৰাতি সেইটোক কোচত লৈ বহি থাকিব আৰু তই মাইকীমুৱা হৈ চাই থাকিবি। ছিঃ লাজহে লাগে এনেকুৱা জীৱন।"

কেশৱে বহাৰ পৰা উঠি গ'ল।

"তুমিনো এনেকৈ কি ক'লা মাহীদেউ। তেওঁ খাবলৈ নাপালেই।"

"কি মই সকলো মনে মনে সহ্য কৰি থাকিম নেকি?"

"কিন্তু তুমি মোৰ আগত কেলৈ ক'লা? তেওঁ এই কথাত কম বেয়া পাইছেনে?"

"তোক সঁচাকৈ কৈছো শীলা। আমাৰ কেশৱ তেনে নাছিল। এইজনীয়েই আহি তাক যাদু কৰিলে।"

এইবাৰ শীলাই হাঁহি সামৰিব নোৱাৰা হ'ল। হাঁহি হাঁহি তাই বাগৰি পৰিল।

"তই এনেকৈ কেলৈ হাঁহিছ? ইয়াত হাঁহিবলৈ কিটো আছে?" "তুমি অন্যায় কৰিছা মাহী। যাদু বুলিনো কিবা বস্তু আছেনে? তাৰোপৰি বৌৰ কাৰণে এই ধৰণৰ কথাই নাখাটে। তেওঁৰ ধৰণ-কৰণ, শিক্ষাই বেলেগ। হাজাৰৰ মাজত এজনী।"

"তইও— এনেকুৱা কথা ক'ব নে? মই তোক নিজৰ নিচিনাকৈ ভাবিছিলোঁ। কিন্তু মোৰ ভাগ্যৰে দোষ।"

তাই নৰ্মদা দেৱীৰ ডিঙিত সাৱতি ধৰি ক'লে,
"বেয়া পালা নেকি মাহী, ?"
"নাই, আই মই নিজৰ ভাগ্যকহে দুষিছোঁ।"

( ৫ )

মল্লাৰ ৰাগিনীৰ আলাপৰ সৈতে নতুন বছৰে পৃথিৱীত অৱতৰণ কৰিলে। ঘৰ-দুৱাৰ, তৰু লতিকা সকলোতে তাৰ পৰশ লাগি সকলো সেউজ হৈ পৰিল। সেউজে বুঢ়া বৰজোপাক ৰসাল আৰু জীপাল কৰি নতুন ৰূপ দিলে। বছৰৰ সেই আলসুৱা সন্ধ্যাই কেশৱৰ অৱ-চেতন মনত নতুনত্বৰ মোহিনী মন্ত্ৰৰ বাণ নিক্ষেপ কৰিলে। তেওঁ লাহে লাহে সহানাৰ কোঠাৰ ফালে আগবাঢ়িল। বহুত দিনৰ পিছত।

দুৱাৰৰ পিনে পিঠি দি আৰ্চীৰ আগত থিয় হৈ তেওঁ চুলি আঁচুৰি আছিল। চুলি কোঁচাই ককালত ঢৌৰ লহৰ তুলিছিল। ওঁঠত মিচিকি হাঁহি, সেই হাঁহি ৰূপ যৌৱনত গৰ্বিত হাঁহি। "সহানা" তেওঁৰ পিঠিত হাত থৈ বৰ মৰমেৰে কেশৱে মাতিলে।
"আপুনি!" চঞ্চল হৰিণীৰ ভংগীৰে তাই তেওঁৰ ওচৰ চাপিল।
"তুমিতো শীলা; সহানা ক'ত? মোৰ মৰমৰ সহানাক তোমালোকে কলৈ খেদিলা?"
"মই?" পিছ মুহূৰ্ত্ততে শীলাই সংকোচেৰে ক'লে "তেওঁতো ঘৰতে আছে। তলৰ মহ-লাত কিবা কৰি আছে।"
"তুমি ভেন্তে তেওঁৰ কোঠাত সোমাই ঠিক তেওঁৰ নিচিনাকৈ আইনাৰ আগত ঠিয় হৈ আছিলা।"

শীলাৰ কাৰণে এইটো অপ্ৰত্যাশিত অদ্ভুত প্ৰশ্ন আৰু তাত তিৰস্কাৰৰ শেল নিক্ষেপ হৈছিল। তথাপিও তাইৰ বিবেকে তাইক সংযত কৰিলে। কেনেকুৱা ভয়ানক পৰিস্থিতিত পৰি কেশৱৰ নিচিনা ধীৰ স্থিৰ ব্যক্তিও এনেকৈ বিচলিত হয় সেই কথা ভাবি শীলা সিয়ঁৰি উঠিল। শীলা ওলাই গ'ল।

কেশৱে পত্নীৰ ওচৰত আহি থিয় হ'ল আৰু গভীৰ নিশ্বাস পেলাই সুধিলে, "ক'ত আছিলা তুমি?" হলকুৰ সেই মৰম লগা অকণি অকণি হাত দুখন এৰি দি সহানা অলপ আতৰি আহিল। তেওঁ জানিছিল যে সেই দুখী অসহায় শিশুটোক লৈয়েই ঘৰখনত এক ধুমুহাৰ সৃষ্টি হৈছে।

"তুমি মোৰ লগে লগে ফুৰিবা সহানা।" স্বামীৰ সেই ব্যাকুল দুবাহুত নিজকে অৰ্পন কৰি সহানাই তেওঁৰ মুখলৈ লক্ষ্য কৰিলে। অঠাই সাগৰৰ সমান বিস্ময় তেওঁৰ ওচৰত। ল'ৰাটোৱে কান্দিবলৈ ধৰিলে। ইমান দেৰিৰ পিছত কেশৱৰ দৃষ্টি হলকুৰ ওপৰত পৰিল। 'এইটোৰ কাৰণেই আজি তুমি মোক পাহৰি গৈছা। ইয়াৰ কাৰণেই মোৰ এই দশা; সকলো অনি-ষ্টৰ মূল এইটো। ৰহ বাপেকে।" তেওঁ ল'ৰাটোক তৎক্ষণাত দাঙি লৈ দুৱলৈ দলিয়াই দিবলৈ উদ্যত হ'ল। উন্মাদিনীৰ দৰে সহানাই একে আঁজুৰে কেচুৱাটো কাঢ়ি ললে আৰু নিজৰ বুকুত সাৱটি ধৰি সহানাই ফেঁাপাবলৈ ধৰিলে।

"তাক মোক দি দিয়া সহানা, নহলে আজি মই কথা বেয়া কৰিম।"

"নাই নাই নিদিওঁ, মোৰ সোণটোক নানাৰিবা ; তাৰ আগতে মোক মাৰা।" তাক কোচত লৈ সহানাই মাটিত লেপেটা কাঢ়ি বহি দিলে। কেশৱৰো জিদ্ বাঢ়িল। "তাক মই আনিহে এৰিম।" তাক টানি আনিবলৈ লওঁতেই সহানাৰ সেই চাৱনিত বৈ গ'ল। এইটো কেনেকুৱা ৰিক্ত, সৰ্বনাশীয়া দৃষ্টি। তেওঁ শিয়ৰি উঠিল, আপোনা আপুনি হাত কোঁচ খাই আহিল। অন্তৰত তুমুল কৌতুহল হ'ল। সেই গৰাকী যি ৰাতি পূৰ্ণ যৌৱনা নাৰী ; মাতৃ হৃদয়ৰ তৃষ্ণা তৃপ্ত কৰিবলৈ যাওঁতে আজি সকলো হেৰুৱাইছে, ভৱিষ্যত জীৱনৰ সুদীৰ্ঘ দিনবোৰ এইদৰেই হুমুনিয়াহ কাঢ়ি কাঢ়ি পাৰ কৰিব লাগিব নেকি ? যাৰ অণু পৰমাণু পৰ্য্যন্ত মাতৃ হবলৈ সৃষ্টি হৈ তৈয়াৰ হৈছিল। তাৰ পৰা সহানাক বঞ্চিত কৰিবলৈ তেওঁ কি এই পৃথিৱীৰ কাবোৰে অধিকাৰ নাই। হয়তো জীৱনৰ আৰম্ভণিৰ পৰাই ধূপ-দীপ নৈবেদ্য লৈ সন্তানৰ জননী হবলৈ প্ৰতীক্ষা কৰি বহি থকা, তেওঁৰ সেই প্ৰতীক্ষা কোনে নিষ্ফল কৰি দিলে ? পতিৰূপী অন্ধ কামনাত মত্ত হৈ মাতৃৰ শুদ্ধ সুন্দৰ মাতৃত্বক কাঢ়ি আনিবলৈ তেওঁ কেনেকুৱা ৰাক্ষস ? কঠোৰ তপস্যা শেষ কৰি জীৱনৰ বিয়লি বেলাত যি গৰাকী নাৰীয়ে ভিক্ষাৰীৰ দৰে সন্মানৰ ভিক্ষা কৰিছে তেওঁৰ ভিক্ষাপাত্ৰ আজি কি বস্তুৰে ভৰিব ? মাকৰ সেই মৰু-ভূমি সদৃশ তৃষ্ণাক কিহেৰে তৃপ্ত কৰিব ? তেওঁৰ বুকুৰ পৰা সেই নিষ্পাপ, অভগা সন্তানটো কাঢ়ি লৈ স্বামী সেৱাৰ প্ৰতিদান এনেদৰেই দিব নেকি ?

কেশৱৰ চিন্তাত বাধা পৰিল, দেখিলে সহানাই তেওঁৰ ভৰিৰ তলত ল'ৰাটো পেলাই দি কৈছে—

"লোৱা, লৈ যোৱা, আজি ইয়াক তোমাক দি দিলো।" দুয়োখন হাতেৰে নিজৰ মুখখন সহানাই ঢাকি ধৰিলে। কেশৱে এবাৰ পত্নীৰ ফালে আৰু এবাৰ ল'ৰাটোৰ ফালে চাই ল'ৰাটোক ডাঙি সহানাৰ কোচত তুলি দিলে।

( ৬ )

যিদিনাখন ল'ৰাটো ঢুকাল ; সেই-দিনা সহানাৰ চকুত এটোপাল চকুপানীও দেখা নগ'ল। দিনবোৰ অতিবাহিত হ'ল ; সহানাৰ অন্তৰৰ পৰিবৰ্ত্তন বাহ্যিক জগতৰ কোনেও নাজানিলে। হয়তো গোটেই জীৱনৰ বাবে। তেওঁ সকলো কামতে যোগ দিয়ে, স্বামীৰ লগত হাঁহি মাতি থাকে ; মাত্ৰ দিন-টোত এবাৰ হলেও সেই নিষ্পাপ কেচুৱাটোৰ ফটোখন চকুত লগায়। যিদিনা সহানাৰ এই কাৰ্য্য ধৰা পৰিল সেইদিনা কেশৱ অতি বিৰক্ত হ'ল। সহানাক ক'লে "বুঢ়া বয়সত তুমি দেখিছো একেবাৰে পাগলী হ'লা। ধুম-কেতু মৰিলেও যদি লক্ষ্য পাহৰিলে হয়।" "ছিঃ মৰাক সন্মান কৰিবলৈ শিকা, তাৰও এটা আত্মা বুলি বস্তু আছিল।" তেওঁৰ মাতত তিৰস্কাৰ আছিল।

"এনেকৈ ? সেই পাপীষ্ঠটোৰ কাৰণে চকুপানীও টুকিম আৰু সন্মান কৰিবও লাগিব নেকি ?
"বচ্, তুমি আৰু তলৈ নানানিবা।"

"আৰু কুকুৰ, মেকুৰীৰ কাৰণে কিমান চকু-পানী টুকিবা ? সেইটোও কৈ দিয়া ।"

সহানাই ইয়াৰ একো উত্তৰ নিদিলে। কিয়েই বা দিব উত্তৰ ?

"কিয় উত্তৰ নিদিয়া ?"

"কি এই কথাৰ উত্তৰ লাগিব নেকি ? আৰু মোক ?"

সেই শব্দত কেনে সন্মোহনী আছিল যিষাৰ শুনি কেশৱ মৰাৰ সমান লজ্জিত হ'ল। চকু মুদ খাই গ'ল, পিছৰ কথাষাৰত তেওঁৰ মনত কিছু অনুতাপৰ ছাঁ পৰিল কিন্তু পিছ মূহুৰ্ত্ততে বলেৰে অস্বীকাৰ কৰিলে।

"মিছাৰ আশ্ৰয় লৈ লৈ মানুহে নিজৰ জীৱনটো যে কি·······"

"তুমি ফটো চাই চাই বহি থাকিবা আৰু মই ভোকে লঘোণে তোমাৰ মুখ চাই বহি থাকিম ? সেইটো বিচাৰিছা নহয় ?"

"মই তোমাক একো কৰ্ব নোখোজো, তুমি খোৱাগৈ।"

"ধন্যবাদ, ইমান দেৰিৰ মূৰত যে তোমাৰ মনত পৰিল।"

তেওঁ কম বুলি ভাবিছিল যে আজিকালি পাক-ঘৰলৈ যোৱাটো তেওঁৰ বাবে নিষেধ। এতিয়া শীলাই এইবোৰ কাম-কাজ সম্ভালে, কিন্তু নাই ·······।" তেওঁ নীৰবে বাহিৰলৈ ওলাই গ'ল।

"আহক।" শীলাই মাতিলে। কেশৱৰ কাণত যেন মৌ বৰষিল। কেনেকুৱা যে হিয়া শাত পৰা মাত। তেওঁ নিজে নিজে ভাবিলে। টেবুলত মিঠাই প্লেটত সজাই লৈ শীলা বহি আছিল তেওঁৰ প্ৰতীক্ষাত। কেশৱৰ দেহত, মনত সন্তোষ ভৰি পৰিল। গোটেই দিনটোৰ কঠোৰ পৰিশ্ৰমৰ পাছত ঘৰত শান্তি নাই। কিন্তু সেই যুৱতীৰ সেৱা, সহানুভূতিয়ে কেশৱৰ পাৰ হৈ যোৱা দিনবোৰৰ সেই সুখৰ সাগৰত ক্ষন্তেকৰ কাৰণে হলেও ডুব গ'ল।

গৰম গৰম কচুৰী প্লেটত লৈ শীলাই ক'লে, "ইয়াৰ যেন এটাও বাদ নপৰে, নহলে দণ্ডিত হ'ব লাগিব।"

তেওঁ শীলালৈ চালে; এই যুৱতীৰ গোটেই দেহতে ৰোমাঞ্চ বিয়পি আছিল।

"কেনেকুৱা ফল মিলিব, শীলা ?" কেশৱে কৌতুকেৰে সুধিলে।

"পুনৰ এনেকুৱা আৰু এগাল কচুৰী খাব লাগিব।"

"যদি নাখাওঁ।"

"তেতিয়াহলে ৰাতিলৈকে এনেদৰেই বহি থাকিব লাগিব।"

"তুমিও মোৰ কাষত থাকিবা নহয় ?"

"হ্নাঃ।" এই মিঠা শব্দটো বহুত মিঠাকৈ ক'লে। কেশৱে চক খালে। চোৰৰ নিচিনাকৈ তেওঁ নিশব্দে আঁতৰি গ'ল। ব্যাকুল বিস্ময়েৰে শীলাই তেওঁলৈ চাই ৰ'ল।

( ৭ )

সহানাই লাহে লাহে স্বামীৰ চুলিত হাত বুলাই সুধিলে, "এই অসময়ত কিয় শুইছা ? গাটো বেয়া লাগিছে নেকি ?"

"সহানা" তুমি মোৰ পত্নী আৰু তুমিয়েই হৈ থাকিবা।" দুয়ো হাতেৰে সহানাৰ হাতত

ধৰি কেইবাব্যাৰো ক'লে।। সহানাই লাহে লাহে গিৰিয়েকৰ চুলিত হাত বুলাই থাকিল।

"কি, পুৰণি দিনবিলাক ঘুৰি নাহিব নেকি, সহানা?"

সহানাৰ অন্তৰখন বেদনাত জৰ্জৰিত হৈ পৰিল।

"কি হ'ল সহানা; উত্তৰ দিয়া।"

"তোমাৰ কষ্ট, তোমাৰ দুখ মই আৰু বঢ়াব নোখোজো।"

"বুজা নাই।"

"অলপ শুই দিয়া; মনটো ভাল লাগিব।"

"নাই নাই, মোক ক'বলৈ দিয়া।"

"মই জানোঁ।"

"তুমি, তুমি জানা? কি জানা?" বিৰাট বিস্ময়েৰে বিস্ফোৰিত নেত্ৰেৰে সুধিলে।

"সব কথাই। কিন্তু তোমাৰ মুখৰ পৰা শুনিব নিবিচাৰোঁ।"

তেওঁ হাঁহিলে।

কেশৱৰ আপোনা-আপুনি মূৰ দোঁ খালে।

"কেতিয়াৰ পৰা জানা?" বহুত পিছত কেশৱে সুধিলে।

"বহু দিনৰ পৰাই।"

"তুমি মোক কিয় সাৱধান কৰি নিদিলা? মোক নিজৰ দুবাহুলৈ কিয় আকোৱালি নললা?"

"বলপূৰ্বক? কিন্তু নহব, মই এনেকুৱা ভিক্ষাৰীৰ জোলোঙাক ঘৃণা কৰোঁ। অন্তৰৰ পৰা। মৰম স্নেহ, আদৰ এইবোৰ বস্তু বৰ প্ৰয়োজনীয়, কিন্তু সেই বুলি আনৰ পৰা মাগি খুজি? তাৰ বাবে লোকৰ লগত কাজিয়া? ছিঃ ছিঃ।" ঘৃণাত নাক কোচাই কলে।

"তুমি পাষাণী সহানা।"

'হয় চাগে।' উদাসীন ভাৱে সহানাই ক'লে।

'মই কিন্তু নিজৰ অধিকাৰখিনি এই অৱ[হে]লাতো এৰি দিয়া নাছিলো।'

'অৱহেলা, নহয় ঘৃণা বুলি কোৱা। কিন্তু মোৰ মতে সকলো কথাই তেতিয়া আহি পৰে যেতিয়া কোনোবাই অধিকাৰো এৰি দিয়ে।'

'এইটো কি কথা?'

'যি প্ৰেম এবাৰ কাৰোবাৰ হৃদয়ৰ দুৱাৰত নিৰাশ হৈ পুনৰ প্ৰতাৰকৰ দৰে অন্য কোনো দুৱাৰত ভুমুকি মাৰে তাৰ বাবে মূৰ ঘমাই লাভ নাই। অধিকাৰ হৈছে মনৰ বস্তু। সি অমৰ, প্ৰেমৰ অধিকাৰক ছিন্ন কৰাৰ শক্তি বিধাতাৰে নাই, তাতে আমিতো মানুহ।"

সহানা উঠিল। 'যাওঁ এতিয়া, কাম পৰি আছে।'

কাম কৰি কৰি শিশুকণ্ঠৰ মধুৰ গীত শুনি অন্যমনস্ক ভাৱে সহানা দুৱাৰ মুখলৈ আহিল। গীত গাই গাই অকণি অকণি ল'ৰা ছোৱালীয়ে দেশৰ বাবে ভিক্ষা বিচাৰি ফুৰিছিল। তেওঁ অপলক নেত্ৰেৰে সিহঁতক চাই থাকিল। 'মা' এটাই মাতিলে। 'এই মোনাত কিবা এটা দিয়া মাতৃ।' দ্বিতীয়টোৱে কলে। তেওঁ এটা ধুনীয়া ল'ৰাক ডিঙিত সাৱতি ধৰিলে, 'কি ক'লা সোণটো, আৰু' কোৱাচোন।'

'এই মোনাখনত কিবা এটা দিয়া।'

'সেইদৰে আৰু মাতা।'

'মাতৃ'

'আৰু সৰুকৈ।'

'মা'?

'পুনৰ মাতা'

'মঁা মঁা ! তেওঁ কাণ পাতি সেই শব্দ শুনিবলৈ ধৰিলে ।— সপোনৰ দৰে চকুত ভাহি উঠিল নিজৰ বুকুৰ তেজ যিদৰে সেই সপোনত দেখা পালে । বুকুৰ মঙহ মৰমৰ ল'ৰা-বোৱক দেশৰ কামত উৎসৰ্গিত কৰা হৈছে । তেওঁৰ সেই দেশ সেৱাৰ দানেৰে, সেই আদৰ্শৰে প্ৰত্যেক মাকে নিজৰ কোলা খালী কৰি দিছে । বিস্ময় বিমুগ্ধ দৃষ্টিৰে তেওঁ দেখা পালে বায়ু, পানী, আকাশ সকলোতে শিশুৰে ভৰি আছে তিলমান ঠাইও ক'তো খালী নাই ।' এইটো কেনে ডাণ্ডৱ ৰূপ ?' সহানাই নিজে নিজে ভাবিলে । 'সহানা' স্বামীৰ মাতত তেওঁ সপোন ৰাজ্যৰ পৰা ঘূৰি আহিল । 'কি ?' তেওঁ উত্তৰ দিলে ।

কেশৱে ভাবিব নোৱাৰা হ'ল । কি উদ্দেশ্য লৈ কাৰ ওচৰলৈ কিয় তেওঁ আহিছে । মাকৰ পৰা আজি প্ৰেমিকাক বিচাৰিছিল । চকুত সেই যুৱতীৰ তৃষ্ণা চাব বিচাৰিছিল । সেৱিকাৰ পৰা মৰম, স্নেহ বিচাৰিছিল । হয় বহুদিনৰ মূৰত । কিন্তু তেওঁ এইটো বুজি নাপালে যে তেওঁৰ অনাদৰ অৱহেলাত বহুত-দিনৰ আগতেই প্ৰেয়সী নাৰীজনীৰ মৃত্যু ঘটিল । এতিয়া সেই নাৰীজনীৰ মাজত যি বাকী থাকিল সি হ'ল মাতৃৰ গম্ভীৰ চেনেহ আৰু সাগৰ সম তৃষ্ণা । কিবা এটা ভাবি কেশৱে শীলাৰ ওচৰলৈ গৈ থিয় হ'ল ।

'আহক, ভোক লাগিছে নে কি ?' নদীৰ দৰেই তৰল কণ্ঠেৰে তাই সুধিলে । কেশৱৰ মুগ্ধ দৃষ্টিৰ আগত তাই উজ্জ্বল হৈ পৰিল ।

'হই তোমাকে বিচাৰি ফুৰিছিলোঁ' — কেশৱৰ কণ্ঠ মৃদু ।

নৰ্মদাই মাতিলে, 'বোপাই শুনি যাঁচোন ।'

নিশা সহানাই কেশৱৰ সন্মুখৰ পৰা কাগজ পত্ৰ আঁতৰাই কোনো ভূমিকা নোহোৱাকৈয়ে ক'লে, 'বিয়াৰ সকলো যা-যোগাৰ মই ইতিমধ্যে কৰি পেলালোঁ । তুমি মাত্ৰ গহনাখিনি ঠিক কৰা ।'

'বিয়া, কাৰ বিয়া ?'

'শীলাৰ ।'

'দৰা ক'ৰ ?' তেওঁৰ মাতটো কঁপি উঠিল । কিছু সময় স্বামীৰ মুখখনৰ ফালে চাই থাকি সহানাই ক'লে 'দৰা ঘৰতে আছে ।'

'মইতো আজিলৈকে নাই দেখা ।'

'মই দেখিছো যেতিয়া, তুমিও দেখিছা ।'

'মানে ?'

'তুমি ।'

'মই, মই !' তেওঁ পিছ হুহকি গ'ল ।

'অ, তুমি ।'

এনেকুৱা ধেমালি ভাল নালাগে সহানা ।

'ধেমালি নহয়, সঁচা কথাই কৈছো । এই ১৫ তাৰিখে বিয়াৰ দিন লোৱা হ'ল ।'

'অসম্ভৱ ।'

'এনেকৈ নকবা । সকলো ঠিক ঠাক হ'ল ।

'তুমি এনে কিয় কৰিলা, সহানা ।'

'কাৰণ ইয়াৰ প্ৰয়োজন হৈছে ।'

'তথাপি এনে হব নোৱাৰে । ইয়াৰ দ্বাৰা তোমাৰ মোৰ কাৰো মংগল নহয় । কাৰো-বাৰ কাৰণে তোমাক কোনোমতে দুখ দিব

নোৱাৰো ।'

'তুমি ভুল বুজিছা । তোমাৰ সুখৰ কাৰণে মই সকলো কৰিব পাৰোঁ । বিশেষকৈ অতীতৰ সেই স্মৃতিবোৰক দুখৰ শিখাই জ্বলাব নোৱাৰিব । বিশ্বাস কৰা তুমি ।'

'তুমি নিৰ্দয় সহানা, বৰ নিষ্ঠুৰ । মই এনেকুৱা কৰিব নোৱাৰো । যাক বিচাৰো তাক নিজৰ হাতেৰে অন্য কোনোবাই নিঃশেষ কৰা চাব নোৱাৰিম ।

'মই হেৰাই গৈছোঁ······ ।'

'কি, কি কৰ খুজিছা ?'

"নিৰ্লজতাৰো সীমা এটা আছে । হয় মই কৰ খুজিছোঁ, তুমি সেই কথাটো সহ্য কৰিব নোৱাৰিবা ।"

'কিয় ?'

'কিয়নো সত্য কথা কেতিয়াও সুখজনক নহয় ।'

'তথাপি মই শুনিব খোজোঁ ।'

'যাক মই বিচাৰোঁ, নিজৰ দেৱতাজনক মই হেৰুৱাব নোৱাৰিম । তেওঁ মোৰ । মোৰ হৈয়ে থাকিব তেওঁ । তেওঁক মোৰ পৰা কাঢ়ি নিব পৃথিবীৰ কোনো নাৰীয়ে নোৱাৰে । আজি নিজৰ মাজত যি বিচাৰিছা সি লালসাৰ জীৱন্ত মূৰ্ত্তি······ নতুনত্বৰ অনন্ত পিপাসা, প্ৰতাৰণাৰ নিৰ্দয় ৰূপ আৰু জীৱন সন্ধ্যাৰ লগৰীয়া সেই অসীম স্পৰ্ধা ।

'সহানা, সহানা মনে মনে থাকা । মই আৰু শুনিব নিবিচাৰো । কি তুমি সেইজনী সহানা নে ?'

তেওঁ হাঁহি ক'লে, 'হয়; পৰিবৰ্ত্তন প্ৰকৃতিৰ নিয়ম, মানুহৰ স্বভাৱ ।'

'আজি তুমি তোমাৰ দেৱতাক কি আগৰ দৰে পূজা নকৰিবা নেকি ?'

মইতো আজীৱন তেওঁক পূজি আছো আৰু থাকিমো ।' তেওঁৰ দৃষ্টিত বিস্ময় ।

"নহয়, মই সেইটো ক'ব খোজা নাই" মই ক'ব খুজিছো তুমি তাৰমানে মোক এতিয়াৰ পৰা ঘিণ কৰিবা নেকি ?"

"মইতো কৈয়ে দিছোঁ । পৰিবৰ্ত্তন মানুহৰ স্বভাৱ আৰু নতুনত্বৰ আকৰ্ষণ মানুহৰ লজ্জাগত ৰোগ । সেয়ে ইয়াৰ বাবে মানুহে হাহাকাৰ কৰা উচিত নহয় । মান অভিমানৰ দৰকাৰ নাই; আহাঁ ইয়াত বহা । উদাস হৈছা কিয় ?"

"মই আৰু একো শুনিব নোখোজো; সুধিবও নিবিচাৰো; মুঠতে এই বিয়া নহব । দৰাৰ কাৰণে ভাবিব নালাগে, দৰা সেইদিনা তুমি পাই যাবা ।

শীলাই দুৱাৰ মুখৰ পৰা ক'লে, 'বৌ, তোমাক মাহীয়ে মাতিছে ।" কেশৰে তলমূৰ কৰিলে । আজি তেওঁ শীলাৰ ফালে চাব নোৱাৰিলে ।

সেই ধনী মানুহ ঘৰত চাকৰৰ পৰা আদি কৰি মালিকলৈকে সকলো সেইদিনা ব্যস্ত । বাহিৰত চেনাই বাদনত মধুৰ স্বৰত মিলন সংগীত বাজিছে; গাদীত চাদৰ পাৰি দিয়া হৈছে পানীৰ ডাঙৰ পাত্ৰত গোলাপ জল মিশ্ৰণ কৰা হৈছে, ডাঙৰ ডাঙৰ কেৰাহীত শাক আঞ্জা বন্ধা হৈছে । হালোৱা মিঠাই বনাই বনাই বুঢ়ালোকে পুৰণি কথা খুচৰিছে ।

সহানা আৰু কেশৱে গম্‌গমাই ঘূৰি ফুৰিছে।

শীলাৰ বিয়া। ধনী মানুহৰ ঘৰৰ দৰা। ল'ৰা-ছোৱালীবোৰে চোতালত হুলস্থুল কৰি আছে। শীলাই সখীইঁতৰ লগত······ সেই আনন্দৰ লহৰত নদীৰ নিচিনাকৈ হাঁহি হাঁহি উটি গৈছে। মহিলাৰ মাজত ফুচফুচীয়া আলোচনা।

'কেনেকুৱা নিলাজী?'

'বাইদেউ, আজিকালিৰ ছোৱালী এনেকুৱাই।'

"ঠিকেই, বুঢ়ী হৈছে নহয়, ক'ত পাব? সেয়ে নিজৰ আনন্দ লুকুৱাব জনা নাই।"

শীলাই মানুহ এগৰাকীক চিকুটি দিলে।

মানুহজনীয়ে ক'লে, 'যা, দৰাক চিকুটগৈ। মোক নহয়।'

'তেওঁকতো ৰাতি চিকুটিমেই।'

"তই যে ইমান লাজহীনা শীলা, তোৰ অলপো লাজ মান নাই।'

মাইকী মানুহবোৰৰ চকু ঘোপা হ'ল। তাকে দেখি শীলাই খিল্‌খিলকৈ হাঁহি উঠিল।

কেশৱ আহি আহি তাত উপস্থিত হ'ল। ক্ষন্তেকৰ বাবে সেই আনন্দ স্ফূৰ্তি চালে। পুনৰ কামত মন দিলে। কেৱল সহানাই সেই হাঁহি-ধেমালি দেখি সিয়ঁৰি উঠিল।

সন্ধ্যা সময়ত শীলাই প্ৰসাধন কাৰ্য্য সম্পন্ন কৰিলে। তাই লাহে লাহে চুপি চুপি দুৱাৰৰ ওচৰলৈ আহিল, য'ত কেশৱে দুৱাৰৰ ফালে পিঠি দি কিবা চিন্তাত বিভোৰ হৈ থিয় হৈ আছিল। তাই কিছু সময় কেশৱলৈ চাই ৰ'ল। ইয়াৰ পিছত তাৰ পৰাই কেশৱক প্ৰণাম জনালে। কেশৱে ঘূৰি দেখিলে কিবা ছায়া এটা যেন তেওঁৰ কাষৰ পৰা আঁতৰি গৈছে।

গভীৰ দুখেৰে কেশৱে মাতিলে 'শীলা।' কিন্তু কোনো উত্তৰ নাহিল। 'ভ্ৰম নেকি!' দীৰ্ঘ নিশ্বাসেৰে কেশৱে নিজকে ক'লে।

বৰ ধুম-ধামেৰে দৰা ঘৰীয়া মানুহ আহিল। কন্যা-লগ্নৰ সময়ত শীলাক আনিবলৈ কোৱা হ'ল। কিন্তু তাইৰ খবৰেই নাই। ঘৰ-দুৱাৰ চুক-কাণ মাৰি চোৱা হ'ল। তথাপি শীলাই দেখা নিদিলে। শীলা হেৰাল।

দুটোপাল চকু পানী মচি সহানাই বাতৰি কাকতত বিজ্ঞাপন দিলে "শীলা, তুমি ঘূৰি আহাঁ। এই ঘৰত তোমাৰ কেতিয়াও অনাদৰ নহব।" □



# মিতা ডাঙৰ হ'ল

সমৰজিৎ চৌধুৰী
প্ৰবক্তা, গণিত বিভাগ

প্ৰায় শূণ্য বাচখনত বহি আছে মিতা। আজি সঁচাকৈয়ে ভয় লাগিছে তাইৰ। মূৰটো ঘূৰোৱা যেন লাগিল। ভৰি-হাত মৃদু কঁপি আছে। খুব সন্তৰ্পণে ভয়ৰ ক'লা মেঘ মনৰ চুকত জমা হ'বলৈ আৰম্ভ কৰিলে।

ৰশ্মি, বন্দিতা, নাজমাহঁতৰ লগতে কালি একেলগে কলেজৰ পৰা ওলাই আহিছিল। তেতিয়াতো কোনেও কোৱা নাছিল আজি কিবা 'বন্ধ' আছে বুলি। হয়তো সিঁহতেও জনা নাছিল, অথবা প্ৰসংগটোত সিমান গুৰুত্ব দিয়া নাই। তথাপিতো অন্ততঃ আভাষ এটা পাব লাগিছিল।

ভাবি থাকোঁতে বাচখন উপেজত ৰাখিলে। ৰাস্তাত নামিয়েই গম পালে সঁচাকৈয়ে আজি 'বন্ধ'। থমথমীয়া পৰিবেশ। চলন্ত গাড়ী-মটৰ, মানুহৰ অদ্ভুত কলৰব, ব্যস্ততা— একেবাৰেই নাই। দোকান-পোহাৰ বন্ধ। ৰাস্তা প্ৰায় নিৰ্জন, অকল মূৰে মূৰে মানুহ কিছুমানে জুম পাতি বৈ আছে।

আজি তাই কলেজলৈ ওলাই আহিছে। নিজকে বৰ মূৰ্খ যেন লাগিল। অন্যমনস্ক ভাৱে ক্ষন্তেক স্তব্ধ হৈ ৰ'ল। মুখত উদ্বেগৰ ছাঁ।

অণিমাৰ কথা মনলৈ আহিল। অণিমা বন্ধুৱা। একেলগৰ। এই সময়ত প্ৰথমতে সিঁহতৰ ঘৰলৈ যোৱাটোৱেই ঠিক হব। আগবাঢ়িল তাই।

সমগ্ৰ অসম বন্ধ। অকলে খোজ কাঢ়ি গৈ আছে মিতা। মিতা শেনচোৱা। হায়াৰ চেকেণ্ডাৰি ফাইনেল ইয়াৰৰ ছাত্ৰী।

এনেয়ে চাবলৈ গলে তাই বৰ ভয়াতুৰা ছোৱালী নহয়। যথেষ্ট সাহসী আৰু স্মাৰ্ট। মাক-দেউতাকৰ একমাত্ৰ সন্তান। সৰুৰে পৰা ঘৰৰ বাহিৰৰ ইটো-সিটো কাম নিজেই কৰি আহিছে। কলেজ, পঢ়া-শুনা, ড্ৰইং, স্কেচিং—এয়েই মিতাৰ জগৎ। তাইৰ সপোন— কমাৰ্চিয়েল আৰ্টিষ্ট হোৱা। হায়াৰ চেকেণ্ডাৰিৰ পিছত কমাৰ্চিয়েল আৰ্ট চেণ্টাৰত ভৰ্ত্তি হ'ব বুলি ভাবিছে। কলেজ আৰু পঢ়াৰ ফাঁকে ফাঁকে ৰং, তুলি, পেঞ্চিল, আৰ্টপেপাৰ এইবোৰ লৈয়েই বেচি সময় কটাই দিয়ে।

তেনেকৈয়ে প্ৰাইমাৰীৰ পৰা হায়াৰচেকেণ্ডাৰি পালেগৈ। কেতিয়াবা তাই আপোন মনে ভাবি চায়, নিজকেই প্ৰশ্ন কৰে স'চাকৈয়ে তাই ডাঙৰ হ'লনে? এজনী পৰিণত ছোৱালী হ'ল নে? কিন্তু উত্তৰ বিচাৰি নাপায়।

আজি স'চাকৈয়ে ভয় লাগিছে তাইৰ। মনত দুঃচিন্তাই পাক খাই আছে।

অণিমাহঁত যদি ঘৰতে নাথাকে? অণিমাৰ দেউতাক বাগানৰ ডাক্তৰ। সিঁহত যদি বাগানলৈ গুচি যায় আজি, তেন্তে ঘৰলৈ উভতি যোৱাৰ বাচখনৰ কাৰণে বৈ থাকিব লাগিব তাই। যদি বাচখন ঘুৰি নাহে আৰু ইমানখিনি ৰাস্তা অকলে খোজ কাঢ়োতে.......

ঘৰ্মাক্ত হৈ পৰিল সৰ্বাংগ। বুকুৰ স্পন্দন ক্ৰমশঃ বাঢ়ি গৈ আছে।

হঠাৎ চিঞৰ-বাখৰ—'আজি চব বন্ধ, ৰিক্সা, মটৰ একো চলিব নোৱাৰে।'

তাইৰ চেতনা ঘুৰি আহিল। কেইজনমান ডেকা ল'ৰাই সন্মুখত আহি থকা ৰিক্সা এখনক ৰখালে। সমস্বৰে উত্তেজিত ভাৱে ৰিক্সাৱালাক কিবা কলে। ৰিক্সাত বহি থকা তিৰোতা গৰাকী আৰু ছয়-সাত বছৰীয়া শিশুটো ভয়তে কঁপিব ধৰিলে। শিশুটোৰ এখন হাত কাপোৰেৰে বন্ধা, এড়াল বগা ৰচিৰে ডিঙিৰ সৈতে ওলোমাই থোৱা। বোধহয় ভাগিছিল...। তাৰ চকুত পানী। সম্ভৱতঃ এই মুহূৰ্ত্তত সি ভয়তেই কান্দি আছে, বিষত নহয়।

ৰিক্সাৱালাটোৱে কিবা এটা কওঁতেই ল'ৰা এজনে সজোৰে চৰ এটা বহুৱালে।

এক মুহূৰ্ত্ত চিন্তা কৰি মিতাই নিজকে প্ৰস্তুত কৰি ল'লে। কপাল ঢাকি থোৱা চুলিকোছা আঙুলিৰে আঁতৰাই জুমটোলৈ আগ বাঢ়িল। ভিৰ ঠেলি বৃত্তটোৰ ভিতৰত প্ৰবেশ কৰি থিয় হ'ল। চকুত দৃঢ় অথচ স্নিগ্ধ চাৱনি।

মিতাই হঠাৎ মাজত সোমাই পৰাত ল'ৰাকেইজন অপ্ৰস্তুত হৈ পৰিল।

শান্ত মাতেৰে তাই কলে—'এই হাত-ভগা শিশুটোৰ সৈতে আপোনালোকৰ কোনো বিৰোধ নাই। ইয়াক যাবলৈ দিয়ক।' ইংগিতেৰে তাই ৰিক্সাৱালাক যাবলৈ দেখুৱালে।

ৰিক্সা আগবাঢ়িল। ল'ৰাকেইজন আঁতৰি দিলে। দুই এজনৰ মুখত বিৰক্তিৰ চাপ থাকিলেও বিৰোধ নকৰিলে।

ক্ৰমশঃ আঁতৰ হৈ যোৱা ৰিক্সাখনৰ প্ৰতি খন্তেক চাই ৰ'ল মিতাই। তাৰ পিছত আকৌ খোজ কাঢ়িব ধৰিলে।

ভয়ৰ ক'লা মেঘ আঁতৰিল। মুখত ফুটি উঠিল নিৰ্ভয়তাৰ ৰেঙণি। হঠাৎ তাই ভাবিলে—'মই স'চাকৈয়ে ডাঙৰ হলোঁ।'

□ □

গল্প

# দুখৰ ৰাতি নুপুৰাই

ৰূপালী বৰুৱা
স্নাতক দ্বিতীয় বাৰ্ষিক

মৰমী গাঁৱৰ দেবেন ফুকনৰ জীয়েক ৰূপতৃষ্ণাৰ নাম শুনিলে তাইৰ মুখৰ সেই আকৰ্ষণীয় ছবিটো মনত ভাঁহি উঠে। কিমান যে মৰম লগা তাই! দেখিলে ডেকা ল'ৰাৰ কথাই নাই, বুঢ়া মানুহৰো মন চাগে মুহূৰ্তৰ কাৰণে হলেও আপোনপাহৰা হৈ পৰে। নামটো যেনেকুৱা ৰূপতৃষ্ণা, কামে-বনে, কথাই-বতৰাই, আচাৰ ব্যৱহাৰত সকলোৰে মনত তৃষ্ণা পূৰাব পৰা তাইৰ গুণো আছে। ৰূপতৃষ্ণাৰ ভায়েক ৰূপমো ৰূপত একোপ চৰা।

মাক-বাপেকৰ এহাল ল'ৰা-ছোৱালীৰ সৈতে পৰিয়ালটো কোনো কষ্ট অনুভৱ নকৰাকৈ দেবেন ফুকনে চলাই আছে। ৰূপতৃষ্ণাৰ মাক মন্দিৰাই এজনী ছোৱালী হলেও সকলো কামকে শিকালে। পঢ়াতো ৰূপতৃষ্ণা আৰু ৰূপম ভাল। দেউতাকে শিক্ষকতা কৰা স্কুল-খনতে সিহঁত দুইটাই পঢ়ে।

ৰূপতৃষ্ণা এতিয়া দশম শ্ৰেণীত। আৰু ভায়েক সপ্তম শ্ৰেণীত। মেট্ৰিক পৰীক্ষালৈ বুলি আৰু ভালদৰে চাবিমাহো নাই। গতিকে, তাইক এতিয়া ঘৰতে দেউতাকে দুটামান টিউচন যোগাৰ কৰি দিছে। মাজে সময়ে দেউতাকেও চাই-মেলি দিয়ে। মাক মন্দিৰাইও এতিয়া তাইক বৰকৈ কাম-বন কৰিবলৈ নিদিয়ে। ৰাতিপুৱাৰ দুৱাৰ মেলাৰ পৰা জপোৱালৈকে সকলো কাম মাকেই কৰে।

কালি ৰূপতৃষ্ণাৰ মোমায়েক আহিছিল। তাইৰ পৰীক্ষালৈ বুলি দুটামান লাগতিয়াল বস্তু দি থৈ গ'লহি। যাবৰ সময়ত ৰূপতৃষ্ণা আৰু ৰূপমক পইচাও দিছিল।

ৰূপতৃষ্ণাৰ পৰীক্ষালৈ দুদিনমানৰ আগত মাকে দুগৰাকীমান গোপীনীক গোটাই পায়স এমুঠি খুৱাইছিল। মাক, তাই আৰু ভায়েক ৰূপমে ইয়াত সেৱা আগবঢ়াইছিল।

ৰূপতৃষ্ণাই অজয়, মনোজ, প্ৰশান্ত, ৰঞ্জন-হঁতৰ নাম জানে। কিন্তু ঘৰ ক'ত, কি কথা একোৱেই নেজানে, জানিবলৈও বা কি দৰকাৰ। তাই স্কুল যাওঁতে বা আহোঁতে প্ৰায়েই সিহঁতে ৰাস্তাত বা দোকানৰ মুখত বৈ থকা বা তাইলৈ চাই কিবা কোৱাৰ ভঙ্গী দেখিবলৈ

পায়। কিন্তু তাই সেইবিলাকক প্ৰশ্ৰয় নিদিয়ে। এদিন স্কুলৰ পৰা আহিয়েই তাই মাকক কোৱাত মাকে ক'লে— "সিহঁতে যদি কিবা কয় বা ভেঙুচালি কৰি দেখুৱায়, তই একো মাত নেমাতিলেই হ'ল, বচ"—

মাকে এইবিলাক কথাত লাগি থাকিবলৈ নকয়। ল'ৰাবিলাক প্ৰায়েই এনেকুৱাই বুলি মাকে তাইক কয়।

আজি পৰীক্ষাৰ প্ৰথম দিনা তাই সোনকালে উঠি গা-পা ধুই সৰস্বতীৰ ফটোখনত ধুপ জ্বলাই সেৱা এটা কৰিলে। ধুপৰ গোন্ধ গোটেই ঘৰটোতে বিয়পি পৰিল। যাবৰ সময়ত মোমায়েকে দিয়া কাপোৰকে পিন্ধি ঘৰৰ সকলোকে মাত দি গৈছে। দেউতাকে মনতে হয়তু বহুত আশীৰ্বাদ দিছে, তাই সেইটো বুজি পাইছে। অলপ দূৰ গৈয়ে তাই ৰঞ্জনক বৈ থকা দেখা পালে। কিয় সি বাৰু বৈ আছে? তাইৰ মনটো কোঁচ খাই গ'ল। তাইক আৰু পাই যদি ৰঞ্জনে...... নাই, তাই ইফালে সিফালে চালে, এজনী ছোৱালীও খোজ কাঢ়ি অহা নাই, সিহঁতৰ লগতে একে লগে যাবলৈ, বহুতে চাইকেলেৰে গৈছে, বহুতক আকৌ স্কুটাৰত থবলৈ নিছে। ৰঞ্জনৰ ওচৰ পোৱাত ৰঞ্জনে মৃদু হাঁহি মাৰি কৈছিল— "Best of Luck" তাই "Thank you" বুলি কৈ মনৰ গতিৰে সেইছোৱা আগবাঢ়িবলৈ ধৰিলে। হয়তু তাইৰ আজি পৰীক্ষা নথকা হেঁতেন নেমাতিলেহেঁতেন।

কিন্তু পিছদিনাও সি তাইলৈ বৈ থকা দেখা পালে। আজি কিন্তু ৰূপতৃষ্ণাই অলপো সহানুভূতি নেদেখুৱাত সি মাতিবলৈ চল নাপালে।

ৰঞ্জনৰ ঘৰ নগৰত। দেখাতো বেচ সুন্দৰ। B. A. ফেইল কৰি কিবা এটা চাকৰি কৰে হেনো। ৰঞ্জনৰ ঘৰত মাক আৰু এজনী ভনীয়েক আছে। ভনীয়েক H.S. Ist years ত পঢ়ে। সকলো খৰছ-পাতি, আনকি থকা ঘৰৰ ভাড়াও ককায়েকৰ দৰমহাৰ টকা কেইটাৰে কোনো মতে চলায় আৰু। ৰঞ্জনৰতো সেইবিলাকত একো খবৰেই নাই।

ৰূপতৃষ্ণাৰ ৰিজাল্ট ভাল হ'ল। কিন্তু দেউতাকে আশা কৰা মতে ফল দেখুৱাব নোৱাৰিলে। 2nd Division ত হে পাছ কৰিলে। দেউতাকৰ মতে তাই ভালদৰে পাছ কৰিলে স্থানীয় কলেজত নপঢ়ে বায়। গুৱাহাটীতে তৃষ্ণাই দদায়েকৰ লগত থাকি অন্ততঃ ভালদৰে পঢ়া-শুনা কৰিব পাৰিব। ইমান দিনে দেউতাকে মনতে পুহি ৰখা হেপাহটো চৰ শেষ হ'ল। অৱশেষত দেউতাকে তাইৰ এড্মিচনটো টাউনৰ কমাৰ্চ কলেজতে লৈ দিলে।

ৰূপতৃষ্ণা এতিয়া সম্পূৰ্ণ বিপৰীত। তাই দুদিনমানলৈ কলেজলৈ যোৱাৰ পিছৰে পৰা মতি গতি বেয়াৰ ফালে ঢাল খোৱা দেখি দেউতাকৰ খঙে মুৰৰ চুলিৰ আগ পালেগৈ। কিন্তু মাকৰ মতে তাইতো আগৰ দৰেই আছে। কেৱল দুই এখন কাম পিছে আগৰ দৰে নকৰা হৈছে।

ৰঞ্জনক তাইৰ এতিয়া ভাল লগা হৈ আহিছে। গাঁৱৰ ৰাস্তাটোলৈকে তাই

স্কুটাৰত থৈ যায়হি। গাঁৱৰ মানুহেও এই কথা গম পাইছে। মাক বাপেকে এই গোপন কথা জানি তাইক চৰ কেইটামান সোধালেও। আৰু তাইক কলেজলৈ যোৱা বন্ধ কৰি দিলে। দুদিনমান কলেজলৈ নগৈ তাই এদিন ওচৰৰে মীনাহঁতৰ ঘৰলৈ যাওঁ বুলি কৈ ঘূৰি নাহিল।

মাক ভায়েকে পাৰে মানে কান্দিলে। দেউতাকে ল'ৰা ছোৱালীৰ নামত অনেক গালি শপনি পাৰি তাই মৰিলে বুলি চকু কেৰাহীও ধুৱালে। এই কাৰ্য্যই ভায়েকৰ মনত বৰ আঘাত দিলে।

গাঁৱত তৃষ্ণাৰ কথা বৰকৈ বিয়পি পৰিব ধৰিলে। কোনো কোনোৱে আহি ঘৰত খবৰ ললেহি। বাপেক থকা অৱস্থাত মাকে তাইৰ কথা উলিয়াব নিদিয়ে। ভায়েক ৰূপমো এতিয়া প্ৰায়েই অন্যমনস্ক হৈ থাকে। কৰিবলৈ কোনো কামটোহে কৰে। আগতে বায়েকৰ লগতে হাঁহি ধেমালি কৰি থাকে, এতিয়া তাকো নাই।

ৰঞ্জনৰ ঘৰৰ মানুহে ৰূপতৃষ্ণাক ৰূপবতী বুলিয়েই হবলা বৰ মৰম কৰে। সৰুসুৰা কামবোৰ নন্দেক মৰমীৰে সৈতে একেলগে কৰে।

আনহাতে ৰঞ্জনে ৰূপতৃষ্ণাক পাই দুমাহেই হ'ল এৰেকো কাম হাতত লোৱা নাই। সি আগৰ গোটাই থোৱা টকাৰে ৰূপতৃষ্ণাক মাত্ৰ বস্ত্ৰ কেইপদমানহে দিলে।

ইতিমধ্যে ৰঞ্জনৰ ককায়েক বহু দূৰলৈ Transfer হৈছে। সি মাকৰ অসুখটোৰ কাৰণে ঘৰ এৰি যাবলৈ মন কৰা নাই। মাকে তাক বুজনি দিয়াতহে সি যাবলৈ মান্তি হ'ল। যাবৰ দিনা ভনীয়েকক সি টকা কেইটামান দি গ'ল।

ককায়েক যোৱা এমাহেই নৌহওঁতেই ৰঞ্জনৰ মাকৰ আগৰ বেমাৰটোৱে উক দিলে। টকা-পইচা দৰৱ-পাতি আদি সকলো আগতে ককায়েকেই যোগাৰ কৰিছিল; এতিয়া সকলো দায়িত্ব পৰিল ৰঞ্জনৰ ওপৰত।

তৃষ্ণাজনীলৈ এতিয়া বৰ বেয়া লাগে। তাই শাহুৱেকৰ বেমাৰৰ গাঁৱলীয়া দৰৱ বাটোতে বাটোতে নিজৰ ফালে চাবলৈ সময় নোপোৱা অৱস্থা। ইফালে গাঁৱলীয়া দৰৱ খাওঁতে খাওঁতে মাকৰ বেমাৰটো দিনক দিনে বেছিহে হবলৈ ধৰিলে। আগতে ডাক্তৰী দৰৱ ৰঞ্জনৰ ককায়েকে আনি খুৱাইছিল আৰু দুদিনমানতে মাকে ভাল পাইছিল।

এদিন তৃষ্ণাই দৰৱ খুৱাবলৈ যাওঁতে শাহুৱেকৰ মুখেৰে ফেন ওলাই জঠৰ হৈ পৰি থকা দেখা পালে। তৃষ্ণাই ভয়তে যিটো চিঞৰ মাৰিলে, ওচৰৰ মানুহ দৌৰি আহিল। ৰঞ্জনৰ মাক জঠৰ হৈ পৰি থকা সকলোৱে প্ৰত্যক্ষ কৰিলে।

মুঠতে ঘৰখনত যিটো পৰিস্থিতি হৈছে ৰঞ্জন তৃষ্ণাই এতিয়াহে সাংসাৰিক জীৱনৰ জ্বালা ভালদৰে উপলব্ধি কৰিছে। ৰঞ্জনৰ ককায়েক নোহোৱাৰ পৰা প্ৰতিটো উশাহত সিহঁতে অভাৱ অনুভৱ কৰিবলৈ লৈছে।

ৰঞ্জনহঁতে থকা ঘৰৰ ভাড়া ৩ মাহেও দিব পৰা নাই। ঘৰৰ মালিকে সদায়েই আহি ভাড়া বিচাৰে, ৰঞ্জনে নানা বিপদৰ

কথা শুনাই বিদায় দিয়ে শেষত, উপায়ান্তৰ হৈ মালিকে আধা ভাড়াকে দি হলেও ঘৰটো এই সপ্তাহতে খালী কৰি দিবলৈ ক'লে। ৰঞ্জন এইবাৰ মহা বিপদত পৰিল। সি যাব কলৈ? ঘৰ নাই, বাৰী নাই, টকা-পইচা একো নাই। তাৰ আজি সম্পত্তিৰ নামত একো নাই। সন্মুখত আজি তাৰ ঘোৰ অন্ধকাৰ। এই আন্ধাৰে যেন কোনো দিনে পোহৰক চিনি নাপাব। ইফালে তৃষ্ণাৰ গাত লেঠা। এইবিলাক কথা ভাবি ভাবি মানুহটো কিবা অহোঁ-বলিয়াৰ দৰে হৈ পৰিছে।

শেষত যেনিবা গাঁৱৰ ঘৰ এটাকে মাহে এশ টকাত বন্দোবস্ত কৰি তালৈ তিনিওটি প্ৰাণী আহিল।

এই ঘৰটোলৈ আহিবৰে পৰা সৰু-সুৰা বেমাৰ কিছুমান তৃষ্ণাৰ গাত খোপনি পুতি ললে। ঘৰটো খেৰৰ। বেৰৰ মাটি কৰবাত কৰবাত এৰাই সৰু সুৰা খিৰিকি হৈ পৰিছে।

পুৰণি গাঁৱৰ দুই এজনে তৃষ্ণাক নেদেখা নহয়, দেখিছে। কিন্তু তাইৰ চেহেৰা-পাতিৰ ইমান পৰিবৰ্ত্তন হ'ল যে তেওঁলোকে তৃষ্ণাক চিনিবই পৰা নাছিল। শেষত যেনিবা চিনিব পাৰি মাক মন্দিৰাক জীয়েকৰ কথাও ক'লে। মাকে তাইৰ কথা শুনি এসোঁতা কান্দিয়েই পেলালে।

এদিন তৃষ্ণাৰ গা-ভাল নোহোৱা হ'লত ৰঞ্জনে কোবাকুবিকৈ ডাক্তৰ বিচাৰি গ'ল। কিন্তু ডাক্তৰ আহি পোৱাৰ আগতেই তৃষ্ণাৰ এটি ল'ৰা জন্ম হ'ল।

ৰঞ্জনৰ ভনীয়েকে ঘৰখনতে লাগি থাকোতে কিমান দিন যে হ'ল তাই স্কুললৈ যাব পৰা নাই। স্কুল প্ৰায় বাদ দিয়াৰ নিচিনা হ'লগৈ।

ৰূপতৃষ্ণাৰ মাকেও তাইৰ ল'ৰা হৈছে বুলি শুনিলে। মাকৰ মনত কিমান হেপাহ হ'ব বাৰু নাতিয়েকক চাবলৈ। কিন্তু দেউতাকৰ পৰা যায় কেনেকৈ? হাজাৰ হওঁক, মাকহঁতে বাৰু নিজৰ ল'ৰা ছোৱালীক কেনেকৈ এৰিব পাৰে। বাপেকহঁতে পাৰিলেও মাকহঁতে নোৱাৰে। বাপেকেও কথাটো জানে, কিন্তু এদিনো মুখেৰে উচ্চাৰণ কৰা নাই।

ৰঞ্জনৰ পুতেক খতম জন্ম হোৱা এসপ্তাহেই হ'ল, কিন্তু আজিৰ নিচিনাকৈ ইমান ভয়ানক ৰূপে কেচুৱাটোৱে কাহানিও কন্দা নাই। সি আজি কিয় ইমান অসম্ভৱ ধৰণে কান্দিছে বাৰু? গধুলি হৈ আহিছে। ইফালে বাহিৰত চিপ্‌ চিপ্‌ বৰষুণ, মাজে মাজে ফেৰফেৰীয়া বতাহ। ভিতৰত কেচুঁৱাৰ ভয়ানক কান্দোন। ৰঞ্জনে কেচুঁৱাৰ কপালত হাত দি চালে। অসম্ভৱ গৰম। অলপো পলম নকৰি বতাহ ধুমুহা নেওচি ৰঞ্জন ডাক্তৰ বিচাৰি দৌৰিলে। ভিতৰত কোনোমতে এটি চাকি জ্বলি আছে। ইফালে বাহিৰত বতাহ বৰষুণে ঘৰ ভাঙো ভাঙো কৰিছে। কৰবাত কৰবাত পানীও পৰিছে। এবাৰ মাকৰ হিয়া ভঙা কান্দোনত সেই অকণমান পোহৰ দি থকা চাকিটো নুমাই গ'ল। সকলো অন্ধকাৰ হ'ল। মাক সম্পূৰ্ণ কান্দি কান্দি পাগলী হৈ

(৭২ পৃষ্ঠাত চাওক)



# কৃষ্ণচূড়া

দীপশিখা কলিতা
স্নাতক ২য় বার্ষিক

— "এই ৰেখা, কিমান সময়ৰ পৰা যে তোক বিচাৰি আছোঁ।"

— "আৰে জুমি, ময়োতো অথনিৰে পৰা তোক বিচাৰিছোঁ।"

— "জান ৰেখা, তোৰ লগত বিৰাট জৰুৰী কথা আছে, ভাই। ব'ল না কেণ্টিন-লৈকে যাওঁ, আউটলৈ নাযাওঁ আৰু।"

— "জুমি, টানিছ কিয় ? ব'ন ৰুটিনখন চাই লওঁ। এক্কেলগে তিনিটা অফ। ব'ল ব'ল অঞ্জলী, ৰূপশিখাহঁত চাগে কেণ্টিনত আছে, অলপ আড্ডা দিওঁগে।"

— 'অহ ন', ৰেখা, আড্ডাৰ কথা এ

ভাই, পাহৰি গলি, তোক কি কম বুলি কৈছিলোঁ ?"

—'হঁা অ', মনত পৰিছে সেইযে নাইচ লুকিং, ওখ, নিয়মীয়া ক্ষীণ ······ অহ জুমি ঠিক মনত পেলাই দিলি। ব'ল, ব'ল ইয়াত আৰু এক মিনিটো ৰ'ব নোৱাৰিম।'

উচ্ছল হাঁহিৰ তৰংগ বিলাই সীমাৰ কাষেদিয়েই পাৰহৈ গ'ল ছোৱালীকেইজনী। তাই সিহঁতলৈ এবাৰ ঘূৰি চালে। সিহঁতৰ খবৰেই নাছিল সিহঁতৰ 'বাইদেউ' (মাডাম) সীমা বৰুৱা যে ইমান ওচৰতেই ৰৈ আছিল। অকলে অকলেই হাঁহি উঠি গ'ল সীমাৰ। ইহঁতকতো দোষ দিব নোৱাৰি; এইয়া বয়সৰেই দোষ। তাইৰ দৰে সকলোতো আৰু নিঃসংগ পথিক নহয়। মাত্ৰ পাঁচটা বছৰৰ আগতে সীমাহঁতো দেখোন ৰূপশিখা, জুমি, অঞ্জলী, ৰেখাহঁতৰ দৰেই আছিল। সিহঁতেওতো হাঁহিৰ ঢৌত নিজকে উটুৱাই দিছিল। কিন্তু সময়ৰ তীব্ৰ গতিত সীমা যেন এখোজ পিছুৱাই গৈছে।

নিজৰ ভাৱতেই বিভোৰ হৈ আহি সীমা কমনৰূম পালেহি। লগৰ কাবেৰী শৰ্মা, স্মিতা চৌধুৰীহঁতৰ ৰসপূৰ্ণ আলোচনাত ভাগ লবৰ মন নগ'ল তাইৰ। কেমিষ্ট্ৰিৰ ক্লাচ এটা আছিল কিন্তু সেইটোলৈও সম্পূৰ্ণ ডেৰ ঘণ্টা ৰবৰ অৱকাশ তথা ইচ্ছা মুঠেই নাই সীমাৰ। কিয় জানো মনটো আজি তাইৰ আনদিনাতকৈ বেছি বেয়া লাগি আছে। সীমাৰ মানসিক শান্তিয়েতো তাইৰ পৰা কেতিয়াবাই বিদায় মাগিছে। "এৰা সুজিৎ কেৱল তাইৰ কাষৰ পৰাই আঁতৰি যোৱাই নহয়, তাইৰ মানসিক শান্তিবোৰো সি কৰবালৈ লৈ গুচি গ'ল। সি বাৰু এতিয়া ক'ত আছে ········?" নিজে নিজে ভাবিলে সীমাই। অ'হ··· সু···জি···ৎ, জি······ৎ········· মনৰ মাজতে সুজিৎৰ নামটো কৈ চকু দুটা মুদি দিলে তাই।

"হাই কাবেৰী, কিহৰ আলোচনা······ ?"

—সিহঁতৰ জ্যেষ্ঠ ইক'নমিক্‌চৰ হেড ৰীতা বাইদেউৰ মাতত তন্ময়তা ভাঙি গ'ল সীমাৰ। তাই হাতৰ ঘড়ীলৈ চালে, "Oh God"। ২০ মিনিট এনেকৈ আছিল তাই ? ভাগ্য ভাল স্মিতাহঁত আলোচনাত ইমানেই ব্যস্ত আছিল যে সুদীৰ্ঘ কমনৰুমটোৰ এচুকত সীমা আহি বহাৰ কথা সিহঁতে গমেই পোৱা নাছিল। সীমা এতিয়া সিহঁতৰ ওচৰ চাপি গলে হুলস্থুলত কমনৰুম গৰম কৰি দিব স্মিতা, জিৰণিৰ পৰা আৰম্ভ কৰি কাবেৰী, ৰীতা বাইদেউলৈকে সকলোৱে। কিন্তু তাইৰ মনটো আজি ভীষণ আনমনা। ঘৰলৈ যোৱাটোকেই ঠিক কৰিলে সীমাই। টেবুলৰ পৰা পাৰ্চটো উঠাই তাই আগবাঢ়িল। কালিলৈ কলেজলৈ আহি নিশ্চয় নোকোৱাকৈ যোৱাৰ বাবে কাবেৰী, স্মিতাহঁতৰ বন্ধুত্বৰ দাবী ভৰা কৈফিয়ৎ তলব কৰিব লাগিব তাই। বাৰু কালিলৈ যি হয় হৈ থাকিব। মাত্ৰ আজি তাইৰ এনেকুৱা লাগিছে, কলেজৰ পৰা ঘৰ গৈ পোৱা মানেই যেন কিবা এটা শান্তিৰ পৰা ৰেহাই পোৱা। কলেজৰ গেটৰ সন্মুখ পাই ৰিক্সা এখন লোৱাৰ কথা ভাবি দুখোজ-

মান আগুৱাই গ'ল সীমা··· ·····।

দেউতাক আৰু ভনীয়েক ঘৰত নায়েই, তাই আহি ঘৰ পোৱাৰ কিছুসময়ৰ পিছতেই তাইক চাহ, আবেলিৰ আহাৰ টেবুলত দি মাক ফুৰিবলৈ ওলাই গৈছে। নিজৰ ৰুমৰ দুৱাৰখন বন্ধ কৰি দি শ্লিপাৰজোৰ খুলি তাই বিচনাখনৰ কোমলতাৰ মাজত এৰি দিলে তাইৰ অলস দেহটো। পৰিবেশটো ইমান নিবিড়, নিঃসংগ হৈ পৰিছে, ভাল লাগি গ'ল সীমাৰ। আজিকালি তাই এনেকৈ নিৰিবিলিত ভাৱনাৰ শব্দবিহীন ভাষাৰ মালা গাঁঠিয়েই ভাল পায়। কিছুদিনৰ পৰা সীমা যেন বেলেগ ধৰণে পৰিবৰ্ত্তিত হৈ গৈছে। এনেকুৱা লাগে তাইৰ, অলপ প্ৰসাধন কৰিবলৈ Glass ৰ সন্মুখলৈ আহিলেও তাই যেন নিজক দেখা নাপায়; তাৰ পৰিবৰ্ত্তে ব্লেক জিনচ, আৰু হোৱাইট চাৰ্ট পৰিহিত সুজিতেহে তাইৰ ফালে নিবিড় ভাবে চাই থাকে। —

স্মৃতিবোৰে এটা এটাকৈ ফটফটীয়া বাস্তৱৰ দৰে ধৰা দিছিল সীমাৰ আবেশ সনা দুচকুত······। কেমিষ্ট্ৰিক মেজৰ হিচাপে লৈ বি· এচ· চি· প্ৰথম বৰ্ষত ভৰ্ত্তি হৈছিল তাই। সুজিৎ তেতিয়া তৃতীয় বৰ্ষৰ ছাত্ৰ। লগৰ ছোৱালীবোৰৰ মাজত সুজিতৰ বিষয়ে বহু শুনিছিল তাই। তাৰ হেনো বিৰাট পাৰ্ছিছিটি আছে। হেণ্ডচাম, স্মেৰিটৰিয়াছ, ভাল গীতাৰ বজায়। কলেজত সকলোৱে ৰোমিঅ' বুলি জোকোৱা····· মাত্ৰ তাৰ হেনো কোনো জুলি-য়েট নাছিল। সম্পূৰ্ণ ৰূপে কবলৈ গলে আচলতে সুজিৎ চৌধুৰী সিহঁতৰ কলেজৰ হিৰ'। জুলিয়েট বিহীন সেই সুজিৎ সীমাৰ মনৰো হিৰ' হৈ গৈছিল। দিনবোৰ আগ-বাঢ়িছিল, সিহঁতৰ সপোনবোৰ সীমাহঁতৰ ঘৰৰ সন্মুখৰ কৃষ্ণচূড়াজোপাৰ দৰেই সুবাসিত হৈ পৰিছিল। দিনবোৰ, ঘণ্টাবোৰ, ক্ষণবোৰৰ লগতেই আগবাঢ়িছিল সীমা, সুজিতহঁতো। লগতে পাৰ হৈছিল এটাৰ পিছত আন এটাকৈ পাঁচটা বছৰ। সীমা তেতিয়া ডিব্ৰুগড় ইউনিভাৰছিটিত কেমিষ্ট্ৰিত এম, এছ, চি, পঢ়ি আছিল। পৰীক্ষালৈ তাইৰ মাত্ৰ এমাহ বাকী, তাই ছিৰিয়াছ হৈ পৰিছিল······।

সুজিৎ আহিছিল মনত বিৰামহীন কিছুমান ৰঙীন আশালৈ, সীমাহঁতৰ ঘৰলৈ। সীমাৰ মাক দেউতাকৰ আগত তাৰ মনৰ ভাষাবোৰ বুজাই কৈছিল। দেউতাকৰ উত্তৰলৈ বাট নাচাই মাকে তীব্ৰ অপমানেৰে ৰঙা কৰি দিছিল সুজিৎৰ মুখ। "ইমান অপমান",—

(৬৯ পৃষ্ঠা পিচৰ পৰা)

যোৱাৰ দৰে হ'ল। তাইৰ চিঞৰি চিঞৰি ক'বৰ মন গৈছিল— "ভগৱান, এইবোৰ কি কৰিছা? মোকো নিয়া, মোকো নিয়া, মোৰ স্বামীও ইমান পৰে ঘুৰি অহা নাই? মই কিহৰ আশাত জীয়াই থাকিম? আৰু ক'বৰ মন গৈছিল— "মা, মই সঁচাকৈ পাপী, মোৰ অন্তিম সময়ত তোমালোকৰ বৰ প্ৰয়োজন, মা।"

কিন্তু! তাই যে এতিয়া সম্পূৰ্ণ অসুস্থ, জ্ঞানহীন। মুখেৰে মাত্ৰ নোলোৱা অৱস্থা, গাত শক্তি নোহোৱা। তাই যে এতিয়া সম্পূৰ্ণৰূপে দুৰ্ব্বল। ☐

ক্ষত-বিক্ষত হৈ গৈছিল সুজিৎৰ হৃদয়। বন্ধু অৰুণাভৰ সৈতে সি উভতি গৈছিল সীমাহঁতৰ ঘৰৰ পৰা। তাৰ বাইকৰ গতিবেগ সেইদিনা কিমান আছিল সি নিজে ক'ব পৰা নাছিল।

অনন্য সুজিৎ। সীমাক এটা শব্দও নজনোৱাকৈ সি আঁতৰি গৈছিল দূৰলৈ, সীমাৰ পৰা বহু দূৰলৈ। পৰীক্ষাৰ আগমুহূৰ্ত্তলৈকে সুজিৎৰ শুভেচ্ছাৰ বাবে বৈ বৈ ভাগৰি গৈছিল তাই। কিন্তু সুজিতৰ শুভেচ্ছা? এইয়া সীমাৰ বাবে এটা সঁাথৰ হৈ ৰ'ল। এদিন পৰীক্ষা শেষ হৈছিল, গাড়ীৰে তাইক আনিবলৈ যোৱা দেউতাকৰ লগত ডিব্ৰুগড় ইউনিভাৰচিটিক শেষ বিদায় জনাই তাই ঘূৰি আহিছিল।

ঘৰত ইতিমধ্যে সীমাৰ তিনিদিন পাৰ হৈ গৈছিল। সন্ধ্যা সময়ত ভনীয়েক জিনাৰ সৈতে ল'নত বহি আছিল তাই। সেইটো সীমা জিনাৰ মনৰ দুৱাৰ খুলি দিয়াৰ সন্ধিক্ষণ। প্ৰায়েই এনেকৈ সন্ধ্যা ল'নত সিহঁত দুজনীয়ে আপোন পাহৰা হৈ কথা পাতে। সেইদিনা জিনাই আৰম্ভ কৰিছিল — "জান বাইদেউ! তোক এটা ডাঙৰ কথা ক'ম ক'ম বুলি সুবিধাই পোৱা নাই। তোৰ পৰীক্ষা আৰম্ভ হোৱাৰ কেইদিনমান আগতে আমাৰ ঘৰলৈ·······, উৎসুকতাৰে শুনিবলৈ লোৱা সীমাৰ মনটো আচৰিত ধৰণে সেমেকি গৈছিল। দুচকু ভৰি পৰিছিল। হৃদয়ত প্ৰচণ্ড অনুকম্পাৰ সৃষ্টি হৈছিল। সমগ্ৰ শৰীৰত তাইৰ বিগলিত হৈ গৈছিল উষ্মা — যেতিয়া তাই ভনীয়েকৰ পৰা শুনিছিল মাকে কেৱল সুজিৎক ইমান বেয়াকৈ অপমান কৰিয়েই ক্ষান্ত থকা নাই, তাৰ আগতেই এজন ল'ৰালৈ সীমাক বিয়া দিয়াৰ কথা থিক কৰি থৈছিল। কাৰণ এটাই — সি ধনী, বহুত বেছিস স্মাৰ্ট অন্ততঃ সুজিৎ, সীমাহঁতটকৈ········।

মাহঁতে মোক কি বুলি ভাবিছে? চা জিনা, মইতো এতিয়া কেঁচুৱা নহয়, জীৱনৰ সকলো সিদ্ধান্ত মাহঁতৰা দ্বাৰাই লোৱা হৈছে। মোৰ মত নাথাকিলেও মা দেউতাহঁতে ভাল পাওক বুলি সকলো নীৰৱে কৰি গৈছোঁ। কিন্তু যিটো সিদ্ধান্তৰ লগত মোৰ সম্পূৰ্ণ ভবিষ্যত নিৰ্ভৰ কৰিছে, যিটো সিদ্ধান্তৰ ওপৰত মোৰ সকলো সুখ-দুখ, ইচ্ছা-অনিচ্ছাই নিৰ্ভৰ কৰিছে, সেই সিদ্ধান্তটো লবলৈও তেওঁলোকে কিয় মোক এবাৰো নুসুধিলে। জিনা মইতো খেলাৰ পুতলা নহয়, মোৰ মনটো অন্ততঃ মাহঁতে বুজিবলৈ অকণমান চেষ্টা কৰিব লাগিছিল। কিন্তু তেওঁলোকে কৰিছে কি? যাক মই অন্তৰেৰে ঘিন কৰোঁ, সেই ৰাপমৰ লগত মোৰ বিয়া ঠিক কৰিছে? অহ, ন' জিনা, এইটো কেতিয়াও হ'ব নোৱাৰে, কেতিয়াও ··।

সশব্দে উচুপি উঠিছিল তাই। সীমা যেন আবেগিক হৈ গৈছিল। জিনাই সাবটি ধৰিছিল তাইক।

"বাইদেউ, ইমান চিন্তিয়াছ হৈ নাযাবিছোন, ভগৱানৰ ওপৰত বিশ্বাস ৰাখ, চাই থাকিবি ভগৱানে এদিন চকুমেলি চাবই।" প্ৰবোধ দিছিল জিনাই।

কোনো দিনেই মাকৰ সন্মুখত এটা শব্দও জোৰ দি নোকোৱা সীমাৰ সেইদিনা কি হৈছিল তাই নিজেই নাজানে। দেউতাক

ঘৰত নাছিল । সুজিতক অপমান কৰাৰ পৰা আৰম্ভ কৰি ৰূপমৰ লগত তাইৰ বিয়া ঠিক কৰালৈকে, মাকৰ কেৱল সম্পত্তিৰ প্ৰতি থকা অন্ধ ধাৰণা এইবোৰক লৈ তাই মাকক বহুত কথাই শুনাইছিল । নিজৰ ৰূমৰ দুৱাৰ বন্ধ কৰি হিয়া উজাৰি কান্দিছিল তাই । বাৰে বাৰে সীমাই ভাবিছিল— "ভগৱান, দুখন পবিত্ৰ হৃদয়ৰ মিলনৰ ফলশ্ৰুতি এয়াই নেকি? আৰু ভাবিছিল জিনাৰ কথা, তাই নিজকে নিজে কৈছিল— "এই জিনাজনী নথকা হলে মই কিজানি মৰি গলোঁহেতেন ।" জীয়াই থাকিবৰ বাবে তাই কৰিবলগা হোৱা জীৱনৰ কঠোৰতম সংগ্ৰামৰ সময়তে ছাঁৰ দৰে লাগি থকা জিনাই তাইক প্ৰেৰণা দিয়ে ।

এমাহ, দুমাহ...... সম্পূৰ্ণ বাৰটা মাহ পাৰ হৈ গ'ল, ৰূপমৰ ফালৰ পৰা কেইবাবাৰো বিয়াৰ প্ৰস্তাৱ আহিল কিন্তু সীমাৰ দৃঢ়তাই বাৰে বাৰে প্ৰত্যাক্ষাণ কৰিলে সেই প্ৰস্তাৱ । সীমাৰ ৰিজাল্ট ইতিমধ্যে ওলাইছিল, তাই ফাৰ্ষ্ট ক্লাছ চেকেণ্ড হৈ পাছ কৰিলে । ফাৰ্ষ্ট ক্লাছ ফাৰ্ষ্ট হবলৈ মাত্ৰ অকণমান ব্যৱধান, সীমাৰ ধাৰণা হ'ল সেইখিনি চাগে সুজিৎৰ শুভেচ্ছাৰ অবিহনেই বাকী ৰৈ গ'ল । তাইৰ ৰিজাল্টত সুখী হৈছিল ঘৰৰ সকলো, কিন্তু সুখী হ'ব পৰা নাছিল সীমা নিজেই । বাৰে বাৰে সুজিৎৰ অভিমান ভৰা মুখখনে আমনি কৰিছিল । তাই খুউব কান্দিছিল মাক দেউতাকৰ আঁৰে আঁৰে । খুউব সোনকালে শিৱসাগৰ ছোৱালী মহাবিদ্যালয়'ত তাইৰ "এপইণ্টমেন্ট" হৈ গ'ল । তথাপি সীমা যেন সম্পূৰ্ণ সুখী হ'ব নোৱাৰিলে । ক'ৰবাত যেন কিবা এক শূণ্যতা । অবুজ উদাসীনতা, মনটো প্ৰায়েই উদাস হৈ পৰে সীমাৰ ।

জীনাৰ বিয়া অহা বছৰতেই হ'ব । জীনা গুচি গ'লে যে সীমাৰ দুখ আৰু বেছি হ'ব, কাৰণ মনৰ কথাবোৰ নিৰ্বিঘ্নে পাতিবলৈও কাষত যে কোনোৱেই নাথাকিব । জিনাই তাইক খুউব বুজায় যে এনেকৈ মন মাৰি থাকি অনিয়মিত খোৱা-বোৱাৰে নিজকে কষ্ট দি লাভেই বা কি? সীমাই ভাবে মাজে মাজে জীনা নাথাকিলে তাই ল'নত কাৰ লগত বহিব? কোনে ক'ৰবাৰ পৰা আহিয়েই উধাতু খাই "আজি কি হ'ল জান বাইদেউ......" বুলি আৰম্ভ কৰি একে উশাহতে বহুত কিবা কিবি কৈ শেষ কৰিব । নতুনকৈ কলেজখনলৈ গৈ বেয়া লগা নাই সীমাৰ । প্ৰথম দিনা প্ৰিন্সিপাল-জনে তাইক মাতি নি কলেজখনৰ বিষয়ে বহুত কিবা-কিবি বুজাই দিলে আৰু তাইৰ উজ্জ্বল কৰ্মজীৱন কামনা কৰি উৎসাহেৰে ক্লাছলৈ যাবলৈ ক'লে । জীৱনত প্ৰথম বাৰৰ বাবে সেই বিশেষ দিনটোত সীমাই ইমান ছোৱালীৰ সন্মুখত নিজৰ বক্তব্য দাঙি ধৰিছিল । দুখত ভাঙি পৰিছিল সীমা, তাই ভাবিছিল সেইদিনা সুজিৎ থকা হ'লে ...... । লাহে লাহে অধিক সময় পাৰ হৈছিল তাইৰ কলেজখনতেই । কলেজখনত চাকৰি পোৱা প্ৰায় এবছৰেই হৈ গ'ল সীমাৰ । কলেজখন তাইৰ খুউব আপোন আপোন লাগি গৈছে । কলেজখনেও তাইক যেন খুউব নিজৰ কৰি লৈছে । ছোৱালীবিলাকৰ মাজত থাকি তাই

কিমান বেছি সুখী হৈছে সেইয়া কেৱল তাই নিজেহে জানে। সীমাই মাজে মাজে ভাবে, মাত্র এটা বছৰতে তাইৰ মাজলৈ কিমান পৰিবৰ্ত্তন আনিছে। কালি সম্পূৰ্ণ পাঁচটা ক্লাছ কৰি ভাগৰে জুগৰে আহি সীমা সোনকালে শুই পৰিছিল। ৰাতিপুৱা উঠি নিত্য কৰ্ত্তব্যখিনি কৰি তাই কলেজলৈ গ'ল। ক্লাছ এটা কৰি আহি তাই কমনৰূমৰ সন্মুখ পাওঁতেই চকীদাৰজনে তাইলৈ খাম এটা আগবঢ়াই দি কলে— "বাইদেউ আপোনাৰ চিঠি।" চিঠিখন হাতত লৈ তাই খৰ-খোজেৰে কমনৰূমলৈ সোমাই গ'ল। তাই সোমাই যাওঁতে ৰীতা বাইদেউৱে কিবা এটা লিখি আছিল। খোজৰ শব্দ শুনি তেওঁ সীমাৰ ফালে মুৰ তুলি চাই এটা মিচিকিয়া হাঁহি মাৰি পুণৰ নিজৰ কামত ব্যস্ত হ'ল। চকী এখনত তাই বহি পৰিল। হাতৰ চিঠিখন খুলি তাই যেন কিছু আচৰিত হ'ল। আখৰবোৰ ইমান চিনাকী যেন লাগিছে, তাই খৰকৈ পঢ়ি গ'ল। কৌতুহ'লপূৰ্ণভাৱে কেইশাৰীমান পঢ়িছে মাত্র, অজানিতেই তাইৰ দুচকু ভৰি পৰিল। দুটোপ চকুপানী আহি হাতৰ চিঠিত পৰাতহে তাই সচকিত হৈ উঠিল। চাৰিওফালে এবাৰ সন্ধানী দৃষ্টি বুলাই তাই আকৌ পঢ়ি গ'ল...... । ইতি তোমাৰ 'জিৎ'। আনন্দ নে দুখৰ আতিশায্যত তাইৰ নিজকে কিবা মুক যেন লাগি গ'ল। ইমান দিন......, সম্পূৰ্ণ পাঁচটা বছৰৰ পিছত এইয়া তাইৰ জিৎৰ চিঠি...... তাইৰ এনেকুৱা অনুভৱ হ'ল তাই যেন পাগল হৈ যাব এতিয়া...... ।

সুজিতৰ চিঠি পোৱা এসপ্তাহ হৈ গ'ল। আজিয়েইতো সেই বিশেষ দিনটোত তাইৰ সুজিৎ যে আকৌ আহিব। তাইৰ ওচৰলৈ উভতি আহিব। এইবাৰ কিন্তু তাই সুজিতক কেতিয়াও ইমান দূৰলৈ আঁতৰি যাবলৈ দিব নোৱাৰে। সুজিতেইতো তাইৰ প্ৰাণৰ দেৱতা। সুজিৎ অবিহনে তাই জীয়াই থাকিব পাৰিব জানো? ভাবি ভাবি একো সিদ্ধান্ত লব পৰা নাই। সীমাই তাইৰ প্ৰাণৰ দেৱতাক পূজিবলৈ ষোড়শোপচাৰ তাই কিনৰে যতনাব। এইবাৰ আৰু তাই কাৰো বাধালৈ, কাৰো সিদ্ধান্তলৈ অপেক্ষা নকৰে। যান্ত্ৰিক ভাৱে আহি কমন ৰুমত বৈ তাই হাতৰ ঘড়ীলৈ চালে দুই বাজি পঁচিছ মিনিট। ক'ৰিডৰটোৰে তাইৰ ফালেই আগবাঢ়ি আহিছে চকিদাৰজন। তাইক উদ্দেশ্যি কলেহি 'বাইদেউ গেটৰ ওচৰত মানুহ এজন আপোনাৰ বাবে বৈ আছে।' সীমাৰ সৰ্ব্বশৰীৰৰ মাজেদি যেন বৈ গ'ল অনামি এটা শীতল শিহৰণ। তাই এখোজ দুখোজকৈ দীঘলীয়া কৰিড'ৰেৰে গেটৰ ফাললৈ আগবাঢ়ি গ'ল। তাই বুজা নাই তাইৰ সমগ্ৰ হৃদয় জুৰি এইয়া কিহৰ অনুকম্পা, হেৰাই যোৱাজনক পুনৰ কাষত পোৱাৰ ব্যাকুলতা, নে পাই হেৰুৱাজনক পুনৰ পোৱাৰ সন্ধিক্ষণত তাইৰ হৃদয়ৰ অনাবিল অনুভূতি। কিছু দুৰৰ পৰাই তাই লক্ষ্য কৰিলে গেটৰ বাহিৰত তাইৰ প্ৰিয় ৰং— মেৰুণ ৰঙৰ এখন কাৰ, কাষত সজল চাৱনিৰে সেইয়া সুজিৎ। সেই কলে-

( ৭৮ পৃষ্ঠাত চাওক )

# নাম তাইৰ অশ্ৰুবন্যা

শ্ৰীঅংশুমালা দত্ত
স্নাতক ১ম বাৰ্ষিক

অশ্ৰুবন্যা ৰাতিপুৱা শুই উঠি ফুৰিবলৈ ওলাল। তাই প্ৰতি দিনাই লক্ষ্য নকৰা দুবৰিৰ ওপৰত পৰা ভৰি দুখন যেন আজি অলৰ-অচৰ। তাইতো ভবা নাছিল যে তাইৰ ভৰি দুখনৰ দৰে হাজাৰখন ভৰিৰ গছকতো দুবৰিবোৰতো মৰি নিস্পত্তি হ'ব নোৱাৰে। এইবোৰ ভাবি থাকোতে তাই দেখিলে যে ফুলবোৰত পৰি ভোমোৰাবোৰে গুণ-গুণকৈ ফুলৰ মৌ চুহিছে। কিন্তু বসন্তৰ বতৰত ফুলা ৰঙা ৰঙা ডাল ভৰি থকা মদাৰ জোপাৰ ওচৰলৈ ভোমোৰাবোৰ ঢপলিয়াই যোৱা নাই। এৰা ঠিকেইতো সৌন্দৰ্য্যৰ আকৰ মদাৰজোপা হ'লেও তাৰ যে গোন্ধ নাই। বহুত পৰ চিন্তাত মগ্ন থকাৰ বাবেই হয়তো তাই বুঢ়ীগৰাকীৰ করুণ মাতষাৰ শুনা নাছিল। বুঢ়ীগৰাকীক ভিতৰলৈ মাতি নি চাহৰ বাতিটো আগবঢ়াই নিসঙ্গ মুহূৰ্ত্তৰ সঙ্গী হিচাবে তাইৰ জীৱনৰ সকলোবিলাক কথা কৈ গৈছিল।

তাই তেতিয়া বেংক এটাতে চাকৰি কৰিছিল। মাক-দেউতাকৰ তাইক লৈ বৰ চিন্তা। কিয়নো তেওঁলোকৰ প্ৰধান কৰ্ত্তব্য হৈছে ছোৱালীক ভাল পাত্ৰৰ হাতত গটাই দিব পৰাটো। কিন্তু মাক-দেউতাকৰ এটাই চিন্তা, তাইৰ কুৰূপা চেহেৰাটোৰ বাবে তেওঁলোকৰ সেই চিন্তা সদায় চিন্তা হৈয়ে ৰ'ল। কিন্তু তাইৰ দুখ নালাগে ভনীয়েকৰ কথা ভাবিয়েই। ভনীয়েক অজন্তাই ঘৰখনৰ সকলোকে বিচৰাখিনি দিব পাৰিছে। অজন্তাক তাইৰ বৰ ভাল লাগে। কঠোৰ পৰিশ্ৰমী তাই। অজন্তা কলেজত পঢ়াৰ অলপ দিনৰ পাছতেই দেউতাক ঢুকাইছিল। ককায়েক হঁতলৈ আশা নকৰি অশ্ৰুবন্যাই ভনীয়েকৰ সকলো দায়িত্ব লৈছিল। দেউতাক ঢুকোৱাৰ পাছৰ পৰাই মাকৰো বেমাৰ। কোনদিনা কি হয় একো ঠিকনা নাই।

এইদৰে দিন বাগৰাৰ লগে লগে অজন্তাই হায়াৰচেকেণ্ডাৰী ভালকৈ পাছ কৰি গুৱাহাটীলৈ পঢ়িবলৈ গুছি গ'ল। অৱশ্যে অশ্ৰুবন্যাৰ বাবেই যাব লগা হ'ল। তাই হোষ্টেলত থকাৰ পৰা আদি কৰি সকলো ব্যৱস্থা অজন্তাৰ বাবে নিজেই গ্ৰহণ কৰিলে। ককায়েককেউটাই কেৱল ফিচিঙা-ফিচিঙ চকুৰে তাইলৈ

চাই হাঁহি হে পাবে। তাই তেতিয়া ভাবে, সঁচাই সিহঁতৰ ভগ্নী প্ৰেম। ককায়েকহঁত কেৱল বৌ কেইজনীৰ লগত লাগি থাকি মাক-দেউতাকৰ সম্পত্তিৰ অধিকাৰী হবহে খোজে। সিহঁতৰ যেনিবা মাক-দেউতাক আৰু ভনীয়েক-হঁতৰ প্ৰতি কোনো দায়িত্বই নাই। এইবোৰ ভাবি ভাবি অশ্ৰুবন্যাৰ দুখ লাগে তাইৰ দৰে নিঠৰুৱা ছোৱালীবোৰলৈ। কিন্তু কঠোৰ নিয়তিয়ে সিহঁতৰ সুখক স্বীকৃতি নিদিয়ে। এদিন অকস্মাতে এজাক বিষাক্ত বতাহ আহি যেন সিহঁতৰ জীৱন যাত্ৰাৰ যতি পেলালে। মাকৰ অৱস্থা যোৱা-খোৱা। হঠাতে এদিন তাই হয়তো ঘাটমাউৰা হব লাগিব। মাকৰ অসুখৰ খবৰ তাই ককায়েকহঁত আৰু ভনীয়েকলৈ খবৰ দিলে। কিন্তু নিৰ্দ্দিষ্ট দিনত কোনো আহি নাপালে। তাই মাকৰ বিচনাত বহি মাকৰ মুখলৈ চাই থাকোতে মাকৰ নিঠৰ হাত আৰু ক'লা চকুৰ গুৰিকেইটাই যেন কিবাবাৰ ইংগিত দিলে 'পানী' বুলি। পানী আনিবলৈ ভিতৰলৈ যাওঁতেই মাকে তাইক অকলশৰে ঘৰটোৰ মাজত এৰি থৈ কৰবালৈ গুচি গ'ল। বুকুভাঙি কন্দাৰ পাছত তাই মাথোন ভনীয়েকৰ কথাই ভাবিছিল। অজন্তাই তাইৰ অতীত, বৰ্ত্তমান আৰু ভবিষ্যত। অৱশ্যে মাকৰ মৃত্যুৰ পাছত ৰতীয় সকলো কাৰ্য্যভাৰ লৈছিল ককায়েকহঁতেই। মাকেই তাইৰ ওচৰত সদায় ছাঁৰ দৰে আছিল। মাকৰ মৃতুৰ পাছতো বহুত দিনলৈ তাই ভনীয়েক অজন্তাৰ কোনো খা-খবৰ পোৱা নাছিল। কিছুদিনৰ পাছত পাইছিল এখন চিঠি।

কেইশাৰীমান বাক্য মাত্ৰ। এই শাৰীকেইটাৰ মাজতে তাই হেৰোৱাই পেলাইছিল জীৱনৰ সকলো মায়া মোহ।

মৰমৰ

বাইদেউ,

তই মোক ক্ষমা কৰ। মোৰ লগতে তই সুখেৰে থাক। মই তোক আৰু দুখ নিদিওঁ। মই জানো যে তই মোক গঢ়ি তুলিবলৈ যথেষ্ট কষ্ট কৰিছিলি। কিন্তু মই নিলিখি নোৱাৰিলো যে মই সেইখন ঘৰৰ ছোৱালী আছিলো। কিন্তু আজি অন্য এখন ঘৰৰ বোৱাৰী হৈ ওলাই আহিছো সাধাৰণ ভুলৰ বাবে; বাইদেউ আজি মোৰ এই অৱস্থা। এইটো মোৰ অতি নিষ্ঠুৰ সত্য। তই বৰ দুখ পাবি। বাইদেউ, তোক মই আৰু জীৱনত কোনো দিন লগ নিদিওঁ। কাৰ কাৰণে, কিয় মোৰ এনে হ'ল মই কব নোৱাৰো।

ইতি
তোৰ
অজন্তা

চিঠিখন পঢ়ি অশ্ৰুবন্যাই কেৱল কান্দিলে আৰু কান্দিলে। চিঠিখন লিখোতে ভনীয়েক অজন্তাৰ চকুপানীৰে সৈতে তাইৰ চকুপানীবোৰ মিলি চিঠিখনৰ আখৰবোৰ অস্পষ্ট কৰি পেলালে। মনিব নোৱাৰাত তাই চাৰিওফালে এবাৰ চালে। তাইৰ যেন কেউটা ককায়েকে দাঁত নিকটাই তাইৰ ফালে চাই হাঁহি

আছে।

এই সকলোবোৰ কোৱাৰ পাছত তাই হুকহুককৈ কান্দি উঠিল। বুঢ়ীৰ হোতোৰা-হোতোৰ হাতখনে তাইৰ চকুপানীবোৰ মোহাৰি মোহাৰি ক'লে, "নাকান্দিবি আই, তই ধৈৰ্য্য ধৰ। তয়েই এদিন ককায়েৰহঁতক পথ দেখুৱাব পাৰিবি। অশ্ৰুবন্যাই বুঢ়ীৰ কথাত অশ্ৰু মোহাৰি সাহসেৰে সংগ্ৰাম কৰিবলৈ সন্তম হ'ল। □

( ৭৫ পৃষ্ঠাৰ পিছৰ পৰা )

জত পঢ়াৰ দিনৰ দৰেই তাই চিঞৰি দিব খুজিছিল কিন্তু·········। ধৈৰ্য্য সহকাৰে সীমা সুজিতৰ সন্মুখত ৰ'ল।

সী···মা ····· — সুজিতৰ মাত যেন থোকাথুকি হ'ল। তাই মূৰ তুলি চালে এইয়া সুজিতে এতিয়া কান্দি দিব নেকি? তাৰ দুচকু যে ভৰি পৰিছে। কিবা এটা কব খুজিও সীমাই একো কব নোৱাৰিলে। অবিন্যস্ত চুলিখিনি ঠিক কৰিবলৈ বাওঁহাতখন নি এটা চেঁচা স্পৰ্শত সচকিত হৈ পৰিল সীমা, তাইৰ দু-নয়ণ অশ্ৰুসিক্ত এইয়া চকুলো, তাইৰ হিয়াভৰা আনন্দ নে গভীৰ দুখৰ প্ৰকাশ মাত্ৰ নুবুজিলে সীমাই ········। □

"তোমাৰ যদি আত্ম বিশ্বাস আছে তেন্তে লোকৰ সন্দেহলৈ ভয় নকৰিবা, তোমাৰ জয় অনিবাৰ্য্য।"

— মহাত্মা গান্ধী

"হতাশাক প্ৰশ্ৰয় নিদিবা। এবাৰ প্ৰশ্ৰয় দিলেই ই তোমাৰ অভ্যাসৰ অংশ হৈ পৰিব।"

– ছিডিনি স্মিথ

উপন্যাসিকা



# জীৱন প্ৰেম স্বাৰ্থ ইত্যাদিবোৰ

শ্ৰীববী বৰা
স্নাতক ১ম বাৰ্ষিক

## এক

### তেজ হৃদয়

তেজ। এসোপা কেঁচা তেজ।
বুকুৰ ভিতৰৰ তেজৰ ৰঙো ৰঙা। হাতৰ তেজৰ ৰঙো ৰঙা।
কোনে কব পাৰিব সেয়া, সেয়া কলিজাৰ তেজ নে হাতৰ তেজ। ভগ্ন হৃদয়ৰ পৰা নিগৰি নিগৰি বৈ অহা তেজ নে কটাৰীৰ আঘাতৰ ফলত বৈ অহা তেজ। হৃদয়ৰ পৰা বৈ অহা তেজ কাহানিও নুশুকায়। শুকালেও ডকা বান্ধি বৈ যায়। সময়ৰ তীক্ষ্ণ শৰে বিন্ধিলে আকৌ তেজ ওলায়।

কিন্তু কটাৰীৰ আঘাতৰ ফলত হোৱা ঘা-টুকুৰা শুকাই যায়। মাংস গজি আহে। কিন্তু তেজ জানো আত্ম-দহনৰ ফলশ্ৰুতি নহয়। কেতিয়াবা প্ৰিয়জন আহে, হৃদয়ত কৃষ্ণচুড়া ফুলে। কিন্তু যেতিয়া গুচি যায়, তেতিয়া জানো তেজ লৈ নাযায়। প্ৰিয়জন কালধুমুহাৰ দৰে আহে, যাওঁতে হৃদয় চূৰ্ণ-বিচূৰ্ণ কৰি থৈ যায়।

তেজেৰে লিখা কথাবোৰহে হেনো জগতত যুগমীয়াহৈ বৈ যায়।

তেন্তে জগতত তেজৰ প্ৰয়োজন আছে।

## দুই

### চিনাকি-অচিনাকি

পৃথিবীত কোনে কেনেকৈ চিনাকি লৈ আহে, জনা নাযায়। ক'ত, কাৰ, কেনেকৈ চিনাকি হয় তাকো জনা নাযায়। কিছুমান চিনাকি অচিনাকি হৈ ৰয়।
কিন্তু কিছুমান চিনাকিয়ে হৃদয়ত দুৰ্বোধ্য ছাপ বহুৱাই থৈ যায়। হৃদয়ৰ পোছাৰ ফাটি-ছিটি গ'লেও সেই দাগ স্পষ্ট হৈ ৰয়। তেনেবোৰ চিনাকি বিচাৰি কৰিলেকো যাব নালাগে। নিজে নিজেই হয়। তাৰ বাবে লাগে প্ৰতীক্ষা।

সময়ৰ তেজৰ সোঁতত উটি ভাঁহি আহোঁতে কোনোবা অচিনাকি চিনাকি হয়, চিনাকিবোৰ গুচি যায় হৃদয় ৰিক্ত কৰি, হৃদয়ৰ তেজেৰে লুটুৰি-পুতুৰি এটা শব্দ চিনাকি।

বুকুত কিতাপখিনি সাৱটি খৰ খোজেৰে তন্ময়তাৰে সৈতে আহি থকা ছোৱালীজনীক পৰাৰ পৰা তুলি ধৰিছিল পলাশে। চক্ খাই উঠিছিল অনামিকা।
"দুখ পালা নেকি?"
"নাই······নাই পোৱা।" লাজ আৰু শংকাত ছোৱালীজনীৰ মাত স্পষ্ট হৈ ওলোৱা নাছিল।

সেয়াই আৰম্ভণি। এদিন ভালদৰে চিনাকি হৈছিল সি অনামিকাৰ লগত।

অনামিকা। যাক নামেৰে বুজাব পৰা নাযায়। উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰী।
পলাশ সহজ হ'ব বিচাৰিছিল অনামিকাৰ ওচৰত।
কিন্তু অনামিকা সহজ হ'ব পৰা নাছিল। তাই বিচাৰিছিল পলাশ আৰু তাইৰ সম্বন্ধ বন্ধুত্বৰ মাজতে আবদ্ধ থাকক।
কিন্তু পলাশে জানো বিচাৰিছিল?

পলাশৰ হৃদয়ত অনামিকা ৰক্তজবা ৰূপে লহপহকৈ বাঢ়ি আহিছিল।

## তিনি

### প্ৰেম, আত্মাৰ গঠন

প্ৰেম।

আটাইতকৈ ডাঙৰ মানৱীয় উপলব্ধি।

পলাশে ভাল পাবলৈ বিচাৰিছিল অনামিকাক। এদিন অনামিকাৰ বান্ধৱী পলিৰ হতুৱাই তাইক কৈছিল সি হেনো তাইক ভাল পাব বিচাৰে।

অনামিকাই একো কোৱা নাছিল।

পলাশে ভাবি লৈছিল মৌনতাই সন্মতিৰ লক্ষণ। অনামিকা ক্ষুন্ন হৈ উঠিছিল। তাই পলিক কৈছিল— "পলি, তাৰ যদি ইমানেই মোক ভালপোৱাৰ ইচ্ছা, তেন্তে সি নিজে কিয় মোক নুসুধিলে? সি কিয় ধৰি ললে মই তাক ভাল পাম বুলি? মোক বুজাৰ হেপাহ তাৰ নাছিল নেকি? মোৰ বিষয়ে জনাৰ তাৰ একো আগ্ৰহেই নাই নেকি?"

এদিন পলাশে তাইক কৈছিল—"অনামিকা নাভাবিবা, তোমাক কিবা এটা কোৱাৰ সাহস মোৰ নাই বুলি। কিন্তু কিয় নকলোঁ জানা? যদি তুমি মোৰ কথা মানি নোলোৱা তেন্তে সেই কথা শুনিবলৈ মই মানসিকভাৱে প্ৰস্তুত নহবও পাৰো। তোমাৰ বিষয়ে জনাৰ প্ৰয়োজন বোধ কৰা নাই অনামিকা। মই মাত্ৰ তোমাকহে ভাল পাব বিচাৰো।"

ল'ৰাটোৰ মুখৰ স্পষ্টবাদিতাত মই সুখী হৈছিলো। মই তাক ঠিক এইদৰেই বিচাৰিছিলো। আমাৰ মাজলৈ জটিলতা অহাটো মই বিচৰা নাছিলো। বিচৰা নাছিলো আমাৰ সম্পৰ্কটো ঘনিষ্ঠ হোৱাৰ। সপোন দেখিছিলো আমি দুয়ো দুয়োৰে বাবে প্ৰেৰণা হৈ থকাৰ।

কিন্তু বিচৰা নাছিলো যদিও হৈছিল। মানুহৰ মুখৰ কথাবোৰ মনৰ কথা নহয়। পৰিস্থিতিত পৰি মানুহে কিছুমান কথা কয় যদিও সেইবোৰ মনৰ কথা নহবও পাৰে। মুখেৰে যিটো কয় সেইটো অন্তৰে মানি লবলৈ টান পায়। পলাশে কেৱল 'মোক' ভাল পাবলৈ বিচৰা নাছিল, বিচাৰিছিল মোৰ চৰিত্ৰকো।

পলাশে মোৰ বন্ধুবোৰকো সহজ ভাৱে লোৱা নাছিল। সি মোক সন্দেহ কৰিছিল।

নিজৰ অনুভূতিৰ স্বাৰ্থৰ খাতিৰতে এটা ল'ৰাক আজীৱন নিজৰ লগত আবদ্ধ কৰি ৰখাৰ কোনো যুক্তি নাই।

ঃ 'তুমি মোক চৰিত্ৰৰ বিষয়ে কিয় সুধিছিলা পলাশ? মোৰ ওপৰত তোমাৰ বিশ্বাস নাই।' ক্ষোভ জড়িত কণ্ঠেৰে মই তাক প্ৰশ্ন কৰিছিলো।

ঃ .. .............. ...

ঃ কিন্তু তুমি প্ৰকৃততে কাক ভাল পাইছিলা? "মোক নে মোৰ চৰিত্ৰক?"

ঃ "তুমি আৰু তোমাৰ চৰিত্ৰ অভিন্ন। তোমাৰ চৰিত্ৰক লৈয়েতো তুমি। গতিকে মই একো বেয়া কাম কৰা নাই।"

তাৰ বেপেৰোৱা কথাষাৰে মোৰ ক্ষোভ বঢ়াই তুলিছিল। মই তাক কৈছিলো, "পলাশ, তুমি আমাৰ পবিত্ৰ সম্বন্ধক কিয় কদাকাৰ

কৰি তুলিছা ? 'সন্দেহ' বৰ বেয়া বস্তু। ই জীৱনটো সুন্দৰ নকৰে। যিকণ সুন্দৰতা থাকে তাকো কুৎসিত কৰি পেলায়। সন্দেহ-বাদী মানুহে নীচতকৈয়ো নীচ কথা আৰু ঘৃণনীয়তকৈয়ো ঘৃণনীয় কাম কৰিব পাৰে।'

মই আঁতৰি আহিছিলো।

## চাৰি

### পৰাজয় .... বিবেক .......

জীৱনৰ ক'তো পৰাজয় নোহোৱা মই এটা ল'ৰাৰ ওচৰত পৰাজিত হ'ব খোজা নাছিলো। বিবেকৰ বিৰুদ্ধে যাব পৰা নাছিলো।

এফালে নিজস্বতা হেৰুওৱাৰ ভয় আৰু আনফালে মোৰ প্ৰেম। মানসিক অন্তৰ্দ্বন্দ্বত ক্ষত-বিক্ষত হৈ উঠিছিলো মই।

নিজস্বতা হেৰুওৱাৰ সমান পৰাজয় জীৱনত দ্বিতীয় এটা নাই। মোৰ প্ৰেমতকৈ নিজস্বতা সৰু হোৱা নাছিল। গতিকে মই তাক জনাই দিছিলো মোৰ শেষ সিদ্ধান্তৰ কথা। নিজকে প্ৰস্তুত কৰি তুলিছিলো মই।

সি মোক কৈছিল—"মোৰ ভুল হৈ গৈছিল অনামিকা। মোক ক্ষমা কৰি দিয়া।"

তেজেৰে লিখি সি মোক জনাই দিছিল সি যে মোক অন্ধৰ দৰে ভাল পায়। প্ৰেম হেনো অন্ধ।

"নহয় পলাশ, প্ৰেম অন্ধ নহয়। প্ৰেম পবিত্ৰ, প্ৰেৰণা; প্ৰেম আত্মাৰ গঠন। তুমিহে প্ৰেমক অন্ধ কৰি পেলাইছা।" মোৰ চিঞৰি চিঞৰি ক'বৰ মন গৈছিল।

মই তাক ক্ষমা কৰিব পৰা নাছিলো। আত্ম-উপলব্ধিৰ অবিহনে ক্ষমাৰ কোনো মূল্য নাই। এবাৰ ক্ষমা কৰাৰ পিছত দ্বিতীয় এটা ভুল কৰিবলৈ তাৰ বেছি সময় নালাগে।

তাৰ ভুল হৈছিল।

তাৰ ভুলৰ কাৰণে ময়ো ভুল কৰিছিলো।

সময়ৰ তেজৰ সোঁতত উটি-ভাঁহিয়েই এদিন পলাশ মোৰ ওচৰলৈ আহিছিল আৰু সেই তেজেৰেই মোক বুজাবলৈ ব্যৰ্থ চেষ্টা কৰিয়েই সি মোৰ কাষৰ পৰা আঁতৰি গৈছিল।

সি আঁতৰি গৈছিল মোৰ ওচৰৰ পৰা। কিন্তু মই পাহৰিব পৰা নাছিলো। মাত্ৰ জেদৰ কাৰণে তাৰ ওচৰৰ পৰা মই আহি-ছিলো। কিন্তু অতীতৰ জখলাইদি নিজৰ জীৱনটোক উলটি চাওঁতে সদায় তাৰ সেই কথাকেইটা মোৰ মানসপটত জিলিকি উঠিছিল। তাৰ তেজৰ গোন্ধ থকা শব্দ—"মই তোমাক ভাল পাওঁ।"

সেয়া বাৰু সঁচাই তাৰ কলিজাৰ তেজ নে ?

দিনবোৰ অতীত হৈ গৈছিল।

নিজৰ গতিশীলতাৰ বিষয়ে আনক সজাগ কৰি ক্ষণবোৰ, মুহূৰ্তবোৰ দিনত আৰু দিনবোৰ মাহত বিলীন হৈ গৈছিল।

আৰু মই......

মানুহৰ মাজত থাকি নিজকে পাহৰিবৰ চেষ্টা কৰিছিলো। হাঁহিৰ লগত মোৰ দুখ-বোৰ বিলীন কৰি দিব বিচাৰিছিলো। নিসং-গতাত নিজকে তিলতিলকৈ শেষ কৰি দিব বিচাৰিছিলো।

মোৰ হায়াৰচেকেণ্ডাৰী পৰীক্ষা ওচৰ চাপিছিল।

আনৰ চকুত নিজকে স্বাভাৱিক কৰি পৰীক্ষা দিছিলো। নিজক প্ৰতিষ্ঠা কৰাৰ চেষ্টাত।

স্বাৰ্থপৰ পৃথিবীত নিজকে বিচাৰি চোৱাৰ প্ৰচেষ্টাত।

## পাঁচ

ৰহাগ

এটি স্পৰ্শকাতৰ সময়। কাৰোবাৰ যৌৱনৰ আঁচলত বহি জিৰণি লোৱাৰ সময়। হৃদয়ৰ ৰক্তজবা লহপহকৈ বাঢ়ি অহাৰ সময়।

হৃদয়ক চুই যোৱা স্পৰ্শকাতৰ ৰহাগত প্ৰথম দিনটোতে চিনাকি হৈছিলো অৰুণাভৰ লগত।

কিছুমান নামতো আত্মীয়তা থাকে নেকি? 'অৰুণাভ' মোৰ সমগ্ৰ শিৰা-উপশিৰাইদি পাৰ হৈ গৈছিল। নৱ বসন্তৰ দৰে সিও আছিল চিৰসত্য। ল'বাটোক ভাল লাগিছিল তাৰ হৃদয়স্পৰ্শী আৰু অগতানুগতিক কথাবোৰৰ কাৰণে। মই তাক সহজ ভাবে লৈছিলো। হাঁহি হাঁহি কান্দোনৰ অভিনয়েৰে পাতিছিলো অৰুণাভৰ লগত হালধিৰ কথা। লাহে লাহে আমাৰ ঘনিষ্ঠতা বাঢ়ি আহিছিল।

□ □ □ □

ইতিমধ্যে মই উচ্চতৰ মাধ্যমিক পৰীক্ষাত ভালদৰেই উত্তীৰ্ণ হৈ দূৰৈৰ কলেজত পঢ়িবলৈ গৈছিলো। হোষ্টেলত আছিলো। অৰুণাভ মোৰ ওচৰলৈ মাজে মাজে আহিছিল। অৰুণাভেও বিশ্ববিদ্যালয়ৰ শিক্ষা ল'বলৈ ঘৰৰ পৰা আঁতৰি গৈছিল।

## ছয়

পলিৰ কথা……

অনামিকাৰ জৰিয়তে মোৰ চিনাকি হৈছিল অৰুণাভৰ লগত। আমাৰ কথাবোৰ কিছুমান গতানুগতিক কথাৰ মাজতে সীমাবদ্ধ নাছিল।

আমি পাতিছিলো চিনাকিৰ কথা। অনামিকাই কৈছিল — "আমাৰ চিনাকিবোৰ অতি অসময়ত হয়। সদায় সময়ৰ কিছু আগত নতুবা সময়ৰ কিছু পিছত। যেন নিয়তিয়ে ইচ্ছা কৰিয়েই সদায় অসময়ত আহি নিজৰ চিনাকিবোৰ দিয়েহি।"

চিৰ আজন্মৰ চিনাকি ৰিংকুক মোৰ অচিনাকি যেন লাগিছিল। সাঁথৰ হৈ উঠিছিল তাই মোৰ বাবে।

অৰুণাভে কিবা যেন বুজি পাইছিল। সি কৈছিল — "নহয় অনামিকা। সকলোবেতো জীৱনৰ পথ একে নহয়। আমাৰ চিনাকিবোৰ সদায় ঠিক সময়তে হয়, তাৰ মাজত নিজক বিচাৰি চাব জানিব লাগে।"

অনামিকা মনে মনে বৈছিল।

সিহঁতে পাতিছিল তেজৰ কথা। ভালপোৱা ফুলৰ কথা।

অনামিকাই ৰক্তকৰবী ভাল পাইছিল। তাই ৰক্তকৰবীৰ সাদৃশ্য দিছিল মানুহৰ হৃদয়ৰ সৈতে।

অৰুণাভক কৈছিল — ‘অৰুণাভ, ৰক্তকৰবী আৰু মানুহৰ হৃদয়ৰ মাজত এটা নিবিড় সম্পৰ্ক আছে। মানুহৰ কলিজাৰ তেজো ৰঙা আৰু ৰক্তকৰবীৰ ৰঙো ৰঙা।

ঃ “কিন্তু কৰবী ফুলা মানুহে দেখে, হৃদয় ফুলা মানুহে নেদেখে।”

ঃ “নীৰবে ফুলি নীৰবে মৰহি। যোৱাতেই হৃদয় ফুলাৰ সাৰ্থকতা।” কথাষাৰ কৈ হঠাৎ অন্যমনস্ক হৈ পৰিছিল অনামিকা।

অনামিকাৰ কথাত অৰুণাভ উচপ খাই উঠিছিল। যেন ডাঙৰ সত্য এটাহে আৱিষ্কাৰ কৰিলে। সেইদিনা অৰুণাভৰ দুচকুৰ চাৱনিত আবিষ্কাৰ কৰিছিলো এটা দুৰ্বোধ্য চাৱনিৰ ভাষা। সেই দৃষ্টি মানুহৰ হৃদয় দেখাৰ দৃষ্টি।

অনামিকাই মোক কৈছিল — “পলি, অৰুণাভক দেখিলে মোৰ ভাব হয় সি যেন এটা অশান্তিত ভুগিছে। কিছুমান অপ্ৰত্যাশিত বেদনা যেন সি কঢ়িয়াই লৈ ফুৰিছে। অথচ কাকো যেন একো কব নোৱাৰে।”

মই মনে মনে ভাবিছিলো। আনৰ অনুভূতিক অধিক মূল্য দিয়া স্পৰ্শকাতৰ ছোৱালী-জনীৰ অৰুণাভৰ প্ৰতি সহৃদয়তা দেখি মই ভাল পাইছিলো।

## সাত

কিন্তু ভাল পোৱা নাছিল সমাজে। অৰুণাভৰ ঘৰখনো এৰা পলাশৰ দৰে নীচ মানসিকতাৰ মানুহো সমাজত থাকে। যোৱেই ভুল হৈছিল সেইখন সমাজক সহজ ভাৱে চোৱাৰ, অৰুণাভৰ চকুত চকু থৈ পৃথিৱীখন চোৱাৰ হেঁপাহ কৰাৰ। এসময়ৰ শুভাকাংক্ষী বোৰ মোৰ বাবে অবাঞ্চিত হৈ উঠিছিল।

আত্মগোপনকাৰী সংগঠন এটাৰ সদস্য অৰুণাভৰ ককায়েক আহিছিল আমাৰ ঘৰ-খনলৈ। কিন্তু সেইদিনা অহা নাছিল আশ্ৰয়ৰ বাবে, আহিছিল মোৰ ওচৰলৈ। মোক কৈছিল — সিহঁতৰ সবলতাৰ সুযোগ মই হেনো খুব বেছিকৈয়ে ল'লো। মই অৰুণাভক সিহঁতৰ বুকুৰ পৰা আজুৰি আনিব বিচাৰিছো।

মই স্তব্ধ হৈ গৈছিলো। এনেকুৱা এটা কথা শুনিবলৈ মই মানসিক ভাবে প্ৰস্তুত নাছিলো। জেদী হৈ উঠিছিলো মই।

অৰুণাভৰ ওচৰত সহজ হোৱাৰ অভি-নয় কৰিছিলো। তাক এই বিষয়ে জনোৱা নাছিলো।

## আঠ

## জীৱন সংঘাত ....

অৰুণাভ মোৰ বেছি ওচৰলৈ আহি-ছিল। কৈছিল তাৰ জীৱনৰ সকলো কথা। কৈছিল আত্মগোপনকাৰী সংগঠন এটাৰ সদস্য তাৰ মাজু ককায়েকৰ কথা। ডাঙৰ ককায়েক আৰু দেউতাক চাকৰি সংক্ৰান্তত দূৰৈত আছিল। গতিকে ঘৰৰ সমস্ত দায়িত্ব সি মুৰ পাতি ল'ব লগা হৈছিল। সি সকলো সহ্য কৰিছিল।

তাৰ মাজতো এদিন পুলিচৰ হাতত ধৰা পৰিছিল ককায়েক। এমাহ জেলত থকাৰ পিছত ককায়েক ঘৰলৈ আহিছিল। কিন্তু ঘৰখনে তাক ধৰি ৰাখিব নোৱাৰিলে। কিছুদিনৰ পিছত সি ঘৰৰ পৰা একেবাৰে ওলাই গৈছিল।

ককায়েকক বিচাৰি পুলিচ ঘৰলৈ আহিছিল। ককায়েকক নাপাই তাৰ ওপৰত অত্যাচাৰ কৰাটো এটা সাধাৰণ কথা হৈছিল। মাকৰ মুখৰ হাঁহি নোহোৱা হৈছিল।

মাকৰ অসুখ বাঢ়ি গৈছিল। দেউতাক নীৰৱ হৈ পৰিছিল। বৃদ্ধ বয়সতো দেউতাক থানালৈ যাব লগা হৈছিল। মাজে নিশা ঘৰলৈ সামৰিক বাহিনীৰ আগমন সহজ কথা হৈ পৰিছিল। দেউতাকৰ মুখলৈ চাই কথা কোৱাৰ সাহস সি হেৰুৱাই পেলাইছিল। নিজৰ সুকোমল সময়বোৰ তাৰ হাতৰ মুঠিয়েদি সৰকি গৈছিল। নিজৰ জীৱনৰ বিষয়ে ভাবিবলৈ সময় পোৱা নাছিল সি। ভৱাও নাছিল। জীৱনৰ প্ৰতি উদাসীন হৈ পৰিছিল।

এদিন সি ককায়েকক লগ ধৰি কৈছিল ঘৰলৈ ঘূৰি অহাৰ কথা। তাৰ বাবে নহয়, এই বয়সতো দেউতাক থানালৈ যাব লগা হোৱাৰ বাবে। নিজস্বতা ৰজাই ৰাখি, নিজৰ বিবেকক বিক্ৰী নকৰাকৈ নিজৰ আদৰ্শ জীয়াই ৰাখি মুক্ত সুঁতিৰ পৰা ঘূৰি অহাৰ কথা। ককায়েকে শুনা নাছিল।

তাৰ ওপৰত ককায়েকে অভিমান পুহি ৰাখিছিল। নিজৰ ভায়েকক হেৰুওৱাৰ অভিমান।

ককায়েকে মোক কোৱা কথাবোৰ কোৱা নাছিলোঁ যদিও জানিছিল পৰিয়ালে তাক কথাবোৰ কৈছিল। সি মোক সুধিছিল কথাবোৰ। জানিও হিচাবিছিলো কিয় তাক কোৱা নাছিলো। কথাবোৰ

কিছুমান কথা মনৰ মাজতেই আবদ্ধ ৰাখিব লাগে। জীৱনত এইবোৰ কথাবোৰে যন্ত্ৰণা দিয়ে স্বঁচা, কিন্তু সেই যন্ত্ৰণাত মাদকতা থাকে। বিশেষকৈ ঘৰ আৰু সমাজৰ বাধাৰ সৃষ্টি কৰিব পৰা কথাবোৰ চিৰদিন মনৰ মাজতেই আৱদ্ধ কৰি ৰাখিব লাগে। কথাবোৰ প্ৰকাশিত হ'লে এনে কিছুমান প্ৰশ্নৰ উত্তৰ হয়, যাৰ পৰা হাত সৰা টান হৈ পৰে।

এটা চিৰন্তন সত্যক পৰস্পৰৰ মাজত লুকুৱাই ৰাখি আমি দুয়ো দুয়োৰে ওচৰত সহজ হৈ পৰিছিলো।

ইতিমধ্যে অৰুণাভ উচ্চ শিক্ষাৰ বাবে কাৰণে ঘৰৰ পৰা আঁতৰলৈ গৈছিল। মই খু···উ···ব সুখী হৈছিলো। ভাবিছিলো ল'ৰাটোৱে যিখিনি হৈ আছে সেইখিনি সহজভাৱে লবলৈ যত্ন কৰিছে।

মানুহে নভবা কথা কিছুমান জীৱনত ঘটে। ময়ো জানো বিচাৰিছিলো মোৰ বাবে জটিলতা আহক?

অৰুণাভে সহজভাৱে ললেও মোৰ বাবে বিষয়টো অধিক জটিল হৈ পৰিছিল। অৰুণাভ আৰু মোৰ সম্পৰ্কৰ অজুহাতত কীৰ্তিয়েক আমাৰ ঘৰলৈ অহা বাদ দিছিল। মোৰ কৰ্য়াইদেউৰ লগত মোৰ ভিনিয়াহে ধৰিব মাত-বোল নাছিল। মাৰ কিছুমান প্ৰশ্নৰ উত্তৰ মই দিব পৰা নাছিলো। ঘৰখনৰ

লগত মোৰ সম্পৰ্ক যান্ত্ৰিক হৈ পৰিছিল। বিশেষ প্ৰয়োজন নহলে মই হোষ্টেলৰ পৰা ঘৰলৈ যোৱা বাদ দিছিলো। মানুহৰ পৰা পৰাপক্ষত আঁতৰত আছিলো। মানুহবোৰৰ উপস্থিতি মোৰ বাবে ক্ৰমে অসহ্য হৈ পৰিছিল। মই কাকো একো কোৱা নাছিলো।

□ □ □

কোৱা নাছিলো অৰুণাভকো। এইখিনি কেৱল নিজৰ মনৰ মাজতে থৈছিলো।

হোষ্টেলৰ পৰিবেশৰ লগত একাত্ম হ'ব পৰা নাছিলো। হুলস্থুলীয়া পৰিবেশবোৰ ভাল নলগা হৈ আহিছিল। চাৰিবেৰৰ নিসংগতাৰ মাজত নিজকে বিচাৰি চাইছিলো। অৰুণাভ কেতিয়াবা আহিছিল মোৰ ওচৰলৈ। সহজ ভাবে কথা পাতিছিলো।

কেতিয়াবা তীব্ৰ ক্ষোভত তাক সুধিবলৈ মন গৈছিল— তুমি কিয় মোক সোধা নাই মই কেনে অৱস্থাত আছো। মোৰ মানসিক অৱস্থাৰ কাৰণে মই যিমানে দায়ী তুমিও জানো তাৰ সমানে দায়ী নোহোৱা?

কিন্তু সুধিব পৰা নাছিলো মই।

কিবা এটা অপৰাধ বোধত মই ভিতৰি ভিতৰি ভাগি পৰিছিলো।

নিজৰ অনুভূতিৰ স্বাৰ্থৰ খাতিৰতে মই বাৰু অৰুণাভক নিজৰ লগত বান্ধি ৰাখিব বিচাৰিছো নেকি?

তাক পলাশৰ লগত তুলনা কৰিব খুজিছিলো। কিন্তু পৰা নাছিলো। তাৰ ওপৰত মোৰ বিশ্বাস আছিল অন্ততঃ সি পলাশৰ দৰে নীচ মানসিকতাৰ নহয়। কিন্তু বিশ্বাস হেনো ক্ষন্তেকীয়া, মৰম থুনুকা কৰিব। চিঞৰি চিঞৰি কবলৈ মন গৈছিল— অৰুণাভক মই ভাল পাওঁ। কিন্তু পলাশক ভালপোৱা আৰু অৰুণাভক ভালপোৱাৰ মাজত পাৰ্থক্য আছে। কোনোবা দুৰ্বল মুহূৰ্ত্তত পলাশক হয়তো কেতিয়াবা নিজৰকৈ পাব বিচাৰিছিলো।

অৰুণাভক সেইদৰে ভাল পোৱা নাছিলো। অৰুণাভ মোৰ কাৰণে প্ৰেৰণা। কেতিয়াবা ভয় লাগিছিল অৰুণাভে কিজানি মোক অন্য ৰূপত বিচাৰে। সেই মুহূৰ্ত্তত কিবা এটা হেৰুৱাৰ ভয়ত মই ছটফটাই উঠিছিলো। মোৰ অভিমান জাগিছিল অৰুণাভৰ ওচৰত।

কিয় সি মোক বুজি উঠা নাই।

কেতিয়াবা দুৰ্বল মুহূৰ্ত্তবোৰত তাক সুধিবলৈ মন গৈছিল— নিজৰ ভালপোৱাজনক নিজৰ কৰি পাবলৈ আশা কৰাটো বাৰু স্বাৰ্থপৰ মনোভাৱৰেই পৰিচায়ক নেকি?

মোৰ মান অভিমানৰ কেন্দ্ৰবিন্দু আছিল অৰুণাভ। সৰু সৰু কথাতে অভিমান কৰিছিলো সৰু ছোৱালীৰ দৰে। সৰু ল'ৰাৰ দৰে মৰম কৰিবলৈ মন গৈছিল তাক।

ইতিমধ্যে তাৰ ফাইনেল পৰীক্ষা সমাগত হৈছিল। সি মোলৈ চিঠি দিছিল। ময়ো দিছিলো। তাৰ চিঠিৰ বাবে সদায় আগ্ৰহেৰে বা

চাইছিলো ।

চিঠি পোৱা দুদিনমান পৰম হ'লেই মোৰ উৎকণ্ঠাৰ শেষ নাছিল ।
ইয়াৰ নামেই জানো প্ৰেম !
যদি ইয়াকেই প্ৰেম বুলি কোৱা হয় তেন্তে প্ৰকৃত অৰ্থত মই তাক ভাল পাইছিলো ।
মই তাক নিজৰকৈ বিচাৰিছিলো ।

কিন্তু আনৰ ওচৰত সৰু হ'ব বিচৰা নাছিলো । মই প্ৰমাণ কৰিব বিচাৰিছিলো সকলোৰে অনুমান ভুল । মোৰ আৰু অৰুণাভৰ মাজত একো সমন্ধ নাই । মানুহৰ ওচৰত হেয় হ'ব বিচৰা নাছিলো মই আৰু দিয়া নাছিলো অৰুণাভকো ।

মোৰ প্ৰেম মোৰ জেদৰ ওচৰত পৰাজিত হৈছিল ।

□ □ □

পুনৰ চৰকাৰী ষড়যন্ত্ৰৰ বলি হৈছিল অৰুণাভৰ ককায়েক অভয় । অৰুণাভ মানসিক ভাৱে ভাগি পৰিছিল । পৰীক্ষা দিয়াৰ মানসিক প্ৰস্তুতি তাৰ নাছিল । নতুনকৈ আৰম্ভ কৰিবলৈ লোৱা জীৱনটোৱে দিক বিদিক হেৰুৱাই পেলাইছিল ।

অৰুণাভক ভাগি পৰিবলৈ দিয়া নাছিলো মই । স্বাৰ্থপৰ হৈ উঠিছিলো মই । মাত্ৰ মোৰ কাৰণেই তাক পৰীক্ষা দিবলৈ বাধ্য কৰিছিলো । প্ৰথমতে সি মান্তি হোৱা নাছিল । শেষত মই অভিমান কৰিছিলো । মোৰ প্ৰতি তাৰ ভাল পোৱা কিমান গভীৰ তাক প্ৰমাণ কৰিবলৈ পৰীক্ষা দিবলৈ কৈছিলো ।
সি পৰীক্ষা দিছিল ।

মই জয়ী হৈয়ো পৰাজিত হৈছিলো । হাঁহি হাঁহি কান্দিছিলো । নিজকে অধিক দৃঢ় কৰি তুলিছিলো । নিজে নজনাকৈয়ে কি হেৰুৱাবলৈ ওলাইছো তাক মই উপলব্ধি কৰা নাছিলো ।

মোৰ অভিমান আছিল ককায়েকৰ ওচৰত । যি ককায়েকৰ কাৰণে সি নিজৰ সুকোমল সময়খিনি হেৰুৱাইছিল, যি সময়খিনি একান্তই তাৰ আছিল, সেই ককায়েকে তাক বুজি নোপোৱাৰ কাৰণে ।

সময়বোৰ দ্ৰুত গতিৰে আগবাঢ়িছিল ।

সময়বোৰ নিষ্ঠুৰ আঘাতত কোনো কালৈ ৰৈ থকা নাছিল ।
সকলো নিজৰ নিজৰ পথেদি আগবাঢ়িছিল ।
অৰুণাভে ভালদৰেই ইউনিভাৰচিটিৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হৈছিল ।
লগে লগে মই অৰুণাভৰ ওচৰৰ পৰা আঁতৰি থকাৰ মানসিক প্ৰস্তুতি চলাইছিলো । অৰুণাভক এৰি থাকিবলৈ মোৰ বৰ কষ্ট হ'ব । কিন্তু তাৰ বাহিৰে আন উপায় নাছিল । যদি এইখিনি সহিবই নোৱাৰো তেন্তে ভাল পোৱাৰ সাৰ্থকতা ক'ত ।

ককায়েক চৰকাৰী কৰ্তৃপক্ষৰ ওচৰত আত্মসমৰ্পণ কৰি তথাকথিত ডাঙৰ মানুহ হৈছিল ।
অৰুণাভ কলেজ এখনৰ অধ্যাপক হৈছিল ।
নিজৰ ৰক্তৰ বাহিৰে সকলো বস্তুৰে পৰিবৰ্তন

হয় ।

অৰুণাভ পৰিবৰ্ত্তন হৈছিল।

কিন্তু অৰুণাভ জানো সঁচাই পৰিবৰ্ত্তন হৈছিল ? সিতো পৰিবৰ্ত্তন হোৱা নাছিল । সি অন্য এটা অৰুণাভলৈ ৰূপান্তৰিত হৈছিল ।

কিন্তু মই পৰিবৰ্ত্তন হোৱা নাছিলো। মই সেইভাৱেই ৰৈ গৈছিলো । বি, এ, পাছ কৰি স্কুল এখনত সোমাইছিলো । দেউতাৰ অৱসৰৰ পিছত ভাইটি-ভণ্টীৰ পঢ়ুওৱাৰ দায়িত্ব লৈছিলো । ঘৰখনৰ অভাৱ-অভিযোগৰ চাৰি-বেৰৰ মাজত নিজে আবদ্ধ আছিলো ।

এদিন অভয় আহিছিল মোৰ ওচৰলৈ। অৰুণাভ আৰু মোৰ সম্পৰ্কৰ ইতি পেলাবলৈ কৈছিল । আমাৰ ভালপোৱাই হেনো সমাজৰ স্বীকৃতি নাপাব । মোৰ যৌৱনৰ কোনোবা এদিনৰ আবেগৰ বশৱৰ্তী অৰুণাভক মই পাহৰি পেলাব লাগিব ।

অৰুণাভ এদিন সংগোপনে আহিছিল মোৰ কাষলৈ— "অনামিকা, তোমাৰ ওচৰত মূৰ তুলি কথা কোৱাৰ সাহস মোৰ নাই । আজিলৈকে ঘৰৰ কাৰণে, মা-দেউতাহঁতৰ মুখৰ কাৰণে একো কৰিব নোৱাৰিলো । মই তোমাৰ ওচৰৰ পৰা আঁতৰি যাব লগা হ'ল একমাত্ৰ ঘৰখনৰ কাৰণেই । পাৰিলে মোক ক্ষমা কৰি দিবা ।

"ক্ষমা..........."

মোৰ জীৱনৰ আটাইকৈ পৰিচিত শব্দ ।

মই অৰুণাভক এইটো ৰূপত কল্পনা কৰা নাছিলো । মইতো অৰুণাভক কোনোবা দিনা বিয়া কৰাম বুলি ভাল পোৱা নাছিলো। মোক ইমান দুৰ্ব্বল বুলি ভাবিলে কিয় ?

নিজে ভাগি পৰিলেও আনৰ দৃষ্টিত প্ৰকৃত স্বৰূপ উদঙাই দিয়া নাছিলো । জীৱনক যিদৰে পাইছো, সেইদৰেই লব'লৈ চেষ্টা কৰিছিলো।

ঘৰখনকলৈ মই ব্যস্ত হৈ পৰিছিলো । ভাইটি-ভণ্টী কলেজত পঢ়িছিল । বি, এ, পঢ়ি থাকোতেই তাই ভালপোৱা ল'ৰাটোৰ লগত বিয়া পাতি দিছিলো । মই সুখী হোৱা নাছিলো । মোৰ অৱচেতন মনে ভাবিছিলো নেকি ভণ্টীক উপযুক্ত বয়সত নিজৰ মতে বিয়া দিয়াৰ ।

ককাইদেউৱে ভণ্টীৰ বিয়াৰ পিছতে অন্য জাতিৰ ছোৱালী এজনী বিয়া কৰাই চাকৰি সংক্ৰান্তত ঘৰৰ পৰা আঁতৰত আছিল। মা-দেউতাহঁতৰ প্ৰতি যেন তাৰ দায়িত্ব ইয়াতেই শেষ ।

সদায় জটিল বুলি ভাবি থকা পৃথিবী-খন যেন আজি মোৰ সন্মুখত দেখা দিলে জটিল হিচাপে ।

## উপসংহাৰ

## পলিৰ কথা

আজি অনামিকাৰ পৰা চিঠি এখন পালো । মোৰ বিয়াৰ পিছৰ পৰা তাইৰ একো খবৰ পোৱা নাই । এৰা, মইহে আগতে চিঠি দিয়াৰ কথা আছিল মোৰ নতুন ঘৰখনৰ কথা জনাই ।

তাই লিখিছিল— তই মোলৈ চিঠি নিদিলি ।

তাৰমানে তয়ো মোৰ কথা জনাৰ প্ৰয়োজন বোধ নকৰিলি নেকি ?

তাই চিঠিবোৰ সদায় এইদৰেই লিখে। অগতানুগতিক কথাৰে লিখা তাইৰ চিঠিবোৰে মোক বহু কথা ভবাই তোলে ।

"মোৰ বিয়া নহ'ল, মানে কাকো আপোন কৰি ল'ব নোৱাৰিলো। ভণ্টীৰ বিয়া হৈ গ'ল। মই একেদৰেই থাকি গ'লো। জীৱনটো প্ৰথমৰ পৰাই ভালদৰে সজাব নোৱাৰিলো। ক'ৰবাত আউল লাগি গ'ল।" তাৰ বাবে কোন দায়ী বুলি ভাব বাৰু ? আনৰ অনুভূতিক মূল্য দিয়া মোৰ অনুভূতিসুলভ মনটো নহয়নে ? পলি, অৰুণাভে বিয়া পাতিলে। মই আজি পৰাজিত হৈয়ো জয়ী নহয়নে ?

তাইৰ ভাবৰ মাজত নিজকে অতি নীচ যেন লাগিল। মনত পৰিল তাই আৰু অৰুণাভৰ সম্পৰ্কৰ বাবে তাইক দোষাৰোপ কৰাৰ কথা ।

"অকলশৰীয়া হ'ব বুলি ভাবিয়েই মা-দেউতাই মোৰ কথা চিন্তা নকৰিলে। ময়ো নাভাবিলো। জান পলি, ভাইটিয়ে মা-দেউতাহঁতৰ মতৰ বিৰুদ্ধে ভালপোৱা ছোৱালী-জনীক বিয়া কৰাই ঘৰৰ পৰা আঁতৰি গ'ল। সি মা-দেউতাহঁতৰ বাধ্য নহ'ল। মই তাক ভাল পালো তাৰ সৎ সাহসখিনিৰ কাৰণে। মই আজি মুক্ত। মই বাৰু কিমান সুখী পলি ?"

"তই মোক পুতৌৰ দৃষ্টিৰে নাচাবি। পলি। চিঠিখন লিখিলো এই কাৰণেই, তইতো এদিন মোক স্বাৰ্থপৰ বুলি কৈছিলি অৰুণাভৰ লগত থকা সম্পৰ্কৰ কাৰণে। আজিও বাৰু তই ভাবনেকি যে মই স্বাৰ্থপৰ।

চিঠিখন সামৰি থলো।

কৰবাত অকলশৰীয়া কপৌচৰাই এটাই কুৰুলিয়াইছিল।

জীৱনৰ তিনিটা অমংগলীয়া বস্তু দূৰতে বিদূৰ কৰি ৰাখা সেই কেইটা হ'ল আলস্যজনিত অৱসাদ, দুস্কৰ্মৰ প্ৰবৃত্তি আৰু দৰিদ্ৰতা।

--ভলটেয়াৰ

# অসম আকৌ উন্নতি পথত

স্মৃতিৰেখা বৰুৱা
স্নাতক তৃতীয় বাৰ্ষিক

'আহে গোপিনীসৱ, হামু অসম নাম মুলুকৰ উন্নতিৰ কথা বেকত কৰৱ। তোহো ইহা শ্ৰৱণ কৰহ, কৰ্ণ গহ্বৰে টিভি হন্তে নিৰ্গত কাণ খজুৱা বাদ লৈয়া কাণ চাফ কৰহ, দেখহ ( চশমা পৰিধান কৰিয়া ) শুনহ নিৰন্তৰে ইনকিলাব জিন্দাবাদ গাৱহ। সোহি উন্নতি অপাৰেচন স্পষ্টিকৰণ ৰূপে প্ৰবেশ কৰি কম্বিং অপাৰেচন কৰতানি। হামু উহি উন্নতিৰ মানয় শাস্ত্ৰ ফিফটি ফিফটি কৰিয়া ব্যাখ্যা কৰিলো। ৰাগ-সিন্ধুৰা। তাল ৰূপক তাল। তোহো সম্বৰে গাঁৱহ, হায়ো ৰাপ্পা হায়ো ৰাপ্পা……, এহি তেৰী মোম্বাই মোম্বাই………, আখিয়া লৰায়ে কভি, আখিয়া চুৰায়ে কভি………, মাভৈ মাভৈ…… অনন্ত নাথ সূত্ৰধাৰ প্ৰবেশ কয়ল ….. প্ৰভুদেৱা মৃদংগ বজাৱত।'

অসমৰ জকাইচুকীয়া জেগা অকণমান জম্বুদ্বীপৰ মানচিত্ৰত পূবফালে অৱস্থিত। অসমৰ মানুহবোৰ ২০০ পাৰচেণ্ট জ্ঞানী। মা কুৰু ধনজন যৌৱন গৰ্ঠম। জ্ঞানীলোকে সা-সম্পত্তিকলৈ গৌৰৱ নকৰে। গতিকে আপাটানি মানুহবোৰে অসমৰ মাটিত ঘৰ সাজিলে তাকে লৈ মূৰৰ ওপৰত থকা টেমাটো গৰম নকৰে। মহাভাৰতৰ শিক্ষাৰে উদ্বুদ্ধ বুদ্ধদেৱসকলে তাকে লৈ যুদ্ধ নকৰে। নগা ভাইটিহঁতে গোলাঘাটত মাটি কেইমাইলমানত উন্নত জাতৰ ইটা, উন্নত সঁচৰ চেঞ্চুৰী চিমেণ্ট, হাইব্ৰিদ জাতৰ লোহাৰ প্ৰকল্প বনালেও ৰজা, পালি ৰজাবোৰে ঘৰ ৰাই নাথাকে। কথা চহকী ডেকা কলেজীয়াহঁতে চিয়ৰ-ৰাখৰ কৰি পিকনিক খালে পঞ্জাৱৰ থাকী কাপোৰ পিন্ধা ভকত, মেধি, ৰাজমেধিবোৰে শৰণ ভজন দি দূৰৰ চৌ দূৰতে মাৰ নিয়ায়। বেছি গৰম কৰিলে টিভি চিৰিয়েলৰ ষ্টাইলত চুইট-চুইট, ধি-চিউম-ধিচিউম মাৰি অপাৰেচন শীতল কৰি থয়। মেঘালয়ে আমাৰ মাটি খাইছে বুলি এই সৰু কথাবোৰত লাগি নাথাকে। অসমীয়া উদাৰ দৃষ্টি-ভংগীয়ে জানে মানুহে মাটি নাখায়, মাটিয়েহে মানুহক খায়। প্ৰসংগ পুথি মহাভাৰত।

**জনসংখ্যা :** ইয়াৰ জনবিলাকৰ সংখ্যা উলিয়াব নোৱাৰি। চেন্সাচ ৰিপোৰ্ট নামৰ মকৰধ্বজ

পালিৰ ওপৰত গ্ৰহদোষ, দৈবদোষ, কালদোষ নামৰ ত্ৰিপাপ বিষ্ট লাগে। ফলং বিপৰ্টং গায়েপং। ৰজাৰ জনসংখ্যা আৰু প্ৰজাৰ জন-সংখ্যা ৰেলৰ লাইনৰ দৰে। জনসংখ্যাৰ ওপৰত সম্পাদকলৈ চিঠি আৰু স্পষ্টীকৰণ বাদানুবাদ চলে। সমস্যা সমাধান। তথ্যপাতিয়ে জন-সংখ্যা বঢ়া নুবুজায়। অসমৰ খিলঞ্জীয়া মানুহৰ উপাধি সিং। যেনে— মাতংগ সিং, মনোমোহন সিং, মনি চুব্বা ..... । আজিকালি অসমত গান্ধীও পৈদা হৈছে। বৰুৱা, শইকীয়া, হাজৰীকা, বৰা, গগৈ, চুতীয়া এই উপাধিবোৰ এতিয়া যাদুঘৰৰ দ্ৰব্য হৈছে। মাজে মাজে প্ৰদৰ্শনীত দেখুৱাব পৰা যায়।

**ভাষা ঃ** অসমীয়া ভাষা বুলি এটা দ্ৰব্য অসমৰ কোনো জেগাত চলে। অসমীয়া ঐম্পিয়ে হিন্দীত কথা কয়, নেপালীত কথা পাতে, বঙা-লীও কয়। অসমীয়াহে নেজানে। ইয়াত কেঁছুৱাই মাকৰ গাখীৰ এৰিয়ে মাম্মী-দেদী, আন্টি অমাতৰ মাত মাতে। এক নং দুখীয়া এল-পি স্কুলতকৈ গল্ড লাইন ইংলিচ ইচ্কুলত পঢ়ি ফৰফৰাই থাকে। ডিঙিত টাই, ভৰিত একচন জোতা পিন্ধি ইংৰাজীৰে সৰস্বতী বন্দনা কৰে। হিৰো ৰেণজাৰ বাইচকুল চলায়। ৰাতিপুৱা ইংলণ্ডখন অসমলৈ উঠি আহে।

**খাদ্য ঃ** ৰাতিপুৱা শুই উঠি বিস্কুট খায়। ক্ৰেকজেক, ব্ৰিটানিয়া, জিভাত লাগি থাকে। তেল পিঠা, তিল পিঠা, সুতুলী পিঠা, টেকেলী পিঠা নাখায়, নামেই শুনা নাই। বেলনাৰে বনোৱা হেঁচা পিঠা খায়। বনস্পতি ঘিউত ভজা লুচি খাই খুচি হৈ থাকে। ল'ৰাই এল-পি স্কুলত যমদূত পাউডাৰ খায়। ওহোৱা চাউল খালে গেচট্ৰিক হয় বাবে অসমীয়াই নাখায়। শাক পাচলি নাখাই, চব্জিহে খায়। অন্ধ্ৰপ্ৰদেশৰ লোকেল ৰৌ অসমৰ জকাইচুকত প্ৰিয় খাদ্য। বাৰ্থ দে খায়, পাৰ্টি খায়, চাহ এটা খায়, নামঘোৰা, ভোজভাত নাখায়। কেলগ নামৰ চাজানি সান্দহগুৰি আৰু কেণ্টুকী ফ্ৰাইদ চিকেন নামৰ প্ৰসাদ খায়। প্ৰতিশ্ৰুতি নামৰ সুষম খাদ্য অসমীয়াৰ বাপটি সাহোন।

**পোচাক ঃ** অসমীয়া মানুহে কাপোৰ পিন্ধে। মহিলাই যিমানে ধুনীয়াকৈ কাপোৰ পিন্ধে সিমানে পেটটো ভালকৈ জিলিকে। পুংলিঙ্গ-বোৰে পটলুং আৰু কামিজ পিন্ধে। অসমীয়া জাতীয় পোচাকৰ সিদ্ধান্ত বোম্বাইত সৰ্বসন্মতি ক্ৰমে গ্ৰহণ কৰা হয়। সৰ্বভাৰতীয় বুজাবলৈ পুৰুষে পায়জামা আৰু পাঞ্জাবী পিন্ধে। কঁকা-লৰ ওপৰত চুটি কোট পিন্ধে। ডেকা ল'ৰাই পিচফালে চুলিবোৰ খাটাও কৰি কপালত এথোপা পেলাই থয়। মিনিটত কেবাবাৰো কোবাই চায়, চুলিবোৰ আছেনে নাই। দুয়ো-খন হাতেৰে চুলিবোৰ ওখোনিয়াই থাকে। কিছুমান মানুহক শিৰ, নান্দী ভৃংগী যেন দেখি, একেবাৰে ক্লাচ লাগে ভাই......... । মাইকীয়ে দুপাট ফুলি আৰু মতাই এপাত কাণফুলি পিন্ধে।

**নীতি-নিয়ম ঃ** এওঁলোকৰ সকলো নীতিয়েই নিজৰ। আপুনি শুনি অবাকটেড হ'ব যে

নীতি নাইকীয়া জাতিটোৱেই হ'ল অসমীয়া। এনেকুৱা শতিকালৈ যাবলৈ অসমীয়াৰ সৰ্ব্বসম্মত নীতি হ'ল দুৰ্নীতি।

**সংস্কৃতি ঃ** বিহু বুলি সংস্কৃতিৰ ফেক্টৰ এটা আছে। হিন্দী পপ চাং বিহুত বাজে। যিটো বিহু মঞ্চত বোম্বেৰ অপেশ্বৰী, কিন্নৰ আহে, সেই বিহু উৎকৃষ্ট। ভূপেন হাজৰিকাও বিহুত অসমলৈ আহে। চাকৰিয়ালে বিহুৰ টেক্স দি আধা মৰা হয়। বিহুৰ সম্পাদকে টু পাইচ লাভ কৰে। গতিকে এবছৰো হিচাব দিব নোৱাৰে। বোম্বেৰ ফুলাম গামোছা, বেংগালোৰৰ শৰাই বিহুত তামাম চলে। বিহু কুঁৱৰীয়ে ১০০ টা পিন মাৰি শ্ৰীদেৱী হৈ আৰু ডেকাই চুৰিয়া কুৰ্ত্তা ইত্যাদি ৰয়েল ড্ৰেচ পিন্ধে। বব্‌কাট দিয়া ছোৱালীয়ে চুলি হায়াৰ কৰি বিহু কুঁৱৰী হয়। বিহুত সোমৰস, ডাইৰেক্টৰ স্পিচিয়েল, অফিচাৰ্চ চয়েচ খাই অসমীয়া চুনাই কান্ত হৈ থাকে। বৰ্ত্তমান চন্দ্ৰকান্তা, চিত্ৰহাৰ সদা বাহাৰ, এক চে বঢ় কৰ এক নামৰ ব্ৰজবুলী ভাওনাই সংস্কৃতি বহন কৰি আছে। দূৰদৰ্শন এতেলোকৰ জীৱন দৰ্শন।

**সামৰণি ঃ** স্মৃতিশক্তি বোলা জিনিচ্‌টো অসমীয়াৰ নাই। এবছৰ আগত যাৰ হাতত মাৰ খাই হস্পিটেলত থাকে, পিছৰ বছৰ তাৰ বিয়াত ছাটি ধৰে। অসমীয়া জাতি লেকেটা। বানপানী, গৰা খহনীয়া, গেষ্ট্ৰ এণ্টাইটিছ, জহনীত পিলপিলি বাই নমৰে। আহে লোকাই অৰ্থ ভটীমা মাৰৰ নাম ফাটিমা। ওহি ৰ্যম ৰচনা নাম মেৰি থেচিচ ওহি খানে অন্ত ভেল। তোৱা সবে আনন্দ কৰহ।

ফিৰ মিলেংগে, ........বাই... .....বাই। □

শ্যায়েৰী –

"অভি কমছিন হো, দে দেঙ্গী দিল মেৰা,
তুমহাৰে লিয়েহি ৰখা হায়, লে লেনা
জঁৱা হোকৰ —
আছা মক্ত হৈ, হৃদয় দিলে হ'ব কি ? হেল্তৱাইহে
পেলাবা, সাঁচি থৈ দিছো তোমাৰ বাবে গাভৰু হ'লেই ল'বা।

পানিৰ ওপৰত গ্ৰহদোষ, দৈবদোষ, কালদোষ নামৰ ত্ৰিপাপ ৰিট লাগে। ফলং ৰিপৰ্টং গায়েপং। ৰজাৰ জনসংখ্যা আৰু প্ৰজাৰ জনসংখ্যা ৰেলৰ লাইনৰ দৰে। জনসংখ্যাৰ ওপৰত সম্পাদকলৈ চিঠি আৰু স্পষ্টীকৰণ বাদানুবাদ চলে। সমস্যা সমাধান। তথ্যপাতিয়ে জনসংখ্যা বঢ়া নুবুজায়। অসমৰ খিলঞ্জীয়া মানুহৰ উপাধি সিং। যেনে— মাতংগ সিং, মনোমোহন সিং, মনি চুৰবা ····· । আজিকালি অসমত গান্ধীও পৈদা হৈছে। বৰুৱা, শইকীয়া, হাজৰীকা, বৰা, গগৈ, চুতীয়া এই উপাধিবোৰ এতিয়া যাদুঘৰৰ দ্ৰব্য হৈছে। মাজে মাজে প্ৰদৰ্শনীত দেখুৱাব পৰা যায়।

**ভাষা ঃ** অসমীয়া ভাষা বুলি এটা দ্ৰব্য অসমৰ কোনো জেগাত চলে। অসমীয়া এম্পিয়ে হিন্দীত কথা কয়, নেপালীত কথা পাতে, বঙালীও কয়। অসমীয়াহে নেজানে। ইয়াত কেঁচুৱাই মাকৰ গাখীৰ এৰিয়ে মাম্মী-দেদী, আণ্টি অমাতৰ মাত মাতে। এক নং দুখীয়া এল-পি স্কুলতকৈ গল্ড লাইন ইংলিচ ইচ্কুলত পঢ়ি ফৰফৰাই থাকে। ডিঙিত টাই, ভৰিত একচন জোতা পিন্ধি ইংৰাজীৰে সৰস্বতী বন্দনা কৰে। হিৰো ৰেণজাৰ বাইচকুল চলায়। ৰাতিপুৱা ইংলণ্ডখন অসমলৈ উঠি আহে।

**খাদ্য ঃ** ৰাতিপুৱা শুই উঠি বিস্কুট খায়। ক্ৰেকজেক, ব্ৰিটানিয়া, জিভাত লাগি থাকে। তেল পিঠা, তিল পিঠা, সুতুলী পিঠা, টেকেলী পিঠা নাখায়, নামেই শুনা নাই। বেলনাৰে বনোৱা হেঁচা পিঠা খায়। বনস্পতি ঘিউত ভজা লুচি খাই খুচি হৈ থাকে। ল'ৰাই এল-পি স্কুলত যমদূত পাউডাৰ খায়। ওহোৱা চাউল খালে গেষ্ট্ৰিক হয় বাবে অসমীয়াই নাখায়। শাক পাচলি নাখাই, চব্জিহে খায়। অন্ধ্ৰপ্ৰদেশৰ লোকেৰ বৌ অসমৰ জকাইচুকত প্ৰিয় খাদ্য। বাৰ্থ দে খায়, পাৰ্টি খায়, চাহ এটা খায়, নামগোৱা, ভোজভাত নাখায়। কেন্তগ নামৰ চালানি সান্দহগুৰি আৰু কেণ্টুকী ফ্ৰাইদ চিকেন নামৰ প্ৰসাদ খায়। প্ৰতিশ্ৰুতি নামৰ সুষম খাদ্য অসমীয়াৰ বাপতি সাহোন।

**পোচাক ঃ** অসমীয়া মানুহে কাপোৰ পিন্ধে। মহিলাই যিমানে ধুনীয়াকৈ কাপোৰ পিন্ধে সিমানে পেটটো ভালকৈ জিলিকে। পুংলিঙ্গবোৰে পটলুং আৰু কামিজ পিন্ধে। অসমীয়া জাতীয় পোচাকৰ সিদ্ধান্ত বোম্বাইত সৰ্বসন্মতি ক্ৰমে গ্ৰহণ কৰা হয়। সৰ্বভাৰতীয় বুজাবলৈ পুৰুষে পায়জামা আৰু পাঞ্জাবী পিন্ধে। কঁকালৰ ওপৰত চুটি কোট পিন্ধে। ডেকা ল'ৰাই পিচফালে চুলিবোৰ খাটাও কৰি কপালত এথোপা পেলাই থয়। মিনিটত কেবাবাৰো কোবাই চায়, চুলিবোৰ আছেনে নাই। দুয়োখন হাতেৰে চুলিবোৰ ওখোনিয়াই থাকে। কিছুমান মানুহক শিৰ, নান্দী ভৃংগী যেন দেখি, একেবাৰে ক্লাচ লাগে ভাই········· । মাইকীয়ে দুপাট ফুলি আৰু মতাই এপাত কাণফুলি পিন্ধে।

**নীতি-নিয়ম ঃ** এওঁলোকৰ সকলো নীতিয়েই নিজৰ। আপুনি শুনি অবাকটেড হ'ব যে

নীতি নাইকীয়া জাতিটোৱেই হ'ল অসমীয়া। একেশ শতিকাতলৈ যাবলৈ অসমীয়াৰ সৰ্ব্বসম্মত নীতি হ'ল-দুৰ্নীতি।

**সংস্কৃতি ঃ** বিহু বুলি সংস্কৃতিৰ ফেক্টৰ এটা আছে। হিন্দী পপ চাং বিহুত বাজে। যিটো বিহু মঞ্চত বোম্বেৰ অপেস্বৰী, কিন্নৰ আহে, সেই বিহু উৎকৃষ্ট। ভূপেন হাজৰিকাও বিহুত অসমলৈ আহে। চাকৰিয়ালে বিহুৰ টেক্স দি আধা মৰা হয়। বিহুৰ সম্পাদকে টু পাইচ লাভ কৰে। গতিকে এবছৰো হিচাব দিব নোৱাৰে। বোম্বেৰ ফুলাম গামোছা, বেংগালোৰৰ শৰাই বিহুত তামাম চলে। বিহু কুঁৱৰীয়ে ১০০ টা পিন মাৰি শ্ৰীদেৱী হৈ আৰু ডেকাই চুৰিয়া কুৰ্ত্তা ইত্যাদি ৰয়েল ড্ৰেচ পিন্ধে। বব্‌কাট দিয়া ছোৱালীয়ে চুলি হায়াৰ কৰি বিহু কুঁৱৰী হয়। বিহুত সোমৰস, ডাইৰেক্তৰ স্পিচিয়েল, অফিচাৰ্চ চয়েচ খাই অসমীয়া চুলাই কান্ত হৈ থাকে। বৰ্ত্তমান চন্দ্ৰকান্তা, চিত্ৰহাৰ সদা বাহাৰ, এক চে বঢ়় কৰ এক নামৰ ব্ৰজবুলী ভাওনাই সংস্কৃতি বহন কৰি আছে। দূৰদৰ্শন এওঁলোকৰ জীৱন দৰ্শন।

**সামৰণি ঃ** স্মৃতিশক্তি বোলা জিনিচ্‌টো অসমীয়াৰ নাই। এবছৰ আগত যাৰ হাতত মাৰ খাই হস্পিটেলত থাকে, পিছৰ বছৰ তাৰ বিয়াত ছাটি ধৰে। অসমীয়া জাতি নেকেট্য। বানপানী, গৰা খহনীয়া, গেষ্ট্ৰ এণ্টাইটিছ, জহনীত পিলপিলি বাই নমৰে। আহে লোকাই অৰ্থ ভটীমা মাৰৰ নাম ফাটিমা। ওহি ৰ্যম ৰচনা নাম মেৰি থেচিচ ওহি খানে অন্ত ভেল। তোৱা সবে আনন্দ কৰহ।
ফিন্দ্ৰ মিলেংগে, ........বাই..........বাই। □

শ্যায়েৰী –

"অভি কমছিন হো, দে দেঙ্গী দিল মেৰা,
তুমহাৰে লিয়েহি ৰখা হায়, লে লেনা
জঁৱা হোকৰ—
আছা সৰু হৈ, হৃদয় দিলে হ'ব কি ? হেৰুৱাইহে পেলাবা, সাঁচি থৈ দিছো তোমাৰ বাবে গাভৰু হ'লেই ল'বা।

পাহাৰৰ ৰাণী

# দাৰ্জিলিঙত তিনিদিন

বৰ্ষা দত্ত
স্নাতক দ্বিতীয় বাৰ্ষিক

'দাৰ্জিলিং', এখন অতি ধুনীয়া পাহাৰীয়া ঠাই। কোৱা হয় ই হেনো পাহাৰৰ ৰাণী 'Queen of the hills'। গতিকে এক অদম্য হেপাহ পুহি ৰাখিছিলো এই পাহাৰী কন্যাক চোৱাৰ। অৱশেষত ভগৱানে এদিন সেই হেপাহ বাস্তৱত পৰিণত কৰিলেগৈ।

১৯৯২ চনৰ ১৭ অক্টোবৰৰ আবেলি চাৰি বজাত দাৰ্জিলিঙলৈ যাবলৈ বুলি আমি নামৰূপৰ পৰা বাছেৰে যাত্ৰা আৰম্ভ কৰিলো। দলটো আছিল এঘাৰজনীয়া— মই, মা, দেউতা, দাদা, ভণ্টী দুজনী আৰু খুড়াইতৰ পৰিয়ালৰ পাঁচজন। ১৮ তাৰিখে আমি পুৱা ৭ বজাত গুৱাহাটী পালোগৈ। গোটেই দিনটো 'গ্ৰীণভেলি' বাছ আস্থানৰ সমীপৰ এখন হোটেলত অতি আনন্দৰে কটাই নিশা ৭ বজাত শিলিগুৰিলৈ যাবলৈ আমি পুনৰ গ্ৰীণভেলিৰ আন এখন বাছত উঠিলো। সেইখন বাছতে গুৱাহাটীৰে দাদাৰ বন্ধু দুজনক লগ পালো। তেওঁলোকো দাৰ্জিলিঙলৈ যাবলৈ ওলাইছিল। সেয়ে আমাৰ এঘাৰজনীয়া দলটোত তেওঁলোক দুজনকো চামিল কৰি ললো আৰু গুৱাহাটীৰ পৰা আমাৰ দলটো হৈ পৰিল তেৰজনীয়া।

গুৱাহাটীৰ পৰা শিলিগুৰিলৈ যোৱাৰ পথত হাউলিত আমিও অন্যান্য নৈশ বাচৰ যাত্ৰীসকলৰ লগতে আহাৰ-পানী গ্ৰহণ কৰি পুনৰ বাচত উঠিলো। ইয়াৰ পিছতে পোৱা যায় শ্ৰীৰামপুৰ। এই শ্ৰীৰামপুৰৰ পৰাই অলপ আগলৈ এখন অতি নিজান আৰু ভয়াবহ ঠাই পাৰহৈ যাব লগা হয়। কোনোৱে ক'লে বোলে সেই ঠাইত ডকাইতে মাজে-সময়ে বাছৰ যাত্ৰীক আক্ৰমণ কৰি লুট-পাত কৰে। তাকে শুনি আমি সকলোৱে বৰ ভয় খালো আৰু ভগৱানক ভাবিবলৈ ধৰিলো। পিচে, শ্ৰীৰামপুৰৰ পৰাই সেই ঠাইটুকুৰা পাৰ কৰি দিবলৈ নিৰাপত্তাৰক্ষী লোক নিয়োগ কৰা হয় বুলি আমি জনা নাছিলো। যেতিয়া নিৰাপত্তাৰক্ষীৰ গাড়ী আগে-পিচে গৈ আমাক ঠাইটুকুৰা পাৰ কৰি দিলে তেতিয়াহে আমাৰ মনৰ সংশয় আঁতৰিল। ভগৱানৰ কৃপাত কাৰো একো অঘটন নঘটিল।

১৯ তাৰিখে পুৱা ৫ মান বজাত আমি সকলো আমিলোগে মালপানী নামৰ এখন ঠাইত। ইয়াৰ পৰা শিলিগুৰিলৈ আৰু ৫০ কিলোমিটাৰমান বাট থাকে। মালপানীতে আমি এখন হোটেলত মুখ-হাত ধুই পুৱাৰ চাহ-জলপান খাই ললো; তাৰোপৰি তাত এটকাৰ বিনিময়ত পুৱাৰ নিত্য-কৰ্মখিনি কৰিব পৰা যি সুন্দৰ ব্যৱস্থা আছিল তাক দেখি আমাৰ ভাল লাগিছিল। কিয়নো এটকাত আমি যিখিনি সুবিধা পাইছিলো সেয়া মূল্যৰ বিনিময়তকৈ বহুত বেছি। হোটেলখনৰ অন্তৰ্ভাগৰ পৰিষ্কাৰ-পৰিচ্ছন্নতাইও আমাক মুগ্ধ কৰিছিল। মালপানীৰ পৰা আহি আমি পুৱা ঠিক ন-মান বজাত শিলিগুৰি পালোগৈ। প্ৰায় ১৪ ঘণ্টীয়া এই দীঘলীয়া যাত্ৰাই আমাক বৰ ক্লান্ত কৰি পেলাইছিল। সেয়ে আমি শিলিগুৰিৰ 'পদ্মা' নামৰ হোটেল এখনতে গা-পা ধুই কিছু সময় জিৰণি ললো। সেই হোটেলতে আমি দুপৰীয়াৰ আহাৰ মুঠিও গ্ৰহণ কৰিলো। শিলিগুড়িৰ বৃহৎ চৰকাৰী বাচ আস্থানটো আমি থকা 'পদ্মা হোটেল'ৰ সন্মুখতে আছিল। ইয়াৰ পৰাই ভাৰতৰ বিভিন্ন ঠাইলৈ বাচৰ সুন্দৰ ব্যৱস্থা আছে। আমি প্ৰথমবাৰৰ বাবে ইমান এটা ডাঙৰ বাচ আস্থান দেখাৰ সৌভাগ্য লাভ কৰিলো। অ', পাহৰিছিলোৱেই — সেই বৃহৎ বাচ আস্থানটোৰ নাম হ'ল — 'টেনজিং নৰকে বাচ টাৰমিনাচ' (Tenjing Norge Bus Terminus)। শিলিগুৰিত প্ৰয়োজনীয় কৰ্মখিনি কৰি আমি দাৰ্জিলিঙলৈ যাবলৈ সাজু হলো। দেউতাহঁতে বাচৰ খবৰ লৈ জানিব পাৰিলে যে — দাৰ্জিলিঙলৈ অলপ সময়ৰ আগতে এখন চৰকাৰী বাচ গ'লই। গতিকে আমি তৎকালেই যাবলৈ ওলোৱা এখন বে-চৰকাৰী বাচেৰেই দুপৰীয়া ঠিক ১ বজাত শিলিগুৰিৰ পৰা দাৰ্জিলিঙলৈ ৰাওনা হ'লো। শিলিগুৰিৰ পৰা দাৰ্জিলিঙলৈ ৩½ ঘণ্টাৰ বাট। এই পথচোৱাত কিছুমান সৰু সৰু গাড়ীও চলে। দেখিবলৈ জীপ গাড়ীবোৰৰ নিচিনা। এইবোৰৰ নাম ডোংগা (Dunga)। তাৰোপৰি সৰু সৰু পুতলা ৰেলৰ ব্যৱস্থাও আছে। এইবোৰ আমাৰ আনন্দমেলাৰ ৰেলবোৰৰ দৰে। ডবা বৰ বেছি নাথাকে। এই ট্ৰয় ট্ৰেইনৰ যাত্ৰা আনন্দদায়ক যদিও দাৰ্জিলিঙ পাবলৈ সময় লাগে প্ৰায় ১১ ঘণ্টা।

আমি যেতিয়া সমতলৰ পৰা ওপৰলৈ উঠো তেতিয়া মোৰ মন আনন্দেৰে ভৰি পৰিছিল। বিভিন্ন ৰঙীণ কল্পনাত ডুব গৈ থাকোতেই কেতিয়ানো আমি পাহাৰৰ বহু ওপৰ পালোগৈ, আৰু কেতিয়ানো ভৈয়ামৰ গৰমত পিন্ধা পাতল চোলাবোৰ গৰম কাপোৰেৰে ঢাক খাই পৰিল তাৰ একো গমকে নাপালো। পাহাৰৰ ওপৰৰ পৰা তলৰ প্ৰাকৃতিক সৌন্দৰ্য্য ইমানেই মনোমোহা যে তাক বৰ্ণনা কৰিবলৈ ভাষাই বিচাৰি নাপাওঁ। আমি বাচৰ ভিতৰৰ পৰা তললৈ চাই সেই মনোমোহা দৃশ্য উপভোগ কৰিবলৈ ধৰিলো। তেতিয়া বাচৰ অন্যান্য যাত্ৰীসকলে আমাক তললৈ চাবলৈ মানা কৰিলে; কিয়নো মূৰ ঘূৰাব পাৰে। আমি যিমানেই ওপৰলৈ গলো সিমানেই বাটৰ পাক বাঢ়ি যাবলৈ ধৰিলে। এইদৰে অকোৱা-

পকোৱা ওখ-চাপৰ বাটেৰে গৈ গৈ প্ৰায় ৫ বজাত আমি গন্তব্য স্থান দাৰ্জিলিঙ পালোগৈ। বাটৰ পৰা নামোতেই দাৰ্জিলিঙৰ এচাটি ফিৰ্‌ফিৰিয়া ঠাণ্ডা বতাহে আমাক আদৰণি জনালে।

দাৰ্জিলিঙত হোটেলৰ কিছুমান পাণ্ডা আছে। যাত্ৰী গাড়ীৰ পৰা নমাৰ লগে লগেই সেই পাণ্ডাবোৰে আহি যাত্ৰীক জুমুৰি দি ধৰেহি। কিন্তু আমি সেই জুমুৰিৰ পৰা হাত সাৰিলো। কিয়নো শিলিগুৰিৰ পদ্মা হোটেলৰ মালিকে আগতীয়াকৈয়ে ফোন যোগেৰে তেখেতৰ দাৰ্জিলিঙস্থ 'কাদম্বৰী' নামৰ এখন হোটেলত আমাৰ থকা-মেলাৰ ব্যৱস্থা কৰি দিছিল। গতিকে আমি পোনে পোনেই গৈ নিৰ্দ্দিষ্ট হোটেলখনত উঠিলোগৈ। হোটেলৰ কেইজনমান কৰ্মচাৰী আহি আমাক আগবঢ়াই লৈ গ'ল। হোটেলত উপস্থিত হৈয়ে দেউতাইতে মেনেজাৰৰ লগত আলোচনা কৰি ৰুম ঠিক কৰিলে। হোটেলত আমি কেৱল থকাৰ ব্যৱস্থাহে কৰিলো; খোৱা-মেলাৰ ব্যৱস্থা বাহিৰত কৰা হ'ল। হোটেলত আমি গৰম পানীৰে মুখ-হাত ধুই সামান্যভাৱে চাহ-জলপান খাই কিছু সতেজ হৈ ল'লো।

দাৰ্জিলিঙৰ হোটেলবোৰত ভ্ৰমণকাৰী থাকিবলৈ গ'লে — ফুৰা-মেলাৰ সুবিধাৰ বাবে তেওঁলোকে জীপ ঠিক কৰি দিয়ে। তাৰোপৰি ক'ত ফুৰিব লাগিব, কি কি বস্তু চাব লাগিব এই সকলো তথ্য-সম্বলিত একোখনকৈ তালিকা তেওঁলোকে প্ৰস্তুত কৰি থয়। সেই তালিকাখনকে চাই ভ্ৰমণকাৰীয়ে 'VIEW POINT'বোৰ ঠিক কৰি লয়। 'কাদম্বৰী' হোটেলৰ মেনেজাৰেও আমাক তেনে এখন তালিকা দেখুৱালে। দেউতা আৰু খুড়াই তালিকাখনৰ সহায়ত আমি কোনদিনা কি চাম তাক ঠিক কৰি পেলালে। তাৰ পিছত ৰাতি আহাৰৰ বাবে আমি ৰাতি ঠিক ৮ বজাত হোটেলৰ পৰা ওলালো। আমি লক্ষ্য কৰিছিলো যে ৮ বজাতেই দাৰ্জিলিং চহৰখন প্ৰায় নিস্তব্ধ হৈ পৰিছিল। ডাঠ কুঁৱলী আৰু ঠাণ্ডাই আমাক বাৰুকৈয়ে হাৰাশাস্তি কৰিলে। তাতে আকৌ ভূতৰ ওপৰত দানহ পৰাদি ফেৰ্‌ফেৰিয়া বতাহ চাটিয়ে আমাৰ লগ এৰা নাছিল। সেই সময়ত দাৰ্জিলিঙৰ প্ৰায় ভাগ হোটেলেই বন্ধ হৈ পৰিছিল। সৌভাগ্যবশতঃ এখন হোটেল যেনিবা খোলা পালোগৈ। আমাৰ এনেহে লাগিল — সেইখনে যেন আমাৰ বাবেহে অপেক্ষা কৰি আছে। তাতে কোনোমতে খোৱা-বোৱা কৰি পুনৰ হোটেললৈ আহি নিশা ৯-৩০ মান বজাত আমি আটায়ে আমাৰ ভাগৰুৱা দেহাবোৰ নিদ্ৰাদেৱীৰ কোলাত এৰি দিলো।

২০ অক্টোবৰৰ দিনা পুৱা ৮ বজাতে হোটেলৰ মানুহে আমাক জগাই দি ফুৰিবলৈ যাবৰ বাবে সাজু হ'বলৈ ক'লে। আমিও যিমানে পাৰো সিমান সোনকালে সাজসজ্জা কৰি ওচৰৰে এখন ৰেষ্টুৰেণ্টত পুৱাৰ চাহ-জলপান খালো। ৮-৩০ বজাত জীপেৰে ফুৰিবলৈ ওলালো। প্ৰথমতে আমাক লৈ যোৱা হ'ল — "HIMALAYAN MOUNTAINEERING INSTITUTE"লৈ। এইটো হৈছে এটা সংগ্ৰহালয়ৰ নিচিনা। ইয়াত

প্ৰথম এভাৰেষ্ট শৃংগ বিজয়ী টেনজিং নৰগে আৰু এড্‌ম্যাণ্ড হিলাৰীয়ে কেনেকৈ এভাৰেষ্টত আৰোহণ কৰিছিল তাৰ আৰ্হি ( MODEL ) প্ৰস্তুত কৰি থোৱা আছে আৰু পৰ্বত আৰোহণ কৰোতে পিন্ধা তেওঁলোকৰ সাজবিলাকো অতিশয় যত্নেৰে সংৰক্ষণ কৰা আছে। তাৰোপৰি তাত আমি পৰ্বত বগোৱাৰ নানা নিৰ্দেশনা আৰু পৰ্বতাৰোহণকাৰীয়ে ব্যৱহাৰ কৰা বিভিন্ন সা-সৰঞ্জুলি দেখিবলৈ পালো। এই সকলোবোৰৰ লগতে আৰু এটা ধুনীয়া বস্তু দেখিলো, সেইটো হ'ল 'অৰ্জুন ব'টা'। ইয়াৰ পিছতে আমি চাবলৈ গলো — 'NATURAL ZOO PARK'। ইয়াত এখন সুদৃশ্য পাৰ্কৰ লগতে আছে নানা তৰহৰ জীৱ-জন্তুবোৰ। সংখ্যাত অৱশ্যে তাকৰ। অসমৰ চিৰিয়াখানাত তাতকৈ বহু বেছি জীৱ-জন্তু সংৰক্ষণ কৰা হৈছে। ইয়াতে আমি আমাৰ কেমেৰাৰে কেইখনমান ফটোও তুলি ললো। এইবিলাক চোৱা-মেলা কৰি থাকোতেই আবেলি ১-৩০ মান বাজিল। ইয়াতেই আমি সকলোৱে একাপ একাপ চাহ খাই ললো। ইয়াৰ পিছতে আমি গ'লো Tenjing Rock ( টেনজিং ৰক্‌ ), Gombu Rock ( গম্বু ৰক্‌ ) আৰু Sima Rock ( চিমা ৰক্‌ ) চাবলৈ। এইকেইটা একোটা হঁত প্ৰকাণ্ড প্ৰকাণ্ড শিল। নিজ চকুৰে নাচালে এই শিলকেইটা কিমান ডাঙৰ তাক বুজাব নোৱাৰি। তাৰ পিছতে আমি চাপলি মেলিলো 'Natural Historical Museum' চাবলৈ। ইয়ালৈ যোৱাৰ পথতে আমাৰ গাইড্‌ ওৰফে জীপৰ ড্ৰাইভাৰজনে টেন্‌জিং নৰগেৰ শেষ বাসভৱনটো দেখুৱালে। আমাৰ ড্ৰাইভাৰজন ইমানেই খুহুতীয়া আছিল যে যাত্ৰা পথ চোৱাত মাজে-সময়ে খুহুতীয়া কথাৰে আমাক খুউব হহুঁৱাইছিল। আমি গৈ 'Historical Museum'ত দেখিলো বহুতো ডাঙৰ ডাঙৰ জীৱ-জন্তুৰ জীৱাশ্ম, বিভিন্ন জন্তুৰ কংকাল, অনেক ঐতিহাসিক বস্তু। তাৰোপৰি দেখিলো বিভিন্ন দেশৰ মুদ্ৰা। আমি সেইদিনাৰ শেষ কাৰ্য্যসূচী হিচাপে চাবলৈ গ'লো দাৰ্জিলিঙৰ 'LLOYD BOTANICAL GARDEN' ( লইড্‌ ব'টানিকেল গাৰ্ডেন )। আমি সকলো আবেলি প্ৰায় ৩ মান বজাত তাত উপস্থিত হলোগৈ। এই গাৰ্ডেনখন স্থাপিত হৈছিল ১৮৭৮ চনত। অনেক আপুৰুগীয়া গছ-গছনিৰ লগতে ইয়াত নানান দেশৰ বিভিন্ন ধৰণৰ সুন্দৰ সুন্দৰ ফুল অতি যত্নেৰে সংৰক্ষণ কৰি ৰখা হৈছে। তাত থকা সময়খিনি কোনোবা সপোনপুৰীত থকাৰ নিচিনা লাগিছিল। এনে সুন্দৰ আৰু মনোমোহা ফুলনি বাগিচাখন চাই থাকোতেই কেতিয়ানো ৪-৩০ বাজিল গমকে নাপালো। আমাৰ জীপৰ ড্ৰাইভাৰজনে ক'লে যে গধূলি হোৱাৰ আগতেই হোটেল পাবগৈ লাগিব, নহলে অতিপাত কুঁৱলিৰ বাবে গাড়ী চলাবলৈ অসুবিধা হ'ব পাৰে। গতিকে আমি অনিচ্ছাস্বত্ত্বেও তাৰ পৰা হোটেল অভিমুখে যাত্ৰা কৰিলো।

২১ অক্টোবৰ তাৰিখে আমাৰ ফুৰিব লগা ঠাই কিছু বেচি আছিল বাবে আমি পুৱা ৭-৩০ মান বজাতেই হোটেলৰ বাহিৰ হ'লো। প্ৰথমে জীপেৰে আমাক লৈ যোৱা

হ'ল 'জাপানী বৌদ্ধ মন্দিৰ' অভিমুখে। সেই বৌদ্ধ মন্দিৰটোৰ কাৰুকাৰ্য্য সঁচাকৈয়ে চকুত লগা। আমি তাত কিছু সময় থাকি পুনৰ আহিলো 'তিব্বত ৰিফিউজি কেম্পলৈ।' দালাই লামাৰ লগত ভাৰতলৈ অহা কিছু তিব্বতী ভগনীয়াক ইয়াত সংস্থাপিত কৰা হৈছে। অৱশ্যে দুৰ্ভাগ্যবশতঃ আমি তেওঁলোকক কৰ্মৰত অৱস্থাত দেখিবলৈ নাপালো। তথাপি আমি তেওঁলোকৰ শ্ৰমৰ চিন স্বৰূপে কেইটামান মণিবেগ আৰু অন্যান্য দুই-এপদ সৰু-সুৰা বস্তু তাতে কিনি ললো। তাৰ পিছতে আমি অগ্ৰসৰ হ'লো DRIDHAM TEMPLE লৈ। এইটো এটা দাৰ্জিলিঙৰ অন্যতম সুবৃহৎ বৌদ্ধ মন্দিৰ। মন্দিৰ চাই ফটো আদি লোৱাৰ পিছত আমি আহিলো দাৰ্জিলিঙৰ বিখ্যাত চাহ বাগান চাবলৈ। তাৰ চাহগছ-বোৰ আমাৰ অসমৰ চাহগছবোৰতকৈ কিছু বেলেগ। বেলেগ মানে অন্য একো নহয়;—মাত্ৰ তাৰ পাতবোৰ সৰু আৰু প্ৰায় গোল। এই বাগানবোৰৰ ওচৰতে আলিৰ কাষত এখোকখনকৈ অস্থায়ী বজাৰ আৰু চাহৰ দোকান বহে। আমি সকলোৱে আমাৰ ঠাণ্ডা দেহাবোৰ গৰম কৰাৰ উদ্দেশ্যে তাতে একো-কাপকৈ গৰম চাহ খাই ললো।

আমি তাৰ বজাৰতে বাইন'কুলাৰ এটাও কিনি ললো। বাগান আদি চাই শেষ কৰোতেই সময় হ'লগৈ। দুপৰীয়াৰ আহাৰৰ পিছত আমি জীপেৰে পুনৰ যাত্ৰা কৰিলো 'আভা আৰ্ট গেলেৰী' ( AVA ART GALLERY ) অভিমুখে। এই আৰ্ট গেলেৰী-টোত আছে আভা দেৱীয়ে অংকন কৰা বিভিন্ন ধৰণৰ সৰু-ডাঙৰ ছবি। এই ছবিবোৰ ইমানেই জীৱন্ত আছিল যে তাক নিজে নেদেখিলে অনুভৱ কৰিব নোৱাৰি। তাতে আৰু এটা সুন্দৰ বস্তু দেখিলো; সেইটো হ'ল—এম্ব্ৰইডেৰী কৰি অংকন কৰা মানুহৰ ছবি। এই সুন্দৰ ছবিসমূহে আভা দেবী মানুহগৰাকীৰ শিল্পীসত্তাৰ জলন্ত স্বাক্ষৰ বহন কৰিছে। আমি তাতে আভাদেবীৰ অংকিত কেইখনমান ফটো কিনি ল'লো। আভা আৰ্ট গেলেৰীৰ পৰা ওলায়েই আমি পোনে পোনে গ'লো বিখ্যাত 'বাটাচা লুপ' ( Batasia loap ) চাবলৈ। আমাৰ ড্ৰাইভাৰজনক ক'লে, "মেৰে চপন কি ৰাণী কব আয়েগে তু ......' গানটোৰ চুটিং ইয়াতেই হৈছিল।" এই বাটাচা লুপ হ'ল দাৰ্জিলিঙত চলা পুতলা ৰেলৰ চিৰিৰ এটা পাক বিশেষ। ই দেখাত ঘোঁৰাৰ খুৰাৰ আকৃতিৰ। ই সমতলৰ পৰা ক্ৰমান্বয়ে ওপৰলৈ উঠি আহি ঘোঁৰাৰ খুৰা আকৃতি প্ৰাপ্ত হৈ পুনৰ তললৈ নামি গৈছে। সেই ঠাইখনত অনেক ভ্ৰমণকাৰীৰ ভীৰ আমাৰ চকুত পৰিল। ইয়াৰ পৰা ( পইচাৰ বিনিময়ত ) বাইন'কুলাৰ অথবা দূৰবীক্ষণ যন্ত্ৰৰ সহায়ত কাঞ্চনজঙ্ঘা আৰু মাউণ্ট এভাৰেষ্ট সুন্দৰকৈ চাব পাৰি। আমিও চালো। তাতেই আবেলি প্ৰায় ৪ বাজিল। গতিকে তাৰ পৰাই হোটেললৈ আহোঁতে দাৰ্জিলিঙৰ 'গল্ড কাপ ষ্টেডিয়াম' ( Gold Cup Stadium ) খনো ওপৰে ওপৰে চাই আহিলো। এই ষ্টেডিয়ামখন বৰ ডাঙৰ নহয় যদিও দেখিবলৈ বৰ ধুনীয়া।

ইয়াতেই আমাৰ সেই দিনটোৰ কাৰ্য্যসূচী সমাপ্ত হ'ল।

২২ অক্টোবৰৰ দিনা পুৱা ৩-০০ মান বজাতেই হোটেলৰ মানুহ আহি আমাক জগাই দিলেহি। কিয়নো পূৰ্ব-পৰিকল্পনানুযায়ী সেইদিনা আমি 'টাইগাৰ হিলচ্'ৰ পৰা সূৰ্যোদয় চোৱাৰ কথা। গতিকে আমি হুৰ-মুৰকৈ উঠি ওলাই-মেলি সাজু হলো আৰু ঠিক ৩-৩০ মান বজাত জীপত উঠি টাইগাৰ হিলচ্ অভিমুখে ৰাওনা হ'লো। লোকে কয় — 'দাৰ্জিলিঙলৈ গৈ সূৰ্যোদয়ৰ সুন্দৰ দৃশ্য উপভোগ কৰিব নোৱাৰিলে দাৰ্জিলিং যাত্ৰাই বৃথা।' দাৰ্জিলিঙৰ পৰা টাইগাৰ হিলচ্‌লৈকে সময় লাগে প্ৰায় ৪০ মিনিট। এই গোটেই পথচোৱা অতি ভয়াবহ। আলিবোৰ ওখ আৰু থিয়। আমাৰ প্ৰত্যেকৰে কিছু ভয় ভাব আছিল যদিও আগে-পিছে অহা অন্য গাড়ীবোৰ দেখি কিছু সাহস পাইছিলো। সম্ভৱ আমাৰ মনৰ ভয় ভাব আঁতৰাবলৈ আমাৰ ৰভীয়াল ড্ৰাইভাৰ-জনে এটা নেপালী গীত গাই দিলে। দাদাই ৰ'ব নোৱাৰি মুখতে তবলা বজালে। এইদৰে হাঁহি-ধেমালি কৰি আমি পুৱা ঠিক ৪-১০ মিঃত টাইগাৰ হিলচ্ পালোগৈ। তাত সূৰ্যোদয় চাব পৰাকৈ এটা ওখ ঘৰ নিৰ্মাণ কৰি দিয়া হৈছে। তাৰ ওপৰৰ চাদৰ পৰা সূৰ্যোদয় সুন্দৰকৈ চাব পাৰি। অৱশ্যে তাৰ বাবে টিকট ল'ব লাগে। আমিও একোটাকৈ টিকট লৈ ঘৰটোৰ ওপৰলৈ উঠিলো। আমাৰ আগতেই ইতিমধ্যে বহু ভ্ৰমণকাৰী তাত ভৰি পৰিছিল। তাতে আমি কেইজনমান বিদেশী লোকো দেখিলো। তাত বহুতো চিনাকি-অচিনাকি ভ্ৰমণকাৰীক লগ পালো। আমাৰ ভাগ্য সেই-দিনা বৰ ভাল আছিল, কিয়নো সূৰ্যোদয় চোৱাৰ উপযোগীকৈ আকাশ সম্পূৰ্ণ ফৰকাল আছিল। মেঘাছন্ন আকাশত সূৰ্যোদয় চোৱা মিছা। প্ৰায় আধাঘণ্টাৰ উৎকণ্ঠাৰ মূৰত পূব আকাশত সূৰুযে ভুমুকি মৰাৰ উপক্ৰম হ'ল। চৌদিশৰ আকাশ ৰাঙলী হৈ পৰা আমি দেখিবলৈ পালো। সূৰ্য্যদেৱতাৰ মুকুটৰ দৰে লগা ওপৰ অংশ আমাৰ দৃষ্টিগোচৰ হ'ল। 'ওৱাল, ওৱাল' বুলি কোৱা কোনোবা অত্যুৎ-সাহী দৰ্শকৰ চিঞৰ আমাৰ কাণত পৰিলহি। ক্ৰমান্বয়ে সূৰ্য্যটোৱে মোহনীয় দৃশ্য সম্ভাৱেৰে নাচি নাচি ওপৰলৈ উঠি অহা আমি দেখিবলৈ পালো। সূৰ্য্যৰ পোহৰত সুদূৰত জিলিকি উঠা 'গল্ডেন কাঞ্চনজঙ্ঘা' পৰ্ব্বতটো আমাৰ চকুত পৰিল। এই সূৰ্য্যোদয়ৰ দৃশ্য উপভোগ কৰি আমাৰ দাৰ্জিলিং যাত্ৰা সাৰ্থক হোৱা যেন লাগিল। ঠিক ৬-৩০ বজাত আমি পুনৰ দাৰ্জিলিঙ অভিমুখী হ'লো আৰু কিবা অলপ খাই লৈ এইবাৰ যাত্ৰা কৰিলো — 'মিৰিক লেক' ( MIRIK LAKE ) চাবলৈ। এই পথচোৱাৰে যা-া কৰি আমাৰ খুউব ভাল লাগিল। কিয়নো পাহাৰৰ দ'াতিয়ে দ'াতিয়ে থকা পাইন গছৰ শাৰী আৰু সেউজীয়া প্ৰাকৃতিক দৃশ্যই আমাক মোহিত কৰিছিল। আমি ঠিক ৯ বজাত মিৰিক লেক পালোগৈ। মিৰিক এটা অতি সুন্দৰ কৃত্ৰিম হ্ৰদ। ইয়াতে এখন ধুনীয়া ফুলৰ বাগিচা আছে আৰু নাৱেৰে হ্ৰদত ফুৰিব পৰা সুন্দৰ ব্যৱস্থা আছে।

তাৰোপৰি ঘোঁৰাৰ পিঠিত উঠি ফুৰা ব্যৱস্থাও দেখিলো। আমি ঘোঁৰা, নাওঁ সকলোতে উঠি চালো। অৱশ্যে এইবোৰ এনেয়ে কৰিব পৰা নাযায় দেই, পইচা দিব লগা হয়। মিৰিকৰ সুন্দৰ দৃশ্য উপভোগ কৰি দুপৰীয়া ১২ বজাত তাৰ হোটেলতে ভাত-পানী খাই আজৰি হৈ ১ মান বজাত তাৰ পৰা গুচি আহিলো। তাৰপৰা আহি আমি পালোহি পশুপতি (Pasupati)। ভাৰত আৰু নেপালৰ সীমাতে এই পশুপতি অৱস্থিত। ইয়াতে এখন ডাঙৰ বজাৰ বহে। সেই বজাৰখনক বোলা হয় 'পশুপতি বজাৰ' (Pusupati Market)। পশুপতি বজাৰলৈ সোমোৱা গেটতে নেপালৰ ৰজা বীৰেন্দ্ৰ বিক্ৰম সিং আৰু ৰাণীৰ একোখন ডাঙৰ ফটো আঁকি থোৱা আমি দেখিলো। গেটেৰে সোমাই অলপ আগলৈ গ'লেই পশুপতি বজাৰ পোৱা যায়। গেটতে আমাক কৈ পঠোৱা হ'ল যে আমি যেন কোনো ধৰণৰ যান্ত্ৰিক বস্তু কিনি নানো; কিয়নো যান্ত্ৰিক বস্তু কিনি আনিলে গেটত থকা পুলিচে ধৰিব পাৰে আৰু পুলিচে ধৰা মানেই উপৰুৱা পইচা ভৰা। গতিকে আমি এই বিষয়ে সজাগ হ'লো। বজাৰলৈ গৈ আমি বহুতো বিদেশী বস্তু দেখিবলৈ পালো। তাতে আমি দুই এটা দৰকাৰী বস্তু অৱশ্যে কিনি ললো। ঠিক 4 মান বজাৰ পৰা উভতাৰ পথত আমাৰ গোটেই পথটো কুঁৱলীৰে চানি ধৰিলে। লাহে লাহে কুঁৱলি ডাঠহৈ অহাৰ লগে লগে আমাৰ কিছু ভয় লাগিছিল যদিও ড্ৰাইভাৰে আমাক ভয় নকৰিবলৈ ক'লে। কুঁৱলীৰ মাজেদি আমাৰ ড্ৰাইভাৰজনে সঠিক ভাৱে গাড়ীখন আগবঢ়াই নিয়া দেখি আমি স্তম্ভিত নহৈ নোৱাৰিলো। অৱশেষত আমি ৬-৩০ বজাত আহি দাৰ্জিলিং পালোহি। সেইদিনা গধূলি আমি দাৰ্জিলিঙৰ বজাৰতো দুই এপদ বস্তু কিনিলো। নিশা ঠিক ৯-৩০ মান বজাত খাই বৈ হোটেলতে আমি সকলোটি শুই পৰিলো।

২৩ অক্টোবৰৰ দিনা পুৱা ৮ বজাত সাৰ পালো। সাৰ পাই উঠি মোৰ মনটো গধুৰ গধুৰ লাগিল। কিয়নো সেইদিনাই দাৰ্জিলিঙ এৰাৰ কথা। এই তিনি দিনতে পাহাৰী কন্যাজনীয়ে মোক বৰ মৰমেৰে আকোঁৱালি লৈছিল। এতিয়া সেই মৰম প্ৰত্যাখ্যান কৰি গুচি আহিব লগা হোৱাত বেয়া লাগিল। কিন্তু ঘৰৰ মানুহ এদিন ঘৰলৈ ঘুৰিবই লাগিব। তাত বেয়া পাই কি লাভ। এইদৰে মনটোক সান্ত্বনা দিবলৈ চেষ্টা কৰিলো। অৱশেষত দুপৰীয়া ১১-৩০ বজাত দাৰ্জিলিঙৰ মধুৰ স্মৃতিবোৰ বুকুত সাৱটি আমি শিলিগুড়িমুখী বাচত উঠিলো—। □ □

# মোৰ কলেজীয়া জীৱনৰ স্মৃতিৰ টুকুৰা

অনিন্দিতা বৰুৱা
প্ৰাক্তন ছাত্ৰী, শিৱসাগৰ ছোৱালী কলেজ

শিৱসাগৰ ছোৱালী কলেজ। শিৱসাগৰ নগৰৰ একমাত্ৰ ছোৱালী কলেজখনৰ প্ৰাক্তন ছাত্ৰী হিচাপে মই গৌৰৱান্বিত। বুৰঞ্জী প্ৰসিদ্ধ শিৱদ'ল আৰু শিৱসাগৰ পুখুৰীৰ কাষতে অৱস্থিত আমাৰ কলেজখন স্থাপিত হৈছিল ১৯৬৪ চনতে।

শিক্ষা জীৱনৰ পাঁচোটি অমূল্য বৰ্ষ কটাই যোৱা উক্ত কলেজখনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰী বান্ধৱীসকলৰ বহুতো মধুৰ স্মৃতি মনৰ মণিকোঠাত জীৱন্ত হৈ আছে। তৃতীয় বাৰ্ষিকলৈ উত্তীৰ্ণ হোৱাৰে পৰাই ঘনে ঘনে মনলৈ আহিছিল, 'আমাৰ আৰু এইখন কলেজ এৰিবলৈ বেছি দিন নাই।' ১৯৯০ চনৰ আগষ্ট মাহত উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষত নাম ভৰ্তি কৰাৰে পৰা কলেজ এৰালৈকে এখন শিক্ষানুষ্ঠানৰ পৰা পাব লগা সকলোখিনিয়েই আমি কলেজত পাইছিলো। আৰম্ভণিৰ পৰাই অধ্যক্ষ মঃ হাফিজুৰ ৰহমান চাৰকে আদি কৰি সকলো চাৰ-বাইদেউৰ পৰাই অকৃত্ৰিম মৰম পাইছিলো। সকলো ক্ষেত্ৰতে সকলো সময়তে চাৰ-বাইদেউসকলৰ পৰা উৎসাহ-উদ্দীপনা, সহায়-সহযোগ, আদেশ-উপদেশ আমি পাইছিলো।

হাইস্কুলত পঢ়ি থকাৰ পৰাই মোৰ ভূগোল বিষয়টো পঢ়াৰ প্ৰতি ইচ্ছা আছিল। সেয়ে ১৯৯২ চনত মই উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ ভূগোল বিষয়টোকে সন্মানৰ বিষয় হিচাপে বাছি ললো। আমাৰ কলেজৰ এই বিভাগটো যথেষ্ট ভাল। এই বিভাগৰ চাৰ-বাইদেউৰে চূড়ান্ত পৰীক্ষাত এটা ভাল ফল দেখুৱাবৰ বাবে শ্ৰেণীৰ আৰম্ভণিৰ পৰাই আমাক যিবিলাক দিহা পৰামৰ্শ দিছিল আৰু তেখেতসকলে আমাক যি সহায়-সহযোগ কৰিছিল সেই কথা জীৱনত কেতিয়াও পাহৰিব নোৱাৰিম। ভূগোল বিজ্ঞান বিভাগৰ সন্মানৰ ছাত্ৰী বাবে কলেজৰ পৰা বান্ধৱী আৰু চাৰ-বাইদেউসকলৰ লগত দুবছৰত দুটা শিক্ষামূলক ভ্ৰমণত যোৱাৰ মধুৰ অভিজ্ঞতাৰ কথা আজীৱন মনত থাকিব। স্নাতক দ্বিতীয় বৰ্ষত এবাৰ কাজিৰঙালৈ আৰু তৃতীয় বৰ্ষত পুনৰ দহদিন মানৰ বাবে "কাঠমাণ্ডু"লৈ আমি গৈছিলো। কাঠমাণ্ডুৰ প্ৰসিদ্ধ 'পশুপতি মন্দিৰ', 'বুদ্ধ স্তুপ' আদি চোৱাৰ উপৰিও কাঠমাণ্ডু বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য মহোদয়কো আমি লগ পাইছিলো। উক্ত ভ্ৰমণত চাৰ-বাইদেউসকলে আমাক হাঁহি-ধেমালিৰ মাজেৰে বিভিন্ন মঠ-মন্দিৰ আদি দেখুৱাবলৈ লৈ গৈছিল; বজাৰ-সমাৰ কৰাতো সহায় কৰি দিছিল। আমাৰ এই কাঠমাণ্ডু ভ্ৰমণত বিভাগীয় একমাত্ৰ মহিলা অধ্যাপিকা শ্ৰীযুতা কিৰণ বৰুৱা বাইদেউৱে আমাৰ ছোৱালীবিলাকক সকলো সময়তে মন বুজি কৰা সহায়-সহযোগবোৰ পাহৰিব নোৱাৰিম। বিশেষতঃ এগৰাকী ছোৱালীৰ অসুখ হওঁতে তেখেতে এগৰাকী নিজ মাতৃস্বৰূপে কৰা পৰিচৰ্য্যাৰ কামখিনি দেখি আমি স্তম্ভিত হৈ পৰিছিলো। সহযোগ তথা উপদেশে এহাতে আমাক বন্ধুসুলভ সান্নিধ্য দিছিল আনহাতে অভিভাৱক তৎপৰতাৰে আমাক সকলো কাম-কাজতে সহায় দিছিল।

কলেজীয়া জীৱনৰ মধুৰ স্মৃতিবোৰ মানসপটত সদায় চিৰস্মৰণীয় হৈ ৰওক, এয়ে কামনা। ☐

# ছাত্ৰী একতা সভাৰ ভিতৰ চ'ৰা

১৯৯৪—৯৫ বৰ্ষ

## সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে অসম মাতৃৰ সেইসকল সু-সন্তানলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। যিসকলে অসম মাতৃৰ স্বাৰ্থ আৰু গৌৰৱ ৰক্ষা কৰিবলৈ নিজৰ জীৱনক তুচ্ছ জ্ঞান কৰি প্ৰাণ আহুতি দিলে।

ইতিহাসে গৰকা ঠাই আজিৰ শিৱসাগৰ, অতীতৰ ৰংপুৰ। ঐতিহাসিক চিহ্নক সাক্ষী কৰি ১৯৬৪ চনত শিৱসাগৰৰ বহুতো বিদুষী আৰু বিদ্বান নাৰী-পুৰুষৰ যৌথ প্ৰচেষ্টাত স্থাপিত হ'ল এই শিৱসাগৰ ছোৱালী কলেজ, শিৱসাগৰ নগৰৰ নাৰী উচ্চশিক্ষাৰ একমাত্ৰ আনুষ্ঠানিক শিক্ষানুষ্ঠান। ১৯৬৪ চনত স্থাপিত হোৱা এই মহাবিদ্যালয়খনৰ পৰা শিক্ষা লাভ কৰি বহুতো ছাত্ৰীয়ে জীৱনত সু-প্ৰতিষ্ঠিত হৈছে আৰু মহাবিদ্যালয়খনিলৈ গৌৰৱ কঢ়িয়াই আনিছে। বন্তিৰ পোহৰে যেনেকৈ তিমিৰ নাশি পোহৰ দান কৰে, শিক্ষাইও তদানুৰূপ একোখন সমাজৰ পৰা অজ্ঞানতা, নিৰক্ষৰতা, জড়তা, অন্ধবিশ্বাস আদি সমাজ জীৱনৰ পৰা আঁতৰ কৰি মানুহক মানৱীয় প্ৰমূল্যবোধেৰে মহীয়ান কৰি অমৰত্ব প্ৰদান কৰে। আশা ৰাখিছোঁ এই মহাবিদ্যালয়খনে নাৰী শিক্ষাৰ বাবে আগবঢ়োৱা অৱদানে মানুহৰ মাজত মানৱতাবোধ আৰু এখন নিকা সমাজ গঢ়াৰ ক্ষেত্ৰত সহায়ক হ'ব।

শিৱসাগৰ নগৰৰ নাৰী উচ্চ শিক্ষাৰ একমাত্ৰ শিক্ষানুষ্ঠান এই মহাবিদ্যালয়খনত শিক্ষালাভৰ কালছোৱাতেই মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ মৰম আৰু সহযোগিতাত ১৯৯৪-৯৫ চনৰ ছাত্ৰী একতা সভাৰ নিৰ্বাচনত সাধাৰণ সম্পাদিকা ৰূপে নিৰ্বাচিত হওঁ। এই সুযোগতে ছাত্ৰীবৃন্দলৈ মই মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে সাধাৰণ সম্পাদিকাৰ দৰে এটা গুৰুদায়িত্ব লৈ কাৰ্য্যভাৰ চলাই থকা সময়চোৱাত ছাত্ৰীসকলৰ সহায়-সহযোগিতাৰ বাবে ধন্যবাদ জনাইছো। অৱশ্যে তেওঁলোকৰ আশা-আকাঙ্ক্ষাক কিমান দূৰ সফল কৰিব পাৰিলোঁ সেইয়া ছাত্ৰীসকলৰ বিচাৰ্য্য বিষয়।

## ১৯৯৪-৯৫ চনৰ ছাত্ৰী একতা সভাৰ দ্বাৰা মহাবিদ্যালয়ত পালন কৰা বিভিন্ন কাৰ্য্যসূচীসমূহ ঃ—

**বাৰ্ষিক কলেজ সপ্তাহ ঃ** বিগত বছৰবোৰৰ দৰে এইবছৰো মহাবিদ্যালয়ত ইংৰাজী ২/১/৯৫ৰ পৰা ৭/১/৯৫ তাৰিখলৈকে বাৰ্ষিক কলেজ সপ্তাহ পালন কৰা হয়। কলেজ সপ্তাহৰ প্ৰথম দিনাই এখনি আলোচনা-চক্ৰ অনুষ্ঠিত কৰা হয়। আলোচনা-চক্ৰখনি সঞ্চালনা কৰে মহা-বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ, সু-সাহিত্যিক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি শ্ৰীযুত বীৰেণ বৰকটকীদেৱে। আলোচক হিচাবে অংশ গ্ৰহণ কৰে দুজন সু-সাহিত্যিক ক্ৰমে শ্ৰীযুত ইমৰাণ শ্বাহদেৱ আৰু শ্ৰীযুত কৃষ্ণ কুমাৰ মিশ্ৰদেৱে। কলেজ সপ্তাহৰ শেষৰ দিনাৰ বঁটা বিতৰণী অনুষ্ঠানত মুখ্য অতিথি হিচাবে উপস্থিত থাকে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্ত-ৰ্গত মহাবিদ্যালয়সমূহৰ পৰিদৰ্শক শ্ৰীযুত বিমল গগৈদেৱ। এই অনুষ্ঠানতে প্ৰথম বাৰৰ বাবে মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষা ৺নীলিমা বৰুৱা সোঁৱৰণী বঁটা প্ৰদান কৰা হয়। এক গাম্ভীৰ্য্যপূৰ্ণ পৰিবেশত অনুষ্ঠিত হোৱা এই বঁটা প্ৰদান অনুষ্ঠানত দাতাৰ পৰিয়ালৰ সদস্যৰ উপৰিও বহুতো গণ্য-মান্য ব্যক্তি উপস্থিত আছিল।

এই বাৰ্ষিক কলেজ সপ্তাহতে মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ সহযোগত এখনি আটক ধুনীয়া হস্তশিল্পৰ প্ৰদৰ্শনী অনুষ্ঠিত হয় আৰু মহাবিদ্যালয়ৰ প্ৰাচীৰ পত্ৰিকাখনিৰো উন্মোচন কৰা হয়। কলেজ সপ্তাহৰ বিভিন্ন কাৰ্য্যসূচীসমূহত অংশ গ্ৰহণ কৰি বহুতো ছাত্ৰীয়ে তেওঁলোকৰ পাৰদৰ্শিতা প্ৰদৰ্শন কৰে।

**শ্ৰীশ্ৰীসৰস্বতী পূজা ঃ** বিগত বছৰবোৰৰ দৰে এই বছৰো মহাবিদ্যালয়ত অতি উলহ-মালহেৰে শ্ৰীশ্ৰীসৰস্বতী দেৱীৰ পূজা পালন কৰা হয়।

**নবাগতা আদৰণী সভা ঃ** মহাবিদ্যালয়ত শিক্ষা লাভ কৰিবলৈ অহা নবাগতা ছাত্ৰীসক-লক আনুষ্ঠানিক ভাৱে আদৰি ল'বলৈ ইংৰাজী ১১/৯/৯৫ তাৰিখৰ দিনা নবাগতা আদৰণী সভাখন অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় মঃ হাফিজুৰ ৰহমানদেৱে। উক্ত সভাত মুখ্য অতিথি হিচাবে উপস্থিত থাকে কলেজৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীযুত বীৰেণ বৰকটকীদেৱ আৰু মাননীয় শ্ৰীযুত ইমৰাণ শ্বাহদেৱ। এই মহাবিদ্যালয়ৰে প্ৰাক্তন ছাত্ৰী, বৰ্ত্তমান ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা ড° কৰবী ডেকা হাজৰিকাই উক্ত অনুষ্ঠানত বিশিষ্ঠা অতিথি ৰূপে যোগদান কৰি ছাত্ৰীসকলক অনু-প্ৰাণিত কৰে।

**বিদায় সভা ঃ** ইংৰাজী ২৯/১১/৯৪ তাৰিখৰ দিনা মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ মূৰব্বী অধ্যাপক মাননীয় শ্ৰীযুত সমৰপতি সান্যালদেৱে চাকৰি জীৱনৰ পৰা অৱসৰ লোৱাৰ পৰি-প্ৰেক্ষিতত এখনি বিদায় সভা অনুষ্ঠিত হয়। পুনৰ ইংৰাজী ২২/২/৯৫ তাৰিখৰ দিনা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপিকা, সু-লেখিকা মাননীয়া শ্ৰীযুতা এখুদি দুৰৰা বাইদেউৱে চাকৰি জীৱনৰ পৰা অৱসৰ লোৱাৰ পৰিপ্ৰেক্ষিতত আন এখনি বিদায় সভা অনুষ্ঠিত হয়।

**আলোচনা চক্ৰ ঃ** ইংৰাজী ২৩/৯/৯৫ তাৰিখৰ দিনা Sibsagar Lions Club এ মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সহযোগত মহাবিদ্যালয়ত এখনি আলোচনা-চক্ৰ অনুষ্ঠিত কৰে। উক্ত আলোচনা-চক্ৰত ভালে কেইজন গণ্যমান্য ব্যক্তি উপস্থিত থাকি মহাবিদ্যালয়ৰ ছাত্ৰীসকলক উৎসাহ প্ৰদান কৰে। এই সুযোগতে মই Lions Club ৰ কৰ্মকৰ্তাসকলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো আৰু আশা কৰো ভৱিষ্যতেও তেখেতসকলে এনে ধৰণৰ আলোচনা চক্ৰ আদি অনুষ্ঠিত কৰিবলৈ আগবাঢ়ি আহিব।

**শোক সভা ঃ** ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হৰিপ্ৰসাদ বৰুৱা, তিনিচুকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ চৈয়দ দলিলুৰ ৰহমানদেৱ আৰু বিশিষ্ট শিক্ষাবিদ সু-সাহিত্যিক ড° মহেশ্বৰ নেওগদেৱৰ বিয়োগত মহাবিদ্যালয়ত শোক সভা অনুষ্ঠিত হয় আৰু বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰা হয়।

তাৰোপৰি মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাই সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিটো কাৰ্য্যসূচীতে সক্ৰিয় অংশ গ্ৰহণ কৰি কাৰ্য্যসূচীসমূহ মহাবিদ্যালয়ত সফল কৰি তোলে।

### শিৱসাগৰ ছোৱালী কলেজৰ বিভিন্ন অভাৱ-অভিযোগসমূহ ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে কোৱা হৈছে যে আমাৰ মহাবিদ্যালয়খন হ'ল শিৱসাগৰ নগৰৰ নাৰীৰ উচ্চ শিক্ষাৰ একমাত্ৰ অনুষ্ঠান। ১৯৬৪ চনতে স্থাপিত হোৱা মহাবিদ্যালয়খনো ৰূপালী জয়ন্তী বৰ্ষ উদযাপন কৰি যোৱাৰ পাছতো মহাবিদ্যালয়খনক বহুতো প্ৰয়োজনীয় অভাৱে জৰ্জৰিত কৰি ৰাখিছে। এইটো সঁচাকৈ বৰ পৰিতাপৰ কথা। সেয়েহে আশা ৰাখিছো মহাবিদ্যালয় কৰ্তৃপক্ষই এই অভাৱসমূহ দূৰ কৰিবলৈ যত্নবান হ'ব।

১) প্ৰায় ১৫০০ ছোৱালীৰে ভৰপূৰ মহাবিদ্যালয়খনৰ লাইব্ৰেৰীটোৰ Reading Room মাত্ৰ এটা য'ত ৩০-৪০ জনীতকৈ অধিক ছাত্ৰীয়ে একেলগে অধ্যয়ন কৰিব নোৱাৰে। তাৰোপৰি Reading Room টো নিয়মীয়াকৈ খোলা নহয়।

২) মহাবিদ্যালয়খনিত ছাত্ৰীসকলৰ বাবে এটা জিৰণী কোঠা নাই। ফলস্বৰূপে ছাত্ৰীসকলে off-period সমূহত মহাবিদ্যালয়ৰ চৌহদৰ বাহিৰত বিশৃঙ্খল ভাবে ঘুৰি ফুৰিব লগা হয়। তাৰোপৰি মহাবিদ্যালয়ৰ শিক্ষকসকলৰ বাবে যিটো জিৰণী কোঠা আছে সেইটোও শিক্ষকৰ সংখ্যা চাই যথেষ্ট সৰু।

৩) ছাত্ৰীঅনুপাতে মহাবিদ্যালয়ত শ্ৰেণীৰ কোঠাৰ সংখ্যা কম।

৪) ছাত্ৰীপাতে মহাবিদ্যালয়ত প্ৰস্ৰাৱাগাৰৰ সংখ্যা কম, যি এটা প্ৰস্ৰাৱাগাৰ আছে সিও পৰিস্কাৰৰ অভাৱত মহাবিদ্যালয়ৰ পৰিবেশ দূষিত কৰে। সেয়েহে প্ৰস্ৰাৱাগাৰৰ সংখ্যা বৃদ্ধিৰ লগতে পৰিস্কাৰকৈ ৰখাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

৫) মহাবিদ্যালয়খনত এটা স্থায়ী প্ৰেক্ষাগৃহ আৰু নিজস্ব এখন খেল পথাৰৰ বাৰুকৈয়ে অনুভৱ হয়।

৬) মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ নিজস্ব কোনো সংবিধান নোহোৱাৰ বাবে বহু সময়ত সমস্যাৰ সন্মুখীন হ'ব লগা হয়।

উল্লেখিত এই প্ৰাথমিক অভাৱসমূহৰ বাবেই আজিও শিৱসাগৰ ছোৱালী কলেজ নাৰী শিক্ষাৰ প্ৰগতিৰ ক্ষেত্ৰত বহুতো সমস্যাৰ সন্মুখীন হৈছে। কিন্তু এই কথা স্বীকাৰ নকৰিলে ভুল কৰা হ'ব যে এই সীমিত পৰিবেশতেই মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ বহুতেই সু-নাম কঢ়িয়াই আনিছে। অৱশ্যে ছাত্ৰী অনুপাতে সি আশানুৰূপ নহয়।

**কৃতজ্ঞতা জ্ঞাপন ঃ—** সাধাৰণ সম্পাদিকা হিচাবে মোৰ কাৰ্য্যকালত বিভিন্ন কাৰ্য্যসুচী সমূহত মোক সজ পৰামৰ্শ আৰু সহযোগিতাৰে যি সকলে বিশেষ ভাবে সহায় কৰিলে তেখেতসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো। বিশেষ ৰূপে মাননীয় অধ্যক্ষ মহোদয়ে মোক যি দিহা পৰামৰ্শ দিলে সি চিৰদিন মোৰ বাবে অনুকৰণীয় হ'ব আৰু তাৰ বাবে মই তেখেতলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মাননীয় শ্ৰীযুত ৰবীন্দ্ৰ নাথ মিশ্ৰ চাৰ, শ্ৰীযুত ভাস্কৰ দত্ত চাৰ, শ্ৰীযুত সমৰজিৎ চৌধুৰী চাৰ, শ্ৰীযুক্তা মনোৰাৰা বাইদেউ, শ্ৰীযুক্তা যমুনা বাইদেউ, শ্ৰীযুক্তা উৎপলা বাইদেউ, শ্ৰীযুত জিতেন বৰদলৈ চাৰ, আৰু শ্ৰীযুত অৰুণ বৈৰাগী চাৰলৈ কৃতজ্ঞতা ও ধন্যবাদ জ্ঞাপন কৰিছো। তাৰোপৰি অফিচৰ কৰ্ম্মচাৰী শ্ৰীযুত ৰোহিত বড়া চাৰ আৰু শ্ৰীযুক্তা গীতাঞ্জলী বাইদেউলৈ মোৰ আন্তৰিক কৃতজ্ঞতা থাকিল। ইয়াৰ বাহিৰেও শিৱসাগৰ জিলা আৰু আঞ্চলিক ছাত্ৰ সন্থাৰ সমূহ বিষয়ববীয়া, চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীসকল আৰু মোৰ মৰমৰ ছাত্ৰী বান্ধৱীসকলে মোৰ লগত কৰা সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো। অতি কম সময়ৰ ভিতৰতে ছাত্ৰী একতা সভাৰ নতুন কাৰ্য্যালয় ভৱন এটা নিৰ্মাণ কৰি দিয়াত

যি সকলে সহায়-সহযোগ আগবঢ়ালে সেই সকললৈও এই মোৰ ফালৰ পৰা আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো। আভ্যন্তৰীণ খেলসমূহৰ বাবে বিভিন্ন সামগ্ৰী ক্ৰয় কৰিবলৈ সক্ষম হোৱা মাননীয়া শ্ৰীযুতা উৎপলা বাইদেউক পুনৰবাৰ কৃতজ্ঞতা ও ধন্যবাদ জ্ঞাপন কৰিলো। শেষত মহাবিদ্যালয়খনৰ সৰ্বাংগীণ উন্নতি কামনা কৰি মোৰ কাৰ্য্যাৱলীৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো। পুনৰ সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ ও শুভেচ্ছা থাকিল।

॥ জয় শিৱসাগৰ ছোৱালী কলেজ ॥

শ্ৰীবিভা বৰঠাকুৰ
সাধাৰণ সম্পাদিকা
ছাত্ৰী একতা সভা

## সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে শিৱসাগৰ ছোৱালী কলেজৰ ছাত্ৰী বান্ধৱী ঐকান্তিক প্ৰচেষ্টাৰে ১৯৯৪-৯৫ চনৰ নিৰ্বাচনত ছাত্ৰী একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদিকা হিচাবে মোক সুবিধাকণ দিয়াৰ বাবে তেওঁলোকলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিছো। আমাৰ কাৰ্য্যকালতে ছাত্ৰী একতা সভাৰ নতুন কোঠাটো গঢ়ি উঠাত আমি অতিকৈ সুখী হলো।

এই সুযোগতে সকলো ক্ষেত্ৰতেই পৰামৰ্শ আগবঢ়োৱা অধ্যাপক অধ্যাপিকা আৰু সহায়-সহযোগিতা কৰা কৰ্মচাৰীবৃন্দলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছো। লগতে যিসকল ছাত্ৰীবান্ধৱীয়ে মোৰ নিৰ্বাচনৰ কামত উৎসাহ উদ্দীপনা তথা সহায়-সহযোগিতা আগবঢ়ালে সকলোৰে প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ উত্তৰোত্তৰ সমৃদ্ধি কামনা কৰিলো।

ধন্যবাদেৰে
শ্ৰীসঙ্গীতা গোহাঞি বৰুৱা
সহঃ সাধাৰণ সম্পাদিকা

## ক্ৰীড়া বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

ছাত্ৰী একতা সভাৰ অন্তৰ্গত খেল বিভাগৰ সম্পাদিকা পদত অধিষ্ঠিত হৈ মোৰ অতি মৰমৰ শিৱসাগৰ ছোৱালী মহাবিদ্যালয়লৈ খেলা-ধূলাৰ ক্ষেত্ৰত নিজকে নিয়োজিত কৰাৰ মানসেৰে ১৯৯৪-৯৫ চনৰ কলেজ নিৰ্বাচনত মই প্ৰাৰ্থীত্ব আগবঢ়াইছিলো। মোৰ এই উদ্দেশ্য সফল হৈছিল, মোৰ অতি আপোন ছাত্ৰী, বাইদেউ, বান্ধৱী আৰু ভণ্টীহঁতৰ অকুণ্ঠ সহায় সমৰ্থনত। সেয়েহে মই আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ ওচৰত চিৰকৃতজ্ঞ।

খেল বিভাগৰ সম্পাদিকাৰ দায়িত্ব গ্ৰহণ কৰাৰ ঠিক পিছতেই আহি পৰে বাৰ্ষিক কলেজ সপ্তাহ। ২ জানুৱাৰীত জিলাৰ আৰক্ষী অধীক্ষক শ্ৰীকৃষ্ণপ্ৰসাদ শৰ্মাদেৱে ক্ৰীড়া প্ৰতিযোগিতাখনি উদ্বোধন কৰে। পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ মহম্মদ হাফিজুৰ ৰহমানদেৱে। ক্ৰীড়া বন্তি প্ৰজ্বলন কৰে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰী তথা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠা নিক্ষেপিকা শ্ৰীমতী মণিকা বৰুৱাই।

খেলা-ধূলাৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ সু-সুবিধা অতি সীমিত সেই কথা আপোনালোক সকলোৰে জ্ঞাত। আনকি আমাৰ মহাবিদ্যালয়ৰ নিজা এখন খেলপথাৰ নাই। খেল অনুষ্ঠিত কৰিবৰ বাবে আন আন স্কুল / কলেজ আদিৰ খেলপথাৰ বিচাৰি ফুৰিব লগা হয়। এই বছৰৰ খেলসমূহ স্থানীয় খেলপথাৰ আৰু ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত কৰা হয়। আমাৰ মহাবিদ্যালয়ত খেলা-ধূলাৰ বাবে প্ৰয়োজনীয় সামগ্ৰীৰো দুখ লগাকৈ অভাৱ। মই অনুভৱ কৰো কৰ্তৃপক্ষই এই বিষয়ত যথোচিত গুৰুত্ব আৰোপ কৰা দৰকাৰ।

খেলা-ধূলাই শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনত কি দৰে প্ৰভাৱ পেলায় সেই কথা প্ৰত্যেকেই জানে। আমাৰ মহাবিদ্যালয়ৰ সীমিত সা-সুবিধা স্বত্বেও মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ খেলা ধূলাৰ প্ৰতি থকা নিষ্ঠা আৰু পৰিশ্ৰম দেখি মই অতিশয় সুখী হৈছো। মহাবিদ্যালয় সপ্তাহত আশা কৰা মতেই ছাত্ৰীসকলে যোগদান কৰাত আমাৰ শ্ৰম আৰু আকাংক্ষা সফল হোৱা যেন লাগিছিল। এনেদৰে প্ৰতিযোগী ছাত্ৰীয়ে নিষ্ঠাসহ নিজকে খেলা-ধূলাত নিয়োজিত কৰি ৰাখিলে যে জীৱনত বাঞ্ছিত অৱস্থানত অধিষ্ঠিত হ'ব পাৰিব সেই কথা মই দৃঢ়ভাৱে অনুভৱ কৰো।

মহাবিদ্যালয় সপ্তাহত এই বছৰ প্ৰথমবাৰৰ বাবে 'চাইকেল চালনা' অন্তৰ্ভুক্ত কৰা হৈছিল। বিতুমণি দাসে ৮ মিনিট ২ ছেকেণ্ড সময় লৈ শিৱসাগৰ পুখুৰীটো সম্পূৰ্ণ এপাক ঘূৰে। বছৰটোৰ শ্ৰেষ্ঠা ক্ৰীড়া প্ৰতিযোগী হোৱাৰ সন্মান লাভ কৰে শ্ৰীমতী মণিকা বৰুৱাই। আমাৰ কাৰ্য্যকালত বাৰ্ষিক ক্ৰীড়া প্ৰতিযোগিতাখনি সুচাৰু ৰূপে চলোৱাত

সকলো সময়তে সকলো প্ৰকাৰৰ দিহা-পৰামৰ্শ তথা উৎসাহ আগবঢ়োৱাৰ বাবে বিভাগীয় উপদেষ্টা শ্ৰীযুত বিমল দত্ত চাৰৰ ওচৰত মই চিৰকৃতজ্ঞ। ক্ৰীড়া প্ৰতিযোগিতাসমূহ চলাই যোৱাত বিভিন্ন প্ৰকাৰৰ সহায় তথা দিহা-পৰামৰ্শ আগবঢ়োৱাৰ বাবে শ্ৰীযুত ভাস্কৰ দত্ত চাৰ আৰু শ্ৰীযুত সমৰজিৎ চৌধুৰী চাৰলৈ মোৰ কৃতজ্ঞতা জনালো। ক্ৰীড়া বিভাগৰ সহকাৰী সম্পাদিকা শ্ৰীমতী প্ৰীতি শিখা গগৈয়ে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে মোৰ অশেষ ধন্যবাদ জনালো। মোৰ বান্ধৱী মৰমী, মৌচুমী, শৰ্মিলা, সুৰভি, নাজমিন, জুমী, জুলী, মামু আৰু প্ৰণতিৰ পৰা পোৱা সহায়ৰ বাবে এই সুযোগতে ধন্যবাদ জনালো। ইয়াৰ উপৰিও উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ প্ৰথম বাৰ্ষিকৰ বিজ্ঞান শাখাৰ ভণ্টীহঁতক আৰু সহকাৰী সম্পাদিকা শ্ৰীমতী সংগীতা গোহাঁই বৰুৱাক এই সুযোগতে মোৰ অশেষ ধন্যবাদ জনালো।

সদৌ শেষত অজানিতে হৈ যোৱা মোৰ ভুল ক্ৰটীৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰি আৰু মহাবিদ্যালয়খনিৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

শ্ৰীমতী বৰ্ণালী গগৈ
সম্পাদিকা, ক্ৰীড়া বিভাগ

## তৰ্ক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়ৰ লগতে শ্ৰদ্ধাস্পদ শিক্ষাগুৰুসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম আগবঢ়ালো। আমাৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী বান্ধৱীলৈ মোৰ আন্তৰিক অভিনন্দন ও কৃতজ্ঞতা জ্ঞাপন কৰিলো। যিসকলৰ অনুপ্ৰেৰণাত আৰু সমৰ্থনত বিনা প্ৰতিদ্বন্দিতাৰে তৰ্ক বিভাগৰ সম্পাদিকা ৰূপে (১৯৯৪-৯৫) নিৰ্বাচিত হ'লো।

কাৰ্য্যকাল সুচাৰুৰূপে আগবঢ়াই নিয়াত তথা বিভিন্ন দিশত দিহা পৰামৰ্শ দি সহায় সহযোগিতা আগবঢ়োৱা তৰ্ক বিভাগৰ উপদেষ্টা অধ্যাপিকা শ্ৰীযুতা ৰীতা বৰকটকী বাইদেউৰ ওচৰত মই চিৰকৃতজ্ঞ।

তৰ্কই ব্যক্তিৰ বাক্ পটুতাৰ পৰিচয় দিয়ে। বৰ্তমান সময়ত স্কুল / কলেজসমূহকে ধৰি নানান অনুষ্ঠান প্ৰতিষ্ঠানত তৰ্ক বিষয়টো আমাৰ পৰিচিত হৈ পৰিছে। তৰ্ক হ'ল যুক্তিৰ পৰিচায়ক। তৰ্কই ব্যক্তিক বিভিন্ন যুক্তি দাঙি ধৰি নিজৰ তৎকালীন বুদ্ধি ক্ষমতাক

উপস্থাপন কৰিবলৈ সুবিধা দিয়ে। এনে মুহুৰ্ত্তবোৰত ব্যক্তি আনন্দিত হোৱাৰ লগতে উত্তেজিতো হৈ পৰে। যিকিনহওক, আমি এইটো স্বীকাৰ কৰা উচিত হ'ব যে তৰ্ক হ'ল আমাৰ শিক্ষানুষ্ঠানসমূহৰ সহ-পাঠ্যক্ৰমৰ ভিতৰুৱা বিষয় যিয়ে আমাৰ আজৰি সময়ত মানসিক উৎকৰ্ষ সাধনত সহায় কৰিব পাৰে।

মহাবিদ্যালয় সপ্তাহৰ তৰ্ক, আকস্মিক বক্তৃতা আৰু কুইজ প্ৰতিযোগিতাত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰিব লাগিছিল যদিও বহু কমেহে ইয়াত অংশ গ্ৰহণ কৰা দেখা গ'ল।

প্ৰতিযোগিতাসমূহত বিচাৰকৰ স্থান শুৱনি কৰি প্ৰতিযোগিতাসমূহ সুচাৰু ৰূপে পৰিচালনা কৰাৰ বাবে আমাৰ মহাবিদ্যালয়ৰ অধ্যাপক শ্ৰীযুত ৰণজিৎ তামুলী, অধ্যাপিকা শ্ৰীযুতা কুসুম ফুকন, শ্ৰীযুতা অনিতা বৰুৱা, তৰ্ক প্ৰতিযোগিতাৰ অধ্যক্ষৰ আসন শুৱনি কৰা অধ্যাপক শ্ৰীযুত শিৰীষ ভট্টাচাৰ্য্য চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ শেষ সময়চোৱালৈকে বহুতো সমস্যাৰ সন্মুখীন হৈছিলো যিবোৰ এক অভিজ্ঞতা হিচাবে ৰ'ব। কিয়নো ছাত্ৰীসকলৰ যথোপযুক্ত পৰামৰ্শ আৰু সঁহাৰিৰ অবিহনে সম্পাদিকা এগৰাকীয়ে হেজাৰ চেষ্টা কৰিলেও সফলতা লাভ কৰিব নোৱাৰে। আমাৰ কলেজত লক্ষ্য কৰিলে দেখা যায় ৯০ শতাংশ ছাত্ৰীয়ে এই বিষয়ৰ ওপৰত সহাৰি নজনায়। সহযোগীৰ অভাৱৰ বাবেই হয়তো এগৰাকী ভাল তাৰ্কিকেও যোগদান কৰাৰ পৰা বিৰত থাকিব লগা অৱস্থা হয়। ই সঁচাকৈ বৰ দুখৰ বিষয়। কলেজ সপ্তাহৰ তৰ্ক, আকস্মিক বক্তৃতা আৰু কুইজ প্ৰতিযোগিতাত এখন কলেজৰ যিমান সংখ্যক ছাত্ৰীয়ে যোগদান কৰিব লাগিছিল সেই অনুক্ৰমে হোৱা দেখা নগ'ল। সেয়ে মই সকলোকে অনুৰোধ জনাওঁ তেওঁলোকে সাহসেৰে ওলাই আহি এই বিষয়টিৰ প্ৰতি যেন পূৰ্ণ সহাৰি জনায় নিজৰ তথা কলেজৰ গৌৰৱ কঢ়িয়াবলৈ সক্ষম হয়।

মোৰ কাৰ্য্যকালৰ ভিতৰত গড়গাওঁ মহাবিদ্যালয়ে সদৌ অসম ভিত্তিত অনুষ্ঠিত কৰা "তনু কোঁৱৰ সোঁৱৰণী" আন্তঃকলেজ প্ৰতিযোগিতাত আমাৰ কলেজৰ দুগৰাকী ছাত্ৰীয়ে যোগদান কৰে। শিৱসাগৰ লায়ন্স ক্লাবৰ তৰফৰ পৰা ২৮/৮/৯৫ তাৰিখে "নেতৃত্ব বিকাশ" আৰু "যাদু বিদ্যাৰ" ওপৰত এখনি আলোচনা চক্ৰ অনুষ্ঠিত হৈ যায়। ২৪/১১/৯৫ তাৰিখে শিৱসাগৰ গ্ৰন্থমেলাই আয়োজন কৰা কুইজ প্ৰতিযোগিতাত আমাৰ কলেজৰ দুটা দলে অংশ গ্ৰহণ কৰে।

সদৌ শেষত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আৰু প্ৰগতি কামনা কৰিলো আৰু পৰৱৰ্তী ছাত্ৰী একতা সভালৈ শুভেচ্ছা জনাই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

॥ জয়তু শিৱসাগৰ ছোৱালী কলেজ ॥

শ্ৰীমতী মৰমী গগৈ
সম্পাদিকা, তৰ্ক বিভাগ
ছাত্ৰী একতা সভা (১৯৯৪-৯৫)

## সমাজ সেৱা বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন:

প্ৰতিবেদনৰ পাতনিতে শিৱসাগৰ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰী তথা বান্ধৱীয়ে ১৯৯৪-৯৫ চনৰ ছাত্ৰী একতা সভাৰ নিৰ্ব্বাচনত "সমাজ সেৱা" বিভাগৰ সম্পাদিকা হিচাবে নিৰ্ব্বাচিত কৰি কাৰ্য্যভাৰ চলাই নিবৰ বাবে যি সুযোগ আগবঢ়ালে, সেই সকলোলৈকে মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। এই কাৰ্য্যভাৰ সুচাৰু ৰূপে আগুৱাই নিয়াৰ ক্ষেত্ৰত বিভিন্ন দিশত দিহা-পৰামৰ্শ আৰু সহায় সহযোগ আগবঢ়োৱা ছাত্ৰী একতা সভাৰ সভাপতি মাননীয় অধ্যক্ষ মহোদয় শ্ৰীযুত হাফিজুৰ ৰহমানদেৱ, সমাজ সেৱা বিভাগৰ উপদেষ্টা মহোদয় শ্ৰীযুত সত্যৰজিৎ চৌধুৰীদেৱ, মহাবিদ্যালয়ৰ ছাত্ৰী বান্ধৱীসকল আৰু কৰ্ম্মীবৃন্দৰ ওচৰত মই চিৰ কৃতজ্ঞ।

১৯৯৪ চনৰ ডিচেম্বৰ মাহৰ ৫ তাৰিখে সমাজ সেৱা বিভাগৰ সম্পাদিকা হিচাবে কাৰ্য্যভাৰ গ্ৰহণ কৰি পৰিকল্পিত আঁচনি লৈ নিজকে সেৱাৰ কামত নিয়োজিত কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছিলো।

দায়িত্বভাৰ গ্ৰহণ কৰাৰ মাত্ৰ কেইদিনমানৰ পিছতে (২ জানুৱাৰী '৯৫ ৰ পৰা ৭ জানুৱাৰী '৯৫) প্ৰত্যেক বছৰৰ দৰে এই বছৰো 'বাৰ্ষিক মহাবিদ্যালয়ৰ সপ্তাহ' পালন কৰা হয়। বাৰ্ষিক সপ্তাহ উপলক্ষে সমাজ সেৱা বিভাগৰ আঁচনিত অন্তৰ্ভুক্ত ছাত্ৰীসকলে মহাবিদ্যালয়ৰ চৌহদ, মহাবিদ্যালয়ৰ প্ৰতিটো কোঠা, শিক্ষাগুৰুসকলৰ জিৰণি কোঠা, খেল-পথাৰ আদি পৰিষ্কাৰ কৰাত বহুতো সহায় আগবঢ়ায়।

অজানিতে কৰা ভুলৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিলো। শেষত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ সকলো দিশতে সৰ্বতোপ্ৰকাৰৰ উন্নতি কামনা কৰি মোৰ সম্পাদকীয় প্ৰতিবেদনৰ সামৰণি মাৰিলো। ধন্যবাদ সহকাৰে

মিচ আচ্মা বেগম
সম্পাদিকা, সমাজ সেৱা

## সঙ্গীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ

১৯৯৪-৯৫ চনৰ সময়ছোৱাত শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ ছাত্ৰী একতা সভাৰ সঙ্গীত বিভাগৰ সম্পাদিকা হিচাবে মোক নিৰ্ব্বাচিত কৰি অনুষ্ঠানটিলৈ সেৱা আগবঢ়াবলৈ সুযোগ দিয়াত প্ৰতিবেদনৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ সকলো ছাত্ৰী বান্ধৱী আৰু শিক্ষাগুৰু-সকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতেই ২/১/৯৫ তাৰিখে অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহ উপলক্ষে সঙ্গীত বিভাগৰ দ্বাৰা ১) লোকগীত ২) বৰগীত ৩) আধুনিক গীত ৪) খেয়াল, ভজন, গজল, আইনাম, বিয়ানাম আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো। এই বছৰৰ শ্ৰেষ্ঠা সঙ্গীত প্ৰতিযোগী শ্ৰীমতী অৰ্চ্চনা শৰ্মা। মহাবিদ্যালয় সপ্তাহৰ শেষত বিগত বছৰৰ দৰে এইবাৰো এখনি মনোৰম সাংস্কৃতিক সন্ধিয়া খুউব সুন্দৰকৈ অনুষ্ঠিত কৰা হৈছিল।

কাৰ্য্যকালৰ ভিতৰত কাৰ্য্যভাৰ চলাই নিয়াৰ ক্ষেত্ৰত বিভিন্ন দিহা পৰামৰ্শৰে সহায় কৰি যোৱা সংগীত বিভাগৰ সহকাৰী সম্পাদিকা শ্ৰীগীতা দেৱী বৰবৰাৰ শলাগ ললো। লগতে বিভাগীয় উপদেষ্টা শ্ৰীযুত বুদ্ধীন্দ্ৰ নাথ মিশ্ৰ চাৰ আৰু শ্ৰীভাস্কৰ দত্ত চাৰৰ পৰামৰ্শৰ বাবে কৃতজ্ঞতা যাচিছো, কাৰণ চাৰ দুজনৰ সহায়-পৰামৰ্শ নোপোৱা হ'লে মহাবিদ্যালয় সপ্তাহৰ কামবোৰ নিয়াৰিকৈ চলোৱাত যথেষ্ট অসুবিধাৰ উদ্ভৱ হ'লহেঁতেন। লগতে প্ৰতিটো ক্ষেত্ৰতে সহায় সহযোগিতা আগবঢ়োৱা মাননীয় শিক্ষাগুৰু শ্ৰীযুত সমৰজিৎ চৌধুৰী, শ্ৰীযুত বিমল দত্ত, শ্ৰীযুতা বীতা বৰকটকী বাইদেউ, শ্ৰীযুতা দীপশিখা ভূঞা বাইদেউ আৰু মাননীয় অধ্যক্ষ মঃ হাফিজুৰ ৰহমানদেৱলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। সকলো কামতে সহায় কৰা বান্ধৱী প্ৰণিতা, দীপাঞ্জলি, অঞ্জনা, ৰিংকু আদিলৈ ধন্যবাদ জ্ঞাপন কৰিলো।

# শিৱসাগৰ ছোৱালী কলেজ ছাত্ৰী একতা সভাৰ ১৯৯৪–৯৫ বৰ্ষৰ কাৰ্য্যনিৰ্বাহকৰ একাংশ



বহি থকা ( বাওঁফালৰ পৰা ) ক্ৰমে অধ্যক্ষ মঃ হাফিজুৰ ৰহমান ( সভাপতি ) আৰু উপাধ্যক্ষ শ্ৰীবীৰেন্দ্ৰ কুমাৰ তালুকদাৰ ( উপ-সভাপতি )

ঠিয় হৈ ( বাওঁফালৰ পৰা ) ক্ৰমে সৰ্বশ্ৰী বিভা বৰঠাকুৰ, সাধাৰণ সম্পাদিকা; সঙ্গীতা গোহাঞিবৰুৱা, সহঃ সাঃ সম্পাদিকা; আচমা বেগম সম্পাদিকা, সমাজ সেৱা বিভাগ; মৰমী গগৈ, সম্পাদিকা তৰ্ক আৰু আলোচনা-চক্ৰ বিভাগ; ৰবিতা বৰঠাকুৰ; সম্পাদিকা সঙ্গীত বিভাগ; নন্দিতা গগৈ, সম্পাদিকা কলেজ আলোচনী; বৰ্ণালি গগৈ, সম্পাদিকা, খেল বিভাগ ।

মুদ্ৰানী বৰগোহাঁই ( সম্পাদিকা, সাংস্কৃতিক বিভাগ ); জুমি বেগম ( সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা ); গীতাদেবী বৰবৰা ( সঙ্গীত বিভাগৰ সহঃ সম্পাদিকা ); প্ৰীতিৰেখা গগৈ ( খেল বিভাগৰ সহঃ সম্পাদিকা ) ওপৰৰ আলোক-চিত্ৰত অনুপস্থিত ।

## '১৯৯৩-৯৪ চনৰ ছাত্ৰী একতা সভাৰ কাৰ্য্যনিৰ্বাহকৰ কেইগৰাকীমান সদস্য।



ৰূপাঞ্জলি দত্ত
সাধাৰণ সম্পাদিকা



কোষেশ্বৰী দাস
সম্পাদিকা, ক্ৰীড়া বিভাগ



মীনাক্ষি নেওগ
সম্পাদিকা, সঙ্গীত বিভাগ



জুনমণি দত্ত
সম্পাদিকা, তৰ্ক আৰু
আলোচনা-চক্ৰ শাখা

সহঃ সাধাৰণ সম্পাদিকা শ্ৰীৰূপশ্ৰী চেতিয়া আলোচনী সম্পাদিকা শ্ৰীমনজ্যোতি নেওঁগ, সাংস্কৃতিক বিভাগৰ সম্পাদিকা শ্ৰীৰূপৰেখা বৰুৱা, সমাজ সেৱা বিভাগৰ সম্পাদিকা শ্ৰীৰুমি আৰা বেগম, ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকা শ্ৰীৰেণুমা বড়া, সহঃ ক্ৰীড়া সম্পাদিকা শ্ৰীনয়নমণি গগৈ আৰু সঙ্গীত বিভাগৰ সহঃ সম্পাদিকা শ্ৰীৰাজুমণি দত্তৰ আলোক চিত্ৰ সন্নিৱিষ্ট কৰিব পৰা নগ'ল ।

আমাৰ অভিনন্দন



নাজমিন বেগম
১৯৯৫ বছৰৰ শ্ৰেষ্ঠা তৰ্ক
প্ৰতিযোগী।



চিত্ৰালি ফুকন
১৯৯৫ বছৰৰ শ্ৰেষ্ঠা
আধুনিক নৃত্য শিল্পী।



১৯৯৪-৯৫ চনৰ শ্ৰেষ্ঠ জেং বিহু দল।

বহি থকা ( বাওঁফালৰ পৰা ) ক্ৰমে বন্দনা দাস, ৰেখামণি বৰকাকতি, জোনালী সোণোৱাল, অনামিকা গোস্বামী, ভাৰতী কোঁৱৰ, মণিকা ৰাজকোঁৱৰ।

ঠিয় হৈ থকা ( বাওঁফালৰ পৰা ) ক্ৰমে পিকুমণি বৰা, চালমা খাতুন, জুনেইনা মান্নান, স্মৃতি কাকতি, ফণীভূষনা ফুকন আৰু জেচমিন বৰা ( অনুপস্থিত ঃ - ময়ূৰাক্ষী দত্ত )।

## আলেখ্য-



১৯৯৫ চনৰ বাৰ্ষিক কলেজ সপ্তাহ উপলক্ষে আয়োজিত প্ৰদৰ্শনীৰ থলিত বিশিষ্ট সাহিত্যিক তথা এই কলেজৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীবীৰেণ বৰকটকীদেৱক ছাত্ৰীসকলৰ একাংশৰ সৈতে দেখা গৈছে।



১৯৯৫ চনৰ বাৰ্ষিক কলেজ উৎসৱত অনুষ্ঠিত এখনি আলোচনা-চক্ৰত ভাষণ দি থকা স্বৰস্থাত বিশিষ্ট কথা-শিল্পী অধ্যাপক ইমৰাণ শ্বাহ।

# আমাৰ অভিনন্দন



১৯৯৫ চনৰ কলেজ সপ্তাহৰ বঁটা বিতৰণী সভাত বিশিষ্ট অতিথি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কলেজসমূহৰ পৰিদৰ্শক শ্ৰীবিমল গগৈয়ে এই কলেজৰ প্ৰয়াত উপাধ্যক্ষা নীলিমা বৰুৱা সোঁৱৰণী বঁটা কলেজৰ ছাত্ৰী শ্ৰীমতী তৃষ্ণা বৰগোহাঁইক প্ৰদান কৰে। ছবিত কলেজৰ অধ্যক্ষ মঃ হাফিজুৰ ৰহমান, কলেজ পৰিচালনা সমিতিৰ প্ৰাক্তন সম্পাদক শ্ৰীগিৰিজা প্ৰসাদ বৰুৱা আৰু ৺নীলিমা বৰুৱাৰ ভাতৃ জিলা ন্যায়াধীশ শ্ৰীআদিত্য বৰুৱাদেৱকো দেখা গৈছে।



১৯৯৪-৯৫ বৰ্ষত কলেজৰ বাৰ্ষিক উৎসৱত বছৰটোৰ শ্ৰেষ্ঠা গায়িকা শ্ৰীঅৰ্চনা শৰ্মাই বিশিষ্ট অতিথি কলেজৰ প্ৰাক্তন অধ্যক্ষ শ্ৰীবীৰেণ বৰকটকীৰ পৰা বঁটা গ্ৰহণ কৰা দেখা গৈছে।

# আমাৰ অভিনন্দন



দীপাঞ্জলি দেৱী

এওঁ ১৯৯৪ বৰ্ষৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃকলেজ যুৱ মহোৎসৱত গিটাৰ বাদন প্ৰতিযোগিতাত দ্বিতীয় শ্ৰেষ্ঠ প্ৰতিযোগীৰ সন্মান লাভ কৰিছিল ।



১৯৯৪-৯৫ বৰ্ষৰ কলেজ সপ্তাহ উপলক্ষে অনুষ্ঠিত ক্ৰীড়া প্ৰতিযোগিতাত শ্ৰেষ্ঠা খেলুৱৈ হিচাপে পুৰস্কৃত হোৱা শ্ৰীমণিকা বৰুৱা ।



১৯৯৫ চনৰ বাৰ্ষিক কলেজ উৎসৱত শ্ৰেষ্ঠ কাবাডী দল । বাওঁফালৰ পৰা (ঠিয় হৈ) ক্ৰমে জ্যোতিমণি গগৈ, প্ৰতিভা ফুকন, মনীষা বৰুৱা । বহি থকা সকল বাওঁফালৰ পৰা ক্ৰমে মৃদুস্মিতা চাংমাই, ইন্দু বৰগোহাঁই আৰু জীনা শ্যাম ।

# আমাৰ গৌৰৱ



১৯৯৩ চনৰ ডিব্রুগড় বিশ্ববিদ্যালয়ৰ বি, এ চূড়ান্ত পৰীক্ষাত আমাৰ কলেজৰ ভূগোল বিষয়ত মেজৰ লৈ ১ম শ্রেণী লাভ কৰা ছাত্রী কেইগৰাকী হ'ল যথাক্রমে ( বাওঁফালৰ পৰা ) সৰ্বশ্ৰী মমিতা গোস্বামী ( ১ম স্থান ), অনিন্দিতা বৰুৱা (২য় স্থান), পৰিণীতা শৰ্মা ( ৪র্থ স্থান ), নাজমা বেগম ( ৮ম স্থান ) আৰু মঞ্জুৰীমা ভাগৱতী ( ১০ম স্থান )।



ইমান্নু শ্বাহ

১৯৯৪-৯৫ আৰু ১৯৯৫-৯৬ দুয়ো বছৰ বাৰ্ষিক কলেজ সপ্তাহ উপলক্ষে অনুষ্ঠিত প্রতি-যোগিতাত টেবুল টেনিচৰ একক আৰু দ্বৈত দুয়ো শাখাতে দ্বি মুকুট অৰ্জন কৰা শ্ৰীইমান্নু শ্বাহ। উল্লেখযোগ্য যে ১৯৯৪-৯৫ বছৰত বিহাৰৰ ৰাজেন্দ্ৰ প্ৰসাদ কৃষি বিশ্ববিদ্যালয়ত অনুষ্ঠিত পূব-মাণ্ডলিক আন্তঃবিশ্ববিদ্যালয় টেবুল টেনিচ টুৰ্ণামেণ্টত এওঁ ডিব্রুগড় বিশ্ব-বিদ্যালয়ৰ হৈ অংশ গ্ৰহণ কৰি ৰাণাৰ্চ-আপ হোৱাৰ সন্মান অৰ্জ্জন কৰে।

## ॥ আমাৰ গৌৰৱ ॥



১৯৯৫ চনৰ বাৰ্ষিক কলেজ সপ্তাহত অনুষ্ঠিত প্ৰতিযোগিতাত শ্ৰেষ্ঠ হুচৰি দল হিচাপে পৰিগণিত হোৱা স্নাতক তৃতীয় বাৰ্ষিক শ্ৰেণীৰ ছাত্ৰীসকল ।



১৯৯৫ চনৰ প্ৰতিযোগিতাত বছৰটোৰ শ্ৰেষ্ঠা অভিনেত্ৰী ৰূপে পুৰস্কৃত শ্ৰীৱবিতা বৰঠাকুৰ ।



১৯৯৫ চনৰ বাৰ্ষিক উৎসৱত শ্ৰেষ্ঠা বিহু কুঁৱৰী ৰূপে স্বীকৃত শ্ৰীমনীষা বৰুৱা ।



কলেজৰ ১ম এন চি চি ইউনিটৰ ছাত্ৰীসকল।

মহাবিদ্যালয়ৰ সপ্তাহত বাদ্যযন্ত্ৰত সহায় কৰা শ্ৰীমাখন বৰা আৰু তেখেতৰ সংগী-হন্দলৈ আৰু মাইকৰ তদাৰক কৰা শ্ৰীদেৱ কলিতা দাদালৈ কৃতজ্ঞতা যাচিলো। কাৰ্য্যভাৰ পালনৰ সময়ত সকলো কৰ্ত্তব্য সুকলমে কৰিবলৈ যৎপ্ৰোনাস্তি চেষ্টা কৰিছিলো। অজানিতে যদি ভুল কৰিছিলো তাৰবাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা কৰিছো। ইতি—

শ্ৰীমতী ৰবীতা বৰঠাকুৰ
সম্পাদিকা, সঙ্গীত বিভাগ
ছাত্ৰী একতা সভা (১৯৯৪-৯৫)

# ছাত্ৰী একতা সভাৰ ভিতৰ চ'ৰা
## ১৯৯৩–৯৪ বৰ্ষ

## সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন (সংক্ষিপ্ত)

শিৱসাগৰ নগৰৰ মাজ-মজিয়াত অৱস্থিত শিৱসাগৰ ছোৱালী কলেজ নগৰখন তথা ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহৰ ছোৱালীৰ বৌদ্ধিক বিকাশৰ বাবে গঢ়া এটি উল্লেখনীয় শিক্ষানুষ্ঠান। এই শিক্ষানুষ্ঠানৰ ছাত্ৰী একতা সভাৰ সাধাৰণ সম্পাদিকা হিচাপে নিৰ্বাচিত হৈ এবছৰকাল কাৰ্য্যনিৰ্বাহ কৰিবলৈ সুযোগ দিয়াৰ বাবে ছাত্ৰী বান্ধৱীসকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা প্ৰকাশিলো।

সাধাৰণ সম্পাদিকা হিচাপে মোৰ কাৰ্য্যকালত কৰা কৰ্ম্মৰাজিৰ সফলতা বিফলতা আপোনালোকৰ বিচাৰ্য্য। যিহওঁক, আমাৰ কাৰ্য্যকালত সম্পাদিত হোৱা অনুষ্ঠানসমূহৰ চমু আভাস এটি দিয়াৰ প্ৰয়োজন অনুভৱ কৰিছো। পৰম্পৰাগত ভাৱে নতুন কাৰ্য্যকৰী সমিতিৰ সাধাৰণ সম্পাদিকা হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই কলেজৰ বাৰ্ষিক উৎসৱটি ২১ জানুৱাৰীৰ পৰা ২৬ জানুৱাৰীলৈ পালন কৰা হয়। তাৰ পিছতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ তিথি, শ্ৰীশ্ৰীসৰস্বতী পূজাভাগি যথাযথ ভাৱে উদযাপন কৰা হয়। ৩ ছেপ্তেম্বৰ তাৰিখে

নবাগতা আদৰণী উৎসৱ অনুষ্ঠিত হয়।

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃকলেজ ক্ৰীড়া মহোৎসৱত অংশ গ্ৰহণ কৰি আমাৰ কলেজৰ দলটিয়ে পূৰ্বৰ খ্যাতি লাভ কৰিব নোৱাৰিলেও তৃতীয় স্থান লাভ কৰাৰ বাবে আন্তৰিক অভিনন্দন জনালো। তদুপৰি বিভিন্ন অনুষ্ঠানে আয়োজন কৰা কুইজ প্ৰতিযোগিতা আৰু তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি আমাৰ কলেজৰ ছাত্ৰীসকলে সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। সেই ছাত্ৰীসকললৈও আন্তৰিক অভিনন্দন থাকিল।

সামৰণিত মাননীয় অধ্যক্ষ মহোদয়, অধ্যাপক-অধ্যাপিকা মণ্ডলীলৈ তেখেতসকলৰ সজ পৰামৰ্শ আৰু সক্ৰিয় সহযোগিতাৰ বাবে কৃতজ্ঞতা জনোৱাৰ লগতে ছাত্ৰী একতা সভাৰ কাৰ্য্যনিৰ্বাহকৰ সকলো সদস্যা, কলেজৰ কাৰ্য্যালয় সহায়ক তথা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী-বৰ্গলৈ তেখেতসকলৰ পৰা সকলো সময়তে পোৱা সহায় সহানুভূতিৰ বাবে ধন্যবাদ জ্ঞাপন কৰিলো।

শিৱসাগৰ ছোৱালী কলেজৰ উত্তৰোত্তৰ উন্নতি কামনাৰে—

ৰূপাঞ্জলি দত্ত
সাধাৰণ সম্পাদিকা

আমাৰ কাৰ্য্যকালৰ ভিতৰত এই কলেজৰ ছাত্ৰী শ্ৰীমতী বিনীতা বৰুৱাৰ নিৰ্মম হত্যাকাণ্ডই অসমৰ শদিয়াৰ পৰা ধুবুৰীলৈ খলকনি তুলিলে। এই ঘটনাৰ পৰিপ্ৰেক্ষিতত ছাত্ৰী বান্ধৱীসকলক মাত্ৰ ক'ব খুজোঁ যে তেওঁলোকে এখোজ দিয়াৰ পিছত আনটো খোজ দিওঁতে ভাবি গুণি চাবলৈ শিকিব লাগিব। নিজক নিজে বচাই চলিবলৈ শিকিব লাগিব। কত জনমৰ পুণ্যৰ ফলত লাভ কৰা মানৱ জীৱনৰ এনে অসাৰ্থক পৰিণতি কাৰো কাম্য নহয়।

ছাত্ৰী বান্ধৱীসকলৰ পঢ়াৰ প্ৰতি আগ্ৰহ বাঢ়ক, তেওঁলোকৰ সদনামে কলেজৰ গৌৰৱ বঢ়াওক, এই কামনাৰে—

শ্ৰীৰূপশ্ৰী চেতিয়া
সহঃ সাধাৰণ সম্পাদিকা

বিগত বছৰটোত কলেজৰ সকলোবিলাক অনুষ্ঠানতে সমাজ সেৱা বিভাগৰ পৰা বিভাগীয় উপদেষ্টা শ্ৰীযুত অৰুণ চন্দ্ৰ বৈৰাগী চাৰৰ পৰামৰ্শ অনুযায়ী সক্ৰিয় অংশ গ্ৰহণ কৰা হৈছিল। সমাজ সেৱা বিভাগৰ ভৱিষ্যতে কাম কৰিবৰ সুবিধাৰ্থে ৫টা গোট গঠন কৰি লোৱা হৈছিল। সকলো সময়তে সক্ৰিয় ভাৱে লাগি থকা মুঠ কুৰি গৰাকী ছাত্ৰীলৈ কলেজৰ বাৰ্ষিক উৎসৱত এই বিভাগৰ তৰফৰ পৰা পুৰস্কৃত কৰি প্ৰশস্তি পত্ৰ প্ৰদান কৰা হৈছিল।

জ্ঞাতে বা অজ্ঞাতে হব পৰা সকলো দোষ-ত্ৰুটিৰ মাৰ্জনা বিচাৰি—

ৰুমি আৰা বেগম
সম্পাদিকা, সমাজ সেৱা বিভাগ

এইবছৰ কলেজৰ বাৰ্ষিক উৎসৱত প্ৰতিযোগীৰ অভাৱত তৰ্ক আৰু আকস্মিক বক্তৃতা অনুষ্ঠিত কৰিব নোৱাৰাটো চিন্তনীয় বিষয়। ই নিশ্চয় আমাৰ ছাত্ৰীসকলৰ বৌদ্ধিক দৈন্যতাৰ কথাকে সূচায়। অৱশ্যে কুইজ প্ৰতিযোগিতাখনি সফল ভাৱেই অনুষ্ঠিত হয়। আমাৰ কাৰ্য্যকালতে গুৱাহাটীৰ সন্দিকৈ কলেজৰ প্ৰাংগণত সদৌ অসম ছোৱালী মহাবিদ্যালয় সমূহৰ সাংস্কৃতিক সমাৰোহত অংশ গ্ৰহণ কৰি আমাৰ কলেজৰ এটি দলে কুইজ প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰাটো উল্লেখনীয়।

বিভাগীয় উপদেষ্টা শ্ৰীযুতা ৰীতা বৰকটকী বাইদেউৰ লগতে শ্ৰীযুতা গৌৰীকা দেৱী বাইদেউলৈও তেখেতসকলৰ পৰামৰ্শ আৰু সহায়-সহযোগিতাৰ বাবে কৃতজ্ঞতা প্ৰকাশিলো।

ছাত্ৰী বান্ধৱীসকললৈ শ্ৰদ্ধা ও প্ৰীতিৰে—

শ্ৰীজুনুমণি দত্ত
সম্পাদিকা, তৰ্ক আৰু আকস্মিক বিভাগ

ক্ৰীড়াৰ ক্ষেত্ৰত শিৱসাগৰ ছোৱালী কলেজৰ সুনাম অৱশ্যে আছে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃকলেজ ক্ৰীড়া মহোৎসৱত প্ৰায় প্ৰতি বছৰেই এই কলেজৰ দলে বিশেষ সাফল্য প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে এই কলেজৰ এখন নিজা

খেলপথাৰৰ অভাৱ, অনুশীলনৰ কাৰণে যাৱতীয় ক্ৰীড়া সামগ্ৰীৰ প্ৰয়োজনানুসাৰে যোগান নথকা, যথোচিত প্ৰশিক্ষণৰ অভাৱ আদি বিভিন্ন কাৰণত আৰু অনেক সম্ভাৱনাপূৰ্ণ ছাত্ৰীয়ে নিজ নিজ প্ৰতিভা বিকাশ কৰিবলৈ অপাৰগ হৈ ৰ'ল।

১৯৯৩-৯৪ বৰ্ষত আন্তঃকলেজ ক্ৰীড়া প্ৰতিযোগিতাত আমাৰ কলেজৰ দলটিয়ে শ্ৰেষ্ঠদল হিচাপে পৰিগণিত হোৱা গৌৰৱ অৰ্জন কৰে। প্ৰতিযোগীসকলৰ ভিতৰত সৰ্বশ্ৰী মণিকা বৰুৱা, জ্যোতি গগৈ, বিনীতা দাস, মনীষা শইকীয়া, কোষেশ্বৰী দাসৰ নাম স্মৰ্তব্য।

কলেজৰ ক্ৰীড়া প্ৰতিযোগিতাসমূহ পৰিচালনা কৰাত যিসকল শিক্ষক-শিক্ষয়িত্ৰীয়ে সততে সক্ৰিয় সহযোগিতা আগবঢ়ালে তেখেতসকলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জনালো। সহযোগী ছাত্ৰী বান্ধৱীসকলৈ ধন্যবাদ জ্ঞাপন কৰিলো।

॥ জয়তু শিৱসাগৰ ছোৱালী কলেজ ॥

শ্ৰীকোষেশ্বৰী দাস
সম্পাদিকা, ক্ৰীড়া বিভাগ

প্ৰতিবেদনৰ আৰম্ভণিতে এচাম নৰৰূপী পিশাচৰ হাতত নিৰ্মমভাবে প্ৰাণ হেৰুৱাব লগা হোৱা আমাৰ কলেজৰ প্ৰথম বাৰ্ষিক স্নাতক শ্ৰেণীৰ ছাত্ৰী শ্ৰীমতী বিনীতা বৰুৱাৰ বিদেহী আত্মাৰ সদ্‌গতি কামনা কৰি শ্ৰদ্ধাঞ্জলি নিবেদিছো।

সামাজিক দায়িত্ববোধৰ খচমচনিত সঙ্গীত বিভাগৰ সম্পাদিকাৰ পদত অধিষ্ঠিত হৈ ছাত্ৰী বান্ধৱীসকলৰ আশা আকাঙ্ক্ষা কিমান দূৰ পূৰণ কৰিব পাৰিলো নাজানো, কিন্তু নিজৰ দায়িত্বত পৰা কামখিনি সুচাৰুৰূপে সমাপন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিলো। এই ক্ষেত্ৰত বিভাগীয় উপদেষ্টা মাননীয় শ্ৰীবুধিন্দ্ৰ নাথ মিশ্ৰ চাৰ, ছাত্ৰী একতা সভাৰ কাৰ্য্য-নিৰ্বাহকৰ সমূহ সদস্য / সদস্যা আৰু অন্যান্য ছাত্ৰী বান্ধৱীসকলৰ সহায়-সহযোগৰ বাবে কৃতজ্ঞতা প্ৰকাশিলো।

১৯৯৩-৯৪ বৰ্ষত সঙ্গীত বিভাগৰ সম্পাদিকা হিচাপে বিভাগটোৰ প্ৰয়োজনীয় সামগ্ৰী, বিশেষকৈ বাদ্যযন্ত্ৰসমূহৰ অভাৱ পূৰণত বিশেষ গুৰুত্ব আৰোপ কৰিছিলো। কিছু-মান বাদ্যযন্ত্ৰ অলপ মেৰামতি কৰি ব্যৱহাৰৰ উপযোগী কৰি তোলা হ'ল। বাদ্যযন্ত্ৰসমূহৰ সুৰক্ষাৰ বাবে এটি নিৰ্ভৰযোগ্য আলমাৰীৰ ব্যৱস্থাও কৰা হ'ল।

এই বছৰ কলেজৰ বাৰ্ষিক উৎসৱত (২১ জানুৱাৰীৰ পৰা ২৬ জানুৱাৰীলৈকে) বিভিন্ন গীত, বাদ্য, নৃত্য, নাট আদিৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে এখনি আকৰ্ষণীয় বিচিত্ৰানুষ্ঠানৰো আয়োজন কৰা হৈছিল। এই বছৰৰ শ্ৰেষ্ঠা গায়িকা ৰূপে নিৰ্বাচিত হয় শ্ৰীমতী নাজলি বেগম। তেওঁৰ উজ্বল ভৱিষ্যত কামনা কৰিলো। আমাৰ কাৰ্য্যকালৰ ভিতৰতে যোৱা ৫ নৱেম্বৰৰ পৰা ৭ নৱেম্বৰলৈ তিনিদিনীয়াকৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ যুৱ মহোৎসৱ নাজিৰা মহাবিদ্যালয় প্ৰাঙ্গনত অনুষ্ঠিত হয়। এই যুৱ মহোৎসৱত আমাৰ কলেজৰ ছাত্ৰীসকলে বিভিন্ন দিশত যি পাৰদৰ্শিতা প্ৰদৰ্শন কৰিলে সেইয়া সঁচাই প্ৰশংসনীয়। বিভিন্ন একক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি শ্ৰীঅৰ্চনা শৰ্মাই খেয়াল আৰু গজল বিষয়ত যথাক্ৰমে দ্বিতীয় আৰু তৃতীয়, গীতাৰ বাদনত শ্ৰীদীপাঞ্জলি দেৱীয়ে দ্বিতীয়, ভায়লিনত সংগীতা বৰঠাকুৰে দ্বিতীয় স্থান লাভ কৰে। শ্ৰীমনজ্যোতি নেওগে একক ঢোল বাদন, পেপাঁ আৰু গগনা প্ৰতিযোগিতাত বিশেষ পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হয়। প্ৰায় ৩৫ খন কলেজৰ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰা হুঁচৰি প্ৰতিযোগিতাত আমাৰ কলেজৰ ছাত্ৰীসকলে চমকপ্ৰদ বিহু প্ৰদৰ্শন কৰি শ্ৰেষ্ঠতাৰ ভিত্তিত প্ৰথম পুৰস্কাৰ লাভ কৰিব পৰাটো নিশ্চয় আমাৰ বাবে গৌৰৱৰ কথা। গুৱাহাটীৰ সন্দিকৈ ছোৱালী কলেজত সদৌ অসম মহিলা কলেজ সমূহৰ ছাত্ৰীসকলৰ সাংস্কৃতিক সমাৰোহতো আমাৰ কলেজৰ ছাত্ৰীয়ে যোগদান কৰিছিল। প্ৰতিযোগী সকলো ছাত্ৰীলৈ আমাৰ আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা থাকিল।

সামৰণিত কলেজৰ বাৰ্ষিক উৎসৱ উপলক্ষে অনুষ্ঠিত সংগীত প্ৰতিযোগিতা ও বিচাৰকৰ দায়িত্বত থাকি সহযোগ আগবঢ়োৱা সৰ্বশ্ৰী ৰাতুল কাকতী, মহেন্দ্ৰ হাজৰীকা, বিজুমণি দত্তবৰুৱালৈ আমাৰ কৃতজ্ঞতা জনালো। ছাত্ৰীসকলক বাদ্যযন্ত্ৰত সহায় কৰা সৰ্বশ্ৰী দয়াল দা, ধৰ্ম্ম দাদা, উৎপল দাদা আৰু কলেজৰ চতুৰ্থ শ্ৰেণীৰ চাকৰিয়াল শ্ৰীদেৱ কলিতা আৰু শ্ৰীশ্ৰীকান্ত বৰুৱাও আমাৰ শলাগৰ পাত্ৰ। তদুপৰি কলেজৰ মাননীয় অধ্যক্ষ, অধ্যাপক-অধ্যাপিকাসকল আৰু ছাত্ৰী বান্ধৱীসকললৈ সজ-পৰামৰ্শ আৰু সহায়-সহযোগৰ বাবে কৃতজ্ঞতা জনাই প্ৰতিবেদনৰ সামৰণি মাৰিছো। ইতি—

শ্ৰীমীনাক্ষি নেওঁগ
সম্পাদিকা, সঙ্গীত বিভাগ

# কৃতজ্ঞতাৰ শেৰাপাণ আগবঢ়াইছো

- কলেজৰ মাননীয় অধ্যক্ষ আৰু উপাধ্যক্ষ মহোদয়লৈ যি আলোচনীখন প্ৰকাশৰ ক্ষেত্ৰত সকলো স্তৰতে সজ পৰামৰ্শৰে আমাক বাধিত কৰিলে ;

- সক্ৰিয় ভাৱে সহযোগ আৰু সকলো প্ৰকাৰৰ দিহা পৰামৰ্শৰে আমাক সহায় কৰা সম্পাদনা সমিতিৰ উপদেষ্টা মণ্ডলী সৰ্বশ্ৰী সোণাৰাম বৰুৱা চাৰ, যমুনা বৰগোহাঞি আৰু মনোৱাৰা বেগম বাইদেউলৈ —

- প্ৰবন্ধ-পাতি, কবিতা, গল্প আৰু অন্যান্য লিখনিৰে যি সকল শিক্ষাগুৰু আৰু ছাত্ৰী বান্ধৱীয়ে আলোচনীখনি সমৃদ্ধ কৰিলে সেইসকললৈ —

- বেটুপাতৰ শিল্পী শ্ৰীমতী ৰুমা খাউণ্ড আৰু আলোচনীৰ ভিতৰৰ স্কেটচ অঙ্কন কৰা শিল্পী বান্ধৱী শ্ৰীবেবী কোঁৱৰলৈ—

- অতিথি কবি ঈশান দত্তলৈ —

- শুভাশীষ জনোৱা অধ্যাপক ইমৰাণ শ্বাহদেৱলৈ আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপিকা শ্ৰীকৰবী ডেকা হাজৰীকালৈ —

- যি সকল বান্ধৱীয়ে (তৃষ্ণা, প্ৰতিভা, মানশ্ৰী, গীতাৰ্থী, চন্দ্ৰমা, মনীষা, ইনু, শৰ্মিলা, বৰষা, ঋতু, বেবী, মৌচুমী) আলোচনীখনৰ কামত সকলো প্ৰকাৰে খাটি সহায় কৰিলে —

নন্দিতা গগৈ
সম্পাদিকা

# SIBSAGAR GIRLS' COLLEGE MAGAZINE

## ENGLISH SECTION

Session
1994-95

*Editor :*
**Nandita Gogoi**

# || CONTENTS ||


| | | |
|---|---|---|
| 1. | Status of Women and Demographic Behaviour : T. M. Baruah | Page –1 |
| 2. | Education for Good Citizenship : Shyamalima Dutta | 5 |
| 3. | The Role of Motivation in Education : Monjyoti Neog | 16 |
| 4. | Quiz Time : Surabhi Gogoi | 10 |
| 5. | Man (Poem) : Rimi Phukon | 17 |
| 6. | My Home : F. L. Ahmed | 18 |
| 7. | The Destitutes : Geetarthi Dutta | 18 |
| 8. | 'Burial' & 'Confession' : A. Hamid | 19 |
| 9. | Pain of Parting : Karabi Sensua | 20 |
| 10. | Eternal Truth : Baby Konwer | 20 |
| 11. | Painful Pleasure : Baby Konwer | 21 |
| 12. | Life : A Mirror : Jesmee Bora | 21 |
| 13. | Conservation of Emironment : Rita Mahapatra | 22 |
| 14. | Investment in Shares : Some Keynotes : Budhin Misra | 25 |
| 15. | On Mother Goddess Kamakhya : Mousumi Dowerah | 34 |
| 16. | Results of Annual College Week Festival & Competitions | 37 |

# Status of Women and Demographic Behaviour

Miss. Triptimallika Baruah
Deptt. of Economics

Status of women is one of the most vital factors in determining the size of a family and demographic situations in a society. In pure economic connotations the woman's status in her family shapes the form and structure of her family and affects the income and employment, the pattern of consumption and finally the level of living of the concerned family, which ultimately affects the rates of fertility, mortality, life expectancy and population behaviour.

By the term 'status', we refer to the various ascribed roles one has to play in a society. Here, in this paper, we have examined the status of Indian women in the light of four demographic indicators :- sex ratio, mortality rate, life expectaney at birth, and percentage of working women.

In recent years, significant changes have occured in the fields of education, occupation and status of women. After Independence the constitution of India declared equality in case of employment and promised to remove all barriers of women's progress. Still women are treated as secondary citizens and they are the target of social exploitation. Various demographic factors show that the status of women is

going down.

Sex Ratio : From the census data it is clear that sex retio has continued to decline even after Independence. The reasons for low sex ratio are as follows :

1) high female mortality
2) life expectation at birth is higher for males than for females
3) neglect of female babies
4) high maternal mortality
5) granting high status to men
6) poor condition of living which affect women more than men.

The data given below indicates the male death per 1000 females by age at deat

Age at death

| Years | 0-4 | 5-14 | 15-24 | 25-34 | 35-44 | 45-54 | above 55 |
|---|---|---|---|---|---|---|---|
| 1968 | 948 | 953 | 568 | 537 | 1083 | 1467 | 1146 |
| 1969 | 883 | 927 | 614 | 648 | 1201 | 1409 | 1160 |

Source : Demographic India Vol. IV, No 1, June 1975

The data highlights the fact that a large number of girls die within 4 yrs. of age, this is due to the neglect of girl babies. Again, more females die during the reproductive ages (25-34 yrs.), so maternal mortality is high in India. According to the Census of India, an Indian woman gives birth on an average 6. 6 children in 1950, 5 in 1981 and 4·5 in 1984. In this case, there is no difference between rural and urban areas. This has an adverse effect on the health of mother and thus maternal mortality is high. From this, it can be said that the country has a long way to go on the public health.

The lile expectancy rate has increased among women. The average life expectancy of women during the period 1976-80 is 52 yrs. In 1951 it was 31·66 in yrs., 1961— 40·55 yrs. In 1981-85 life expectancy at birth for both male and female was 55·4 yrs. for male and 55·7 yrs. for female. During the decade 1981-91, the female life expectancy at birth was higher than males. In 1986-88, it is 57 yrs. for male and 57·4 yrs. for female.

Education and employment are the two inputs which bring changes and raise the low status of women in Indian society. But this happens only to the few privileged women in urban areas. During the five year plans great emphasis has been given on girls' education. Yet enrolment of girls in schools is much lower than the boys. But for the development of the family and for the economy as a whole, education of women is very essential.

Education and employment opportunities for women give them an alternative to raise their social status. During the first half of the 20th century opportunities for Indian women to participate in economic activities increased at a slower rate as compared to the increase in total female population. A large majority of our women have always worked and continued to do so to help support to their families and not for their personal ambitions. Traditionally, womens' occupational status has been associated with home and family but after independence the proprotion of gainfully employed women has increased to some extent, though proportion of working women has remained more or less static. According to census data, there is a continuous decline in the total number of percentage of women workers in the total labour force over the last few decades. Again, there is an improvement in the proportion of total workers, main workers and marginal workers as percentage of total population during 1981-91. In the total work force in 1991, 28·57% are female and it was 25·89% in 1981, Among the main workers the proportion of female workers has increased from 20·30% in 1981 to 22·36% in 1991. During this period 1981-91, female workers in other services show significant increase 67·10%.

The census data shows the large concentration of women within the agricultural sector. There has been a decline in participation rates of women in non-agricultural sector; in 1981 it was 17·8%.

The status of women workers in India is very poor. Only 6% of the women workers get employment in organised sector, which provide certain protection, privilege in the way of better wages, more secure and humane working conditions, maternity relief and other welfare facilities. The remaining majority 94% are engaged in un-organised section with discrimination of wages, insecurity of employment and other exploitations. From this, we can easily realise that the status of women in India is very unhealthy.

The female-labour force participation rate is still low. The rate was 19·8% in 1981 and 22·27% in 1991. Whereas male participation rate was 52·62% in 1981. About 82% of the women are engaged in agriculture and allied activities in the rural areas.

Advancement of education and health status are the important determinants of their entry to non-agricultural activities. The clearest case is that of Kerala.

Anita Sarma in 'Modernisation and Status of Working Women in India' pointed out that the number of women employed in organised sector has increased by 56·2%. Out of 6% of the total workers, 2·7% was in industry, 3·3% in the services and professions in 1971. The proportion of women employed in the public sector increased from 35% to 47% while their share in the private sector declined from 65% to 52·8%. But at the same time some new professions employ women. Though it is difficult to give a correct profile of women workers, it seems that the female work participation rate is lower. But a change has occured in the occupational pattern of women.

Education and occupation have the direct impact on the change of attitude of the working women. Working women may develop a somewhat different outlook in life to bring a sense of confidence among women and economic independence bring a marked change in their outlook. Reduction of fertility rate is, therefore, essential to increase the women's participation rates in economic activity. Thus education determines most of the social and demographic behaviour.

The problem of poverty cannot be tackled without providing opportunities of productive employment to women. Productive employment provides necessary economic base and improve their social status.

The level of economic equality and independence are the real indicators to measure the status of women in any society. But in a society like ours, the status and position of women differ from region to region, caste to caste and from one occupation to another.

Now woman is no longer looked upon as child-bearing machine and harlot in the home.

# Education For Good Citizenship

Miss Shyamalima Dutta
B. A. 2nd year

"The foundation of every state is the education of its youth". Education is, thus, the most important constituent of good citizenship. It implies cultivation of the mind to make life tolerable and the acquisition of skill for making it possible. The strength of a nation lies more in the quality of its people than in its material resources. A nation of weaklings can neither attain nor retain its independence. The youth are the real wealth of the nation.

Education for citizenship is a life-long process. It begins at home before a child goes to school and continues even after one has attained the highest professional degrees. When education ceases, decay sets in, citizens become mere automations. A good citizen is democratically developed. He knows the democratic way of life. He knows and understands the value of his voice. He knows his duties and rights as a citizen of the state. Being a citizen of a democratic state he bows before the wish of the majority but when he sees the majority going astray he comes in the field to influence the community in going on the right direction, but he makes this struggle constitutionally and non-violently.

To-day the concept of a nation, previously influenced by feudal, religious, racial and cultural ties, is characterised by two

major attributes, viz, rational organisation and a commitment to development. Education in this direction is the firm foundation on which these two attributes are raised. This is so because only education provides the necessary wherewithal to equip citizens with knowledge, skills and attributes that go into the making of modern, rationally organised nations.

Education must, therefore, aim at providing future leadership from among the masses. It should aim at the pursuit of excellence. A democracy cannot function successfully unless all the people are trained for discharging their responsibilities, and this involves training in discipline as well as leadership. The educational system should increase civic as well as vocational efficiency and the qualities of character that go with it, so that they may be able to play their part worthily and competently in the improvement of national life. Education must produce good citizens, able to serve the country at all times and in all circumstances. The society at present is peculiar to a developing country like India. It is also a society peculiar to a very old civilisation. We are, thus, a synthesis of an old and glorious past, great cultural traditions and economic backwardness. Our education has to be oriented to meet the needs of this siciety. We must devise ways and means of regulating the system of education so that our young men and women should be trained to help our society to attain the goals of holding a belief in equal rights, benifits and opportunities for everybody enshrined in our constitution. Special emphasis should be placed on scientific and technical education so that the country is able to progress with a sound technical base. The prime duty of our men of science and technology is to transform this society of poverty into that of plenty. We must resolve to inculcate what Jawaharlal Nehru called a "Scientific temper" among our citizens, if we wish to progress.

Education must also try to

do away with age-old and baseless superstitions and beliefs. prejudices of easte, creed and sex can be eliminated through education. In short, education should try to develop a rational, objective and modern outlook among the citizens for their own good as well as of the country.

This can be done if the four problems faced by the system of education at present are rectified. They are democratisation of education, indiscipline among students, a gradual full in standards, and mounting unemployment among the youth of the country. Drastic action is immediately required in these areas in addition to keeping the students engaged in constructive activities so that they are politicised in their pursuit of goals in life.

The National Literacy Mission, launched in 1988, has done a commendable work in achieving 100 percent literacy in some regions of the country. The emphasis should then, be placed on education for citizenship on the same basis as "Each one, Teach one." This will help the spread of requirements of good citizenship to the grassroot level. Of added concern should be a respect for the environment, commitment to equality and observance of the small-family norm. The need of the hour is to reorganize our education on these lines.

Gandhiji said, "A sound education should produce useful citizens – whole men and whole women of boys and girls."

Mr. C. J. Varkey remarks : "The present system of education has completely ignored this genre of citizenship education. In modern India, citizenship is defined to become increasingly democratic in the social, economic and political life of the country and a system of national education must produce a new generation with opportunities of understanding its own problems and rights and obligations. For this purpose we need a completely new system of education that will secure at least minimum of education required for the intelligent exercise of rights and

duties of citizens. Moreover, an intelligent citizen must be able to repay in the form of some useful service what he owes to society as a member of an organized and civilized community."

Basic education will produce useful productive citizens. Because democracy without education is a meaningless term. Democracy in education means that education is the birth right of all individuals, that there should be no class-distinction in the field of education. "A government resting upon popular suffrage cannot be successful unless those who elect and who obey their governor are educated. The idea of free universal education is a strong pillar of democracy. It provides equal opportunities to all children to enrich themselves with the cultural wealth of their country. It makes them creative and productive members of democratic society. Basic education lays stress on training for citizenship. The scheme encourages co-operative activities and this lays the foundation of ideal citizenship. A useful productive world carried on in co-operation with other promotes the dignity and efficiency of the individual. It also develops a spirit of social service.

The problem of education for citizenship has grown into magnitude with the emergence of the state as a social organization.

To increase social efficiency of an individual is the main objective of socialisation. Social thinkers maintain that the aim of education is nothing but to increase the social efficiency. We may be reluctant to accept this extreme view but we must admit that social efficiency is of vital importance to education, especially in a modern democratic state.

In order to be a good citizen a child must have a good understanding of his rights and duties. A specific training is needed for this. He should know the working of political machineries. Civil education satisfies this need because it is imparted to turn out responsible citizens who will not only take active interest in public affairs

but use their intelligence in times of momentous decisions affecting common interests.

Intelligence, self-control and conscience are considered as the qualities of good citizenship. Intelligence is required in order to judge public affairs. In other words, we can say that there should be enough wisdom to choose right men for the various public affairs. He must possess self-control so that he may be able to subordinate his private interests to the interests of the nation. He must develop conscience so that he may be sincerely devoted to his duties, he may be truly inspired by a spirit of service to the nation.

In the way of good citizenship there come some hindrances. According to Lord Bryce, the most formidable of these obstacles is indolence to all public affairs. Everybody's business is generally looked upon as nobody's business. Everybody thinks that others will do it and so he becomes negligent. Some people avoid public life neglecting to cast his vote at the time of election. He thinks that the public affairs don't concern him. So he neglects to study the vital questions. Thus indolence of action leads to indolence of thought. Such widespread civic apathy makes good citizen impossible. Since nobody takes the trouble to keep watch over the activities of government, the system of administration degenerates. One more major hindrance is the pursuit of narrow self-interest. They don't care for the interests of the masses; they want to achieve personal gains and satisfy their selfish motives. Public life in this manner is corrupted.

These hindrances can only be removed by a planned programme of civic education. Our political leaders should realise the necessity of civic education. They should have, therefore, proper attention to the need of social education in order to get co-operation of people in the conduct of public enterprises.

( continued in page No. 12 )

# The Role of Motivation in Education

**Miss Monjyoti Neog**
**B. A. 2nd year (Arts)**

The term 'motivate' means to move to activity. Motives, therefore, may be defined as the dynamics or the "mainspring" of behaviour. Men do what they do because of motivation. Since the modification of behaviour – mental, physical and moral – is the prime concern of education, some knowledge of the sources of human behaviour is of utmost importance for the teacher.

The problem of motivation is viewed differently by the two most important Schools of psychology, namely Stimulus Response Associationists and the Gestaltist field theorists. This difference is the result of their contrasting conceptions regarding human life itself.

To the Associationists ( also called Connectionists ), man is an intricate machine. As such, his behaviour is mechanical. His responses forming his behaviour patterns are the result of conditioning of his mind. This conditioning takes place by a process of association between his mind and stimule. This conditioning is so strong that he cannot risist making responses whenever the relevant stimulus appears.

According to the Associationists, therefore, responses may be made reflex through a process of conditioning. Conditioning produces a series of learnt reflexes which, given the appropriate stim-

ulus, spring into action. The individual has no choice of response before him. Since the response has been "built into" his mind, he responds because he must. As behaviour is stimulus directed, it is not related to purpose of any kind. Human behaviour has no thought out goal. In other words, the Associationists do not attribute any motive to our behaviour.

The Gestaltists, on the other hand, hold the opinion that behaviour cannot be the result of merely past experiences. Nor do they consider behaviour as purposeless. For them behaviour is the result of a "total situation" — a "field". This field is constituted of psychological forces like memories, hopes, purpose and an interpretation of relevant physical objects and events present in the environment. Motivation is not an impulse to act aroused by a stimulus but the result of a dynamic psychological situation marked by a person's desire to do something.

According to Cestaltists, motivation is born of a tension within a life-space. A life-space includes goals and the barriers to the achievement of these goals. When an obstacle to the direct and immediate achievement of a goal appears, a person feels tension. He tries to get rid of this tension by overcoming the obstacle. Motivation may be defined from this point of view as a tendency to release tension by proceeding towards a goal, including the surmounting of the barriers in the way. This approach to motivation is situational. Motivation grows out of one's present life-space, the psychological forces working right then, while approach of the connectionists is historical — an attempt at explaining behaviour in terms of one's past experiences.

The S. R. Associationists 'theory of motivation has an important bearing on educational practice.' A child here does not have to 'want' to learn a subject. He does not have to feel the necessity of it. Hence has psychological involvement is not important. The teacher also is free from the

responsibilities of 'helping students see the point of learning'. The role of the teacher is to persuade the children to study a subject. He has to plan carefully which responses he wants his pupils to develop and then to induce these responses by associating them with appropriate stimuli.

The Associationists' explanation of behaviour does not seem to be satisfactory and complete. Their insistence on depriving behaviour of all purpose is not borne out by facts. There are many aspects of our behaviour which clearly indicate the existence of purpose behind them. The most obvious and significant behaviour from the point of view of teaching-learning is the behaviour of attending. At any given time, a person attends to one thing rather than another. He selects one thing out of the many in the environment for attending and ignores the others. On which basis does this selection take place ? Why at a particular time does one attend, for example, to a film-show rather than to the perusal of a novel ? The answer obviously is that human behaviour is purposive. It is guided by a purpose, in the case our present example, the purpose being mental relaxation.

Every teacher knows that the question of securing and directing his pupils' attention is of utmost importance. Teaching will fall flat if the pupils are not psychologically present in the class.

---

( contd. from page No. 9 )

Will the education of a subject like Civics in the syllabus be enough for the purpose of good citizenship ? We can say that although certain information regarding the working of the government and political machineries is essential, civic education like moral education is better caught than taught. It is caught when the educators and learners are engaged in co-operative activities and in such occupations as would develop the sense of shared responsibility. ●

Motivation, therefore, is essentially a problem not only of capturiug the pupils' attention, but also of sustaining it. Attention is notoriously fluting. It hardly stays fixed for five to six seconds. Therefore, it needs an adhesive to make it comparatively lasting. This can be done by linking it to the interests of the pupils. There is a very close connection between attention and interest, Some prefer them to call two sides of the same coin. Stout defines them thus : "Interest is latent attention, and attention is interest in action." Mc. Dougall has this to say of them. "To have an interest in any object is ..........to be ready to pay attention to it." The definations suggest that an interest is more or less a permanent disposition in the mind towards an object or an idea of an object. Thus interests are disposition in the mind which predispose an organism to react in a certain way. Being interested is an enduring quality of the subject. The teachers' task, therefore, should be to impart this endurance to the fleeting attention by appealing to the interests of the pupils. Teaching activities, if related to the interests of the pupils, become interesting and highly fruitful, for interests mean ideas or things that matter of concern us. The theory of interest thus invests thus inversts our behaviour with purpose.

Now, the basic interests of a man are his instincts and sentiments. Instincts are innate but sentiments are aquired. Sentiments grow in the service of the instincts. Hence to begin with, the teacher should appeal to the instinctive interests of the pupils — the instincts of curiosity, construction and self-assertion should be profitably utilized. An appeal to these instincts will automatically motivate the pupils. Since sentiments are product of a later stage of mental development, appeal to sentiments should be made in later years. From lower secondary stage onwards interests supported by sentiments should be exploited, though a start in this respect may be

made earlier. Mere feeding on facts is not motivating; what is required is the creation of an emotional attachment between the pupils and the subjects taught. A love sentiment for the subjects of study should be created. This sentiment can be grown by illustrating the teaching material by citing examples from those aspects of the pupils' lives in which they are deeply interested. Interest is the greatest word in education. Once we succeed in arousing the pupils interest, the teaching learning process will become a pleasant adventure.

